# জাগীৰোড মহাবিদ্যালয় আলোচনী

২০১২-২০১৩ বৰ্ষ



তত্বাৱধায়ক
ড° দীপকজ্যোতি বৰুৱা
পঙ্কজ শ্যাম

সম্পাদক
বৰ্ণালী চৌধুৰী




Members of the Teaching and Non - Teaching Staff

# জাগীৰোড মহাবিদ্যালয় আলোচনী
# ২০১২-২০১৩ বৰ্ষ

## *Jagiroad Mahavidyalaya Alochani*
## 2012-2013




তত্বাৱধায়ক

**ড° দীপকজ্যোতি বৰুৱা**

**পঙ্কজ শ্যাম**

সম্পাদক

**বৰ্ণালী চৌধুৰী**

'JAGIROAD MAHAVIDYALAYA ALOCHANI': Annual Magazine of Jagiroad College, Edited by Barnali Choudhury and Published by Jagiroad College Students' Union, Jagiroad College, Jagiroad, Morigaon (Assam) for the Session- 2012-2013

# জাগীৰোড মহাবিদ্যালয় আলোচনী, ২০১২-২০১৩ বৰ্ষ

## সম্পাদনা সমিতি

সভাপতি
ড° ভবেন চন্দ্ৰ নেওগ, অধ্যক্ষ

তত্ত্বাৱধায়ক
ড° দীপকজ্যোতি বৰুৱা
পংকজ শ্যাম

অধ্যাপক সদস্য
ড° খগেন শৰ্মা
ৰঞ্জু গগৈ চুতীয়া
উৎপল ৰাজগুৰু
আনন্দ ৰাম বুঢ়াগোঁহাই

সম্পাদক
বৰ্ণালী চৌধুৰী

প্ৰতিনিধি সদস্য
অংকুৰিমা শৰ্মা
দীপশিখা বুঢ়াগোঁহাই

অক্ষৰ বিন্যাস
মনজিৎ

মুদ্ৰণ ঃ শ্ৰীগণেশ প্ৰিন্টাৰ্ছ, নুনমাটি, গুৱাহাটী-৭৮১ ০২০
ফোন ঃ ৯৭০৭০১০৮৮৯, ৯৮৬৪১১১৬৫৯

## মহাবিদ্যালয় সঙ্গীত

স্বাগতম্ স্বাগতম্ স্বাগতম্
কলং কপিলী কিলিং
এই ত্ৰিবেণীতে

আঁহা আজি সবে মিলি
বোটলোঁ জ্ঞানৰ মুকুতা
বিনাশো এন্ধাৰ কালিমা

আমাৰ যাত্ৰাৰ শেষ নাই
দুৰ্বাৰ যাত্ৰা
জ্ঞান সূৰুযৰ জ্যোতিত আমাৰ
জিলিকে আশা
ডঙ্কা বজোৱা আকাশ নিনাদি
শঙ্কা নাশা
আ............................
ৰিক্ত পৃথিৱী সিক্ত কৰো
নতুন দিনক দুহাতে আদৰো
হাততে মিলাওঁ হাত, হিয়াতে মিলাওঁ হিয়া
যি আছে বন্ধু, বিলাই দুহাতে দিয়া
স্বাগতম্ স্বাগতম্ স্বাগতম্ স্বাগতম্

পাহাৰৰ চূড়া জিলিকে শ্যামল
পৰিলে তাতে সোণালী কিৰণ
সৃষ্টি সমল লওঁ তাৰে পৰা
উজ্বলাওঁ ইখনি এন্ধাৰ ধৰা
স্বাগতম্ স্বাগতম্ স্বাগতম্ স্বাগতম্।

ৰচনা ঃ মহেন্দ্ৰ আহোম
সুৰকাৰ ঃ পবন চন্দ্ৰ গগৈ



শ্ৰদ্ধাঞ্জলি

# স্বৰ্গীয় নন্দলাল উপাধ্যায়

(জন্ম ঃ ৫ মে' ১৯৩৩, মৃত্যু ঃ ১৮ ফেব্ৰুৱাৰী ২০১৩)

জাগীৰোড মহাবিদ্যালয় (পূৰ্বৰ 'কপিলী আঞ্চলিক মহাবিদ্যালয়')খনিৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত যি গৰাকী উদ্যমী শিক্ষানুৰাগী সমাজকৰ্মীৰ বলিষ্ঠ পদক্ষেপৰ অৰিহণাই আছিল সৰ্বাধিক, যি গৰাকী ব্যক্তিয়ে মৃত্যু পৰ্যন্ত মহাবিদ্যালয়খনিক সম্পূৰ্ণ অভিভাৱকৰ দৰে গাৰ ছাঁ দি লালন-পালন কৰিছিল, যিগৰাকী ব্যক্তিয়ে বিভিন্ন সময়ত মহাবিদ্যালয়খনিৰ পৰিচালনা সমিতিৰ সভাপতি হিচাপেই হওক কিম্বা সদস্য হিচাপেই হওক, শিক্ষানুষ্ঠানখনিৰ সামগ্ৰিক উন্নতিত অহৰহ নিজকে বিলীন কৰি ৰাখিছিল, অঞ্চলটোক সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত উজ্বলাই ৰখাৰ ক্ষেত্ৰত নিৰন্তৰ নেতৃস্থানীয় ভূমিকা গ্ৰহণ কৰি গৈছিল, যোৱা ১৮ ফেব্ৰুৱাৰী তাৰিখে সেই বিৰল ব্যক্তিত্বৰ ব্যক্তি গৰাকীক হঠাতে হেৰুৱাই অঞ্চলটোৰ লগতে এই শিক্ষানুষ্ঠানখনিৰ পৰিয়ালটোৰ প্ৰতিগৰাকী সদস্যই নিঠৰুৱা অনুভৱ কৰিছে।

'জাগীৰোড মহাবিদ্যালয় আলোচনী'ৰ এই সংখ্যাৰ সম্পাদনা সমিতিয়ে মহাবিদ্যালয়ৰ সমূহ সদস্যৰে হৈ তেখেতৰ বিদেহী আত্মাৰ শান্তিৰ হকে ভগৱানলৈ প্ৰাৰ্থনা জনাই তেখেতৰ স্মৃতিত গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।



# শোকাঞ্জলি

২০১৩ বৰ্ষটোতে জাগীৰোড মহাবিদ্যালয়ে হেৰুৱাবলগীয়া হ'ল দুগৰাকী সতীৰ্থক। ১৬ আগষ্টৰ দিনা আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে হেৰাই গ'ল ড° জ্যোতিৰ্ময় দাস চৌধুৰী। ভূগোল বিভাগৰ অধ্যাপক ৰূপে তেখেতে মাথোঁ চাৰিবছৰ আগতেহে অৱসৰ গ্ৰহণ কৰিছিল। মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰে পৰা শিক্ষানুষ্ঠানখনিৰ লগতে সমগ্ৰ অঞ্চলটোৰে বহুতো দিশত বহু মূল্যবান অৰিহণা আগবঢ়াওঁতা মহান শিক্ষক তথা সমাজসেৱী গৰাকীক হঠাতে হেৰুৱাবলৈ পাই ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীবৃন্দ আটাইয়ে নিঠৰুৱা অনুভৱ কৰিছে।

সৌ সিদিনা ৩ ডিচেম্বৰ তাৰিখে আমাৰ মাজৰ পৰা হেৰাই গ'ল মহাবিদ্যালয়ৰ এগৰাকী জ্যেষ্ঠ কৰ্মচাৰী (উচ্চ বৰ্গ সহায়ক) আৰু শিক্ষানুষ্ঠানখনিক প্ৰতিষ্ঠা কালৰে পৰা সেৱা কৰি অহা আমাৰ আটাইৰে প্ৰিয় আৰু শ্ৰদ্ধাৰ মন্টু কুমাৰ বৰদলৈ। পৰিশ্ৰমী তথা সেৱানিষ্ঠ এইগৰাকী কৰ্মচাৰীৰ পৰলোকপ্ৰাপ্তিতো সমানেই নিঠৰুৱা অনুভৱ কৰিছে মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গই।

দুয়োগৰাকী ব্যক্তিৰে মৃত্যুত ম্ৰিয়মান শিক্ষানুষ্ঠানখনিৰ সতে জড়িত সকলোৰেই তেখেতসকলৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ জনাইছে গভীৰ সমবেদনা।

এই বৰ্ষতে আমাৰ মাজৰ পৰা হেৰাই গ'ল তিনিগৰাকী চফল ডেকা ছাত্ৰ। মহাবিদ্যালয়ৰ কলা শাখাৰ বুবু দাস, প্ৰাক্তন ছাত্ৰ শ্ৰৱন কুমাৰ ডেকা আৰু বিজ্ঞান শাখাৰ ৰেকিব হুচেইনৰ অকাল বিয়োগত মহাবিদ্যালয় পৰিয়ালৰ সমূহ সদস্যই অনুভৱ কৰিছে দুখ, বেদনা, হুমুনিয়াহ। তেওঁলোকৰ বিদেহী আত্মাই পৰমেশ্বৰৰ কোলাত শান্তি লাভ কৰক - এয়েই আমাৰ অন্তৰৰ গভীৰ আকূতি।

**সম্পাদনা সমিতি**

**ড° ভবেন চন্দ্ৰ নেওগ**
অধ্যক্ষ
জাগীৰোড মহাবিদ্যালয়



# অধ্যক্ষৰ একাষাৰ

জাগীৰোড মহাবিদ্যালয় পৰি য়াল সদস্যৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি পাবলৈ ধৰিছে। ১৯৭৯ চনত এমুঠিমান ছাত্ৰ-ছাত্ৰীৰে কলা শাখা আৰম্ভ কৰা মহাবিদ্যালয়খন বৰ্তমান কলা, বিজ্ঞান আৰু বাণিজ্য তিনিওতা শাখাৰ লগতে টুৰিজিম আৰু কম্পিউটাৰৰ স্নাতকোত্তৰ পাঠ্যক্ৰমেৰে প্ৰায় ২২০০ ছাত্ৰ-ছাত্ৰীৰ এক বৃহৎ পৰিয়াল। মধ্য অসমৰ প্ৰাণ কেন্দ্ৰত অৱস্থিত মহাবিদ্যালয় এখনৰ ওপৰত এই বৃহত্তৰ অঞ্চলটোৰ জনসাধাৰণৰ আশা আকাংখ্যাক সঠিক ৰূপত প্ৰতিফলিত কৰিবলৈ হ'লে প্ৰকৃততে সময়োপযোগী আৰু ন-ন আধুনিক বিষয় মহাবিদ্যালয়খনত অৰ্ন্তভুক্ত কৰাৰ প্ৰয়োজনীয়তা আছে। এই প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰিয়েই মহাবিদ্যালয় খনত ২০১৩-১৪ শিক্ষাবৰ্ষৰ পৰা বাণিজ্যৰ স্নাতক পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে যত বৰ্তমান ৯০ জন ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি আছে। তদুপৰি স্থানীয় বিদ্যালয় সমূহক পৰ্যায়ক্ৰমে উচ্চতৰ মাধ্যমিক স্তৰলৈ উন্নিত কৰাৰ চৰকাৰী আঁচনিৰ লগত ৰজিতা খুৱাই বিদ্যালয় সমূহৰ জেষ্ঠ্য-কণিষ্ঠ আগ্ৰহী শিক্ষক সকলক স্নাতকোত্তৰ পাঠ্যক্ৰমৰ সুবিধা দিয়াৰ মানসেৰে তথা অঞ্চলটোৰ বৃহৎ সংখ্যক স্নাতক উত্তিৰ্ণ ছাত্ৰ-ছাত্ৰী উচ্চ শিক্ষাৰ পৰা বঞ্চিত হোৱাৰ বেথা অনুভৱ কৰিয়েই মহাবিদ্যালয় খনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ আইডলৰ (IDOL-GU) এটা অধ্যয়ন আৰু পৰীক্ষা কেন্দ্ৰ ২০১২-১৩ শিক্ষাবৰ্ষৰ পৰা আৰম্ভ কৰা হৈছে যত বৰ্তমানে ২৫০ জনতকৈও অধিক শিক্ষাৰ্থীয়ে স্নাতকোত্তৰ পাঠ্যক্ৰম গ্ৰহণ কৰি আছে। আগন্তুক দিনবোৰত প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি মহাবিদ্যালয় খনত নতুন নতুন অগতানুগতিক পাঠ্যক্ৰম আৰম্ভ কৰাৰ মনস্থ কৰা হৈছে। দৈনন্দিন পাঠ্যক্ৰমৰ উপৰিও বিগত সময় ছোৱাত আনুসংগীক শিক্ষাৰ বাবে আমি গ্ৰহণ কৰা কিছু সঠিক সিদ্ধান্তৰ ফল আমাৰ ছাত্ৰ-ছাত্ৰী সকলে পাইছে বুলি অনুমান হয়। ২০১৩ বৰ্ষৰ গ্ৰীষ্মৰ বন্ধত বিভিন্ন প্ৰতিযোগীতামূলক পৰীক্ষাৰ বাবে ছাত্ৰ-ছাত্ৰী সকলক প্ৰস্তুত কৰাৰ মানসেৰে পেছাদাৰী প্ৰশিক্ষকৰ দ্বাৰা বিশেষ প্ৰশিক্ষণ আৰু ছোৱালীৰ আত্ম প্ৰতিৰক্ষাৰ বাবে আন্তৰাষ্ট্ৰীয় খেলুৱৈ তথা প্ৰশিক্ষক মানস নাথৰ দ্বাৰা কেৰাটেৰ বিশেষ প্ৰশিক্ষণ, ইংৰাজী কোৱাৰ দক্ষতা বৃদ্ধি কৰাৰ বাবে কমিউনিকেটিভ ইংৰাজীৰ পৰীক্ষাগাৰ ব্যৱস্থাযুক্ত বিশেষ পাঠ্যক্ৰম আদি গ্ৰহণ কৰাৰ ফলতে হয়টো অসম চৰকাৰে গান্ধী জয়ন্তী উপলক্ষে জিলাভিত্তিত মৰিগাঁও কলেজত অনুস্থিত কৰা কুইজ প্ৰতিযোগিতাৰ জ্যেষ্ঠ আৰু কণিষ্ঠ দুয়োটা শিতানতে আমাৰ মহাবিদ্যালয়ৰ দুটা দলে প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হৈছে। তদুপৰি জিলা ভিত্তিত অনুস্থিত হোৱা কেৰাটে প্ৰতিযোগিতাত কেইবাটাও শিতানত প্ৰথম, দ্বিতীয় স্থান দখল কৰি আমাক গৌৰৱান্বিত কৰিছে। এইবোৰৰ উপৰিও মহাবিদ্যালয়ৰ এন.চি.চি. গোটৰ জিলাৰ সদৰত স্বাধীনতা দিৱস আৰু গণতন্ত্ৰ দিৱসত দুবাৰকৈ শ্ৰেষ্ঠ দলৰ সন্মান লাভ, অসমৰ মহাবিদ্যালয় সমূহৰ ভিতৰত ছাত্ৰী নাৰ্জু বেগমৰ শ্ৰেষ্ঠ কবিতাৰ স্থান লাভ আদি খবৰ বোৰে আমাৰ প্ৰচেষ্টাক উদ্গনি যোগাইছে। অৱশ্যে অসম চৰকাৰৰ শিক্ষা বিভাগৰ দ্বাৰা গ্ৰহণ কৰা সময়োপযোগী আৰু দূৰদৰ্শী সিদ্ধান্তৰ কথা এইক্ষেত্ৰত স্বীকাৰ কৰিবই লাগিব। মহাবিদ্যালয়ৰ আলোচনী প্ৰকাশ, শৈক্ষিক ভ্ৰমণৰ বাবে আৰ্থিক অনুদান, ক্ৰীড়া প্ৰতিযোগীতাৰ বাবে অনুদান আদি যোগাত্মক পদক্ষেপ সমূহে ইয়াত নিশ্চিত ভাবে অৰিহণা যোগাইছে। এই সংখ্যাৰ আলোচনী খনৰ প্ৰকাশ কৰাৰ এটা অংশ উক্ত চৰকাৰী অনুদানেৰে প্ৰকাশ কৰা হৈছে আৰু ইয়াৰ বাবে আমি মহাবিদ্যালয় পৰিয়ালে মাননীয় মূখ্যমন্ত্ৰী তৰুণ গগৈ নেতৃত্বাধীন অসম চৰকাৰৰ শিক্ষা বিভাগক ধন্যবাদ জনাইছো। আশা কৰো চৰকাৰৰ এনে সিদ্ধান্ত আগলৈকো বাহাল ৰাখি অসমৰ শিক্ষা জগতক নতুন পোহৰেৰে আলোকিত কৰিব আৰু নতুন চামক অধিক আগ্ৰহী কৰি তুলিব।

**ড° ভবেন চন্দ্ৰ নেওগ**

# সম্পাদকীয়





সাম্প্ৰতিক সময়ত আমাৰ ৰাজ্যখনৰ শিক্ষাখণ্ডই এক ধৰণৰ চৰম প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। মানসম্পন্ন শিক্ষাব্যৱস্থা এটাৰ প্ৰতিস্থা নোহোৱা হেতু প্ৰতিবছৰে ৰাজ্যখনৰ এক বুজন সংখ্যক মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰী তেওঁলোকৰ নিৰ্বাচিত বিষয়সমূহত অধ্যয়ণকল্পে ৰাজ্যখনৰ বাহিৰলৈ ঢাপলি মেলিবলৈ বাধ্য হৈছে। 'ব্ৰেইন্ ড্ৰেইন'ৰ এনে এক পৰিস্থিতিৰ পৰা উদ্ধাৰ পোৱাৰ বাবে ৰাজ্য চৰকাৰে শিক্ষা-সংস্কাৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে আৰু এই দিশত চৰকাৰ আৰু জনসাধাৰণে মিলি নিৰলস প্ৰচেষ্টা অব্যাহত ৰাখিলে নিশ্চয় এক অধিক ফলপ্ৰসূ আৰু সৰল শৈক্ষিক পৰিবেশ এটা আমাৰ ইয়াতো এদিন প্ৰতিস্থা হ'বগৈ। ৰাজ্যখনত অধিক উৎকৃষ্টমানৰ শিক্ষানুষ্ঠান প্ৰতিস্থাৰ দিশত চৰকাৰী আৰু বেচৰকাৰীভাৱে উদ্যোগ গ্ৰহণ কৰাটোও নিশ্চয় হ'বগৈ এই দিশত ল'বলগীয়া এক অন্যতম ব্যৱহাৰিক পদক্ষেপ।

শিক্ষানুষ্ঠান একোখনৰ মূল চালিকা শক্তিয়েই হ'লগৈ ছাত্ৰ-ছাত্ৰীসকল, কিন্তু উচ্চ শিক্ষাৰ্থে একোখন মহাবিদ্যালয়ৰ চৌহদত ভৰি দিয়াৰ পিছত ছাত্ৰ-ছাত্ৰীসকলৰ একাংশৰ আচৰণত বৰ্তমান সময়ত কেতবোৰ অদ্ভুত পৰিবৰ্তন ঘটা পৰিলক্ষিত হৈছে। 'সময়ৰ পৰিবৰ্তন' বুলিয়েই এনেবোৰ অস্বাভাৱিক কথাৰ গুৰুত্বক উপলব্ধি নকৰাটো সমাজখনৰ বাবেই ক্ষতিকাৰক বুলি এদিন বিবেচিত হ'ব। ৰাজ্যখনৰ উচ্চ শিক্ষাৰ্থীসকলৰ মাজৰ এক বুজন অংশই বিশ্বায়নে লৈ অহা বিকৃত মানসিকতাৰ দ্বাৰা নিজকে বলী হ'বলৈ এৰি দি গোটেই সামাজিক বাতাৱৰণটোকেই দুষিত কৰিবলৈ ওলোৱা যেন অনুভৱ হৈছে। তেওঁলোকে বিশেষ অধ্যৱসায় নকৰাকৈয়ে, জীৱনৰ বাস্তৱ অভিজ্ঞতাসমূহৰ ওচৰ নচপাকৈয়ে শিক্ষাজীৱনটো পাৰ কৰি দিয়াৰ প্ৰৱণতা এটাক মূৰত তুলি লৈছে। তেওঁলোকে যেন মাথোঁ 'উপভোগ'ৰ সাধনাতহে ব্ৰতী। এটা সময় আছিল, যেতিয়া উচ্চ শিক্ষানুষ্ঠানসমূহৰ চৌহদৰ ভিতৰৰ পৰাই সৃষ্টিৰ সোপান লাভ কৰি বহু লেখক-লেখিকাই, শিল্পীয়ে পিছলৈ সামাজিক প্ৰেক্ষাপটত অধিক স্বীকৃতি বুটলিবলৈ সক্ষম হৈছিল। শিক্ষানুষ্ঠানসমূহ হৈ পৰিছিল সৃজনী প্ৰতিভাৰ কমাৰশাল স্বৰূপ। কিন্তু সাম্প্ৰতিক সময়ত ইয়াৰ বিপৰীতে এনেকুৱা এক পৰিৱেশৰ সৃষ্টি হৈছে যে এক বুজন সংখ্যক ডেকা-ডেকেৰীয়ে পৰিশ্ৰম নকৰাকৈয়ে কেৱল প্ৰযুক্তি-প্ৰদত্ত উপভোগৰ সামগ্ৰীসমূহৰ আলমতে জীৱনটো 'উপভোগ' কৰাৰ ফালে ধাৱিত হোৱা পৰিলক্ষিত হৈছে। মহাবিদ্যালয় চৌহদবিলাকত আজি সূক্ষ্মৰুচিৰ সৃষ্টিশীল উজ্জ্বল প্ৰতিভাৰ ডেকা-ডেকেৰীৰ বাৰুকৈয়ে অভাৱ ঘটিছে। আন এচামে আকৌ বহু ক্ষেত্ৰত নিজৰ জীৱনীশক্তিখিনি 'কেৰিয়াৰ' গঢ়াৰ নিজস্ব মানসিকতাতেই বিসৰ্জন দিবলৈ ওলাইছে আৰু এইদৰেই তেওঁলোকৰ মেধাশক্তিৰ পৰা সমাজখনে অধিক একো আশা কৰিব নোৱাৰা অৱস্থা এটাৰ সৃষ্টি হৈছে। সমাজত এনেকৈয়ে নতুন চামৰ এক প্ৰভূত অংশ গণ-বিচ্ছিন্ন হ'বলৈ ওলাইছে আৰু এনে এক প্ৰৱণতা আমাৰ ভৱিষ্যতৰ বাবেই নিশ্চয় এক সুখকৰ প্ৰৱণতা হ'ব নোৱাৰে।

লগতে আৰু এটা কথা। দেশৰ শিক্ষানীতিসমূহৰ ক্ষেত্ৰতো বহু আসোঁৱাহ আছে। ভাৰতবৰ্ষৰ দৰে

এখন ৰাষ্ট্ৰই  শিক্ষাক ভোগবাদী দৃষ্টিভংগীৰে গ্ৰহণ কৰাটো কিমান সমীচিন হৈছে - এই বিষয়ত অধিক বিতৰ্ক তথা আলোচনাৰ আৱশ্যক হৈছে। শিক্ষাৰ বাণিজ্যিকৰণৰ পথটো বিপদসংকুল - কথাটো নিশ্চয় সময় থাকোঁতেই  ভাবি চাবলগীয়া। দেশখনে স্বাধীনতাৰ পঁয়ষষ্ঠি বছৰৰ পিছতো শিক্ষাখণ্ডত বিশেষ উৎকৰ্ষ সাধন কৰিব পৰা নাই। ভাৰতৰ সাক্ষৰতাৰ বৰ্তমানৰ হাৰটো হ'লগৈ ৭৪ শতাংশ। যোৱা পাঁচটা বছৰৰ ভিতৰত বিদ্যালয়ত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আগতকৈ বাঢ়ক চাৰি কমিছেহে।

আমাৰ ৰাজ্যখনৰ শিক্ষাব্যৱস্থাটোৰ ওপৰত বুদ্ধিজীৱী, শিক্ষাবিদ আৰু ছাত্ৰ-সংগঠনসমূহে  একত্ৰিত হৈ ন-কৈ চিন্তা চৰ্চা আৰম্ভ কৰাটো এতিয়া আজিৰ সময়ৰে এক অন্যতম দাবী। আমাৰ শিক্ষানুষ্ঠানসমূহত বুৰঞ্জী আৰু ভূগোল বিষয় দুটাক ধোঁৱাচাঙত তুলি থোৱাৰ উদ্দেশ্য তথা অৰ্থ কি হ'ব পাৰে? নিজৰ চৌপাশৰ বিষয়ে, নিজৰ দেশ আৰু জাতিৰ অতীত সম্পৰ্কে আজিৰ শিক্ষাৰ্থীয়ে জ্ঞান লাভ কৰিব নালাগে নেকি? বুৰঞ্জীৰ পাতত  থকা অতীতৰ বীৰত্বব্যঞ্জক কাহিনীবোৰ, লগতে ভূগোলৰ পাতত থকা মাটি-পানী-বায়ুৰ লগত সম্যক জ্ঞানৰ পৰা নিজকে বঞ্চিত কৰি একোটা প্ৰজন্মক কেনেকৈ আগলৈ আগুৱাই নিব পাৰে? আজিৰ শিক্ষাব্যৱস্থাইনো এনেবোৰ আসোঁৱাহ মূৰত তুলি লৈ গতিশীল ছন্দ আৰু চেতনাৰে, আধুনিক দৃষ্টিৰে কেনেকৈ উত্তৰ পুৰুষক বাট দেখুৱাবলৈ সক্ষম হ'ব - সেয়া নিশ্চয় আজিৰ সময়ৰে এক অতিকৈ প্ৰাসংগিক দুঃশ্চিন্তা।

**কৃতজ্ঞতাৰ একাষাৰ ঃ-** 'জাগীৰোড মহাবিদ্যালয় আলোচনী'ৰ এই সংখ্যাটি সময়মতে সকলোৰে হাতত তুলি দিবলৈ  সক্ষম হোৱাৰ মূলতে বহুতৰেই নাম ল'ব লাগিব। এনে এখনি আলোচনীৰ সম্পাদকৰ দায়িত্ব আমাক প্ৰদান কৰা বাবে প্ৰথমতেই নিশ্চয় মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীবন্ধুলৈকে মোৰ ধন্যবাদ জ্ঞাপন নকৰিলে মোক অকৃতজ্ঞতাৰ দোষে চুব। আলোচনীখনৰ প্ৰকাশনৰ দিশত হাতে-কামে দিহা-পৰামৰ্শ দিয়াৰ লগতে আন প্ৰায় সকলো দিশেই চাই -চিতি দিয়াৰ গধুৰ দায়িত্ব কান্ধত তুলি লোৱা তত্ত্বাবধায়কদ্বয় তথা আমাৰ পূজনীয় শিক্ষাগুৰু ড° দীপকজ্যোতি বৰুৱা চাৰ আৰু শ্ৰীযুত পংকজ শ্যাম চাৰৰ ওচৰত আমি চিৰঋণী হৈ ৰ'লো। আলোচনীখনৰ প্ৰকাশৰ দিশত বিশেষ প্ৰেৰণা আৰু উৎসাহ দাতা - আমাৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় - ড° ভবেন চন্দ্ৰ নেওগ চাৰলৈকো কৃতজ্ঞতা আগবঢ়ালোঁ। অন্যান্য দিহা-পৰামৰ্শৰে আমাক সততে সহায় কৰি থকা সম্পাদনা সমিতিৰ সদস্যসকল, অক্ষৰ বিন্যাসৰ বাবে মনজিৎ দাদালৈকো থাকিল আমাৰ বিশেষ কৃতজ্ঞতা। গুৱাহাটীৰ নুনমাটিৰ শ্ৰীগণেশ প্ৰিণ্টাৰ্ছৰ স্বত্বাধিকাৰী আৰু কৰ্মচাৰীবৃন্দই আমাৰ এই আলোচনীখনিক কায়িক গঢ় দি খুব কম সময়ৰ ভিতৰতে আমাৰ হাতত তুলি দিয়াৰ বাবে তেখেতসকললৈ থাকিল অশেষ ধন্যবাদ। আলোচনীখনলৈ প্ৰবন্ধ-পাতি আগবঢ়াই আমাৰ এই প্ৰয়াসক সাফল্যমণ্ডিত কৰি তোলাৰ বাবে সকলো লিখক-লেখিকালৈ ধন্যবাদ তথা কৃতজ্ঞতা আগবঢ়ালোঁ, লগতে আলোচনীখনত ৰৈ যাব পৰা যিকোনো ত্ৰুটি-বিচ্যুতিৰ বাবেও ক্ষমাপ্ৰাৰ্থী হৈ ৰ'লোঁ।

জয়তু জাগীৰোড মহাবিদ্যালয়।

**বৰ্ণালী চৌধুৰী**

সম্পাদক, আলোচনী বিভাগ

# সূচীপত্ৰ


- প্ৰবন্ধ ॥ ১১ - ৫৪
- গল্প ॥ ৫৭ - ৬৩
- কবিতা ॥ ৬৯ - ৮১
- English Section ॥ ৮৫ - ১১৯
- Career ॥ ১২০ - ১২৪
- Our Tearful Homage ॥ ১২৫ - ১২৬
- ভ্ৰমণ ॥ ১২৭ - ১৩৩
- আত্মলেখা ॥ ১৩৪ - ১৪৪
- নন্দলাল উপধ্যায়ৰ পৱিত্ৰ স্মৃতিত ॥ ১৪৫ - ১৪৭
- গভীৰ শূন্যতা ॥ ১৪৮
- বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদন ॥ ১৪৯ - ১৫৮

# প্ৰবন্ধৰ শিতান


- জাগীৰোড মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ/ বাবুল মালাকাৰ ॥ ১১ ॥
- ৰজনীকান্ত বৰদলৈৰ উপন্যাসত অসমীয়া সমাজৰ প্ৰতিফলন/ জ্যোতিৰাণী বৰা ॥ ১৪ ॥
- বিহু গীতত অসমীয়া জনজীৱনৰ প্ৰতিফলন/সমন্বিতা বৰা ॥ ১৮ ॥
- স্মৃতিৰ মণিকোঠাত জাগীৰোড মহাবিদ্যালয়/ স্যমন্তমণি বৰদলৈ ॥ ২১ ॥
- অসমৰ মিচিং জনগোষ্ঠীৰ পঃৰাগ উৎসৱ আৰু মুৰংঘৰঃ এটি অধ্যয়ন/কণিমা পাঠক ॥ ২৪ ॥
- বিহু ঃ এটি চিন্তা/ সংগীতা কলিতা ॥ ২৭ ॥
- এগৰাকী মহিয়সী নাৰী মাদাৰ টেৰেছা/ নিৰুপমা পাল ॥ ২৮ ॥
- ক্ৰাইম এণ্ড পানিশ্বমেণ্ট সামাজিক মূল্যবোধৰ এক নিৰ্মম বিশ্লেষণ/ ড° ইনিচি চৌধুৰী মহন্ত ॥ ২৯ ॥
- হীৰেন ভট্টাচাৰ্যৰ কবিতাত জীৱনৰ চিত্ৰ/ পংকজ শ্যাম ॥ ৩২ ॥
- সৰ্বধৰ্ম সমন্বয়ক স্বামী বিবেকানন্দ/ ইন্দ্ৰানী ভট্টাচাৰ্য ॥ ৩৮ ॥
- এখনি আদৰ্শ কলেজ আৰু মোৰ মিঠা অনুভৱ .../ সীমা শৰ্মা ॥ ৪১ ॥
- লক্ষ্মীনাথ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ চুটিগল্পৰ এটি তুলনামূলক আলোচনা/ দেৱজিৎ শইকীয়া ॥ ৪২ ॥
- রবীন্দ্রনাথের গদ্য-ছন্দ চিন্তা/ সোমা বোস ॥ ৪৮ ॥
- ৰক্তদান মহাদান/ প্ৰিয়ংকা ব্ৰহ্ম ॥ ৫০ ॥
- ৰেগিং/ প্ৰভাত পাতৰ ॥ ৫১ ॥
- মণিপুৰী ইমাসকল/ মানসী বৰদলৈ ॥ ৫২ ॥
- অনুভৱৰ পৃষ্ঠাবোৰৰ পৰা/বিষ্ণু ডেকা ॥ ৫৪ ॥



Art : Neel Pawan Baruah

॥ প্ৰবন্ধ ॥



# জাগীৰোড মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ

*এই নিৱন্ধটিত মহাবিদ্যালয় গ্ৰন্থাগাৰৰ ভিতৰ চ'ৰাত গ্ৰন্থসমূহৰ স্থান নিৰ্ণয়, শ্ৰেণী বিভাজন আৰু পাঠকসকলে অনুভৱ কৰা সুবিধা আৰু অসুবিধাৰ প্ৰসঙ্গ ইত্যাদি আলোচনা কৰা হৈছে*

**বাবুল মালাকাৰ,** গ্ৰন্থাগাৰিক,
জাগীৰোড মহাবিদ্যালয়

আমি সকলোৱে জানো যে গ্ৰন্থাগাৰসমূহ জ্ঞানৰ সংগ্ৰাহক, সংৰক্ষক আৰু সংবাহক। মহাবিদ্যালয় গ্ৰন্থাগাৰত থকা গ্ৰন্থসমূহক থূলমূলকৈ দুভাগত ভাগ কৰি আলোচনা কৰিব পৰা যায় ঃ

১। পাঠ্য পুথি (Text Book) আৰু

২। প্ৰসঙ্গ পুথি (Reference Book).

কোনো নিৰ্দিষ্ট বিষয়বস্তুৰ ওপৰত নিৰ্দ্ধাৰিত মূল পাঠ্য বিষয়বস্তু সন্নিৱিষ্ট গ্ৰন্থক পাঠ্যপুথি হিচাপে ভবা হৈ আহিছে। আকৌ কোনো মূল বিষয়বস্তু সম্বন্ধে খৰচি মাৰি জ্ঞান অৰ্জ্জন কৰিবৰ বাবে ভিত্তি কৰা অন্য গ্ৰন্থসমূহকে সাধাৰণতে প্ৰসঙ্গ পুথি হিচাপে ধাৰণা কৰি অহা হৈছে।*¹

কেতিয়াবা কেতিয়াবা পূৰ্বৰ পাঠ্যপুথি সমূহ প্ৰসঙ্গ পুথিৰ শ্ৰেণীলৈ আহে। কিয়নো বিভিন্ন সময়ত বিভিন্ন কাৰণত পাঠ্যপুথি প্ৰস্তুতকাৰীয়ে শ্ৰেণীসমূহৰ পাঠ্যপুথি সালসলনি কৰে। নতুন পাঠ্যপুথিৰ কোনো বিষয়বস্তুৰ ওপৰত সম্যক জ্ঞান আহৰণ কৰিবৰ বাবে সময়ত পাঠকে পুৰণি পাঠ্যপুথিত চকু ফুৰাব লগীয়া হয়।

যি হওক, পাঠকৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি জাগীৰোড মহাবিদ্যালয় গ্ৰন্থাগাৰৰ গ্ৰন্থসমূহক কেবাটাও বেলেগ বেলেগ শাখা-প্ৰশাখাত বিভক্ত কৰি ৰখা হৈছে। ইয়াৰে প্ৰধান বিভাগ দুটা হৈছে --

১। পাঠ্য পুথি (Text Book) শাখা আৰু

২। প্ৰসঙ্গ পুথি (Reference Book) শাখা।

*¹ Page No. 555; Britannica; Vol. 21; 1985

গ্ৰন্থাগাৰত প্ৰৱেশ কৰিয়েই কিতাপ অধ্যয়নৰ বাবে থকা কোঠা দুটা পাৰ হৈ পোৱা গ্ৰন্থৰ প্ৰথম ভঁড়ালটোৱেই হ'লগৈ, প্ৰসঙ্গ পুথিৰ কৰণি। ইয়াৰ পিছতে 'বাতৰি' বা 'খবৰ কাগজ' তথা আলোচনী পঢ়া কোঠাটো পাৰ হৈ উত্তৰ দিশে প্ৰৱেশ কৰিলে দেখা যায় পাঠ্যপুথিৰ ভঁড়ালটো।

সাধাৰণতে পাঠ্যপুথি সমূহৰ প্ৰৱেশ নম্বৰ (Accession Number) ৰ লগতে বন্ধনীৰ ভিতৰত ইংৰাজী 'T' আখৰটো লিখি ৰখা হয়। ইয়েই গ্ৰন্থখনিক পাঠ্যপুথি হিচাপে চিনাকী কৰি দিয়াত প্ৰধানকৈ সহায় কৰে।

পাঠ্যপুথি শাখাৰ বাওঁফালে থকা গ্ৰন্থসমূহ 'বুক বেংক'ৰ অন্তৰ্গত। এই গ্ৰন্থসমূহ বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ ব্যৱহাৰৰ বাবে আচুতীয়াকৈ ৰখা হৈছে।

ইয়াৰ বাওঁফালে থকা কোঠাটো সাময়িকী (Periodical)ৰ শাখা। ইয়াত বিভিন্ন সময়ৰ বিভিন্ন বিষয়ক আলোচনী সমূহ অনুসন্ধিৎসু পাঠকৰ ব্যৱহাৰৰ বাবে সাজু কৰি ৰখা হৈছে। সাধাৰণতে এই সাময়িকীসমূহ ঘৰলৈ নিবৰ বাবে অনুমতি দিয়া নহয় কিয়নো, যিহেতু এইসমূহ বাৰে বাৰে ছপা নহয়, কিবা কাৰণত পাঠকে হেৰুৱাব লাগিলে তাক দুনাই বিচাৰি পোৱাটো সম্ভৱ নহয়।

গ্ৰন্থাগাৰত অন্য কিছুমান গ্ৰন্থও আছে যিবিলাক সাধাৰণতে পাঠকক ঘৰলৈ ব্যৱহাৰৰ বাবে নিবলৈ অনুমতি দিব নোৱাৰি। তেনে বিলাক গ্ৰন্থ হ'লগৈ - বিশ্বকোষ (Encyclopaedia), অভিধান (Dictionary), গৱেষণামূলক গ্ৰন্থ (Dissertation, thesis etc) ইত্যাদি।

ইয়াৰ উপৰি মহাবিদ্যালয় গ্ৰন্থাগাৰে সংগ্ৰহ কৰা যিকোনো গ্ৰন্থৰে প্ৰথমখন (First Copy) সাধাৰণতে পাঠকসকলে ব্যৱহাৰৰ বাবে ঘৰলৈ নিব নোৱাৰাৰ ব্যৱস্থা কৰি বিশেষ 'চিল মোহৰ' মাৰি ৰখা হয়। এইখিনি সামগ্ৰী গ্ৰন্থাগাৰ প্ৰাঙ্গনৰ পৰা বাহিৰলৈ নিব নোৱাৰি। এই শ্ৰেণীৰ গ্ৰন্থসমূহ আমাৰ গ্ৰন্থাগাৰৰ 'খবৰ কাগজ পঢ়া' কোঠাটোৰ বাওঁফালৰ কোঠাটোত পৃথককৈ ৰখা হৈছে।

এই গ্ৰন্থসমূহে পিয়াহত আতুৰ হৈ থকা পথিকক যোগান ধৰা পানীৰ উপযোগিতাৰ দৰে কাম কৰে।

যদিহে 'পাঠ্যপুথি' বা 'প্ৰসঙ্গপুথি' প্ৰশাখাৰ কোনো একোটা নিৰ্দিষ্ট বিষয়ক গ্ৰন্থৰ আটাইখিনিকে পাঠকসকলে ঘৰলৈ লৈ যায়, তেন্তে পিছৰ এগৰাকী পাঠকে সেই একেখিনি গ্ৰন্থ বিচাৰিলে নিৰাশ হ'বলগীয়া হ'ব।; কোনো পাঠকে কিবা জৰুৰী বিষয় এটা আলোচনা কৰিবৰ বাবে সেই বিষয়ক গ্ৰন্থ বিচাৰি যেতিয়া গ্ৰন্থাগাৰলৈ হাবাথুৰি খাই আহে, তেতিয়া সাধাৰণতে এই অনুমতি নোহোৱা (Not to be issued) গ্ৰন্থৰ প্ৰশাখাই তেখেতক বিশেষ সহায় কৰে। অৱশ্যে, গ্ৰন্থখনি ঘৰলৈ নিবলৈ অনুমতি নিদিলে তেখেতে গ্ৰন্থাগাৰৰ ভিতৰতে সেইখন পঢ়িব পাৰে বা আৱশ্যকীয় বিষয় বা পাঠসমূহ ফটোষ্টেট (Xerox) কৰাই ল'ব পাৰে।

এতিয়া আহোঁ পঠন সামগ্ৰীৰ অনুসন্ধান সম্পৰ্কীয় কথালৈ।

যদি কোনোবাই গ্ৰন্থাগাৰলৈ গৈ কোনো এজন কৰ্ম্মচাৰীক কোনো গ্ৰন্থৰ অৱস্থিতি সম্পৰ্কীয় প্ৰশ্ন কৰে তেতিয়া কিছুমান ক্ষেত্ৰত তৎক্ষণাত তাৰ উত্তৰ দিবলৈ অসুবিধা হয়, কিয়নো গ্ৰন্থাগাৰত থকা আটাইবোৰ গ্ৰন্থ বা লিখকৰ নাম মনত ৰখাটো অতি কঠিন কাম। সেই বাবে গ্ৰন্থাগাৰৰ সন্মুখতে থকা দুৱাৰখনৰ দুয়োকাষে কিছুমান কাঠেৰে নিৰ্মিত সৰু সৰু বাকচ (কেটেলগ কেবিনেট) ৰখা হৈছে। এই সমূহত এটা ফালে গ্ৰন্থাগাৰত থকা গ্ৰন্থ আৰু আনটো ফালে লিখক বা সম্পাদকসকলৰ বিৱৰণসমূহ বিতংকৈ উল্লেখ কৰা থাকে। পাঠকে এই বাকচসমূহ ব্যৱহাৰ কৰি নিজৰ অনুসন্ধিৎসু মনৰ সন্তুষ্টি আনিব পাৰে। ইয়াৰ ভিতৰত থকা ডাঠ কাগজৰ টুকুৰাসমূহত লিখা থকা তথ্য সমূহ ইংৰাজী আখৰৰ ক্ৰম অনুযায়ী সজাই থোৱা হৈছে। এই কাগজসমূহক কিতাপৰ তালিকা (Catalogue) বুলি কোৱা হয়। ইয়াত গ্ৰন্থ একোখনৰ বিষয়ে সম্পূৰ্ণ তথ্য থাকে। এই তালিকসমূহ ভালদৰে লক্ষ্য কৰিলে দেখা যায় যে একেবাৰে ওপৰৰ দিশে বাওঁফালে কাঠ পেন্সিলেৰে লিখা নম্বৰ কিছুমান আছে। এই নম্বৰসমূহে গ্ৰন্থখন কোনটো বিষয়ৰ আৰু গ্ৰন্থাগাৰৰ কোনখিনি ঠাইত ৰখা হৈছে তাক নিৰ্দ্দেশ কৰে।

- এইখিনিয়েই হ'ল গ্ৰন্থাগাৰৰ ভিতৰৰ বিষয়সমূহৰ সম্বন্ধে জানিবলগীয়া প্ৰাথমিক কথা।

এতিয়া আহোঁ গ্ৰন্থাগাৰৰ পঢ়া কোঠাকেইটাৰ ব্যৱহাৰৰ বিষয়ে জানিবলগীয়া কেইটামান সৰু সৰু অথচ অত্যাৱশ্যকীয় কথালৈ। আমাৰ মহাবিদ্যালয় গ্ৰন্থাগাৰত সৰু-বৰ সৰ্ব্বমুঠ ৪টা পঢ়াকোঠাৰ ব্যৱস্থা আছে। এই পঢ়াকোঠা সমূহ নিৰ্দিষ্ট নীতি-নিয়মৰ মাজেৰে প্ৰতিজন পাঠকে (অৰ্থাৎ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অন্যান্য) সুন্দৰকৈ ব্যৱহাৰ কৰিবৰ অধিকাৰ আছে। কিন্তু অইনে অসুবিধা পোৱাকৈ কথা বাৰ্ত্তা পতা বা চিঞৰ-বাখৰ কৰাৰ অধিকাৰ কাৰো নাই। গ্ৰন্থাগাৰ প্ৰাঙ্গনত ছাত্ৰ-ছাত্ৰীসকলক লৈ বক্তৃতা দিলে অধ্যয়নৰ সু-পৰিবেশ বিনষ্ট হয়। এনে স্থলত অইন ছাত্ৰ-ছাত্ৰী বা পাঠক আৰু কৰ্ম্মচাৰীসকলে গভীৰ বিৰক্তি অনুভৱ কৰে। গ্ৰন্থাগাৰত প্ৰৱেশ কৰোতে প্ৰতিজন পাঠকে লগত




মহাবিদ্যালয়ৰ পৰিচয় পত্ৰ সমন্বিতে গ্ৰন্থাগাৰ কাৰ্ডখন লৈ অহাটো জৰুৰী; কিয়নো গ্ৰন্থাগাৰ প্ৰাঙ্গণত যিকোনো কিতাপ সাময়িকী বা লিখিত সামগ্ৰী ব্যৱহাৰ কৰিবৰ সময়ত এই দুইখনৰ যিকোনো এখনক দৰকাৰ মতে সাক্ষী হিচাপে ব্যৱহাৰ কৰা হয়।

এইবাৰ আহোঁ অন্য কেইটামান আনুসংগিক কথালৈ।

আমি আটায়ে জ্ঞাত যে, কোনো অধিকাৰৰ কথা অৱতাৰণা কৰিবলৈ যাওঁতে কৰ্ত্তব্য, দায়িত্ব বা বাধ্যবাধকতা (Duty and Obligation)-ৰ কথাও ভালদৰে মনত ৰখা উচিত। যোৱা সপ্তাহত গ্ৰন্থাগাৰৰ প্ৰধান পঢ়া কোঠা দুটাত মহাবিদ্যালয়ৰ পুৰণি কিছুমান আলোচনী পাঠকসকলে (ছাত্ৰ-ছাত্ৰী) পঢ়াৰ আনন্দ লাভ কৰক বুলি চিন্তা কৰিয়েই মুক্তভাৱে উলিয়াই ৰখা হ'ল। দেখা গ'ল যে ঠিক তাৰ ৩/৪ দিন পিছতে আমাৰ সুৰুচি সম্পন্ন (?) উচ্চশিক্ষাৰে শিক্ষিত বা উচ্চ শিক্ষিত হ'বলৈ অহা দেশৰ ভৱিষ্যৎ স্বৰূপ প্ৰিয় পাঠক (ছাত্ৰ) আৰু পাঠিকা (ছাত্ৰী) বৃন্দৰ কোনো কোনোৱে আটাইখিনি তন্ন তন্নকৈ খুলি চালে। উপায়হীন হৈ কৰ্ত্তৃপক্ষই আটাইখিনি ভগ্নাৱশেষ গোটাই লৈ সেই মহান উদ্দেশ্যৰ সিমানতে সামৰণি মাৰিবলগীয়া হ'ল।

বহু সময়ত একোটাহঁত কথাই আমাৰ মনত বৰ কষ্ট দিয়ে। চিন্তা হয়, আমি ক্ৰমে কেনেকুৱা অন্ধকাৰ ভৱিষ্যতলৈ বা পৰিস্থিতিলৈ গতি কৰি আছো। উপকাৰীৰ প্ৰতি কৃতজ্ঞতা, জ্যেষ্ঠজনৰ প্ৰতি সন্মান বা সমীহ আৰু কনিষ্ঠজনৰ প্ৰতি মৰম চেনেহ আদি বিষয় আমাৰ সমাজত এতিয়াও শিকিবলগীয়া সামগ্ৰী হৈয়ে থাকি গ'ল। যিখন গ্ৰন্থ বা আলোচনী বজাৰৰ পৰা সংগ্ৰহ কৰোতে শ শ টকা খৰচ কৰিবলগীয়া হয়; বা খৰচ কৰিলেও বজাৰত সহজতে বিচাৰি পোৱাটো অতি কঠিন; তেনেকুৱা এখন অতি মূল্যৱান কিতাপ বা আলোচনী নামমাত্ৰ 'গ্ৰন্থাগাৰ মাচুল' দি বা বিনা খৰচে অতি সহজতে কোনো কষ্ট নোহোৱাকৈ বাহিৰত পোৱা প্ৰচণ্ড ৰ'দৰ উত্তাপৰ পৰা পৰিত্ৰাণ লৈ গ্ৰন্থাগাৰত অতি আৰামত ফেনৰ তলত বহি পঢ়িবলৈ সুবিধা দিয়াটোৱেই যেন এই সকল পাঠক (ছাত্ৰ-ছাত্ৰী)ৰ বাবে আমি কৰা এক ডাঙৰ অপৰাধ।

একোখন ভাল গল্পৰ কিতাপ বা উপন্যাস বা ডাঙৰ মানুহৰ জীৱনী আদি পঠনৰ ফলত জীৱনৰ ক'লা-বগা দিশ বিলাকৰ লগত চিনাকী হ'ব পাৰি; আৱেগ-অনুভূতি, হাঁহি-কান্দোন, প্ৰেম-বিষাদ আদি আবেগ সমূহে যেতিয়া মূৰ্ত্তৰূপ ধৰি চকুৰ আগত সজীৱ হৈ উঠে; তেতিয়া পাতল অথবা কুৎসিৎ অভ্যাসসমূহৰ বিমোচন হয়। অৰ্থাৎ এনে ধৰণৰ সাহিত্য পঢ়াৰ জৰিয়তে আমি মনৰ প্ৰশান্তি লাভ কৰিব পাৰো। সেই বাবে আমি আটায়ে গ্ৰন্থাগাৰটোক 'জ্ঞানৰ মন্দিৰ' হিচাপে মনত স্থান দিব লাগে।

ছাত্ৰ-ছাত্ৰী তথা পাঠক-পাঠিকা সকলে গ্ৰন্থাগাৰত কিবা অসুবিধা অনুভৱ কৰিলে গ্ৰন্থাগাৰিকক মুকলিকৈ অৱগত কৰিব লাগে। তেহে তেওঁলোকে গ্ৰন্থাগাৰটোৰ পূৰ্ণ ব্যৱহাৰৰ সুযোগ লাভ কৰিব পাৰিব। ইয়াৰ ফলত জ্ঞানৰ পৰিধি বৃদ্ধি হ'ব; আৰু ইয়েই অৱশেষত পশুত্বৰ পৰা মানুহক বচাই মনুষ্যত্ব আৰু দেৱত্বলৈ উন্নীত হোৱাত বিশেষ সহায় কৰিব। ■

একোখন ভাল গল্পৰ কিতাপ বা উপন্যাস বা ডাঙৰ মানুহৰ জীৱনী আদি পঠনৰ ফলত জীৱনৰ ক'লা-বগা দিশ বিলাকৰ লগত চিনাকী হ'ব পাৰি; আৱেগ-অনুভূতি, হাঁহি-কান্দোন, প্ৰেম-বিষাদ আদি আবেগ সমূহে যেতিয়া মূৰ্ত্তৰূপ ধৰি চকুৰ আগত সজীৱ হৈ উঠে; তেতিয়া পাতল অথবা কুৎসিৎ অভ্যাস সমূহৰ বিমোচন হয়। অৰ্থাৎ এনে ধৰণৰ সাহিত্য পঢ়াৰ জৰিয়তে আমি মনৰ প্ৰশান্তি লাভ কৰিব পাৰো। সেইবাবে আমি আটায়ে গ্ৰন্থাগাৰটোক 'জ্ঞানৰ মন্দিৰ' হিচাপে মনত স্থান দিব লাগে।

॥ প্ৰবন্ধ ॥



# ৰজনীকান্ত বৰদলৈৰ উপন্যাসত অসমীয়া সমাজৰ প্ৰতিফলন

**জ্যোতিৰাণী বৰা**
স্নাতক ১ম ষান্মাসিক

উপন্যাস অসমীয়া সাহিত্যৰ এক নতুন শাখা উনবিংশ শতিকাৰ শেষ দশক অৰ্থাৎ জোনাকী যুগত অসমীয়া সাহিত্যত পূৰ্ণাঙ্গ উপন্যাসৰ সৃষ্টি হয়। তাৰ আগতে উপন্যাসৰ নিচিনা দুই এখন পুথি ৰচিত হৈছিল যদিও সেইবোৰক পূৰ্ণাঙ্গ উপন্যাসৰ শাৰীত স্থান দিব নোৱাৰি। পদ্মনাথ গোহাঞি বৰুৱাৰ 'ভানুমতী' (১৮৯১) আৰু 'লাহৰী' (১৮৯২) আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ 'পদুম কুঁৱৰী' (১৯০৫, ৰচনা ১৮৯০) এই তিনিখন উপন্যাসৰ পৰাই আধুনিক যুগৰ প্ৰকৃত উপন্যাসৰ ধাৰা আৰম্ভ হৈছে বুলি ক'ব পাৰি। গোহাঞিবৰুৱা আৰু বেজবৰুৱাৰ পাছতে স্থান পোৱা অসমীয়া উপন্যাসিকজনেই হৈছে ৰজনীকান্ত বৰদলৈ। তেওঁ প্ৰথম উপন্যাস 'মিৰি জীয়ৰী' প্ৰকাশ হয় ১৮৯৪ চনত।

অসমীয়া উপন্যাস সাহিত্যৰ জগতত ৰজনীকান্ত বৰদলৈয়ে এক সন্মানীয় আসন অধিকাৰ কৰি আছে। কাৰণ, যি সময়ত সামাজিক স্থিৰাৱস্থাৰ বাবে বৈচিত্ৰ্যহীনতাই উপন্যাস ৰচনাৰ বাট ৰূদ্ধ কৰা বুলি ধাৰণা কৰা হৈছিল, সেই সময়তে বৰদলৈয়ে ন খনকৈ উপন্যাস ৰচনা কৰিছিল। সেয়ে বৰদলৈৰ হাততে অসমীয়া উপন্যাস সাহিত্যই প্ৰতিষ্ঠা লাভ কৰা বুলি ক'ব পাৰি আৰু তেনে কাৰণতে ৰজনীকান্ত বৰদলৈক অসমীয়া সাহিত্যত 'উপন্যাস সম্ৰাট' হিচাপে জনা যায়। কোনো কোনোৱে আকৌ তেওঁক 'অসমীয়া উপন্যাসৰ পিতা' বুলিও আখ্যা দিছে। ছাৰ ৱাল্টাৰ স্কট আৰু বংকিমচন্দ্ৰৰ উপন্যাসবোৰৰ আদৰ্শত উপন্যাস ৰচনা কৰা বাবে বৰদলৈক 'অসমীয়া স্কট', 'অসমৰ বংকিমচন্দ্ৰ' বুলিও জনা যায়। বৰদলৈয়ে ৰচনা কৰা উপন্যাস কেইখন হ'ল –




ক) মিৰি জীয়ৰী (১৮৯৪)
খ) মনোমতী (১৯০০)
গ) দন্দুৱা দ্ৰোহ (১৯০৯)
ঘ) ৰঙ্গিলী(১৯২৫)
ঙ) ৰাধা ৰুক্মিণীৰ ৰণ (১৯২৫)
চ) নিৰ্ম্মল ভকত (১৯২৬)
ছ) তাম্ৰেশ্বৰী মন্দিৰ (১৯২৬)

জ) ৰহদৈ লিগিৰী (১৯৩০)

ঝ) খাম্বা থুইবীৰ সাধু (১৯৩২)

বৰদলৈৰ প্ৰথম উপন্যাস 'মিৰি-জীয়ৰী' তেখেতৰ একমাত্ৰ সামাজিক উপন্যাস। 'মিৰি জীয়ৰী'ৰ বাহিৰে বৰদলৈৰ বাকী সাতখন উপন্যাস বুৰঞ্জীমূলক আৰু এই আটাইকেইখনেৰে পটভূমি আহোম-ৰাজত্বৰ শেষ কালছোৱা। বৰদলৈৰ শেষ উপন্যাস 'থাম্বা থুইবীৰ সাধু'ৰ পটভূমি অসমৰ চুবুৰীয়া ৰাজ্য মণিপুৰৰ লোকসমাজত প্ৰচলিত এটি কাহিনী।

সাহিত্য জাতিৰ দাপোণস্বৰূপ। সেই দাপোণত জাতীয় জীৱন প্ৰতিফলিত কৰিবলৈ হলে আচাৰ-নীতি, ধৰ্ম, বিশ্বাস, সামাজিক প্ৰথা আৰু জাতীয় চৰিত্ৰৰ ভেটিত কাহিনীৰ বিকাশ দেখুৱাব লাগিব। বৰদলৈয়ে এই কথা মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। কাৰণ যিসময়ত তেওঁ উপন্যাস ৰচনাত হাত দিছিল, সেই সময়ত অসমীয়া সাহিত্যৰ অৱস্থা অতি দুৰ্বল আছিল। ব্যাপক অভিজ্ঞতা, গভীৰ উপলব্ধি, সুক্ষ্ম অনুভূতি, উদাৰ দৃষ্টিভংগী আৰু অনিৰ্বচনীয় অসম প্ৰীতিৰ মানসিকতাৰে বৰদলৈয়ে উপন্যাস ৰচনাৰ যোগেদি অসম বুৰঞ্জীৰ গৌৰৱময় অধ্যায়, বুৰঞ্জীৰ দুৰ্যোগপূৰ্ণ ঘটনাৰ কাৰণ আৰু বৰ্তমান কালত জাতিৰ কৰণীয় উপায় সম্পৰ্কে আঙুলিয়াই দি ভাগুণমুখী অসমীয়া জাতিক সচেতন কৰি দিছে। বৰদলৈয়ে ইতিহাসক উপন্যাসৰ পটভূমি হিচাপে লোৱাৰ উদ্দেশ্য সম্পৰ্কে ডঃ সত্যেন্দ্ৰনাথ শৰ্মাই এনেদৰে যুক্তিপূৰ্ণ নিৰ্দ্দেশ দিছে - 'বৈচিত্ৰপূৰ্ণ ঘটনাৰ সমাবেশ আৰু অতীতৰ অসমীয়া জাতিৰ ৰীতি-নীতি, ধৰ্মবিশ্বাস, সংস্কাৰ আদিৰ চিত্ৰ আৰু শৌৰ্য-বীৰ্যৰ আদৰ্শ দাঙি ধৰা, অসমীয়া জাতিৰ স্বাধীনতা লুপ্ত হোৱাৰ কাৰণ নিৰ্দেশ কৰা আৰু ঐতিহাসিক বা ৰাজনৈতিক ধুমুহাৰ অন্তৰালত প্ৰবাহিত হৈ থকা জীৱনৰ চিৰন্তন আৰু আদিম প্ৰবৃত্তিবোৰৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ প্ৰদৰ্শন কৰাই তেওঁৰ প্ৰধান উদ্দেশ্য'। উপন্যাসৰ কাহিনীৰ মাধ্যমত বৰদলৈয়ে অসমৰ ৰাজনীতি, অৰ্থনীতি, ধৰ্মনীতি, সমাজনীতি, সাহিত্য, সংস্কৃতি আৰু জাতীয় আদৰ্শ সম্পৰ্কে ভালেখিনি তথ্য আৰু তত্ত্বৰ সন্ধান দিছে। তলত বৰদলৈৰ উপন্যাসত অসমীয়া সমাজ-জীৱনৰ প্ৰতিফলন সম্পৰ্কে আলোচনা আগবঢ়োৱা হ'ল —

**মিৰি জীয়ৰী (১৮৯৪)** ঃ মিচিং জনজাতিৰ সামাজিক জীৱনক আধাৰ স্বৰূপে লৈ ১৮৯৪ চনত ৰচনা কৰা 'মিৰি জীয়ৰী' উপন্যাসখনেই বৰদলৈৰ প্ৰথম উপন্যাস। উপন্যাসখনত মিচিং (মিৰি) সমাজৰ এখন বাস্তৱ ছবি দাঙি ধৰিছে। মিচিং (মিৰি) সকলৰ প্ৰাণস্বৰূপ সোৱণশিৰি নৈক কেন্দ্ৰ কৰি গঢ়ি উঠা মিচিংসকলৰ বাসভূমিয়েই উপন্যাসখনৰ পটভূমি। ভৈয়ামত থকা 'মিৰি' আৰু পৰ্বতত থকা 'গাছি মিৰি'ৰ সমাজখনকে উপন্যাসখনত প্ৰতিফলিত কৰা হৈছে।

ৰজনীকান্ত বৰদলৈয়ে 'মিৰি-জীয়ৰী' উপন্যাসখনত মিচিং (মিৰি) সকলৰ বংশ পৰিচয় সমাজ ব্যৱস্থাৰ বিভিন্ন দিশ যেনে - বিয়া-বাৰু, খেলৰ পৰম্পৰাৰ পৰা আৰম্ভ কৰি খেতি-বাতি, খাদ্যভাস, উৎসৱ-পাৰ্বণ, লোকবিশ্বাস ইত্যাদি সকলোবোৰ দিশ সামৰি লোৱা দেখা যায়। সেইফালৰ পৰা উপন্যাসখনক এখন সাংস্কৃতিক বুৰঞ্জী বুলিয়েই আখ্যা দিব পাৰি। ইয়াৰ উপৰি এফালে বিহু মৰা, বিহুগীতত উতলা হোৱা, বিহুতলিত ডেকা-গাভৰুৰ প্ৰণয়-প্ৰীতি, নাওবোৱা, মাছ মৰা, গা-ধন গোটাবলৈ খাটনি খটা, গা-খাটি দি ছোৱালী বিয়া কৰোৱা আৰু আদি-সামাজিক তথা সাংস্কৃতিক ৰীতিৰ সুন্দৰ ছবি উপন্যাসত অংকিত হৈছে। চৰগ পূজা, দেও পূজা, মৰংঘৰত ভকত সেৱা ইত্যাদিৰ বৰ্ণনাইও মিৰি-জীয়ৰী উপন্যাসখনক এক অনন্য যাত্ৰা প্ৰদান কৰা বুলি বিনা দ্বিধাই ক'ব পাৰি।

**মনোমতী (১৯০০)** ঃ ৰজনীকান্ত বৰদলৈৰ দ্বিতীয়খন উপন্যাস 'মনোমতী' ঔপন্যাসিকৰ প্ৰথম ঐতিহাসিক উপন্যাস। পটভূমি - মানৰ তৃতীয় আক্ৰমণ। 'মনোমতী' ৰ কাহিনীভাগ মূলতঃ প্ৰণয়াত্মক। কাহিনীৰ নায়ক-নায়িকা — লক্ষ্মীকান্ত আৰু মনোমতী। উপন্যাসিক বৰদলৈয়ে এই প্ৰেম কাহিনীটোৰ মাজতে অসমৰ জীৱন-যাত্ৰা, ৰীতি-নীতি, পূজা-পাৰ্বন, তিথি মহোৎসৱৰ ছবি উপন্যাসখনিত সুন্দৰভাবে অংকন কৰিছে। এই উপন্যাসত বৰপেটাৰ দৌলোৎসৱৰ বিৱৰণ, বৰপেটা অঞ্চলৰ গাওঁ আৰু ঠাইসমূহৰ পৰিচয়, চণ্ডী বৰুৱা বা হলকান্ত বৰুৱাৰ দৰে সম্ভ্ৰান্ত লোকৰ বাৰীঘৰ আদিৰ চিত্ৰ, মানৰ সংঘৰ্ষ, মানৰ দেওপূজা আদি সামাজিক আৰু ৰাজনৈতিক ঘটনা সন্নিৱিষ্ট হৈছে। ঔপন্যাসিকে সেই সময়ৰ অসমৰ ধৰ্মীয়, সামাজিক আৰু ঘৰুৱা অৱস্থা প্ৰদৰ্শনৰ উদ্দেশ্যেই এই বিৱৰণসমূহ দাঙি ধৰা যেন অনুমান হয়।

বৰদলৈয়ে 'মনোমতী'ত বৰপেটা সত্ৰৰ বৰ্ণনা দিছে এনেদৰে - 'বৰপেটাৰ সত্ৰখন মহকুমাৰ দক্ষিণ পূব কোণত আছিল। আজিকালি এই সত্ৰৰ চাৰিওফালে প্ৰায় চাৰি পুৰা মাটিৰ বেৰৰ এটা ইটাৰ গড় আছে। এই গড়ৰ ঘাই দুৱাৰমুখ পশ্চিমফালে, সেই দুৱাৰমুখ এটা পকী বাটঘৰ। সেই বাটঘৰটোৰেদি সোমায়েই চকুৰ আগতে কীৰ্ত্তন ঘৰটো দেখি।

**দন্দুৱা দ্ৰোহ (১৯০৯)** ঃ ৰজনীকান্ত বৰদলৈৰ তৃতীয় ঐতিহাসিক উপন্যাসখন হৈছে 'দন্দুৱা-দ্ৰোহ'। স্বৰ্গদেউ কমলেশ্বৰ সিংহ (১৭৯৫ খ্ৰীঃ - ১৮১১ খ্ৰীঃ) সিংহাসনত উঠাৰ কিছুদিনৰ পাছতেই কামৰূপত এটা ভয়ংকৰ বিদ্ৰোহৰ সূচনা হৈছিল। পূৰ্বতে সংঘটিত হোৱা মোৱামৰীয়া বিদ্ৰোহৰ ফলত ৰাজ্যৰ শাসন ব্যৱস্থা দুৰ্বল হৈ পৰিছিল। এই সুযোগতে হৰদত্ত আৰু বীৰদত্ত নামে বেজবৰুৱা বংশৰ দুজন ভাই-ককায়ে কছাৰী, পাঞ্জাৰী আৰু হিন্দুস্তানী মানুহৰ এটি সৈন্যদল গঠন কৰি নিজকে স্বাধীন বুলি ঘোষণা কৰিছিল। এই বিদ্ৰোহী দলৰ পাঞ্জাৰী আৰু হিন্দুস্তানী সৈন্যবোৰক 'ডুমডুমীয়া' বোলা হৈছিল আৰু এই বিদ্ৰোহক বোলা হৈছিল 'দন্দুৱা দ্ৰোহ'।

**ৰঙ্গিলী (১৯২৫) ঃ** ৰজনীকান্ত বৰদলৈৰ চতুৰ্থখন ঐতিহাসিক উপন্যাস হ'ল - 'ৰঙ্গিলী'। পটভূমি — মানৰ প্ৰথম আক্ৰমণ। স্বৰ্গদেউ কমলেশ্বৰ সিংহ স্বৰ্গীয় হোৱাত তেওঁৰ ভায়েক চন্দ্ৰকান্ত সিংহ ১৮১০ খ্ৰীষ্টাব্দত ৰাজপাটত বহে। ৰজাৰ বয়স কম (১৫ বছৰ) হোৱাত পূৰ্ণানন্দ বুঢ়াগোহাঞিয়ে ৰাজ্যৰ সকলো কাম চলাবলগীয়া হৈছিল। পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ ৰাজমন্ত্ৰীৰ পদবীৰ শেষ দিনকেইটাৰ পটভূমিত 'ৰঙ্গিলী'ৰ কাহিনীভাগ ৰচনা কৰা হৈছে। উপন্যাসত সৎৰাম-ৰঙ্গিলী, শান্তিৰাম-পদুমী, জয়ৰাম-কেতেকী আৰু বিচিত্ৰী-মনাই এই চাৰিহাল যুৱক-যুৱতীৰ প্ৰেম-কাহিনী দেখুওৱা হৈছে। সৎৰাম-ৰঙ্গিলীৰ প্ৰণয় কাহিনীয়েই উপন্যাসখনৰ মূল উপজীব্য। মূল কাহিনীৰ সৈতে বুৰঞ্জীৰ কথা সন্নিবিষ্ট হৈ আছে যদিও তাৰ লগে লগে অসমীয়া সাংস্কৃতিক জীৱনৰ বিস্তৃত পৰিচয় দাঙি ধৰিছে। উপন্যাসখনত অসমীয়া সমাজৰ আচাৰ-ব্যৱহাৰ, উৎসৱ- অনুষ্ঠান আদিৰ প্ৰতিচ্ছবি স্পষ্টভাৱে দেখা যায়। অসমীয়া সমাজৰ ব্ৰাহ্মণভিন্ন আন বৰ্ণৰ ডেকা-গাভৰুৰ মাজত প্ৰণয় কেনেধৰণে উন্মেষ হৈছিল আৰু কেনেকৈ স্বামী-স্ত্ৰী ৰূপে সমাজত স্থান উলিয়াই লৈছিল তাৰ নিদৰ্শন উপন্যাসখনৰ চাৰিযোৰ প্ৰণয়লিপ্ত ডেকা-গাভৰুৰ কথাৰ যোগেদি ঔপন্যাসিকে দেখুৱাবলৈ প্ৰয়াস কৰিছে। বহাগ বিহুৰ সামূহিক নৃত্য-গীতেই আছিল ডেকা-গাভৰুৰ মিলনস্থলী য'ত মৰমৰ পাত্ৰ বা পাত্ৰীক মনৰ কথা খুলি ক'ব পাৰে আৰু উভয়ে ভৱিষ্যৎ পন্থা নিৰ্ধাৰণ কৰি ল'ব পাৰে। এই উপন্যাসত সেইবাবে ঔপন্যাসিক বৰদলৈয়ে বিহুক অসমীয়া জাতীয় উৎসৱ বুলি আৰু ডেকা-গাভৰুৰ প্ৰণয়োদ্দীপক অনুষ্ঠান বুলি দীঘলীয়া বৰ্ণনা আগবঢ়াই 'অসমীয়া বিহু কি' শীৰ্ষক ৰচনাখনো সন্নিবিষ্ট কৰিছে য'ত অসমীয়া তিনিওটা বিহুৰ বৈশিষ্ট্য আৰু বিভিন্ন সামাজিক নীতিৰ মাজেদি উলহ-মালহেৰে উদযাপিত হোৱা বিহুৰ পূৰ্ণাঙ্গ চিত্ৰ এখন প্ৰকাশ কৰিছে।

**ৰাধা-ৰুক্মিণীৰ ৰণ (১৯২৫) ঃ** ৰজনীকান্ত বৰদলৈৰ 'ৰাধা-ৰুক্মিণীৰ ৰণ' উপন্যাসখন 'আসাম হিতৈষী' আলোচনীৰ চতুৰ্থ বছৰত ছোৱা-ছোৱাকৈ বিভিন্ন সংখ্যাত প্ৰকাশিত হৈছিল। আলোচনীখনৰ প্ৰকাশ বন্ধ হোৱাৰ লগে লগে উপন্যাসখনৰো শেষছোৱাৰ সম্ভৱতঃ দুটামান অধ্যায় অপ্ৰকাশিত হৈ ৰ'ল।

'ৰাধা-ৰুক্মিণীৰ ৰণ' উপন্যাসখনৰ পটভূমি মোৱামৰীয়া বিদ্ৰোহ। এই বিদ্ৰোহত যি দুগৰাকী ৰণচণ্ডী ৰাধা আৰু ৰুক্মিণীয়ে উগ্ৰ দেওধনি নাচ নাচি বিদ্ৰোহৰ লেলিহান শিখা জাজ্বল্যমান কৰি তুলিছিল তাৰ ভিত্তিতে উপন্যাসখন ৰচিত। উপন্যাসখনত পুৰণি অসমৰ কোনো সম্প্ৰদায়ৰ মাজত প্ৰচলিত পাণফালি বিবাহ ৰদ কৰাৰ প্ৰথাৰ বিষয়ে উল্লেখ পোৱা যায়। দেওধনি আৰু তান্ত্ৰিক ৰীতিৰ বিষয়েও ঔপন্যাসিকে কিছু বৰ্ণনা দাঙি ধৰিছে। উপন্যাসখনত বৰ্ণিত মৰাণ, সোমৰীয়া, গোঁসাই মহন্তসকলৰ বিৱৰণসমূহৰ মাজেদি সেইসময়ৰ অসমৰ সামাজিক জীৱনৰ এখন সুন্দৰ ছবি প্ৰতিফলিত হৈছে।

**নিৰ্মল ভকত (১৯২৬) ঃ** ঐতিহাসিক কাহিনীৰ আধাৰত ৰচিত ৰজনীকান্ত বৰদলৈৰ 'নিৰ্মল ভকত' উপন্যাসত অসমৰ ধৰ্মীয় আৰু সমাজ জীৱনৰ এক সুন্দৰ প্ৰতিফলন পোৱা যায়। মানৰ তৃতীয় অসম আক্ৰমণৰ সময় অৰ্থাৎ উনবিংশ শতিকাই কুৰি-শতিকালৈ বাগৰ সলোৱাৰ সময়ছোৱাই হ'ল উপন্যাসখনৰ কাহিনীৰ সময়। মানৰ আক্ৰমণে অসমৰ পাৰিবাৰিক আৰু সামাজিক জীৱন কেনেকৈ উছন্ন কৰি অসমীয়া মানুহ তথা জাতিৰ অকথ্য বিপৰ্যয় সাধন কৰিছিল তাকে বৰদলৈৰ এইখন উপন্যাসৰ মাজেদি প্ৰতিফলিত হৈছে। ঔপন্যাসিকে নিজেই উল্লেখ কৰিছে যে, উপন্যাসখনত টেনিছনৰ 'এনক আৰ্ডেন' শীৰ্ষক কবিতাৰ প্ৰভাৱ পৰিছে। বৰদলৈয়ে টেনিছনৰ 'এনক আৰ্ডেন'ৰ তিনিকোণীয়া ৰোমান্টিক কাহিনী অনুকৃতি এটা অসম বুৰঞ্জীত অতি নিপুণতাৰে স্থাপন কৰিছে। উপন্যাসখনত ৰংপুৰ জিলাৰ পানীদিহিং মৌজাৰ লাহন গাওঁৰ চিত্ৰৰ যোগেদি ঔপন্যাসিকে অসমৰ সহজ-সৰল গ্ৰাম্য জীৱনৰ ছবি ফুটাই তুলিছে। উপন্যাসখনৰ কাহিনীৰ অগ্ৰগতিত ধৰ্মীয় চেতনাৰ প্ৰসাৰে পটভূমি হিচাপে ধৰা দিছে। দক্ষিণপাট সত্ৰৰ বাহিৰ ভিতৰৰ পৰিৱেশৰ বৰ্ণনাৰ যোগেদি বৰদলৈয়ে অসমৰ বৈষ্ণৱ সমাজৰ বহু কথাই দাঙি ধৰিছে। উপন্যাসখনত অসমীয়া ভাওনাৰ উল্লেখ, সত্ৰৰ ধৰণ-কৰণৰ বৰ্ণনা, প্ৰায়শ্চিত্তৰ কাৰণ, গুৰুৰ আৱশ্যকতা, গুৰুৰ পৰিচয়, দক্ষিণাৰ অৰ্থ ইত্যাদিৰ বিস্তৃত বিৱৰণ পোৱা যায়। মানৰ আক্ৰমণত বিধ্বস্ত হোৱা অসমৰ গাওঁবোৰৰ ছবি যেন উপন্যাসখনত উল্লেখিত লাহন গাঁৱৰ মাজেদি প্ৰকাশিত হৈছে। জাতীয় জীৱনৰ এক ৰাজনৈতিক খেলি-মেলিৰ বাবে নিৰ্মলে তেওঁৰ ব্যক্তিগত জীৱনৰ যি দুৰ্ভোগ ভুগিলে সি তৎকালীন সকলো অসমীয়া লোকৰে ক্ষতি বা বেদনাৰ চিত্ৰ। তলত নায়ক নিৰ্মলৰ মুখৰ এটি সংলাপৰ যোগেদি উপন্যাসখনত প্ৰতিফলিত অসমীয়া সমাজৰ এটি উদাহৰণ দাঙি ধৰা হ'ল —

'..... ডাঙৰীয়া, ক'ব নেলাগে ঠিক সাতদিনৰ মূৰত মোক প্ৰভু ঈশ্বৰে উদাসীন পাছত অভিষেক কৰিলে, ছমাহৰ মূৰত মালা মন্ত্ৰ দিলে। সেই কালৰে পৰা আজিলৈকে এই সত্ৰতে পৰি আছোঁ। ....' "(নিৰ্মল ভকত)"

**তাম্ৰেশ্বৰী মন্দিৰ (১৯২৬) ঃ** বৰদলৈৰ 'তাম্ৰেশ্বৰী মন্দিৰ' উপন্যাসখনৰ পটভূমি মানৰ তৃতীয় আক্ৰমণ। অসমৰ উত্তৰ-পূব প্ৰান্তৰৰ তিনিচুকীয়া জিলাৰ শদিয়া অঞ্চলত অৱস্থিত কেঁচাইখাতী গোঁসানীৰ মন্দিৰত প্ৰচলিত নৰবলি প্ৰথাত আউজি এই উপন্যাসখনৰ কাহিনী ৰচনা কৰিছে। উপন্যাসখনত দেউৰী চুতীয়াসকলৰ আৰাধ্য কেঁচাইখাতী গোঁসানী 'তামাৰ মাই'ক কেন্দ্ৰ কৰি উজনি অসমৰ অতীত বুৰঞ্জী আৰু সমাজ ব্যৱস্থাক

প্ৰতিফলিত কৰা হৈছে। ধনেশ্বৰ চুতীয়া আৰু আঘোণীৰ প্ৰেম কাহিনীটোৰ জৰিয়তে ঔপন্যাসিক বৰদলৈয়ে সমাজত প্ৰচলিত কিছুমান কু-সংস্কাৰ বিশেষকৈ তাম্ৰেশ্বৰী মন্দিৰৰ নৰবলি প্ৰথাক এটা সামাজিক ব্যাধিৰূপে দেখুওৱাবলৈ যত্ন কৰিছে, লগতে বৈষ্ণৱ ধৰ্মই যে সৰ্বশ্ৰেষ্ঠ তাকো প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিছে। এফালে নৰবলি প্ৰথা, আনফালে মানৰ শেষ আক্ৰমণ - এই দুটা উপাদানৰ সহায়ত কাহিনীৰ পটভূমি আৰু পৰিৱেশ ৰচনা কৰি ঔপন্যাসিক বৰদলৈয়ে উপন্যাসখনত সেই সময়ৰ অসমৰ সামাজিক চিত্ৰ অতি সহজ-সৰল ভাষাৰে অংকিত হৈছে - 'পিছত যেতিয়া চাৰিজন চুতীয়া মানুহ গা ধুই দেৱীক কাকুতি-মিনতি কৰিলে, তেতিয়া হেনো দেৱীমূৰ্ত্তি হালি-জালি পাতল হ'ল আৰু তেতিয়া সেই চাৰিজন চুতীয়ায়ো মাতৃমূৰ্ত্তিক দোলাত তুলি নি এই ঠাইত থাপিলে। যি ঠাইত থাপিলে সেই ঠাইত এই তাম্ৰেশ্বৰী মন্দিৰ নিৰ্মিত হ'ল। তেতিয়াৰ পৰা এই মূৰ্ত্তিক চুতীয়াসকলৰ পুৰোহিত দেউৰীসকলে সেৱা পূজা কৰে। ব্ৰাহ্মণ কি আন কাৰো এই মন্দিৰত অধিকাৰ নাছিল। দেউৰীসকলেই পূজাৰী, আঠপৰীয়া, পাচতোলা, বলিকটীয়া ইত্যাদি সকলো কাম কৰিছিল। এই তাম্ৰেশ্বৰী মাৰ মন্দিৰত বছৰি দুৰ্গোৎসৱৰ সময়ত হাঁহ, পাৰ, ম'হ, ছাগলী ইত্যাদিৰ বাদেও অষ্টমীৰ দিনা তেনে এটা হলেও নৰবলি হৈছিল ...। ' (তাম্ৰেশ্বৰী মন্দিৰ)

**ৰহদৈ লিগিৰি (১৯৩০) ঃ** 'ৰহদৈ লিগিৰী' ঔপন্যাসিক বৰদলৈৰ অন্তিম ঐতিহাসিক উপন্যাস। বৰদলৈৰ আটাইকেইখন উপন্যাসৰ ভিতৰত 'ৰহদৈ লিগিৰী' আকাৰত সকলোতকৈ ডাঙৰ। উপন্যাসখনৰ পটভূমি মানৰ প্ৰথম আক্ৰমণ। উপন্যাসিক বৰদলৈয়ে উপন্যাসখন তিনিটা খণ্ডত বিভক্ত কৰিছে। প্ৰথম খণ্ডত আছে ৰহদৈ-দয়াৰামৰ প্ৰেম-কাহিনী। দ্বিতীয় খণ্ডত আছে - তান্ত্ৰিক আগমানন্দৰ তান্ত্ৰিক বিদ্যাৰ বলত গাভৰু ৰহদৈ ষাঠি বছৰীয়া বৃদ্ধাত পৰিণত হোৱা আৰু তৃতীয় খণ্ডত আছে ৰহদৈ কৃষ্ণদাসী নাম লৈ বৈষ্ণৱিনী হোৱাৰ কথা। সাহ-পিত, সহনশীলতা, আত্ম-সংযম, স্বাৰ্থ-ত্যাগ আদি গুণেৰে বিভূষিত ৰহদৈ চৰিত্ৰ অসমীয়া গাভৰুৰ প্ৰতিমূৰ্ত্তিস্বৰূপ। ঔপন্যাসিকজনে চন্দ্ৰকান্ত সিংহ ৰাজপাটত বহা সময়ৰ ৰজাঘৰীয়া পৰিৱেশ, ডা-ডাঙৰীয়াসকলৰ কাৰ্য -কলাপ অসমৰ পুৰণি ৰীতি-নীতি, ৰজা আৰু ৰাজবিষয়াসকলৰ ক্ষমতাৰ প্ৰতি লোভ, মানৰ আক্ৰমণত সাধাৰণ প্ৰজাৰ দুখ-দুৰ্গতি, আশ্ৰমবাসী সন্ন্যাসীৰ ঈশ্বৰৰ চিন্তা তথা বৈষ্ণৱ ধৰ্মৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন আদিৰ যোগেদি সেই সময়ৰ অসমীয়া সমাজৰ এখন সম্যক ছবি অংকণ কৰিছে।

**থাম্বা থুইবীৰ সাধু (১৯৩২) ঃ** ৰজনীকান্ত বৰদলৈৰ শেষতীয়া ৰচনা 'থাম্বা থুইবীৰ সাধু'। 'আৱাহন'ৰ তৃতীয় বছৰৰ বিভিন্ন সংখ্যাত এই কাহিনী ধাৰাবাহিক ৰূপে প্ৰকাশ হৈছিল। উপন্যাসৰ ঠাইত 'সাধু' শব্দটো প্ৰয়োগ কৰাৰ দৃষ্টি ৰাখি ক'ব পাৰি যে লেখকে ইয়াক উপন্যাসৰূপে উপস্থাপন কৰা নাই বৰং এটা ঐকান্তিক প্ৰেম-কাহিনী হিচাপেহে দাঙি ধৰিছে। বৰদলৈয়ে মণিপুৰীসকলৰ উপাস্য দেৱ-দেৱীৰ মাহাত্ম্য প্ৰকাশেৰে ইয়াক গঢ় দিছে। পুথিখনত প্ৰচুৰ পৰিমাণে অলৌকিক উপাদান আছে। তদুপৰি, তাৰ মাজতে ইয়াক মণিপুৰী আচাৰ-নীতি, ধৰ্ম-কৰ্মও প্ৰকাশিত হৈছে।

**সামৰণি ঃ** ঐতিহাসিক উপন্যাস ইতিহাস নহয়, ইতিহাসৰ পৰিপূৰকহে। অৰ্থাৎ ইতিহাসৰ আশ্ৰয়ত ঐতিহাসিক পটভূমি ৰচনা কৰি সেই যুগৰ সমাজ-জীৱনৰ জীৱন্ত ছবি অংকন কৰাই ঐতিহাসিক উপন্যাসৰ মূল কথা। কিন্তু সেয়ে হলেও ঔপন্যাসিক বৰদলৈৰ উপন্যাস সমূহত ঠায়ে-ঠায়ে সামাজিক প্ৰথা আৰু ধৰ্মীয় সাধনাৰ প্ৰণালীৰ বিৱৰণ, 'তাম্ৰেশ্বৰী মন্দিৰ'ত কৃষ্ণ মাহাত্ম্য আৰু অহিংসাত্মক বৈষ্ণৱ ধৰ্মৰ শ্ৰেষ্ঠতা প্ৰদৰ্শন, একমাত্ৰ সামাজিক উপন্যাস 'মিৰি-জিয়ৰী'ত মিৰি (মিচিং) সমাজৰ পূজা-পাতলৰ বিৱৰণ আদিয়ে কাহিনীৰ ৰসভংগ কৰাত অৰিহণা যোগাইছে বুলি কব পাৰি। বৰদলৈয়ে এঠাইত নিজেই স্বীকাৰ কৰিছে যে, উপন্যাসৰ যোগেদি পাঠক সকলক ধৰ্মৰ ফালে আকৰ্ষণ কৰাই তেখেতৰ ৰচনাৰ অন্যতম আদৰ্শ। অৱশ্যে এই কথা স্বীকাৰ কৰিব লাগিব যে, পুৰণি অসমীয়া সমাজখনক ধৰ্মৰ পৰা পৃথক কৰিব নোৱাৰি। এহাতে বিৱৰণৰ আধিক্যই কিছু ৰসভংগ কৰিলেও সকলো জীৱৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন, বৈষ্ণৱ ধৰ্মৰ প্ৰতি আস্থা প্ৰকাশ, দেহজ প্ৰেমক আধ্যাত্মিকতাৰ স্তৰলৈ ৰূপান্তৰ আদিয়েই বৰদলৈৰ উপন্যাস সমূহক অতি উচ্চ গুণবিশিষ্ট কৰি তুলিছে। এনে কাৰণতে ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই তেওঁক "The most large hearted and the most felicitious of our novelists" বুলি যথাবিহিত প্ৰশংসা কৰিছে।

ৰজনীকান্ত বৰদলৈয়ে অতীতমুখী চিন্তা আৰু জাগ্ৰত চেতনাৰে স্কট আৰু বঙ্কিমচন্দ্ৰৰ উপন্যাসৰ আৰ্হি গ্ৰহণ কৰি অতীত অসমৰ গৌৰৱোজ্জ্বল কাহিনীৰ যোগেদি দেশ আৰু জাতিৰ প্ৰতি পাঠকক সচেতন কৰি সমাজ-সংস্কাৰৰ পথ-প্ৰদৰ্শন কৰিছে আৰু অসমৰ জাতীয় জীৱনত এটি আলোড়নৰ সৃষ্টি কৰি অসমীয়া সাহিত্যত মানৱৰ বিশ্বজনীন অনুভূতি আৰু আদৰ্শৰ দুৱাৰ মুকলি কৰিছে। এক কথাত ক'বলৈ হলে জাতীয় চেতনা জাগ্ৰত কৰিবলৈ ঐতিহাসিক চেতনাৰ প্ৰয়োজনীয়তা তেওঁ খুব ভালদৰেই উপলব্ধি কৰি নিজৰ কৰ্মপথত আগবাঢ়িছিল। সেয়ে ঐতিহাসিক উপন্যাসসমগ্ৰৰ (লগতে সামাজিক উপন্যাস মিৰি-জিয়ৰী) বাবে ৰজনীকান্ত বৰদলৈ অসমীয়া সাহিত্যত এজন ৱাল্টাৰ স্কট বা বংকিমচন্দ্ৰৰ শূণ্যতা পূৰণ কৰি 'উপন্যাস সম্ৰাট' ৰূপে অসমীয়া জনসমাজত চিৰস্মৰণীয় হৈ ৰ'ল।

প্ৰতিফলিত কৰা হৈছে। ধনেশ্বৰ চুতীয়া আৰু আঘোণীৰ প্ৰেম কাহিনীটোৰ জৰিয়তে ঔপন্যাসিক বৰদলৈয়ে সমাজত প্ৰচলিত কিছুমান কু-সংস্কাৰ বিশেষকৈ তাম্ৰেশ্বৰী মন্দিৰৰ নৰবলি প্ৰথাক এটা সামাজিক ব্যাধিৰূপে দেখুওৱাবলৈ যত্ন কৰিছে, লগতে বৈষ্ণৱ ধৰ্মই যে সৰ্বশ্ৰেষ্ঠ তাকো প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিছে। এফালে নৰবলি প্ৰথা, আনফালে মানৰ শেষ আক্ৰমণ - এই দুটা উপাদানৰ সহায়ত কাহিনীৰ পটভূমি আৰু পৰিৱেশ ৰচনা কৰি ঔপন্যাসিক বৰদলৈয়ে উপন্যাসখনত সেই সময়ৰ অসমৰ সামাজিক চিত্ৰ অতি সহজ-সৰল ভাষাৰে অংকিত হৈছে - 'পিছত যেতিয়া চাৰিজন চুতীয়া মানুহ গা ধুই দেৱীক কাকুতি-মিনতি কৰিলে, তেতিয়া হেনো দেৱীমূৰ্ত্তি হালি-জালি পাতল হ'ল আৰু তেতিয়া সেই চাৰিজন চুতীয়ায়ো মাতৃমূৰ্ত্তিক দোলাত তুলি নি এই ঠাইত থাপিলে। যি ঠাইত থাপিলে সেই ঠাইত এই তাম্ৰেশ্বৰী মন্দিৰ নিৰ্মিত হ'ল। তেতিয়াৰ পৰা এই মূৰ্ত্তিক চুতীয়াসকলৰ পুৰোহিত দেউৰীসকলে সেৱা পূজা কৰে। ব্ৰাহ্মণ কি আন কাৰো এই মন্দিৰত অধিকাৰ নাছিল। দেউৰীসকলেই পূজাৰী, আঠপৰীয়া, পাচতোলা, বলিকটীয়া ইত্যাদি সকলো কাম কৰিছিল। এই তাম্ৰেশ্বৰী মাৰ মন্দিৰত বছৰি দুৰ্গোৎসৱৰ সময়ত হাঁহ, পাৰ, ম'হ, ছাগলী ইত্যাদিৰ বাদেও অষ্টমীৰ দিনা তেনে এটা হলেও নৰবলি হৈছিল ...। ' (তাম্ৰেশ্বৰী মন্দিৰ)

**ৰহদৈ লিগিৰি (১৯৩০) ঃ** 'ৰহদৈ লিগিৰী' ঔপন্যাসিক বৰদলৈৰ অন্তিম ঐতিহাসিক উপন্যাস। বৰদলৈৰ আটাইকেইখন উপন্যাসৰ ভিতৰত 'ৰহদৈ লিগিৰী' আকাৰত সকলোতকৈ ডাঙৰ। উপন্যাসখনৰ পটভূমি মানৰ প্ৰথম আক্ৰমণ। উপন্যাসিক বৰদলৈয়ে উপন্যাসখন তিনিটা খণ্ডত বিভক্ত কৰিছে। প্ৰথম খণ্ডত আছে ৰহদৈ-দয়াৰামৰ প্ৰেম-কাহিনী। দ্বিতীয় খণ্ডত আছে - তান্ত্ৰিক আগমানন্দৰ তান্ত্ৰিক বিদ্যাৰ বলত গাভৰু ৰহদৈ যাঠি বছৰীয়া বৃদ্ধাত পৰিণত হোৱা আৰু তৃতীয় খণ্ডত আছে ৰহদৈ কৃষ্ণদাসী নাম লৈ বৈষ্ণৱিনী হোৱাৰ কথা। সাহ-পিত, সহনশীলতা, আত্ম-সংযম, স্বাৰ্থ-ত্যাগ আদি গুণেৰে বিভূষিত ৰহদৈ চৰিত্ৰ অসমীয়া গাভৰুৰ প্ৰতিমূৰ্ত্তিস্বৰূপ। ঔপন্যাসিকজনে চন্দ্ৰকান্ত সিংহ ৰাজপাটত বহা সময়ৰ ৰজাঘৰীয়া পৰিৱেশ, ডা-ডাঙৰীয়াসকলৰ কাৰ্য -কলাপ অসমৰ পুৰণি ৰীতি-নীতি, ৰজা আৰু ৰাজবিষয়াসকলৰ ক্ষমতাৰ প্ৰতি লোভ, মানৰ আক্ৰমণত সাধাৰণ প্ৰজাৰ দুখ-দুৰ্গতি, আশ্ৰমবাসী সন্ন্যাসীৰ ঈশ্বৰৰ চিন্তা তথা বৈষ্ণৱ ধৰ্মৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন আদিৰ যোগেদি সেই সময়ৰ অসমীয়া সমাজৰ এখন সম্যক ছবি অংকণ কৰিছে।

**থাম্বা থুইবীৰ সাধু (১৯৩২) ঃ** ৰজনীকান্ত বৰদলৈৰ শেষতীয়া ৰচনা 'থাম্বা থুইবীৰ সাধু'। 'আৱাহন'ৰ তৃতীয় বছৰৰ বিভিন্ন সংখ্যাত এই কাহিনী ধাৰাবাহিক ৰূপে প্ৰকাশ হৈছিল। উপন্যাসৰ ঠাইত 'সাধু' শব্দটো প্ৰয়োগ কৰালৈ দৃষ্টি ৰাখি ক'ব পাৰি যে লেখকে ইয়াক উপন্যাসৰূপে উপস্থাপন কৰা নাই বৰং এটা ঐকান্তিক প্ৰেম-কাহিনী হিচাপেহে দাঙি ধৰিছে। বৰদলৈয়ে মণিপুৰীসকলৰ উপাস্য দেৱ-দেৱীৰ মাহাত্ম্য প্ৰকাশেৰে ইয়াক গঢ় দিছে। পুথিখনত প্ৰচুৰ পৰিমাণে অলৌকিক উপাদান আছে। তদুপৰি, তাৰ মাজতে ইয়াক মণিপুৰী আচাৰ-নীতি, ধৰ্ম-কৰ্মও প্ৰকাশিত হৈছে।

**সামৰণি ঃ** ঐতিহাসিক উপন্যাস ইতিহাস নহয়, ইতিহাসৰ পৰিপূৰকহে। অৰ্থাৎ ইতিহাসৰ আশ্ৰয়ত ঐতিহাসিক পটভূমি ৰচনা কৰি সেই যুগৰ সমাজ-জীৱনৰ জীৱন্ত ছবি অংকন কৰাই ঐতিহাসিক উপন্যাসৰ মূল কথা। কিন্তু সেয়ে হলেও ঔপন্যাসিক বৰদলৈৰ উপন্যাস সমূহত ঠায়ে-ঠায়ে সামাজিক প্ৰথা আৰু ধৰ্মীয় সাধনাৰ প্ৰণালীৰ বিৱৰণ, 'তাম্ৰেশ্বৰী মন্দিৰ'ত কৃষ্ণ মাহাত্ম্য আৰু অহিংসাত্মক বৈষ্ণৱ ধৰ্মৰ শ্ৰেষ্ঠতা প্ৰদৰ্শন, একমাত্ৰ সামাজিক উপন্যাস 'মিৰি-জিয়ৰী'ত মিৰি (মিচিং) সমাজৰ পূজা-পাতলৰ বিৱৰণ আদিয়ে কাহিনীৰ ৰসভংগ কৰাত অৰিহণা যোগাইছে বুলি কব পাৰি। বৰদলৈয়ে এঠাইত নিজেই স্বীকাৰ কৰিছে যে, উপন্যাসৰ যোগেদি পাঠক সকলক ধৰ্মৰ ফালে আকৰ্ষণ কৰাই তেখেতৰ ৰচনাৰ অন্যতম আদৰ্শ। অৱশ্যে এই কথা স্বীকাৰ কৰিব লাগিব যে, পুৰণি অসমীয়া সমাজখনক ধৰ্মৰ পৰা পৃথক কৰিব নোৱাৰি। এহাতে বিৱৰণৰ আধিক্যই কিছু ৰসভংগ কৰিলেও সকলো জীৱৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন, বৈষ্ণৱ ধৰ্মৰ প্ৰতি আস্থা প্ৰকাশ, দেহজ প্ৰেমক আধ্যাত্মিকতাৰ স্তৰলৈ ৰূপান্তৰ আদিয়েই বৰদলৈৰ উপন্যাস সমূহক অতি উচ্চ গুণবিশিষ্ট কৰি তুলিছে। এনে কাৰণতে ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই তেওঁক "The most large hearted and the most felicitious of our novelists" বুলি যথাবিহিত প্ৰশংসা কৰিছে।

ৰজনীকান্ত বৰদলৈয়ে অতীতমুখী চিন্তা আৰু জাগ্ৰত চেতনাৰে স্কট আৰু বঙ্কিমচন্দ্ৰৰ উপন্যাসৰ আৰ্হি গ্ৰহণ কৰি অতীত অসমৰ গৌৰৱোজ্জ্বল কাহিনীৰ যোগেদি দেশ আৰু জাতিৰ প্ৰতি পাঠকক সচেতন কৰি সমাজ-সংস্কাৰৰ পথ-প্ৰদৰ্শন কৰিছে আৰু অসমৰ জাতীয় জীৱনত এটি আলোড়নৰ সৃষ্টি কৰি অসমীয়া সাহিত্যত মানৱৰ বিশ্বজনীন অনুভূতি আৰু আদৰ্শৰ দুৱাৰ মুকলি কৰিছে। এক কথাত ক'বলৈ হলে জাতীয় চেতনা জাগ্ৰত কৰিবলৈ ঐতিহাসিক চেতনাৰ প্ৰয়োজনীয়তা তেওঁ খুব ভালদৰেই উপলব্ধি কৰি নিজৰ কৰ্মপথত আগবাঢ়িছিল। সেয়ে ঐতিহাসিক উপন্যাসসমগ্ৰৰ (লগতে সামাজিক উপন্যাস মিৰি-জিয়ৰী) বাবে ৰজনীকান্ত বৰদলৈ অসমীয়া সাহিত্যত এজন ৱাল্টাৰ স্কট বা বংকিমচন্দ্ৰৰ শূণ্যতা পূৰণ কৰি 'উপন্যাস সম্ৰাট' ৰূপে অসমীয়া জনসমাজত চিৰস্মৰণীয় হৈ ৰ'ল। ■

॥ প্ৰবন্ধ ॥



# বিহু গীতত অসমীয়া জনজীৱনৰ প্ৰতিফলন

**সমন্বিতা বৰা**
স্নাতক, তৃতীয় যান্মাসিক

বিহুগীতসমূহ বিশ্লেষণ কৰি চালে তাত অসমৰ প্ৰকৃতিৰ প্ৰধান চাৰিটা চিত্ৰ ৰূপায়িত হোৱা দেখা যায়। সেয়া হৈছে অসমৰ নদ-নদী, গৰু-মহ, চৰণীয়া উদং চাপৰি, বহল পথাৰ, পৰ্বতৰাজি আৰু বিচিত্ৰ বৰ্ণ আৰু মধুৰ সংগীত সৃষ্টি কৰা পশু-পক্ষীসমূহ।

অসমৰ জলবায়ু নাতিষীতোষ্ণ। সেয়েহে অসমীয়া মানুহে বছৰৰ বাৰমাহে পাহাৰে পৰ্বতে, নৈয়ে-বিলে, হাবিয়ে-বননিয়ে জীৱন নিৰ্বাহৰ নানান কাৰ্যত ওলাই সোমাই ফুৰিব পাৰে। প্ৰতি ঋতুৱেই অসমৰ প্ৰকৃতিক নতুন ৰূপেৰে অলংকৃত কৰে। প্ৰকৃতিৰ লগত থকা ঘনিষ্ঠ আত্মীয়তাৰ বাবেই অসমীয়া মানুহৰ মনত বিচিত্ৰ ভাৱ অনুভূতিৰ সৃষ্টি হয় আৰু তাৰ ফলস্বৰূপেই অসমীয়া ভাষাত বহুত লিখিত আৰু অলিখিত লোকগীত আৰু বিহুগীতৰ জন্ম হৈছে।

বিহুগীতসমূহ বিশ্লেষণ কৰি চালে তাত অসমৰ প্ৰকৃতিৰ প্ৰধান চাৰিটা চিত্ৰ ৰূপায়িত হোৱা দেখা যায়। সেয়া হৈছে অসমৰ নদ-নদী, গৰু-ম'হ, চৰণীয়া উদং চাপৰি, বহল পথাৰ, পৰ্বতৰাজি আৰু বিচিত্ৰ বৰ্ণ আৰু মধুৰ সংগীত সৃষ্টি কৰা পশু-পক্ষীসমূহ।

অসমৰ লোকসকল যিহেতু কৃষিজীৱি সেয়েহে নৈৰ সৈতে উমলি-জামলি, মাছ ধৰি, নাও চলাই, খেতি কৰি তেওঁলোকে জীৱন-নিৰ্বাহ কৰে। পৰশুৰাম কুণ্ডকে আৰম্ভ কৰি মাজুলীৰ চাৰি সত্ৰক বুকুত লৈ অসমীয়াৰ আধ্যাত্মিকতাৰ ক্ষেত্ৰসমূহ লুইতৰ পাৰতে অৱস্থিত। লুইতৰ পানীয়ে অসমৰ পথাৰ শস্য শ্যামল কৰে।

"লুইতৰ বালি বগী ধকে ধকি, কাছই কণী পাৰে লেখি", "চিৰিপ চিৰিপ কৰি কাপোৰ ধুই আছিলো চিৰি লুইতলৈ চাই" ঃ এনেবোৰ বিহুগীতত জাতিৰ নদী-প্ৰীতি সুন্দৰ ভাৱে প্ৰকাশ পাইছে।

"ম'হ মেলি গুৱালটি চাপৰি পালেগৈ বাটত চিঙি খালে জৰা, পিছৰাতি গুৱালে উকিটি মাৰিলে নুঘূৰে যঁতৰৰ শলা" আদি গীতবোৰত অসমীয়া জনজীৱনত গৰু, ম'হ, চাপৰি আদিৰ গুৰুত্বৰ সুন্দৰ প্ৰতিফলন ঘটিছে।

অসমলৈ ম'হ শ্যামদেশৰ পৰা আহিছিল। শ্যাম থাই সংস্কৃতিৰ লগত জড়িত। সেই সূত্ৰে অসমীয়া

জনজীৱনৰ লগতো ম'হৰ সম্বন্ধ নিবিড়। ম'হ শক্তি, সৌন্দৰ্য আৰু যৌৱনৰ প্ৰতীক। বিহুগীতত সেয়েহে পোৱা যায় ঃ

"কিনো খুৱাই বঢ়ালে মতা মহৰ গলধন", "ওৱালৰ তলতে নাকীজৰী বাটোতে ম'হ বনৰীয়া হ'ল" ইত্যাদি।

ধানৰ পথাৰে মানুহৰ মনলৈ সন্তুষ্টি, সঞ্চয় আৰু সম্ভোগৰ কল্পনা আনে। মুকলি পথাৰ আদিম যুগৰে পৰা প্ৰেমৰ বেদী ৰূপে ব্যৱহৃত হৈ আহিছে। আদিম যুগত ডেকা-গাভৰুৰ প্ৰথম প্ৰেম, মান-অভিমান উৰ্বৰা পথাৰৰ বুকুতে মূৰ্ত হৈ উঠিছিল। সেয়েহে বিহুগীতত আছে --

"দকৈ পথাৰত ধান দাই আছিলো
ঘিলা চকলীয়া মুঠি
সকলোকে দেখো তোমাকে নেদেখো
ঢাপৰে ওপৰত উঠি।"

কোনো কোনো পণ্ডিতৰ মতে অসমৰ প্ৰাচীনতম অধিবাসীসকল পৰ্বতত বাস কৰিছিল। গতিকে পৰ্বতৰ সৌন্দৰ্য্যই অসমীয়া মানুহক অতীজৰে পৰা মুগ্ধ কৰি আহিছে। সেয়েহে বিহুগীতত আছে --

"পৰ্বতে পৰ্বতে বগাব পাৰোঁ মই
লতানো বগাবলৈ টান।।"

ধানৰ পথাৰে মানুহৰ মনলৈ সন্তুষ্টি, সঞ্চয় আৰু সম্ভোগৰ কল্পনা আনে। মুকলি পথাৰ আদিম যুগৰে পৰা প্ৰেমৰ বেদী ৰূপে ব্যৱহৃত হৈ আহিছে। আদিম যুগত ডেকা-গাভৰুৰ প্ৰথম প্ৰেম, মান-অভিমান উৰ্বৰা পথাৰৰ বুকুতে মূৰ্ত হৈ উঠিছিল।

গছ-বিৰিষ ফুলৰ বিষয়েও অসমীয়া বিহুগীতত উল্লেখ আছে সেইদৰে কলগছ, কলপাত, আমগছ, আমপাত কপৌফুল, নাহৰ ফুল, তগৰ ফুল আদি অসমীয়া পূজা-পাৰ্বন, বিহু নৃত্যত সত্ৰতে ব্যৱহৃত হয়। পক্ষীপ্ৰেমো বিহুগীতত পোৱা যায়। গছৰ ছাঁ, গৰখীয়াৰ বিশ্ৰাম বিনোদনৰ স্থান। ডেকা-গাভৰুৰ প্ৰেমৰ কুঞ্জ। সেয়েহে বিহুগীতত উল্লেখ আছে --

"আহোঁ বৰৰ তলে যাওঁ বৰৰ তলে
বৰৰে ঢেপলা পাত
বৰৰে তলতে মোকে নোজোকাবি
ওলাব মইনা মাত।"

অসমীয়া গাঁৱলীয়া জীৱনত স্ত্ৰী-পুৰুষৰ অবাধ আৰু নিঃসংকোচ মিলন লক্ষ্য কৰিবলগীয়া। বিবাহৰ পূৰ্বে ডেকা-গাভৰুৰ মাজত হোৱা গোপন মিলনৰ বাস্তৱ চিত্ৰ বিহুগীতত আছে ঃ

"আজি গধূলি যাম ঐ মইনা
বাটৰে নঙলা খুলি।
কুকুৰে ভুকিলে ওলাই তই আহিবি
ক'ত কি দেখিছে বুলি।"

তাঁতশাল সম্বন্ধতো বিহুগীতত অলেখ উল্লেখ আছে। অসমীয়া সাজপাৰ -- যেনে, চেলেং, চাদৰ, চুৰিয়া, গামোচা আদিৰ বিস্তৃত বৰ্ণনা বিহুগীতসমূহত পোৱা যায়। মুনিহ-তিৰোতা উভয়ে হাতত গাঁৰিফুলৰ হাঁচতি ব্যৱহাৰ কৰিছিল। বিহুগীতত উল্লেখ আছে --

"হাঁচতি এখনি খুজিব খুজিছোঁ
দিয়া কি নিদিয়া বৈ..."

অসমীয়া মহিলা, বিশেষকৈ ছোৱালীবোৰে পিন্ধা নানান গহনা যেনে -- বিৰী, সোণ পোৱালৰ মণি, কাণত বাখৰ খটোৱা কেৰু, ঢোলবিৰি, জোনবিৰি আদিৰ উল্লেখো বিহুগীতত আছে।

"ডিঙিতে গঢ়াই দিম সোণৰ মণিধাৰী
কাণতে গঢ়াই দিম কেৰু ........."

গাভৰুসকলে হাতত লগোৱা জেতুকা, প্ৰসাধনত ব্যৱহাৰ কৰা হালধি, তেল আৰু কলডিলীয়া খোপাত কপৌফুল গুজি বিহু মাৰিবলৈ যোৱা গাভৰুসকলৰ বিষয়ে বিহুগীতত পোৱা যায় -

"খোপাতে কপৌফুল, হাতত জেতুকাৰ বোল।"

বিহুগীত বিহুনাচ উভয়তে অসমীয়া জাতিৰ চাৰু শিল্পৰ প্ৰতি স্বাভাৱিক স্পৃহা প্ৰকাশিত হৈছে। বাঁহৰ টকা, মহৰ শিঙৰ পেঁপা, আগলি বাঁহৰ লাহৰি গগণা, ঢোল, বীণ, টোকাৰী আদি জনসাধাৰণৰ মাজত বিশেষভাৱে প্ৰচলিত বাদ্যযন্ত্ৰ।

বিহুগীতৰ ভাষা অসমীয়া সাধাৰণ মানুহৰ সহজ সৰল ভাষা। বিহুগীত ঘাইকৈ ডেকা-গাভৰুৰ প্ৰেম নিবেদনৰ গীত। সেইকাৰণে এই গীতৰ বাক্য আৰু শব্দ ৰাজিতে প্ৰেমৰ, প্ৰণয়ৰ ভাৱ প্ৰকট হৈ উঠে। বিহুগীতবোৰত ডেকা-গাভৰুৰ দৈহিক বৰ্ণনাৰ চিত্ৰ পোৱা যায়। বিহুগীতত অসমীয়া মানুহৰ সৌন্দৰ্য - স্পৃহা, চিন্তা ধাৰণা, আশা-আকাংক্ষাৰ ছবিও মাজে মাজে প্ৰকাশ পাইছে। অসমীয়া মানুহৰ ধ্যান ধাৰণা, আচাৰ অনুষ্ঠান আদিৰ বিষয়েও বিহুগীতত সিঁচৰিত হৈ থকা দেখা যায়। অসমীয়া জাতিৰ ধৰ্ম বিশ্বাসৰ ঐতিহ্যত এই পদবোৰ বিশেষ মূল্যৱান।

ভূত, ভৱিষ্যত, বৰ্তমান জানিবলৈ মানুহৰ মনত অনন্ত কৌতূহল। কুকুৰা কাটি মঙ্গল চোৱা আদি ভূত-ভৱিষ্যত গণনাৰে অন্যান্য ৰীতি। চৰাই-চিৰিকটি, বিশেষকৈ কোৱা আৰু ফেঁচাৰ

মাত আৰু উ ৰণৰ পৰাও শুভাশুভ গণনা কৰা হয়। সেয়ে বিহুগীতত কোৱা হয় –

"কোৱাতকৈ বাতৰি দিলা ঐ আইটী চিলাত কৈ বাতৰি দিলা।"

মাছক অসমীয়া মানুহে প্ৰজননৰ প্ৰতীক আৰু মাঙ্গলিক বুলি বিশ্বাস কৰে। সেইবাবে কইনাৰ ঘৰলৈ নিয়া জোৰণৰ সামগ্ৰীৰ লগত মাছ অপৰিহাৰ্য। প্ৰজননৰ প্ৰতীক ঃ মাছ মাৰিবলৈ যাওঁতে অসমীয়া ডেকা-গাভৰুৰ প্ৰথম প্ৰেমৰ উন্মেষ ঘটে।

শাক-পাচলিৰ নাম ক'বলৈ হ'লে কচু, ঢেকীয়া, বাবৰি, ভেদাইলতা, খুতুৰা শাক, বিলাহী, বেঙেনা, ঔ টেঙা আদিৰ নাম ল'ব পাৰি। বিহুগীতত সেয়ে গোৱা হয় –

"কচু টেঙা, খুতুৰা, বিলাহী, ঢেকীয়া
জুতি লগায়ে খাবা
গধূলিৰে পৰা দুৱাৰ খুলি থমে
বিড়ালি যোৱাদি যাবা।"

বিহুগীতত অসমৰ নানান টেঙাৰ নামো পোৱা যায়। যেনে - জৰা, চকলা, থেকেৰা, সুমথিৰা আদি। বিহুগীতত উল্লেখ আছে -

"চকলা টেঙাটি অকলে নাখাবা
আমাকো অকণমান দিবা"

যান-বাহনৰ ভিতৰত নাৱৰ উল্লেখ বিহুগীতত আছে। হেঙুলীয়া নাও, পানচৈ নাও, শিমলুৰ চেঙেলী নাও, চৰা নাওৰ উল্লেখে নৌ-যানৰ অসমৰ সমাজত প্ৰাধান্যৰ কথাকে সূচাইছে। গৰু-গাড়ী, ঘোঁৰা, দোলা, হাতী আৰু অন্যান্য বাহনৰ নামো বিহুগীতত উল্লেখ আছে।

বিভিন্ন বাদ্যযন্ত্ৰৰ বিষয়েও বিহুগীতত উল্লেখ পোৱা যায়। যেনে - ঢোল, তাল, টকা, মহৰ শিঙৰ পেঁপা, গগণা আদি। বিহুগীতত উল্লেখ আছে –

"আগলি বাঁহৰে লাহৰি গগণা
বহি তাঁতৰ পাতত বাওঁ .......
ঢোলে ভালে কৰি বাবি ঐ ঢুলীয়া ........"

অসমীয়া বিহুগীতত গছ, বিৰিষ, ফুল, নদ-নদী, পশু-পক্ষীৰ নামো উল্লেখ আছে। যেনে –

"পাহাৰ বগাই বগাই কপৌফুল আনিছো..." আদি

এনেদৰেই বিহুগীতত অসমীয়া জনজীৱনৰ বিস্তৃত প্ৰতিফলন ঘটিছে।

■



॥ প্ৰবন্ধ ॥

# স্মৃতিৰ মণিকোঠাত
# জাগীৰোড মহাবিদ্যালয়

স্যমন্তমণি বৰদলৈ (প্ৰাক্তন ছাত্ৰ)



“হম্ ইচ্ ধৰ্‌তী পৰ মেহ্‌মান বন্‌কৰ আয়ে হেঁ, অ'ৰ ইসে মহান্ বনাকৰহি যানা হেঁ।।” পৃথিৱীৰ আটাইতকৈ ডাঙৰ আৰু শ্ৰেষ্ঠ সম্পদ হ'ল - মানুহৰ স্মৃতি। স্মৃতিচাৰণ কৰিবলৈ বহি আজি মোৰ মানসপটত জাগীৰোড মহাবিদ্যালয়ত পঢ়া জীৱনৰ বহু কথাই ভিৰ কৰিছেহি। তাৰ মাজতে মোৰ প্ৰিয় লেখক হোমেন বৰগোহাঞিদেৱে উল্লেখ কৰা এটি আকৰ্ষণীয় অথচ জীৱন সচকিত কৰা কাহিনীলৈ মনত পৰি গ'ল। কাহিনীটোৰ সাৰমৰ্ম হ'ল এইঃ পাশ্চাত্য মানুহৰ সমাজত এটি প্ৰচলিত ৰীতি হ'ল - মানুহ এজনৰ মৃত্যু হ'লে, মৃতকৰ সৎকাৰ থলিত এখন বিশেষ ধৰণৰ সভাই অনুষ্ঠিত কৰা হয়। সভাখনৰ অন্যতম প্ৰধান বৈশিষ্ট্য হ'ল এই যে - মৃতকৰ বন্ধু এগৰাকীয়ে তেওঁৰ জীৱনত কৰি যোৱা কীৰ্ত্তি-কাহিনী বা গুণ-গৰিমাৰ বিষয়ে উপস্থিত ৰাইজৰ আগত ক'ব লাগিব। এই ভাষণটোক ‘সৎকাৰ ভাষণ’ বা Funeral Speech বুলি কোৱা হয়। কাহিনীত উল্লেখ কৰা ধৰণে এগৰাকী বৃদ্ধ বন্ধুৰ পাল পৰিল। তেওঁ ভাষণ আৰম্ভ কৰিলে এইদৰে -- “তেওঁ মোৰ বৰ ভাল বন্ধু আছিল। তেওঁ দেশৰ কাৰণে বহুতো অৱদান দি থৈ গ'ল। তেওঁৰ মৃত্যুত সমগ্ৰ দেশবাসীৰে মনত শোকৰ ছাঁ পৰিছে। তেওঁৰ পৰিয়ালবৰ্গলৈ মোৰ ফালৰ পৰা সমবেদনা জ্ঞাপন কৰিলোঁ।” সহৃদয় পাঠক সমাজ, এই কাহিনীটোত আটাইতকৈ, ডাঙৰ কথাটো কি জানে-বন্ধু এজন হৈ বন্ধুৰ মৃত্যুত তেওঁৰ নামটোকে মনত পেলাব নোৱাৰিলে

বৃদ্ধ গৰাকীয়ে! কিমাশ্চৰ্যম্! সংকাৰৰ গোটেই ভাষণটো — 'তেওঁ', 'তেওঁ' কৰিয়েই তেওঁ শেষ কৰিলে! এয়া হ'ল মানুহৰ বিস্মৃতিৰ এটা স্পৰ্শকাতৰ উদাহৰণহে মাত্ৰ। মানুহৰ স্মৃতিয়েই যদি বিনাশ হয়, তেনেহ'লে সেই মানুহৰ যে জীৱনটোৰ কি দশা হয়গৈ! সেয়েহে মোৰ ক'বলৈ মন যায় — Loss of memory is a great tragedy. লেখাৰ আৰম্ভণিতে এইখিনি অৱতাৰণা এইবাবেই কৰিলো যে, জীৱন গতিশীল, সেইকাৰণে ই পৰিৱৰ্তনশীলো। Change is the ultimate reality of the universe !

জাগীৰোড মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ হিচাপে ইয়াত মোৰ দুটা বছৰৰ স্মৃতি জড়িত হৈ আছে। ১৯৯০ চনত খোলাগাঁৰৰ শিক্ষাপ্ৰদীপ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰথম বেট্‌ছৰ দ্বিতীয় ছাত্ৰ হৈ মেট্ৰিক পাছ কৰি এইখন মহাবিদ্যালয়তে নামভৰ্ত্তি কৰিছিলো। তেতিয়া ইয়াৰ নাম আছিল 'কপিলী আঞ্চলিক মহাবিদ্যালয়।' মৰিগাঁও জিলাৰ ভিতৰতে এখন লেখত ল'ব লগীয়া উচ্চ শিক্ষানুষ্ঠান; কাৰণ ইয়াত বৃহত্তৰ অঞ্চলৰ বিদ্যানুৰাগী ব্যক্তিসকল জড়িত। তেওঁলোকলৈ আমাৰ সশ্ৰদ্ধ প্ৰণাম যাচিলো, যি সকলে জাগীৰোড মহাবিদ্যালয়ৰ দৰে এটি মহান উচ্চ শিক্ষানুষ্ঠান গঢ়ি আমাৰ দৰে উঠি অহা ন-প্ৰজন্মক শিক্ষা আহৰণৰ বাট মুকলি কৰি দিলে। তাতোকৈ ডাঙৰ কথা, এই মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰদ্ধাৰ মহেন্দ্ৰ আহোম ছাৰৰ অক্লান্ত শ্ৰম, কষ্ট সহিষ্ণুতা, জ্ঞানপ্ৰসাৰৰ অত্যুগ্ৰ বাসনা আৰু দূৰদৰ্শিতাই এই অনুষ্ঠানটিক আৰু মহান কৰি তুলিলে। লগতে স্বীকাৰ কৰিব লাগিব অৱিহণা সেই সকলৰো — যাৰ অবিহনে এটা শিক্ষানুষ্ঠান গঢ় লোৱাতো সম্ভৱপৰ নহয়; যথা- শিক্ষক-ছাত্ৰ-অভিভাৱক। এই ত্ৰিবেণী সংগমৰ ফলশ্ৰুতিতে শিক্ষাৰ মহাবৃক্ষ এজোপাই ডালে-পাতে চিৰসেউজীয়া হৈ বিকশিত হয় আৰু ফলদান কৰিবলৈ আৰম্ভ কৰে। শিক্ষানুষ্ঠান খনিৰ মূৰব্বী গৰাকী শিল্পীমনৰ হ'ব লাগে। সঁচা অৰ্থত আহোম ছাৰ তেনে এগৰাকীয়েই শিল্পী আছিল। একে সময়তে ছাৰ এগৰাকী দক্ষ প্ৰশাসকো আছিল। প্ৰশাসন আৰু শিল্পৰ সমন্বয় ঘটাতো ইমান সহজ কথা নহয়; কিন্তু আহোম ছাৰৰ ক্ষেত্ৰত আমি দুয়োটাৰে সু-সমন্বয় হোৱা দেখা পাইছিলো।

একোখন মহাবিদ্যালয় হ'ল, ভিন্ন জাতি-উপজাতিৰ সংস্কৃতিৰ সমন্বয় ক্ষেত্ৰ। ক'ব পাৰি, ভাৱৰ আদান-প্ৰদান কৰা মিলন ক্ষেত্ৰ। অবিভক্ত নগাঁও জিলা আৰু কামৰূপ জিলাৰ পূব অঞ্চলৰ বহুতো ছাত্ৰ-ছাত্ৰীয়েই এইখন মহাবিদ্যালয়তে উচ্চ শিক্ষাৰ পাতনি মেলিছিল। বিশেষকৈ নগাঁও কাগজ কলৰ আৱাসিক এলেকাৰ পৰা অহা ভিন্ন জাতিৰ ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ৰ পৰিৱেশ বেছ উখল-মাখল কৰি তুলিছিল। তাতে কুঁহিপাতৰ দৰে নকৈ উঠি অহা ডেকা-গাভৰুৰ হৰিণীচঞ্চল মনৰ আকাশ। আৱেগৰ চৌত উটি-ভাঁহি যোৱাৰ বয়স। কল্পনাৰ পক্ষীঘোঁৰাত উঠি আপোনৰো আপোনজনৰ মণিকোঠাত প্ৰৱেশ কৰিবলৈ প্ৰয়াস কৰাৰ বয়স। এই কথাবোৰত ভাগলোৱাৰ চখ নাছিল যদিও জিৰণিৰ সময়ত সহপাঠীৰ পৰা অলক্ষিতেই শুনিব লগা হৈছিল বহু কাহিনী। আমাৰ গাঁৰৰ পৰা জাগীৰোডলৈ প্ৰায় ১৪ কিলোমিটাৰ। মোৰ লগত নামভৰ্ত্তি কৰিছিল মলিনা পেহীয়েও। (কোঁৱৰ) বয়সত ১০ বছৰমানৰ ব্যৱধান। আমি একেলগে কলেজলৈ যাওঁ। পেহীৰ বয়সৰ আৰু এজনী ছোৱালী আমাৰ লগত পঢ়িছিল - নাম গীতা স্বৰ্গীয়াৰী। মই স্বভাৱগত লাজুকুৰীয়া আছিলো বাবে ছোৱালীবিলাকৰ লগত প্ৰয়োজনীয় দুই-এটা কথাৰ বাহিৰে বেছি কথা পতা নাছিলো। মনহা কছাৰী গাঁৰৰ জিত্ৰ ডেকাৰ কথা আজি মনত পৰিছে। খুবেই অন্তৰঙ্গ বন্ধু আছিলো আমি। আমাৰ গ্ৰুপত আছিল - জিত্ৰ ডেকা, মন্টু কুমাৰ ডেকা, সুৰেণ লস্কৰ, স্বপন কৰ্মকাৰ, অতুল ডেকা, ৰতন ডেকা, অজয় ডেকা (এই বন্ধুজন ভকতগাঁৰৰ পথৰ দাঁতিতে গাড়ীৰ খুন্দাত নিহত হ'ল - আজি কিছু বছৰ আগেয়ে), সহদেৱ বিশ্বাস আদি বহুতো। ক্লাচ নাথাকিলে আমি প্ৰায়ে একেলগে বহি লওঁ গছৰ তলত। ডেকাই ময়ে প্ৰস্তাৱ দিওঁ যে আজি আমি অন্ততঃ আধা ঘন্টা ইংৰাজীতে কথা পাতিম। মন্টু ডেকাৰ এটি খিলখিলীয়া মিহি কণ্ঠৰ হাঁহি আছিল - তেওঁ মাত দিছিল - 'মই অসমীয়াতে ক'ম দিয়া - এতিয়াই ইংৰাজী ক'লেচোন মাষ্টাৰ হৈ যাম।' তাতে সুৰেণে ৰস লগাই ক'ব - "এইবোৰ ভাষা 'অট'মেটিটেকেলি' জানিব পাৰিম দিয়া।" Automatically - এই শব্দটো কিয় জানো এতিয়াও মোৰ মনত সজীৱ হৈ আছে। বৰ্তমান তেওঁ ক'ত কি কৰি আছে, মই নাজানো - বহুতকে লগ নোপোৱা হ'লো। দ্বীপেন দেউৰী (সম্বন্ধত - মোৰ মামাৰ ল'ৰা), মনোৰঞ্জন দাস আমি তিনিও একেখন বিদ্যালয়ৰ পৰা ইয়াত পঢ়িবলৈ আহিছিলোঁ। জিত্ৰ ডেকাৰ স'তে নখোলাৰ বঙালী মানুহৰ এঘৰত ছমাহমান ভাড়াত আছিলো। He was a very ambitious guy. কিন্তু সময়ৰ কুটিল গতিত পৰি তেওঁ উচ্চ-শিক্ষা লাভ কৰিব নোৱাৰিলে। আমি জিত্ৰ ডেকাক উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত বৰ্ষৰ পৰীক্ষাত কলেজৰ ভিতৰতে প্ৰথম হ'ব বুলি ভাবিছিলো যদিও, দ্বীপেন দেউৰীয়েহে (১৯৯২) প্ৰথম বিভাগত প্ৰথম হৈ উত্তীৰ্ণ হৈছিল। আৱেগক ঢাকি ৰাখিব পাৰিছিলো কাৰণে তাৰ চৌত উটি-ভাঁহি যোৱা নাছিলো। দুটা বছৰত কলেজৰ পুথিভঁৰালত যথেষ্ট সময় দিছিলোঁ। তাত পঢ়া মোৰ উল্লেখযোগ্য ভ্ৰমণ সাহিত্য আছিল -- 'হাইকু আৰু চামুৰাইৰ দেশত' আৰু 'চুইজাৰলেণ্ড ভ্ৰমণ'। লগতে কবিতা পুথি 'সাগৰ দেখিছা।' কিতাপ অধ্যয়নৰ পৰা হোৱা জীৱন সম্পৰ্কীয় অভিজ্ঞতাৰ বিষয়ে আত্মানুসন্ধানত উল্লেখ কৰা

তাৰিণীকান্ত ভট্টাচাৰ্যৰ ভাষাৰে ক'ব পাৰোঁ — "আমি যিবোৰ মানুহে সাহিত্য ভাল পাওঁ, সাহিত্য অধ্যয়ন কৰোঁ, জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰ প্ৰতি তেওঁলোকৰ প্ৰতিক্ৰিয়া আনতকৈ কিছু বেলেগ হয়। এজন সাধাৰণ মানুহে জীৱনৰ দুৰ্ভাগ্যৰ মুখামুখি হৈ যিধৰণৰ আচৰণ কৰিব, তেনে আচৰণ মই নকৰোঁ। কাৰণ মই 'কিং লীয়েৰ' পঢ়িছোঁ।"

এইখিনিতে দ্বিতীয় বাৰ্ষিকত থকা আৰু এটা ঘটনাৰ কথা মোৰ মনত পৰিছে। সিদিনাখন ইংৰাজী ক্লাছত শিক্ষকগৰাকী অনুপস্থিত। আমাৰ শ্ৰেণীকোঠাৰ পৰিৱেশ তেতিয়া ৰামৰাজ্য সদৃশ, উখল-মাখল। তেনে মুহূৰ্ত্তত হঠাত অধ্যক্ষ আহোম ছাৰৰ প্ৰৱেশ। কি হ'ব এতিয়া! পৰিৱেশটোৰ বৰ্ণনা এটি উপমাৰে দিলেহে স্পষ্ট হ'ব। ধৰা হওক, নিৰ্জন হাবিত এজাক ভোকাতুৰ শিয়ালৰ আৰ্তৰাও। সিহঁতৰ উৎপাতত থাকিব পৰা নাই চিকাৰৰ সন্ধানত নিশ্চুপ হৈ থকা বনৰ ৰজা। সিহঁতৰ ৰং চাবৰ বাবে মেঘৰ দৰে গৰ্জন কৰি গা-দেখা দিলে। উক্ত গুৰুগম্ভীৰ মাতত নিস্তব্ধ পুনৰ শিয়ালৰ কোলাহল। অৱস্থা-ফাঁট দিয়া বসুমতী পাতালে লুকাওঁ যেন। কোনোবা ভয়ত কঁপিছে, কোনোবাই থৰ লাগিছে। এনে অৱস্থাত আমাৰ পৰা জানিব পাৰিলে যে ইতিমধ্যে অমুক ছাৰে 'The Highwayman' কবিতাটো পঢ়াইছে। তথাপি আমাক কবিতাটোৰ সৰল ব্যাখ্যা কৰিলে। ইয়াত Highwayman এ তাৰ প্ৰেমিকাৰ কাষলৈ প্ৰতিদিনে এবাৰকৈ আহে। নিৰিবিলি পৰত ঘোঁৰাৰ পিঠিত উঠি যেতিয়া তেওঁ আহে, সেই সময়ত স্বাভাৱিকতে ঘোঁৰাৰ খুৰাৰ শব্দবোৰ স্পষ্ট কৈ প্ৰেমিকাৰ কাণত বাজি উঠে - 'Tlot, Tlot ! Tlot, Tlot'. কথা হ'ল, আহোম ছাৰে ক্লাছত সোমাই উক্ত কবিতাটো এবাৰ সৰল ব্যাখ্যা কৰাৰ পাছত এগৰাকী ছোৱালীক প্ৰশ্ন কৰিলে — 'ধৰি লোৱা, হাইৱেমেনৰ অন্তহীন অপেক্ষাত থকা প্ৰেমিকাগৰাকী তুমিয়েই। সেই মুঁহূৰ্ত্তত তুমি কি কৰিবা?' আমি সকলো অবাক! মোৰ অনুমান হয় - ছোৱালীজনীৰ ভয় আৰু লাজত মুখমণ্ডল নিশ্চয় ৰঙা-হেঙুলীবৰণৰ হৈছিল। তাইৰ কথা বাদেই গোটেই শ্ৰেণীকোঠাটোৱেই কাঁহ পৰি জীন যোৱাৰ দৰে অৱস্থা হ'ল। উল্লেখযোগ্য কথা আৰু মোৰ কাৰণে চিৰস্মৰণীয় ৰোমন্থন হ'ল, আহোম ছাৰে ৰচনা কৰা আৰু পৱন চন্দ্ৰ গগৈ ছাৰে সুৰ দিয়া কোনোবা এখন বিশেষ অনুষ্ঠানৰ মুকলি সভাত (১৯৯১ বা ১৯৯২ চনত) পৰিৱেশন কৰা সেই সুমধুৰ সমবেত সংগীতটো —

'স্বাগতম্ স্বাগতম্ স্বাগতম্
কলং কপিলী কিলিং
এই ত্ৰিবেণীতে
আহা আজি সবে মিলি
বুটলো জ্ঞানৰে মুকুটা
বিনাশো এন্ধাৰ কালিমা।
স্বাগতম্ ..........'

এই সভাখনৰ মুখ্য অতিথি আছিল প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া। সুগভীৰ তাৎপৰ্য বহন কৰা এই বৃন্দগানটোক আমি কালজয়ী গীত বুলি ভাবোঁ। যেতিয়াই ইয়াক গুণগুণাওঁ, তেতিয়াই ই নতুন হৈ ধৰা দিয়ে আমাৰ মনত। ধন্য এই স্ৰষ্টা। অসমীয়া বিভাগৰ ষ্ট্ৰং শিক্ষয়িত্ৰী আছিল ৰাজু বৰুৱা বাইদেউ। 'মানৰ মহত্ব' পাঠটো পঢ়োৱা আজিও মনত আছে। কোনোবাই যদি কিতাপ অনা নাই আৰু পাঠৰ সময়ত অন্যমনস্ক হৈ থাকে নাইবা কথাপাতি থাকে - সি যে গালি-ধম্‌কি খাব সেইটো নিশ্চিত। আমি বুজি পাইছিলো — আমাৰ ভালৰ কাৰণেহে বাইদেউ ষ্ট্ৰিক্ট আছিল। এইখন কলেজতে নিৰীক্ষক আৰু পৰীক্ষকৰ ডিউটি দিবলৈ আহি আকৌ বৰুৱা বাইদেউক লগ পাই নিজকে ধন্য মানিছোঁ। বহী পৰীক্ষণৰ এমাহৰ মূৰতহে বাইদেউক চিনাকিটো দিছিলো — "বাইদেউ। মই আপোনাৰেই ছাত্ৰ আছিলো।" তেখেত কথাটো শুনিহে উচপ খাই উঠিছিল; কাৰণ একো নহয় বাইদেউৱে এমাহ ধৰি মোক আপুনি বুলি কথা পাতিছিল - চাৰপ্ৰাইজ পোৱাৰ লগে লগেই - 'আৰে তই মোৰ ছাত্ৰ আছিলি!' বুলি কৈ উচ্চস্বৰে হাঁহিছিল। শিক্ষাবিভাগৰ মলয়া বাইদেউ, গগৈ ছাৰ, হেম চুতীয়া ছাৰক যিদৰে মনত থাকিব, তেনেকৈ ইতিহাসৰ প্ৰয়াত সুভাষ চাহা, বৰ্তমানৰ তুলসী বৰদলৈ ছাৰ (শুকটি খোৱাৰ ৰসাল কথা), ৰাজনীতি বিজ্ঞানৰ মহীধৰ গোস্বামী ছাৰৰ হাস্য -ব্যঙ্গ (তামোলৰ সেলেঙি বুলাই); ৰমেশ নাথ চাৰৰ ৰসাল ভাষণ, অসমীয়াৰ ৰুণু ভট্টাচাৰ্য আৰু অৰ্থনীতিৰ পুৰুযোত্তম ভাণ্ডাৰী আৰু হৰেকৃষ্ণ দেৱশৰ্মা ছাৰ আৰু এগৰাকী বুৰঞ্জীৰ প্ৰয়াত অশ্বিনী গোঁহাই ছাৰ - এইসকল শিক্ষাগুৰুৱে যে এসময়ত আমাৰ জীৱনৰ পথ সুগম কৰিবলৈ উদগনি যোগাইছিল সেয়া মই কেনেকৈ পাহৰোঁ।

*(লেখক শংকৰ-মাধৱ জুনিয়ৰ কলেজ, শান্তিপুৰত অসমীয়া বিভাগৰ প্ৰবক্তা হিচাপে কৰ্মৰত হৈ আছে।*

■

॥ প্ৰবন্ধ ॥

# অসমৰ মিচিং জনগোষ্ঠীৰ পংৰাগ উৎসৱ আৰু মৃৰংঘৰঃ এটি অধ্যয়ন

**কণিমা পাঠক**
স্নাতক, পঞ্চম ষান্মাসিক

অসমত বসবাস কৰা বিভিন্ন জনজাতীয় লোকসকলৰ ভিতৰত মিচিং জনজাতি অন্যতম। "মিচিং লোকসকল মংগোলীয় নৃ-গোষ্ঠী সম্ভূত।"[১]

মিচিং সকল পূৰ্বতে মিৰি নামে পৰিচিত আছিল বুলি ভৃগুমণি কাগয়ুং, নগেন্দ্ৰ পাদুন, ড° বসন্ত কুমাৰ দলে প্ৰমুখ্যে একাধিক সংস্কৃতিবিদ তথা লিখকে মতপোষণ কৰে। মিচিংসকলেই যে মিৰি এই কথাতো ধৰ্মীয় পুথি-পাঁজি, আহোম বুৰঞ্জী, নৃ-গোষ্ঠীয় বিষয়ক গ্ৰন্থ আৰু চৰকাৰী নথি-পত্ৰ আদিতো উল্লেখ আছে। মিৰি নামটো কেতিয়া আৰু কেনেকৈ হ'বলৈ পালে সঠিককৈ জনা নাযায়। কিন্তু ড° বসন্ত কুমাৰ দলে দেৱে কৈছেঃ "মিৰি শব্দই প্ৰকৃততে কেৱল মিচিংসকলকে নুসূচায় বা মিৰি শব্দটো মিচিং শব্দৰ সমাৰ্থক নহয় অথবা মিৰিসকলেই মিচিং নহয়।" গতিকে আমি মিৰি বা মিচিংসকলৰ বিষয়ে জানিবলৈ হ'লে মিৰি বা মিচিং শব্দৰ অৰ্থ আৰু পৰিসৰ তথা আতিগুৰি জনাৰ আৱশ্যক হ'ব। তৰুনচন্দ্ৰ পামেগামদেৱে "মিচিং সংস্কৃতিৰ আলেখ্য" গ্ৰন্থত "মিৰি বা মিচিং" প্ৰৱন্ধটোত থূলমুলভাৱে মিৰি শব্দৰ অৰ্থ দিছে যে 'যি' (মানুহ) য়াগি (বগা বা ভাল) 'মিচিং' বা 'বগা ভাল মানুহ' আৰু অমিচিং মাত্ৰকে যি (মানুহ) + কিঃ পাগ (লেখত ল'ব নোৱাৰা অৰ্থাৎ বগা)।" সাধাৰণতে পাহাৰত বাস কৰা লোকসকলৰ গাৰ বৰণ বগা। সেই কাৰণে সম্ভৱতঃ সৰলচিতীয়া মিচিংসকলে নিজকে বগা বা ভাল মানুহ বুলি পৰিচয় দিয়ে।

মিৰি শব্দটো পোন প্ৰথমে অসমীয়া পুথিত ব্যৱহাৰ কৰা মহাপুৰুষ শংকৰদেৱে তেখেতৰ 'দশম স্কন্ধ ভাগৱত'ত এনে দৰে উল্লেখ কৰিছে --

"হৰি বুলি তৰে মিৰি কছাৰী।
কিৰাত কছাৰী গাৰো মিৰি
যৱন কংক গোৱাল।"[২]

মিচিংসকল কেইবাটাও ভাগত বিভক্ত। এই ভাগবোৰক ফৈদ বোলে। প্ৰত্যেক ফৈদৰ আকৌ ভিন্ন ভিন্ন খেল থকা দেখা যায়। যেনে - ১। চাঃ য়াং বা চায়েঙীয়া, ২। অয়ান বা অয়েংগীয়া, ৩। মিঃ য়িং বা ময়েংগীয়া, ৪। দৌলু, ৫। পাগৰ, ৬। দাম্বুগ, ৭। মিৰাং বা, ৮। তামুঃ তায়ে, ৯। তামাৰ, ১০। চঃ মুৰা।"[৩] মিচিংসকলৰ গোত্ৰসমূহক উপাধি হিচাপে লিখাৰ পৰম্পৰা প্ৰচলিত আছে। নাহেন্দ্ৰ পাদুনৰ মতে ৫১ টা আৰু নোমল পেগুৰ মতে ৫৪ টা গোত্ৰ (অপৃণ) সমাজত পোৱা যায়। ইয়াৰ উপৰিও

"মিচিংসকলৰ বিহিয়া, বেবেজীয়া, বংকোৱাল আৰু তেথেৰা গঞা নামৰ আৰ্য্যীভূত হিন্দু (Sanskrit : zed Group) ফৈদ পোৱা যায়। এই অসমীয়া ভাষী ফৈদৰ লোকৰ মাজত শইকীয়া, বৰুৱা, গগৈ উপাধি বিলাক পোৱা যায়।"[৪]

মিচিংসকলৰ প্ৰধান জীৱিকা কৃষি। গতিকে কৃষিৰ লগত সংগতি ৰাখি কিছুমান উৎসৱ পালন কৰে। আলি-য়াই-লৃগাং প্ৰধান। ইয়াৰ পিছত মিচিংসকলৰ পৰম্পৰাগত লোক উৎসৱ হ'ল 'পঃ ৰাগ'। ই সামাজিক, ধৰ্মীয় আৰু কৃষি ভিত্তিক লোক উৎসৱ। বীজ ৰোপন সূচাবৰ বাবে যিদৰে লৃগাং উৎসৱ পালন কৰা হয় ঠিক সেইদৰে শস্য চপোৱাৰ বাবে পঃৰাগ উৎসৱ পালন কৰা হয়। ইয়াক অসমীয়া ভাষী লোকে 'নৰাচিঙা বিহু' বোলে।

মিচিংসকলৰ প্ৰধান জীৱিকা কৃষি। গতিকে কৃষিৰ লগত সংগতি ৰাখি কিছুমান উৎসৱ পালন কৰে। আলি-য়াই-লৃগাং প্ৰধান। ইয়াৰ পিছত মিচিংসকলৰ পৰম্পৰাগত লোক উৎসৱ হ'ল 'পঃ ৰাগ'। ই সামাজিক, ধৰ্মীয় আৰু কৃষি ভিত্তিক লোক উৎসৱ। বীজ ৰোপন সূচাবৰ বাবে যিদৰে লৃগাং উৎসৱ পালন কৰা হয় ঠিক সেইদৰে শস্য চপোৱাৰ বাবে পঃৰাগ উৎসৱ পালন কৰা হয়। ইয়াক অসমীয়া ভাষী লোকে 'নৰাচিঙা বিহু' বোলে। কিন্তু ধেমাজিৰ এগৰাকী বিশিষ্ট ব্যক্তি জিৎমল দলে' ছাৰৰ পৰা জানিব পৰা মতে পঃ ৰাগ মানেই নৰাচিঙা বিহু নহয়। পঃ ৰাগ প্ৰতিবছৰে পতা নহয়, কাৰণ এই উৎসৱটো যথেষ্ট ব্যয় বহুল। প্ৰায় ৫ - ১০ বছৰৰ অন্তৰে অন্তৰে এই উৎসৱ পালন কৰা হয়। পঃ ৰাগ উৎসৱ পাতিবলৈ 'মুৰং বা মুৰাং' নামৰ অনুষ্ঠানটো অপৰিহাৰ্য।

আগতে প্ৰতিখন মিচিং গাঁৱত এটা পৰম্পৰা আছিল মুৰং থকাটো। বৰ্ত্তমান সময়ত পঃ ৰাগ উৎসৱ পাতিবলৈহে মুৰং সজা হয় বুলিব পাৰি। 'মুৰং ঘৰ' মিচিং সমাজৰ কৃষ্টিৰ কঠিয়াতলী। প্ৰাচীন কালত শত্ৰু আৰু বন্যপ্ৰাণীৰ আক্ৰমণৰ পৰা গাঁওখন সুৰক্ষিত কৰি ৰাখিবৰ বাবে যুৱকসকলে মুৰঙতে ৰাতি শয়ণ কৰিছিল। তৰুণ চন্দ্ৰ পামেগামদেৱৰ মতে "মিচিংসকলৰ মুৰং ঘৰ অকল ডেকা চাঙেই নহয়, ই ডেকা গাভৰু উভয়ৰে চাং।" অৰ্থাৎ ইয়াত মিচিং যুৱক-যুৱতী উভয়েই সময় সাপেক্ষে ৰাতি শয়ণ কৰাৰ প্ৰথা আছিল। যদিও মুৰং ঘৰ বুলি উল্লেখ নাই তথাপিও ডেন্টনে এই ব্যৱস্থাৰ বিষয়ে কৈছে এইদৰে — "At one season of the year adult unmarried males and females of a village spend several days and night together in one large building and if couples manage thus to suit each other, they pair off and marry." ইয়াৰ পৰা বুজা যায় যে, সকলো সময়তে যুৱতীসকলেও মুৰং ঘৰত শয়ণ কৰা নাছিল, বছৰটোৰ বিশেষ এটা ঋতুত বা সময়তহে শয়ণ কৰিছিল। মুৰং ঘৰ ডেকা-গাভৰুৰ চাঙেই নহয় বৰং মিচিং সমাজৰ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ স্বৰূপ। এই মুৰঙতেই কৌবাঙৰ বৈঠক, বিচাৰ সভা আদিও অনুষ্ঠিত কৰা হৈছিল।

সাধাৰণতে মুৰং ঘৰ মুকলি ঠাইত সজা হয়। যিহেতু 'মঃৰ' শব্দৰ অৰ্থ মুকলি, সেইকাৰণে এই শব্দৰ পৰাই 'মুৰং ঘৰ' হৈছে বুলি তৰুণচন্দ্ৰ পামেগামদেৱে কৈছে। এই শব্দই কালক্ৰমত 'মুৰং' হয় বুলি তেখেতে মত পোষণ কৰে। বৰ্ত্তমান বহুতো গাঁৱৰ মাজত ক'ৰবাতহে এটা মুৰং ঘৰ থকা পৰিলক্ষিত হয়। পঃ ৰাগ সাধাৰণতে গাঁৱৰ য়ানেঃ মৃমমৃৰ্ অনুষ্ঠানটোৱে আয়োজন আৰু উদ্‌যাপন কৰে। উদ্‌যাপনৰ পৰিসৰ কেৱল ডেকা-গাভৰুৰ মাজতে সীমাবদ্ধ হৈ নাথাকি ল'ৰা-ছোৱালীৰ পৰা আৰম্ভ কৰি বৃদ্ধ-বৃদ্ধালৈকে সম্প্ৰসাৰিত হয়। সম্প্ৰতি সকলো গাঁৱেই পঃ ৰাগ উৎসৱ পালন নকৰে।

পঃ ৰাগ উৎসৱ পাতিবলৈ হ'লে এবছৰৰ আগৰ পৰাই ইয়াৰ প্ৰস্তুতি আগবঢ়াব লাগে। বিৰাট পৰিমাণৰ অৰ্থ, খাদ্য, সম্ভাৰ, অৰ্পৰ্য্যাপ্ত পানীয় (আপং) আৰু মাংসৰ প্ৰয়োজন। 'দাগ্‌গৃক' হৈছে পঃ ৰাগৰ বাবে পুঁজি সংগঠনৰ ঘাই উৎসৱ। ইয়াৰ অৰ্থ হৈছে একে শাৰীতে একেলগে থিয় হোৱা। গাঁৱৰ কিছুমান কাম ৰাজহুৱাভাবে কৰি আৰু হুচৰি গাই গাই পঃ ৰাগৰ বাবে ধন সংগ্ৰহ কৰে। তদুপৰি এবছৰৰ আগৰ পৰাই পোৱালি গাহৰি কিনি আনি গাভৰু ছোৱালীবোৰক ডাঙৰ কৰিবলৈ দায়িত্ব দিয়া হয়। পঃ ৰাগ বিশেষকৈ আঘোণ আৰু ফাগুন মাহত পতা হয়। তাৰ কাৰণে মুৰং ঘৰ গাঁৱৰ এমূৰে নাইবা মুকলি আহল-বহল ঠাইত সজা দেখা যায়। ঘৰৰ চতি আৰু খুটাবোৰ চিত্ৰ বিচিত্ৰ কাৰু কাৰ্যৰে অলংকৃত কৰা হয়। ওখকৈ চাং সাজি ঘৰটো সজা হয়। "আজিকালি আকৌ অঞ্চল বিশেষে হিন্দু ধৰ্ম তথা বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱৰ ফলত মহৎ লোকৰ বাণী, কবিতাৰ কলি নাইবা কীৰ্তনৰ দুই চাৰিটা পদ লিখি থোৱাও দেখা যায়। এনে কাৰুকাৰ্যৰ বাবে চুণেই একমাত্ৰ আহিলা।"[৬] তাৰ উপৰি চিত্ৰ-বিচিত্ৰ ৰঙীণ কাগজৰ ফুল কাটি গোটেই খন জাতিস্কাৰ কৰা দেখা যায়। অলংকৰণত ব্যৱহৃত ছবিৰ ক্ষেত্ৰত দুই মূৰে সূৰ্য আৰু ড্ৰেগণৰ চিত্ৰ অংকন কৰা দেখা যায়। ড্ৰেগণৰ চিত্ৰ অংকনৰ জৰিয়তে তেওঁলোকে তিব্বতীয়-চীন-মংগোলীয় নৃ-গোষ্ঠীয় বংশধৰ হিচাপে নিজকে চিনাকি দিয়ে বুলি "অসমীয়া সংস্কৃতিৰ কণিকা" গ্ৰন্থত (সম্পা. ৰাজবংশী, পৰমানন্দ, দাস, নাৰায়ণ) উল্লেখ পোৱা যায়।

পঃ ৰাগ উৎসৱ সাধাৰণতে পাঁচদিন-ছদিন ধৰি উদ্‌যাপন

কৰা হয়। আৰম্ভণি বুধবাৰৰ পৰা হয়। আৰম্ভ হোৱা দিনটোক ইচাং (প্ৰতিষ্ঠা) বোলে। সিদিনা আয়োজনহে কৰা হয়; ভোজ ভাত একো নহয়। উৎসৱত অংশগ্ৰহণ কৰিবৰ বাবে গাঁৱৰ ৰাইজক অতিথি হিচাপে নিমন্ত্ৰণ জনায়। আমন্ত্ৰণ ৰক্ষা কৰিবলৈ অহাসকলক বাটৰ পৰা মুৰং ঘৰলৈ গুমৰাগ্ নাচেৰে আগবঢ়াই অনা হয়। এই প্ৰথাক মিনম-য়ামনাম বোলে। অতিথিসকলে সেইদিনা নানা ধৰণৰ বিহু নাচৰ যোগেদি মুৰং ঘৰতে কটায়। এই বিহুত প্ৰতিযোগিতাৰ জৰিয়তে শ্ৰেষ্ঠ ঢুলীয়া আৰু নাচনীক উচ্চ স্থান দিয়া হয় আৰু তেওঁলোকক পঃ ৰাগ উৎসৱৰ বিশেষ আকৰ্ষণ বুলিব পাৰি। সেইদিনা ৰাতি পঃবৰত[৭] আপং ভৰাবলৈ আৰম্ভ কৰে। পঃ বৰৰ প্ৰথম টোপাল আপং পাত্ৰত দিয়াৰ লগে লগে প্ৰথমে চেউৰী গাহৰি বাঁহৰ চোকা শলাৰে কলিজা বিদীৰ্ণ কৰি উৎসৰ্গা কৰা হয়। এইখিনি সময়ত দঃঞি, (সূৰ্য্য), পলঃ (চন্দ্ৰ) আৰু অন্যান্য উগ্ৰ প্ৰকৃতিৰ দেৱ-দেৱীৰ নাম কাঢ়ি তেওঁলোকৰ সন্তুষ্টিৰ বাবে স্তুতি কৰে।

*দেৱতাক লাগে তেজ, কেঁচা তেজ*
*মানুহৰ আহত হিয়াৰ .........* (দেৱকান্ত বৰুৱা)[৮]

গাহৰিৰ বুকু বিদীৰ্ণ কৰি বধ কৰোতে যিডাল জোঙা বাঁহৰ শলা ব্যৱহাৰ কৰা হয়, সেইডাল নিগম বৰাই সোঁহাতেৰে আৰু বৰপুৱৰীয়ে বাওঁহাতেৰে চুই দিয়াতো প্ৰচলিত নিয়ম। এইদৰে আৰু দুটামান গাহৰি উৎসৰ্গা কৰাৰ পাছত বাকীবোৰ সাধাৰণ পদ্ধতিৰে বধ কৰা হয়।

দ্বিতীয় দিনা আমন্ত্ৰিত অতিথিসকলক ভোজন কৰোৱাৰ নিয়ম। ৰাইজে মদ আৰু মাংসৰ প্ৰাচুৰ্য্যৰ মাজেৰে অতিথিসকলক পৰিতৃপ্ত কৰি আকৌ 'গুমৰাগ' নৃত্যৰ যোগেদি বাটলৈ বিদায় দিয়ে। তৃতীয় দিনা জিয়াৰীসকলক (যিসকলৰ ছোৱালীক বিয়া দিয়া হৈছে) আৰু চতুৰ্থ দিনা গাঁৱৰ বিবাহিতা তিৰোতাসকলক ভোজন কৰোৱা হয়। ড° বসন্ত কুমাৰ দলেদেৱে 'অসমৰ জনগোষ্ঠীয় ঐতিহ্য' গ্ৰন্থত কৈছে যে পঞ্চম আৰু ষষ্ঠদিনা গাঁৱৰ সাধাৰণ ৰাইজে ভোজন কৰে। পঃ ৰাগ উৎসৱ উদ্‌যাপন কাৰ্যসূচীৰ অন্তত ৰাইজে 'গুমৰাগ্' নাচৰ যোগেদি নিগম বৰা আৰু বৰপুৱাৰীক তেওঁলোকৰ যিকোনো এজনৰ ঘৰত আগবঢ়াই থয়গৈ। সেই দিনা দুয়োগৰাকী বিষয় ববীয়াই মিলি নিজৰ ফালৰ পৰা এটা গাহৰি মাৰি ৰাইজক ভোজন কৰোৱায় আৰু পঃ ৰাগ উদ্‌যাপনত হৈ যোৱা ত্ৰুটিৰ বাবে ৰাইজৰ ওচৰত ক্ষমা ভিক্ষা কৰে।

পঃ ৰাগ মিচিং সংস্কৃতিৰ ঘাই এসুঁতি যদিও বৰ্ত্তমান সময়ত কৰ্ম ব্যস্ততাৰ লগতে অৰ্থৰ অভাৱত ১০-২০ বছৰৰ মূৰতহে এই উৎসৱ পতা হয়। কৰ্মক্লান্ত মানুহক অফুৰন্ত প্ৰাচুৰ্য্য আৰু শিল্পীক উৎসৱে সৃষ্টি প্ৰেৰণা আৰু উন্মাদনা আগবঢ়ায়। লগতে প্ৰেম-প্ৰীতি, মৰম-চেনেহ, কৰ্মতৎপৰতা, কৰ্তব্য, কৃষ্টি-সংস্কৃতিকো ই সজীৱ কৰি ৰাখে। গতিকে ইয়াক জীয়াই ৰাখিলে অসমৰ-সংস্কৃতিৰ বৰনৈখন অধিক সৱল আৰু শক্তিশালী হ'ব।

**পাদটীকা/গ্ৰন্থপঞ্জী ঃ**


১। পেগু, গণেশ, 'মিচিং সংস্কৃতি আৰু অসম', অসম সাহিত্য সভা (সম্পা. ৰাজবংশী, পৰমানন্দ) পঞ্চ পঞ্চাশতম বৰ্ষ, তৃতীয় সংখ্যা, নৱেম্বৰ, ১৯৯৯, পৃ- ৩৭।

২। দত্ত, ধৰ্মেন্দ্ৰ, "মিচিংসকলৰ লোকগীত", অসমীয়া প্ৰতিদিন, ২৬ ফেব্ৰুৱাৰী, ২০১১।

৩। প্ৰাগুপ্ত। (১ নং পাদটীকা)

৪। "অসমৰ মানুহ" (সম্পা. দাস, ভুৱন মোহন), পৃ- ১২০।

৫। দলে, ড° বসন্ত কুমাৰ, "মিচিংসকলৰ সমাজ আৰু সংস্কৃতি", "অসমৰ জনগোষ্ঠীয় ঐতিহ্য" (সম্পা. নাথ, ড° প্ৰফুল্ল কুমাৰ) বুকলেণ্ড, ২০০৯, গুৱাহাটী, পৃ- ২১।

৬। পেগু, ইন্দ্ৰেশ্বৰ, "মুৰং আৰু পঃ ৰাগ', "মিচিং সংস্কৃতিৰ আলেখ্য" (সম্পা. কাগয়ুং, ভৃগুমণি), গুৱাহাটী, ১৯৮৯।

৭। পঃ বৰ ঃ মানে মদ ভৰোৱা এবিধ বাঁহৰ সঁজুলি। ১০০ৰ পৰা ১২০ কলহ আপং বা মদ ভৰাব পাৰে। ৮-১০ ফুট দীঘল বহল হ'ব।

৮। প্ৰাগুপ্ত। (৭ নং পাদটীকা),পৃ- ১০৫।


(তথ্য সংগ্ৰহ ঃ ধেমাজি, ঢকুৱাখানা, লক্ষীমপুৰ।)

■

॥ প্ৰবন্ধ ॥







# বিহু ঃ এটি চিন্তা

**সংগীতা কলিতা**
স্নাতক, প্ৰথম ষান্মাসিক

অসমীয়া মানুহৰ ৰং-ৰহইচ, হা-হুমুনিয়াহ, প্ৰেম-পীৰিতি, বিৰহ-বেদনা আদি প্ৰাণ খুলি প্ৰকাশ কৰিবলৈ কিছুমান সাংস্কৃতিক পৰম্পৰা আছে। এনে সাংস্কৃতিক পৰম্পৰাই অসমীয়া মানুহক আনন্দ উৎসাহ পুৰণি কালৰ পৰাই দি আহিছে। এই আনন্দ-উৎসাহৰ মধুময় ঝংকাৰ শুনা যায় বছৰেকত তিনিবাৰকৈ। তিনিবাৰতে তিনিটা বিহুৰে জাতিটোক প্ৰাণ খুলি হাঁহিবলৈ দিয়ে জাতীয় উৎসৱ বিহু সংস্কৃতিৰে। এই সংস্কৃতি মূলতঃ কৃষি সংস্কৃতি। আমাৰ ধাননি পথাৰখনেই কৃষি সংস্কৃতিৰ মূল আকৰ্ষণীয় সম্পদ। এই সম্পদভাগ থকালৈকে জাতীয় উৎসৱ তিনিটা চলি থাকিব। এই উপলক্ষত অসমীয়া মানুহে সদায় গাব-নাচিব আৰু আনন্দতে হাঁহিব। কৃষি সংস্কৃতি নোহোৱা হ'লে আমাৰ বিহু সংস্কৃতিও অন্তৰ্দ্ধান হ'ব। বিশ্বৰ গোলকীকৰণে অসমক বহুত সম্ভাৰ দিব সঁচাই, অসমীয়া জাতিটোৰ পথাৰখনে দিব পৰা গুণবোৰ কিন্তু দিব নোৱাৰে। গতিকে পথাৰখনেহে অসমীয়াক হাঁহি-মাতি থকিবলৈ প্ৰেৰণা প্ৰদান কৰিব পাৰে, সেই পথাৰখনলৈ আমি পিঠি দিলে নচলিব।

আমাৰ সাংস্কৃতিক আচৰণত পৰিৱেশ সুৰক্ষাৰ সংকল্পও থাকিব লাগিব। তেতিয়াহে সংস্কৃতি ৰক্ষা পৰিব। গৰু বিহুৰ দিনা দীঘলতী, মাখিয়তীৰ পাত পাবলৈ নাই, নাচনীৰ খোপাত গুজিবলৈ কপৌফুল নাই, বিহুৰ বিহুৱান আহে চেন্নাইৰ পৰা, উৰুকাৰ ভোজৰ মাছ আহে কাণপুৰৰ পৰা বৰফত শুই, মঞ্চৰ বিহুৰ বাবে নিজৰ গাঁঠিৰ ধন ভাঙিবলৈ আমি সাজু নহওঁ। ব্যৱসায়ী, তীৰৰ বুকী, ইটা-ভাটাৰ মালিকৰ টকাৰেহে আমি বিহু পাতোঁ। বিহুৱা দল আহে ভাৰাত। দুই-তিনি ঘন্টা মঞ্চত বিহুৱা-বিহুৱতীৰ তাল-ফাল। তাৰ পিছত সকলো নিমাত-নিতাল। কিবা প্ৰকাৰে সেই দুই-তিনি ঘন্টা গাঁৱৰ পৰা আঁতৰি থাকিলে উভতি আহি গমেই পোৱা নাযায় যে - "বিহু হৈ গ'ল"!

■

॥ প্ৰবন্ধ ॥

## এগৰাকী মহিয়সী নাৰী

# মাদাৰ টেৰেছা

**নিৰুপমা পাল**
স্নাতক, তৃতীয় যান্মাসিক



মাদাৰ টেৰেছা নামটো লোৱাৰ লগে লগেই চকুৰ আগত ভাঁহি উঠে এগৰাকী মাতৃৰ স্নেহময়ী ৰূপ। ক'ব নোৱাৰাকৈয়ে আপোনা-আপুনি মূৰটো শ্ৰদ্ধাত দোঁ খাই যায়। কোনোবা দূৰণি দেশৰ এগ্নেছ নামৰ ছোৱালীজনী হৈ পৰিছিল সমগ্ৰ পৃথিৱীৰ অনাথ, দুখীয়া, পিতৃ-মাতৃৰ মৰমৰ পৰা বঞ্চিত হোৱা লাখ-লাখ শিশুৰ বাবে মাতৃস্বৰূপ। মৃত্যুৰ আগমুহূৰ্তলৈকে এইগৰাকী মহিয়সী মাতৃৰ জীৱনযাত্ৰাত বিৰামৰ স্থান নাছিল। য'তেই দুখীয়াৰ আৰ্তনাদ শুনিছে, অনাথ শিশুৰ কান্দোন শুনিছে, তাতেই গৈ উপস্থিত হৈছিলগৈ মাদাৰ টেৰেছা। "মানৱ সেৱাই ঈশ্বৰ সেৱা" - এই কথাষাৰ কুৰি শতিকাত আটাইতকৈ শুদ্ধ ৰূপত অন্তৰৰ গভীৰতাৰ পৰা উপলব্ধি কৰা মানুহ গৰাকীয়েই আছিল সকলোৰে অতি শ্ৰদ্ধাৰ মাদাৰ টেৰেছা।

১৯১০ চনৰ আগষ্ট মাহৰ ২৭ তাৰিখ। ইউৰোপ মহাদেশৰ এলবেণীয়া নামৰ দেশখনৰ স্কপিয়ে চহৰত মাদাৰ টেৰেছাৰ জন্ম হয়। মাদাৰ টেৰেছা বা মাদাৰ টেৰেজা, নামটো অৱশ্যে পাছতহে পোৱা। সৰুতে মাক-দেউতাকে নাম থৈছিল "এগনেছ"। এগনেছক তেওঁৰ সপোনৰ ভাৰতবৰ্ষই সদায়েই আমনি কৰি থাকিবলৈ ধৰিলে। ১৯৩১ চনৰ ২০ মে'ত এগনেছৰ সপোন বাস্তৱত ৰূপায়িত হ'ল। এগনেছৰ নতুন নাম হ'ল - 'মেৰি টেৰেছা'। ১৮ বছৰ বয়সত সন্ন্যাসিনীৰ জীৱন আঁকোৱালি লোৱা টেৰেছাই জীৱনজোৰা সাধনাৰে এককভাৱে নিজে অনুষ্ঠান খুলি দীন-দুখীসকলৰ বাবে জীৱনৰ শেষ দিনলৈকে সেৱা আগবঢ়াই গৈছিল। সেই মহিয়সীৰ নামেৰেই ২১ বছৰীয়া এগনেছ হ'ল 'মেৰী টেৰেছা'। শিক্ষকতাৰ জীৱন আৰম্ভ কৰি মেৰি টেৰেছা এদিন কলিকতা পালেহি। ভূগোল বিষয়ৰ শিক্ষয়িত্ৰী হিচাপে নতুন বিদ্যালয়ত যোগদান কৰা টেৰেছাৰ মনত পুনৰ এক নতুন চিন্তাই দেখা দিলে। শিক্ষকতাৰ ১৭ বছৰীয়া জীৱন-যাত্ৰাত মেৰি টেৰেছাই অনুভৱ কৰিলে ক'ৰবাত যেন কিবা এটা বাকী থাকি গৈছে। ত্যাগৰ পথ সদায়েই কাঁইটীয়া। ১৯৬২ চনত ভাৰত চৰকাৰে মাদাৰ টেৰেছাক সন্মানিত কৰিলে 'পদ্মশ্ৰী বঁটা' ৰে। একে বছৰেই লাভ কৰিলে আন্তঃৰাষ্ট্ৰীয় সন্মানজনক 'ম্যাগচেচে বঁটা'। ১৯৭১ চনত মহামান্য পোপে আগবঢ়োৱা শান্তি পুৰস্কাৰ হিচাপে পালে ২১ হাজাৰ পাউণ্ড ডলাৰ। আমেৰিকাই প্ৰদান কৰিলে 'গুড চামাৰিটান বঁটা'। আমেৰিকাই পুনৰ দিলে 'জন এফ্ কেনেডী বঁটা'। ওৱাছিংটনৰ পৰা পালে 'ডক্টৰেট অৱ্ হিউমেন লেটাৰস্'। ১৯৭৯ চনত মাদাৰ টেৰেছালৈ আগবঢ়োৱা হ'ল 'শান্তিৰ নোবেল বঁটা'। ১৯৮০ চনত ভাৰত চৰকাৰে প্ৰদান কৰিলে 'ভাৰত ৰত্ন'। ১৯৯৭ চনৰ ৫ চেপ্তেম্বৰৰ শুক্ৰবাৰে, নিশা প্ৰায় ৯ বাজি ৩০ মিনিটত বিশ্ববাসীক অনাথ কৰি মাদাৰ টেৰেছা শুই পৰিল চিৰদিনৰ বাবে। মাদাৰ টেৰেছা আজি আমাৰ মাজত নাই, কিন্তু তেওঁৰ বিৰল মানৱ সেৱাৰ ধৰ্ম আজিও ইয়াৰ মহতী আদৰ্শৰে মানুহৰ বুকুত উজ্বলি আছে।

■

# "ক্ৰাইম এণ্ড পানিশ্বমেণ্ট" ঃ
# সামাজিক মূল্যবোধৰ এক নিৰ্মম বিশ্লেষণ

**ড° ইনিচি চৌধুৰী মহন্ত**
সহযোগী অধ্যাপিকা, ইংৰাজী বিভাগ

ডস্তয়েভ্স্কিৰ 'ক্ৰাইম এণ্ড পানিশ্বমেণ্ট ' মাথোঁ ৰুছ সাহিত্যৰেই নহয় বিশ্ব সাহিত্যৰে এক অমূল্য সম্পদ । ই আপাত দৃষ্টিত এখন থ্ৰিলাৰ বা ডিটেকটিভ উপন্যাস যিখনত নায়ক ৰাস্কল্‌নিকভ্ হৈছে এজন হত্যাকাৰী। ৰাস্কল্‌নিকভে্ অতি সংগোপনে আদৰ্শৰ স্বাৰ্থত এটা নহয় দুটাকৈ হত্যা কাণ্ড সংঘটিত কৰি আইনৰ চকুত ধৰা নপৰাকৈ আত্মৰক্ষা কৰি থাকিবলৈ সমৰ্থ হৈছিল। এই হত্যাকাণ্ড প্ৰকৃততে আছিল সেই সময়ৰ সমাজৰ আৰু সামাজিক মূল্যবোধৰ বিৰুদ্ধে এক প্ৰতিবাদ। আৰু সেয়ে এই হত্যাকাণ্ডৰ যুক্তি যুক্ততা প্ৰতিপন্ন কৰিবলৈ ৰাস্কল্‌নিকভে্ কৈছে যে এজনী অতি লুভিয়া বৃদ্ধা, যি টকা অধিক সুতত ধাৰলৈ দিয়ে-যাৰ পৰা সমাজৰ একো লাভ নাই -তেনে মানুহ জীয়াই থকাৰ অৰ্থ নাই। ডস্তয়েভ্স্কিয়ে নিজে ১৮৬৫ চনত The Russian Messenger নামৰ আলোচনী খনৰ সম্পাদকলৈ লিখা এখন চিঠিত এনেদৰে লিখিছিল - A young man living in extreme poverty, from the immaturity and instability of his thinking, having given in to a certain strange half - baked ideas, which are part of the atmosphere, decided to extricate himself from his miserable position at once . He decided to murder an old woman... who lent money for interest. The old woman is stupid, deaf and greedy.... "She's not good for anything ", " what does she live for ? Such questions bewilder the young man . He decides to kill the old woman and rob her .

১৮২১ চনত মস্কোৰ এটা অতি লেতেৰা বস্তি অঞ্চলত মেৰিয়ানস্কায়া হস্পিতেলত ডস্তয়েভ্স্কিয়ে জন্ম গ্ৰহণ কৰিছিল। তেওঁৰ দেউতাক এটা প্ৰাচীন অভিজাত আৰু ঐতিহ্যশালী জমিদাৰ পৰিয়ালৰ সন্তান আছিল যদিও পৰিয়ালৰ ঐতিহ্যৰ ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ তেওঁ সমৰ্থ হোৱা নাছিল, তাৰ পৰিবৰ্ত্তে নিজ চৰিত্ৰৰ দোষত পৰিয়ালটোক ধ্বংসৰ মুখলৈ ঠেলি দিছিল। অতি শেহতীয়া ভাৱে হোৱা গৱেষণাই তেওঁৰ বিষয়ে বহুতো নতুন তথ্য নকৈ উন্মোচন কৰিছে । সেই গৱেষণাৰ তথ্য মতে (১৯৭৫) তেওঁক নিজৰ তলতীয়া কৰ্মচাৰীয়ে নিৰ্মমভাৱে হত্যা কৰিছিল। উগ্ৰ, প্ৰচণ্ড সন্দেহবাদী দেউতাকৰ অবিবেচক কাৰ্য্যকলাপে অমানিশা নমাই অনা পৰিয়ালটোত সন্তান কেইটাৰ বাবে মাকেই আছিল একমাত্ৰ মৰমস্নেহৰ আকৰ আৰু আৰু আশাৰ ৰেঙণি । প্ৰকৃতাৰ্থত মানুহ হোৱাৰ আদিপাঠ ডস্তয়েভ্স্কিয়ে মাকৰ পৰাই আহৰণ কৰিছিল । ধৰ্ম্মভীৰু আৰু আদৰ্শৰতী মাকৰ প্ৰভাৱ ডস্তয়েভ্স্কিৰ ওপৰত বিদ্যমান হৈ আছিল। ডস্তয়েডস্কিৰ মাত্ৰ যোল্ল বছৰ বয়সত মাকৰ

মৃত্যু হয়। স্বাভাৱিকতেই মাকৰ মৃত্যুত পৰিয়ালটো থানবান হ'ল আৰু ডস্তয়েভস্কিয়ে মিলিটাৰী ইঞ্জিনীয়াৰিং পঢ়িবৰ বাবে পিটাৰছ্‌বাৰ্গলৈ গ'ল। এটা সময়ত তেওঁ ইঞ্জিনীয়াৰিং ডিগ্ৰী লৈ উলাই আহিল যদিও সামৰিক অভিযন্তা হবলৈ আগ্ৰহ প্ৰকাশ নকৰি লিখক হ'বলৈহে যত্নপৰ হ'ল, লিখক হিচাবে নিজক প্ৰতিষ্ঠা কৰিবলৈ তেওঁ যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হৈছিল আৰু প্ৰথমাৰস্থাত কিছু সফল হলেও, কিছুমান লিখনিৰ বাবে তেওঁক বাৰুকৈয়ে সমালোচনাৰ সন্মুখীন হ'বলগীয়া হৈছিল। সফলতা আৰু বিফলতাৰ মাজত তেওঁৰ এই দুদোল্যমান অৱস্থানে তেওঁৰ শৰীৰ তথা মন উভয়ৰ ওপৰতে বিৰূপ প্ৰভাৱ পেলালে। মানসিক ভাৱে এইদৰে বিধ্বস্ত হৈ থকা অৱস্থাতে তেওঁ আন এক অভাবনীয় দুৰ্য্যোগৰ সন্মুখীন হ'বলগীয়া হ'ল। তেওঁ ৰাছিয়াৰ চোৰাংচোৱা সংস্থাৰ ৰোষত পৰিল। প্ৰেট্ৰশ্বেভ্‌স্কি নামৰ এজন উদিয়মান সমাজবাদী French Socialist কৰ্ম্মীৰ লগত সংগোপনে যোগাযোগ ৰক্ষা কৰা আৰু জাৰৰ [Czar] বিৰুদ্ধাচৰণ কৰা অভিযোগত এদিন আচম্বিতে তেওঁৰ ঘৰ পুলিচে চলাথ কৰিলে। গোটেই ঘৰ তন্নতন্নকৈ চলাথ কৰি দোষণীয় একো নাপালে যদিওঁ ডস্তয়েভ্‌স্কিৰ সমূহ লিখনি তেওঁলোকে জব্দ কৰিলে আৰু তেওঁক বন্দী কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰিলে। Secret Commission of Enquiry ৰ জেৰাৰ পিছত যে তেওঁ সুস্থ হৈ ঘূৰি আহিব পাৰিব এই লৈ তেওঁৰ বন্ধুবৰ্গ খুউব উদিগ্ন হৈছিল। কিয়নো জেৰাৰ কালচোৰাত অভিযুক্ত সকল তীব্ৰ মানসিক চাপ আৰু উৎপীড়নৰ সন্মুখীন হৈছিল। কাৰাগাৰত থকা অৱস্থাত তেওঁৰ ককায়েকক তেওঁ বাইবেল, কেইখনমান শেক্সপীয়েৰৰ নাটক আৰু 'জেইন আয়াৰ' খন পঠাবলৈ কৈছিল। তেওঁ খুউব আগ্ৰহেৰে এই কিতাপ কেইখন পঢ়িছিল আৰু অভিভূত হৈ পৰিছিল, বন্ধু বান্ধৱ আৰু শুভাকাঙ্খীৰ ভয় আৰু শংকাৰ বিপৰীতে জেৰাৰ সময়ত তেওঁ অসামান্য সাহস, মনৰ দৃঢ়তা আৰু আদৰ্শৰ প্ৰতি অদমনীয় আস্থা মুকলিকৈ প্ৰকাশ কৰিলে। বিচাৰ প্ৰক্ৰিয়াৰ অন্তত তেওঁ মৃত্যুদণ্ডৰ পৰা ৰেহাই পালে যদিও বন্দীত্ব খাটিব লগা হ'ল। অৱশ্যে এই বন্দীত্ব তেওঁৰ বাবে একপ্ৰকাৰৰ আৰ্শীবাদ স্বৰূপহে হ'ল কিয়নো এই সময়ছোৱাতেই মানৱ জীৱনত শাৰীৰিক শ্ৰমৰ গুৰুত্ব কিমান সেই কথা মৰ্মে মৰ্মে উপলব্ধি কৰিলে আৰু বাধ্যতামুলক কায়িক শ্ৰমে শাৰীৰিক ভাৱে তেওঁক সক্ষম কৰাৰ উপৰিও মানসিক ভাৱেও সুস্থিৰ কৰি তুলিলে আৰু তেওঁ নিজকে যিটো কৰ্ম্মৰ বাবে উপযুক্ত বুলি গণ্য কৰিছিল তাত আত্মনিয়োগ কৰিবলৈ বদ্ধপৰিপক্কৰ হৈ কাৰাগাৰৰ পৰা ওলাই আহিল। নিঃসন্দেহে তেওঁৰ সেই কৰ্ম আছিল সৃষ্টি কৰ্ম।

ক্ৰাইম এণ্ড পানিশ্বমেণ্টত তেওঁ এজন অপৰাধীৰ মনস্তত্ত্ব অতি নিগূঢ় ভাৱে বিশ্লেষণ কৰিছে যাদিও, ইয়াত সেই সময়ৰ সমাজ জীৱনৰ প্ৰতিফলনো বাৰুকৈয়ে ঘটিছে। ইয়াত অংকিত হৈছে দৰিদ্ৰতা, হতাশা, ক্ষোভ বঞ্চনাই কোঙা কৰি পেলোৱা এখন সমাজ য'ত পিতৃয়ে পৰিয়াল পোহপাল দিব নোৱাৰি উঠি অহা কিশোৰী জীয়েকক ৰাজপথলৈ উলিয়াই দিব লগা হৈছে, য'ত পিতৃয়ে নিজৰ অক্ষমতা ঢাকি ৰাখিবলৈ মদৰ ৰাগীত দিনটো মতলীয়া হৈ থাকে, য'ত মাতৃয়ে দিনৰ অন্তত জীয়েকে ঘটি অনা পইচা কেইটালৈ আশাৰে বাট চাই থাকে, য'ত এজন হত্যাকাৰীয়ে হত্যাৰ নিচিনা ঘৃণনীয় অপৰাধ কৰিও তাৰ যুক্তি যুক্ততা আছে বুলি নিজকে পতিয়ন নিয়াবলৈ কাৰণ বিচাৰি পায়। অন্ধকাৰছন্ন জৰাগ্ৰস্ত সমাজ য'ত সাধাৰণ মানুহৰ জীৱনৰ কোনো নিৰাপত্তা নাই। প্ৰকৃত্বতে ৰাস্কল্‌নিকভৰ মানসিক জৰাগ্ৰস্ততাত। সেই ব্যাধিগ্ৰস্ত সমাজৰ ক্ষয়িষ্ণু মূল্যবোধৰ প্ৰতিফলন ঘটিছে।

'ক্ৰাইম এণ্ড পানিশ্বমেণ্ট' ত বৰ্ণিত এই চিত্ৰ কেৱল চেণ্ট পিটাৰ্চবাৰ্গৰে নহয় বৰং এই চিত্ৰ সেই সময়ত জাৰৰ শাসনাধীন সমগ্ৰ ৰুচিয়াৰ যিকোনো এখন চহৰৰ বাস্তৱ জীৱনৰ চিত্ৰায়িত ৰূপ। নিম্ন মধ্যবিত্তপৰিয়ালৰ পিতৃহীন যুৱক ৰাস্কলনিকভ্ বিশ্ববিদ্যালয়ৰ ছাত্ৰ। মাক আৰু বায়েকে অতি কষ্টৰে তেওঁলোকৰ সামান্য উপাৰ্জনেৰে ৰাস্কল্‌নিকভ্‌ৰ পঢ়াৰ খৰছ যোগান ধৰিছে। তেওঁলোকৰ আশা এদিন তেওঁ বিশ্ববিদ্যালয়ৰ ডিগ্ৰী লৈ আৰ্থিক ভাৱে সক্ষমহ'লে পৰিয়ালটোৰ দুখ-কষ্টৰ অৱসান হ'ব। তেনে সময়তে ৰাস্কলনিকভ্‌ৰ বায়েক ছানিয়াৰ বাবে লুঝিন নামৰ ধনী প্ৰতিষ্ঠিত লোকৰ পৰা এটি বিয়াৰ প্ৰস্তাৱ আহিল। মাকৰ আনন্দৰ সীমা নাই, ইমান ধনী মানুহ এজনে তেওঁলোকৰ ছোৱালীৰ প্ৰতি ইমান আগ্ৰহ দেখুৱাইছে। আনন্দিত, আহ্লাদিত মাকে এই প্ৰস্তাৱ সবিশেষ চিঠিত বিস্তিত ভাৱে লিখি পঠালে। চিঠিখনত মাকৰ যি বক্তব্য বা যি দৃষ্টিভঙ্গী প্ৰকাশ পাইছে সি প্ৰকৃততে গভীৰ ব্যঞ্জনাৰে পূৰ্ণ। প্ৰচলিত সমাজ ব্যৱস্থাত নাৰীৰ যি অৱস্থান, আৰ্থিক দৈন্যতা তথা ভৱিষ্যতে নিৰপত্তাা বাবে বিবাহক এক স্বতঃসিদ্ধ উপায় হিচাপে লোৱাৰ যি মানসিকতা, সন্তানৰ সুখ-শান্তিৰ বাবে মাতৃৰ আত্ম ত্যাগৰ যি প্ৰৱণতা, এই সকলোবোৰ পৰিস্ফুট হৈ উঠিছে এই চিঠিত। কিন্তু মাকৰ এই চিঠিয়ে ৰাস্কল্‌নিকভৰ অন্তৰ টলাব নোৱাৰিলে, কিয়নো চিঠিৰ অন্তৰ্নিহিত পাঠোদ্ধাৰ তেওঁ কৰিলে আৰু বুজি উঠিল যে লুঝিনৰ প্ৰকৃততে দানিয়াৰ প্ৰতি কোনো ধৰণৰ মৰম বা সহৃদয়তা নাই। তাৰ পৰিবৰ্ত্তে দানিয়াৰ শোচনীয় অৱস্থাৰ সুযোগ লৈ ছলনাৰে বন্দীত্বৰ নাগপাশেৰে আৱদ্ধ কৰাটোহে তেওঁৰ অভিপ্ৰায়। এই বিয়া ছলনা, বঞ্চনা আৰু দাসত্বৰ নামান্তৰ মাথো - গতিকে ৰাস্কল্‌নিকভে ঠিক কৰিলে এই বিয়া হ'ব নোৱাৰে। মাকৰ আশাভঙ্গ কৰি হ'লেও এই বিয়া প্ৰতিহত

কৰিব লাগিব।

বিশ্ববিদ্যালয়ৰ ছাত্ৰ ৰাস্কল্নিকভৰ বাবে কোনটো অভিজ্ঞতাই সুখৰ বা আনন্দদায়ক নহয়। সৰু অপৰিষ্কাৰ কোঠা এটাত প্ৰায়ে আধাপেটীয়াকৈ থাকিব লাগে। অনাটনৰ বাবে প্ৰায়ে হাতত থকা লাম-লাকুট কেইটা যেনে-ঘড়ীটো বা আঙঠিটো বন্ধকত থব লগা হয়। বৃদ্ধাৰ ওচৰত। চহৰৰ বহুতো অভাৱগ্ৰস্ত পৰিয়ালৰ বৃদ্ধায়েই শেষ উপায়। এইদৰেই তেওঁ অগাধ সম্পত্তিৰ গৰাকী হৈছে । সেয়ে ৰাস্কল্নিকভৰ তেওঁৰ প্ৰতি প্ৰচণ্ড ঘৃণা। অৱশ্যে ইয়াৰ মাজতে ঘটনাচক্ৰত তেওঁৰ পৰিচয় হয় চোনিয়া নামৰ এগৰাগী কিশোৰী পতিতাৰ লগত । ক্ৰমান্বয়ে এই সম্পৰ্ক গভীৰ হয় আৰু তেওঁলোক দুয়ো এক পবিত্ৰ প্ৰেমৰ বান্ধোনেৰে বান্ধ খাই পৰে। চোনিয়াৰ প্ৰভাৱত ৰাস্কল্নিকভৰ অন্তৰাত্মাৰ বিস্তৰ পৰিবৰ্ত্তন ঘটিল আৰু সেয়ে এদিন বহু মানসিক দ্বন্দ্ব, সংঘাটৰ অন্তত নিজৰ দোষ স্বীকাৰ কৰি আইনৰ ওচৰত ধৰা দিয়ে । বিচাৰত তেওঁৰ নিৰ্বাসন হ'ল । তেওঁ নিৰ্বাসনলৈ গ'ল । কিন্তু লগত লৈ গ'ল আশা আৰু পোহৰৰ জ্যোতি - তেওঁ ঘূৰি অহালৈ যে চোনিয়া বাট চাই থাকিব!

■



॥ প্ৰবন্ধ ॥



# হীৰেন ভট্টাচাৰ্যৰ কবিতাত জীৱনৰ চিত্ৰ

**পংকজ শ্যাম**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

'ৰামধেনু' যুগৰ পৰা বৰ্তমানলৈ বিৰামহীনভাৱে কবিতা লিখি অহা মুষ্টিমেয় কেইগৰাকীমান কবিৰ ভিতৰত হীৰেন ভট্টাচাৰ্য নিঃসন্দেহ সবাতোকৈ জনপ্ৰিয় আছিল। বিগত অৰ্ধ শতিকাৰ এগৰাকী অতিশয় মননশীল আৰু সৃজনশীল কবি 'হীৰুদা' আছিল অসমৰ কাব্যানুৰাগীৰ বাবে হিয়াৰ আমঠু। কবিতাক জীৱন আৰু জীৱিকা বুলি উপলব্ধি কৰা হীৰেন ভট্টাচাৰ্যই কবিতাৰ মাজেৰে আঁকিছিল জীৱনৰ বিভিন্ন চিত্ৰ। প্ৰেম, বিদ্ৰোহ, হতাশা, জীৱনৰ ৰূঢ়তা, ঘাত-প্ৰতিঘাত কিম্বা গভীৰ আশাবোধ - এইবোৰে তেওঁৰ কবিতাক দিছে এক বিপুল মাত্ৰা।

ভট্টাচাৰ্য দেৱৰ কাব্যচৰ্চাৰ প্ৰথমটো দশকতে ৰচিত কবিতাসমূহত পোৱা যায় ব্যক্তি আৰু দেশ চেতনাৰ সমন্বিত ৰূপ। তেওঁৰ 'ৰৌদ্ৰকামনা' প্ৰতীকী ভাষাত ৰচিত। কবিতাটিত কবিয়ে আশাৰ ৰেঙনি দেখাৰ কথা কৈছে --

উজাগৰ ৰাতি
সপোন দেখিছোঁ মহ
ফুল আলসুৱা তোমাৰ মুখৰ
শইচ-সোণালী হাঁহি।
অযুত তৰাৰ ঘুমটি ভাঙি
যেন সূৰ্য আহিছে নামি!

(ৰৌদ্ৰকামনা, ১৯৫৭)



ছন্দময় জীৱনৰ কল্পনা কবিয়ে পোনপটীয়া ভাষাত দাঙি ধৰিছে। কবি হিচাপে আত্মপ্ৰকাশ কৰা ভট্টাচাৰ্যদেৱৰ এই প্ৰথম কবিতাটোতেই ব্যক্তি আৰু দেশ একাকাৰ হৈ পৰিছে আৰু তৰা, সূৰ্যৰ প্ৰতীকেৰে আনন্দৰ বিস্ময়াৰহ ৰচিত হৈছে।

কবি ভট্টাচাৰ্যদেৱে আনুভূতিক জীৱনৰ গভীৰতাক কবিতাৰ মাজেৰে ফুটাই তুলিছে। তেখেতৰ

আশা —

এটা চৰাইৰ
মাতত বসন্ত অহা হ'লে!
লাহী ডেউকাই
কুঁৱলী আঁতৰাব পৰা হ'লে! (বসন্তৰ গান, ১৯৬১)

কবিয়ে প্ৰকৃতিত বিচৰণ কৰি গান গাই ফুৰা এটি চৰাইৰ মাতেৰে জীৱনত বসন্তৰ আগমন আৰু তাৰ লাহী ডেউকাই জীৱনৰ কুঁৱলী আঁতৰোৱাৰ মনোভাৱনা ব্যক্ত কৰিছে। কবিয়ে 'কতনা ব'হাগ' কবিতাত তেওঁৰ জীৱনৰ 'দুৰ্যোগৰ দুৰ্বিপাক'ৰ কথা ব্যক্ত কৰি কৈছে সেই দুৰ্বিপাক যেন মেঘৰ মাজেৰে বগাই অহা সোনোৱালী সাপ অৰ্থাৎ বিজুলী যেন অহাদি আহে। কবিৰ জীৱনত এয়াই আৰম্ভণি অৰ্থাৎ ব'হাগ। যি তেওঁৰ সমস্ত সত্তাক আঘাত কৰি ৰাগ হৈ বাজি থাকে।

'ফাগুনৰ গান' গোৱা কবিৰ কবিতাত মায়াবী 'ফাগুনে কিনো দিলে কিনো নিলে' বুলি ফাগুনৰ বতৰা দিছে। কবিৰ 'প্ৰেমৰ জোন'ৰাতি হ'লে গান শুনাৰ চলেৰে প্ৰেয়সীৰ ডিঙিত জিল্‌মিলাই জ্বলে। ভট্টাচাৰ্যদেৱে চিত্ৰকল্পৰ সুন্দৰ প্ৰয়োগৰ দ্বাৰাও আনুভূতিক তীব্ৰতা ফুটাই তোলাৰ লগতে কবিতাত গীতিময়তা দান কৰিব পাৰিছে —

তুমি আহিলে
আহোঁ বোলা আহিন আগেয়ে আহে।
মোৰ তেজৰ গালিচা গলে
তোমাৰ খোজৰ পদুম পাহে-পাহে।

(তুমি যদি আহিলাহেতেঁন, ১৯৭০)

ভট্টাচাৰ্যদেৱৰ কবিতাত প্ৰেমৰ প্ৰকাশ স্বভাৱগত। এই প্ৰেম ৰোমান্টিকতাৰে সিক্ত হ'লেও সেয়া বাস্তৱধৰ্মী। তীব্ৰ আৰু আবেদনময়ী প্ৰকৃত প্ৰেমৰ গোলাপৰ শিপাডাল হৃদয়ৰ গভীৰতৰলৈ প্ৰোথিত হৈ থাকে। কবিৰ অন্তৰতো যেন ভালপোৱাৰ গোলাপ এজোপা ৰুই প্ৰেমৰ জয়ধ্বনি দিছে —

'মোৰ বুকুত
এজোপা গোলাপ
কোনে ৰুলে?
তেজত এটোপা আতৰ ঢালি
হৃদয় কোনে চুলে?
তোমাৰ কথা ভাবিলে
অকলে-অকলে,
তৰাই-তৰাই কথা পাতে
গোলাপৰ পাহে-পাহে।

(এজোপা গোলাপ, ১৯৬৯)

কবিৰ জীৱনৰ অন্ধকাৰ আঁতৰাই এটি জোনাকী পৰুৱা আহি ৰাতি তেওঁৰ বুকুত শুলে আৰু হৃদয়ৰ গহন বনত কোনোৱাই যেন প্ৰেমৰ প্ৰতীক গোলাপ এজোপা ৰুই থৈ গ'ল। কবিয়ে অনুভৱ কৰে যে প্ৰেমত আনন্দ আছে, অফুৰন্ত শক্তি আছে, ই মৃত্যুমুখী প্ৰেমিককো জীৱন দান দিব পাৰে। প্ৰেম সদায় হৃদয়ৰ সৈতে হৃদয়ৰ। সেয়ে, ঋতুৱেও দিয়ে সুখ-দুখৰ অস্তিত্ব। সেয়ে, কবিয়ে কৈছে —

বসন্তৰ সৌ ৰঙা ডাক বাকচটোত
আজি মই হেমন্ততে লিখা চিঠিখন দি থৈ আহিছোঁ,
দুখৰ সঠিক ঠিকনা বসন্তই জানোচা জানে .....

(অন্য পাণ্ডুলিপি, ১৯৭৬)

প্ৰেমিক বসন্তই কিজানিবা কবিৰ প্ৰেমৰ বতৰা কঢ়িয়ায়, এই আশাৰে কবিয়ে হেমন্ততে লিখা দুখৰ চিঠিখন দি আহিছে।

প্ৰেমত বয়সৰ কোনো হস্তক্ষেপ নাখাটে। বাৰ্ধক্য প্ৰেমৰ বাধক হ'ব নোৱাৰে। কবিয়ে বাৰ্ধক্য আহিলেও হৃদয়ৰ গহন কোণত স্বৰ্ণিল আভা হৈ জিলিকা থকা প্ৰেমক অস্বীকাৰ কৰিব নোখোজে। সেয়েহে কবিয়ে প্ৰকাশ কৰিছে প্ৰেমৰ তীব্ৰ আকুলতা এনেদৰে —

ৰূপালী ৰং চুলিত লাগিছে, বেয়া নেদেখি, লাগক
সোণালীখিনি মচি নিদিবা, বুকুজুৰি বৈ থাকক।

(জোনাকী-মন, ১৯৭১-৭৪)

কবিতাই প্ৰত্যক্ষ বা পৰোক্ষভাৱে জীৱনৰ সত্যকেই উদ্‌ঘাটন কৰে। কবিৰ ব্যক্তিগত প্ৰেম-বিৰহ, সংঘাত-সংশয়, আনন্দ-বেদনা, স্বপ্ন-আশা, সৌন্দৰ্য আদিৰেই নান্দনিক প্ৰকাশ ঘটে কবিতাত। একে পৰম্পৰাৰ সুযোগ্য উত্তৰাধিকাৰী কবি হীৰেন ভট্টাচাৰ্যই প্ৰায় পাঁচোটা দশক জুৰি ব্যক্তিগত জীৱনৰ ঘাত-প্ৰতিঘাত, সংঘাত-সংশয়, আশা-আকাংক্ষা আদিক জীৱনচৰ্চা কৰি তেওঁৰ কবিতাত প্ৰকাশ কৰিছে। তেওঁৰ কবিতাত 'যৌৱনৰ তেজী ঘোৰা' মানুহৰ মনৰ একোণত জাগ্ৰত হৈ ৰোৱা বিপ্লৱী সত্বাৰ তেজাল প্ৰতীক হৈ ধৰা দিছে —

ইয়াতে বান্ধিছিলো তোমাৰ যৌৱনৰ
তেজী ঘোৰাঁ। বসন্তৰ বতাহৰ দৰে
সেই ঘোঁৰাৰ খুড়াৰ ধুলিয়ে
চুমিছিল
মোৰ এই তেজাল আকাশ
আৰু তাৰ প্ৰান্তৰৰ সেউজীয়া ঘাঁহ।

..............................................

..... মই কেতিয়াবা
এতিয়াও সপোনত সাৰ পাই উঠোঁ
আফ্ৰিকা নে তেলেংগানা ক'ৰবাত
সেই ঘোঁৰা যেন হিল-দ'ল ভাঙি লৰিছে
আৰু তোমাৰ চাবুকত চমকি উঠিছে
নিৰ্জন ৰাতিৰ ক্লীৰতা।

(শৰ সন্ধান, ১৯৬৪)

কবিয়ে বিপ্লৱীৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰিছে। স্বাধীনতা আৰু শান্তিৰ নামত উৎসৰ্গিত কবিতাটিত তেখেতে 'সপোনত সাৰ পাই', উঠা কথাষাৰিৰে হৃদয়ৰ উষ্ণতা প্ৰকাশ কৰিছে।

হেমাঙ্গ বিশ্বাস, বিষ্ণু প্ৰসাদ ৰাভা, কেশৱ মহন্ত আদিৰ দ্বাৰা ভট্টাচাৰ্যদেৱ প্ৰভাৱিত হৈছিল। সমাজবাদী আদৰ্শৰে উদ্বুদ্ধ কবিয়ে কালৰ বিৰুদ্ধে কলম তুলিছিল —

কলম মোৰ কমাৰৰ হাতৰ হাতুৰী
ভাঙি পিটি গঢ়ি লওঁ শব্দ,
খেতিয়কৰ ফাল যেন চোকা, সীৰলুত সোণৰ সীতা
মিস্ত্ৰিৰ কৰত যেন ৰূঢ়
কঠিন কাঠত আঁহ ফালি টানি আনো
অভিজ্ঞতাৰ তেজ লগা শব্দ ..........

(পৃথিৱী মোৰ কবিতা, ১৯৭৩)

কবিয়ে শব্দকেই গঢ় দিয়ে অমোঘ অস্ত্ৰৰ ৰূপত। জীৱনৰ দীৰ্ঘ অভিজ্ঞতাৰে লাভ কৰা তেজাল শব্দৰেই নতুনত্ব আনিব খোজে। সমাজবাদী আদৰ্শৰে দীক্ষিত হ'লেও কবি গৰাকীয়ে প্ৰগতিশীল চিন্তাও কৰিছে। গ্ৰাম্য সৰলতাৰে প্ৰকাশ কৰিছে —

মেটমৰা ধানৰ ডাঙৰি
ডাঙৰীয়াৰ চোতালত থ'লো।
এতিয়া, মোক ঘৰলৈ যাবলৈ দিয়া।
..............................................
..............................................
আইজনীৰ মাকৰ
ল'ৰা এটা হ'লে ভাল হয় এথোন
খেতিয়কৰ ল'ৰাৰ বোলে
হাত বৰ পোন!

(লখিমী, ১৯৬৯)

প্ৰথম বাক্যকেইটাত যদিও কবিৰ গ্ৰাম্য সৰলতা আৰু সমাজবাদী চেতনা প্ৰকাশ পাইছে; কিন্তু শেষৰ বাক্যদুটাত ইঙ্গিতময় ভাষাৰ মাজেদিয়েই শ্ৰেণী সংগ্ৰামৰ স্পষ্ট আভাষ প্ৰতিভাত হৈছে। লগতে সশস্ত্ৰ সংগ্ৰামৰ নক্সালপন্থী ৰণকৌশলো সাৰ্থক ৰূপত ৰূপায়িত হৈছে।

আশীৰ দশকৰ প্ৰায় মাজভাগলৈকে ভট্টাচাৰ্যদেৱৰ কবিতাত মোহভংগৰ যন্ত্ৰণা আৰু ব্যৰ্থতাৰ সুৰ শুনিবলৈ পোৱা গৈছিল, কিন্তু পিছলৈ কবিয়ে বিচাৰি পাইছিল জীৱনৰ আন কিছুমান অৰ্থপূৰ্ণ আৰু পূৰ্বতকৈও বিশাল ৰূপক — শইচ, পথাৰ আৰু মানুহ। কবিগৰাকীয়ে দেশ-কাল-মানুহৰ ইতিহাস চেতনাক কবি আৰু কবিতাৰো দ্ৰষ্টা বুলি ভাৱিবলৈ লৈছিল। জীৱনৰ বাবে অত্যন্ত প্ৰয়োজনীয় এটা কাম হ'ল শস্য পথাৰ কৰ্ষণ। এই শস্য পথাৰ কৰ্ষণ বিভিন্ন ৰূপত তেখেতৰ কবিতাত অনুৰণিত হৈছে —

চহাই পেলোৱা চন পৰা এই মানুহ-মাটি
তীখাৰ নিমজ ফালেৰে ফাল ফাল কৰা উদং ৰ'দৰ
তপত পথাৰ
দেহ-দিহিঙৰ বোকা মাটি খচকি সিঁচি দিয়া ধান।

(মানুহ-মাটি-তেজ-ঘামৰ পথাৰ, ১৯৯৩)

তেজে-ঘামে একাকাৰ শ্ৰমজীৱি মানুহ, শস্যস্থলী পথাৰ আৰু জীৱদায়িনী শইচেই নব্বৈৰ দশকৰ পৰা তেওঁৰ কবিতাত প্ৰতিধ্বনিত হ'বলৈ ধৰিলে। অৱশ্যে এই শস্যপথাৰৰ লগত তেওঁৰ কবিতা অথবা শিল্পৰ কৰ্ষণো ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। কবিয়ে মানুহ-মাটি আৰু কবিতাক একে সমতলত স্থাপন কৰিছে —

শিল্পৰ কৰ্ষণে তল-ওপৰ কৰে সৃষ্টিৰ মাটি
মাটি-পানীয়ে মোক ঢাকি দিব
ঢাকি দিয়ক
শস্যহীন নিৰ্বীজ প্ৰকৃতি আৰু মোৰ বিনষ্ট কবিতাৰ ভ্ৰূণ।

(তুমি সৰোবৰ শান্তিকল্যাণ, ১৯৭৯)

কবিয়ে নব্বৈৰ দশকত উপলব্ধি কৰিলে যে শইচেই সঁচা। তেওঁ ক'বলৈ বাধ্য হ'ল —

মোৰ আন কোনো গান বা কবিতা নাই,
তোমাৰ সেউজীয়া আঁচল ধৰি
মোৰ ছাই হৈ যোৱা গানৰ সিপাৰে
হেন্দোলি উঠিছে ডাৱৰ।

(শইচেই সঁচা, তুমি শইচৰেই চানেকি, ১৯৮৭)

কবিয়ে শস্যভূমিত 'শাওনৰ গান' বিচাৰে আৰু সেয়ে শইচৰ পথাৰ জীপাল কৰিবলৈ 'একলম চিয়াঁহীৰে শুকান কবিতা' লিখাত তেওঁৰ 'কলম উত্ৰাৱল'। তেওঁ কবিতাৰেই দেখুৱাব বিচাৰিছে যে, বৰষুণে প্ৰকৃতিক জীৱন আৰু পুৰ্নজীৱন দান কৰি

থাকে। ভট্টাচাৰ্যদেৱৰ দৃষ্টিত প্ৰেমৰ ৰঙো সেউজ, শস্যপথাৰ আৰু প্ৰকৃতিৰ ৰং। অৰ্থাৎ তেওঁ প্ৰেমক চিৰসেউজ বুলি অভিহিত কৰিব খোজে —

ভালপোৱাতকৈ সেউজীয়া আৰু একো নাই।
তোমাৰ বুকুত হেন্দোলি আছেহি
পৃথিৱীৰ গোটেইখিনি সেউজীয়া ........

(জোনাকী পংক্তিমালা, ২০০১-২০১০)

তেখেতে সমাজ-জীৱনকো কবিতাৰ মাজেৰে ফুটাই তুলিছে। সমাজ-জীৱনৰ বিভিন্ন সমস্যাক কেন্দ্ৰ কৰি তেওঁৰ মনত সৃষ্টি হোৱা আশা-নিৰাশা, উদ্বেগ, ক্লান্তি, প্ৰত্যয়, প্ৰতীতী আদিক সৰল আৰু গতিশীল চিত্ৰকল্পেৰে প্ৰকাশ কৰিছিল —

হঠাৎ ক'ৰবাৰ পৰা এজাক বতাহ আহি
উদ্বাস্তু মনৰ কোঠালি মোৰ তোলপাৰ কৰি দিলে।
কুঁৱলিয়ে স্তিমিত কৰা আকাশত এটি-দুটি কৰি
জ্বলমলাই উঠিল এজাক ৰূপালী চৰাই।
জাৰত কঁপি থকা সিঁহতৰ ডেউকাত
পোহৰৰ কি যে অদ্ভূত স্পন্দন!

(অভিজ্ঞান, ১৯৬২)

হীৰেন ভট্টাচাৰ্যই 'কবিতাক অসমৰ জনজীৱনৰ কাষ চপাবলৈ চেষ্টা কৰোঁতে, ই লোকগীতৰো কাষ চাপি আহিছে।'[1] বুলি ড$^0$ আনন্দ বৰমুদৈয়ে কৰা মন্তব্য সঁচাকৈয়ে তাৎপৰ্যপূৰ্ণ। কবিগৰাকীয়ে বিহুগীতৰ ব্যঞ্জনা ব্যৱহাৰ কৰা বাবে কিছুমান কবিতা লোকসমাজৰ নিচেই আপোন হৈ পৰিছে —

তোৰ জীপাল ওঁঠত মোৰো জিৰাবৰ মন গৈছে

.................................................................

ব'ল সৰুমাই, নিয়ৰ গ'ৰকি ঘৰলৈ যাওঁ ......

(নিয়ৰ গ'ৰকি, ২০১০)

'তই', 'তোৰ' বুলি সম্বোধন কৰা নাৰীগৰাকীৰ কবিয়ে নাম থৈছে — সৰুমাই, যিটো নিঃসন্দেহ বিহুগীতৰ পৰা অহা। একেদৰে 'নৰাণিৰ পৰা বুটলি অনা কাচিখন'ত দলিয়াই দিয়া কাচিখন আৰু বৰলে বিন্ধা ওঁঠ দুখনো কবিয়ে বিহুগীত অৰ্থাৎ লোকগীতৰ পৰা সংগ্ৰহ কৰিছে। কবিয়ে এনেদৰে লোকগীত বা লোক-কবিতাৰ লগত যেন এটা আত্মীয়তাহে গঢ়িব খুজিছে। নাও বাই যোৱাৰ অৰ্থ হৈছে জীৱনৰ বাটত গৈ থকা বা জীৱন যুঁজত নিজকে আগুৱাই নিয়া। কবিয়ে নিজৰ জীৱনৰ নাওখনক একে কোবে নি কাৰোবাৰ ঘাটত চপাব খোজে —

নাও মেলি দিছোঁ
একে কোবে গৈ তোৰ ঘাটত চপাম,
শেলুৱৈ ধৰা সেই ঘাটতে মোৰ নাওখনে শিয়া মেলিব —

(তোৰ ঘাটত নাও চপাম; ২০১০)

শেলুৱৈ ধৰা ঘাটত কবিয়ে তেওঁৰ জীৱনৰ নাওখন বন্ধাৰ আকাংক্ষা ব্যক্ত কৰিছে। কবিয়ে বুজাব বিচাৰিছে যে তেওঁ প্ৰাচীন ঘাটতে নৌকা যাত্ৰাৰ অন্ত পেলাব। এইখিনিতে নাৱৰ তাতে শিয়া বা শিপা মেলা কথাষাৰ তাৎপৰ্যপূৰ্ণ। আকৌ কবিয়ে 'তোৰ ঘাটত চপাম' বুলি কৈছে যদিও সেইটো কাৰ ঘাট তাৰ স্পষ্ট উল্লেখ কৰা নাই। এই ঘাটৰ পৰাই জীৱনৰ নাও বাই গৈ থকা নাৱৰীয়া মানে কবি আৰু নাও অৰ্থাৎ জীৱনৰ এৰাএৰি হ'ব। কবিয়ে কবিতাটিত 'উজাই সাঁতুৰিবলৈ বাউসীত মোৰ জোৰ নাই' বুলি নিজৰ দুৰ্বলতা প্ৰকাশ কৰি জীৱন নদীতেই অথালিয়ে-পথালিয়ে সাঁতোৰাৰ আকাংক্ষা ব্যক্ত কৰিছে। কবিয়ে কিন্তু জীৱন নদীৰ ধৰণ-কৰণ সম্পৰ্কে অভ্যস্ত হৈ পৰিছে।

কবিয়ে তৃতীয় স্তৱকত জীৱন নদীত নাও মেলাৰ বাবে 'ন-পানী অহা নৈৰ সোঁতলৈ' অপেক্ষা কৰি আছে। অৰ্থাৎ কবি অপ্ৰাপ্তিত ৰৈ আছে। ইতিমধ্যে পানী কাউৰীজনীয়েও বাৰে বাৰে লক্ষ্যস্থান নৈৰ ঘাটলৈ উৰা মাৰিছে। এইখিনিতে কবিয়ে প্ৰথমে কোৱা 'তোৰ ঘাট' কথাষাৰে এই পানী কাউৰীজনীকে যেন ইংগিত কৰিছে। নৈত অথালি-পথালিকৈ সাঁতোৰা কবিয়ে নিজৰ গতিৰ ওপৰত নিয়ন্ত্ৰণ ৰাখিব নোৱাৰাৰ দৰে পানী কাউৰীজনীয়েও বতাহ'ৰ বেগত ঘাটত স্থিৰ হৈ ৰ'ব পৰা নাই। কবিয়ে জীৱনৰ নৈ- খনত নাও চপোৱাৰ আকাংক্ষা অপ্ৰাপ্তিত শেষ হৈছে।

কবি হীৰেন ভট্টাচাৰ্য অসমৰ সাম্যবাদী লেখকসকলৰ ধাৰাটোত এক উজ্জ্বল আৰু ব্যতিক্ৰমী জ্যোতিষ্ক বুলিব পাৰি। ভবানন্দ দত্ত, অমূল্য বৰুৱা, ৰাম গগৈ, হেমাংগ বিশ্বাস আদিৰ দ্বাৰা তেওঁ প্ৰভাৱিত যদিও তেওঁৰ শ্ৰেণী-সংগ্ৰাম কিছু সুকীয়া।

তেওঁ সেই কাঠিন্য, কৰ্কশতা আৰু আক্ৰোশমূলক ভাৱনা পৰিহাৰ কৰি কিছু শিথিলতা অৱলম্বন কৰিলে আৰু দৰিদ্ৰতা, শ্ৰেণী বৈষম্য, মহাজনী অৰ্থনীতি আদিৰ কথা বচা বচা শব্দৰ ব্যঞ্জনাৰে প্ৰকাশ কৰিলে। তেওঁৰ ৰন্ধ্ৰে ৰন্ধ্ৰে আছে স্বদেশপ্ৰেম। কবিয়ে নিজৰ দেশখনক প্ৰাণাধিক ভাল পায়। তেওঁৰ প্ৰতিটো কাম, প্ৰতিটো চিন্তাই হৈছে দেশৰ কাৰণে, সেয়ে কবিয়ে কৈছে - 'এই দেশৰ বুকুত ৰচে শইচ-সোনোৱালী ভৱিষ্যতৰ সপোন।' কবিয়ে নিজৰ দেশতকৈ পূণ্যভূমি দ্বিতীয় এখন বিচাৰি নাপালে। কবিয়ে এই দেশৰ কাৰণেই জীয়াই আছে আৰু আমৰণ এই দেশৰ কাৰণেই জীয়াই থাকিব —

এই দেশৰ বাবে মই জীয়াই আছোঁ।

এই দেশৰ বাবে মই
জীয়াই থাকিবলৈ মৰণপণ কৰিছোঁ।
ৰণুৱা, বনুৱা, হালোৱা
এই সকলোৰে মাজত মই আছোঁ -
মোৰ দেশৰ বাবে। অনৈক্যৰ
মাজত ঐক্য হৈ,
বিৰোধৰ মাজত সংহতিৰ সম্ভাৱনা হৈ মই আছোঁ।

(মোৰ দেশ, ১৯৬২)

স্পন্দিত অথচ ৰসাল গদ্যৰ মাজেৰে কবিয়ে প্ৰকাশ কৰিছে দেশপ্ৰেম আৰু এই দেশপ্ৰেম তেওঁৰ কবিতাত এক অনবদ্য চালিকাশক্তি। কবিয়ে ইয়াত নিজৰ পৰিচয় দিছে যে তেওঁ এজন কবি আৰু দ্বিতীয়তে তেওঁ এজন শ্ৰমিক - ৰণুৱা, বনুৱা বা হালোৱা যাৰ মাজত তেওঁ আছে। তেওঁৰ শ্ৰমিকশ্ৰেণীৰ লোকৰ প্ৰতি থকা একান্ত অনুকম্পা বা সহানুভূতিৰ বাবেই এই একাকীত্বৰ পৰিচয় দিব পাৰিছে। কবিয়ে অনৈক্যৰ মাজত ঐক্য আৰু বিৰোধৰ মাজত সংহতি স্থাপনৰ সম্ভাৱনাৰে জীয়াই আছে। এইখিনিতে কবিয়ে তেওঁৰ মনৰ ভাতৃত্ববোধ, মিলাপ্ৰীতি আৰু শান্তি-সংহতিৰ বাৰ্তা সকলোৰে আগত দাঙি ধৰিছে। এই শান্তি সংহতিৰ কামনা কৰা কবিগৰাকী কেতিয়াবা আকৌ হিংস্ৰ হৈ পৰে —

আই, আজি মই সঁচাকৈয়ে
বৰ হিংস্ৰ হৈ উঠিছোঁ।
মোৰ নিয়াৰিৰ
কাচিখনলৈ এবাৰ চালেই
বুজিব পাৰিবা
কাৰ ডিঙিৰ জোখেৰে গঢ়িছোঁ।

(আত্মপক্ষ, ১৯৭৯)

তেওঁৰ সমৰসজ্জা শক্তিশালী। আক্ৰোশ আৰু দুষ্টক নিধনৰ হিংস্ৰ ভাৱনাৰে তেওঁ অস্ত্ৰ তুলি লৈছে বিদ্ৰোহৰ। দাওঁতা-জীৱনৰ কাচিখনকে কবিয়ে মৃত্যু দিওঁতা অস্ত্ৰৰূপে তুলি লৈছে। আধুনিক অৰ্থ অনুসৰি কাচি মানে — 'প্ৰগতি, ন্যায় আৰু স্বাধীনতা সূচনা কৰা এক নতুন ৰাজনৈতিক আৰু অৰ্থনৈতিক শৃংখলা (A new Political and economic order offering progress, justice and liberty)[2] কবিয়ে শোষণ, নিষ্পেষণ, ঘৃণা আৰু অত্যাচাৰৰ এটা উৎপতীয়া প্ৰতীকৰূপে কাৰোবাৰ ডিঙিৰ জোখেৰে কাচিখন গঢ়িছে। তেওঁৰ তেজত স্বদেশপ্ৰেমৰ ভাৱনা কিমান দুৰন্ত সেয়া কবিতাত প্ৰকাশ কৰিছে এনেদৰে —

'দেশ বুলি ক'লে আদেশ নেলাগে,
মোৰ তুম্‌ৰলি তেজত টগবগাই উঠে
এহেজাৰ এটা ৰণুৱা ঘোঁৰা!
'মোৰ শব্দৰ শোভাযাত্ৰা হওক, ক্ৰুৰ-কুটিল
ৰাতিৰ প্ৰহৰী হওক
তিৰ্‌বিৰাই থাকক বিক্ষোভৰ চোকা তৰোৱাল,
টলমল শব্দৰ উচ্ছ্বসিত তেজৰ প্ৰৱাহে-প্ৰৱাহে।

(দেশ আৰু অন্যান্য বিষয়ক, ১৯৭১)

পূৰ্বসূৰী কবি ৰাম গগৈ, হেমাংগ বিশ্বাস, কেশব মহন্ত আদিৰ দৰে ভট্টাচাৰ্যদেৱৰ কবিতাত প্ৰগতিবাদৰ ধাৰণাৰে পুষ্ট শব্দৰ কাঠিন্য বা অতিমাত্ৰা প্ৰয়োগ নাই যদিও মাত্ৰ কেইটামান বচা বচা শব্দেৰেই তেওঁ শ্ৰেণী সংগ্ৰামৰ ভাৱনাক কালজয়ী হোৱাকৈ কবিতাৰ মাজেৰে বোৱাব পাৰিছে। তেখেতে 'বিক্ষোভৰ চোকা তৰোৱাল'ৰ যোগেদি সমাজৰ প্ৰগতি কামনা কৰিছে।

কাব্যিক জীৱনৰ পিছৰ কালছোৱাত ভট্টাচাৰ্যদেৱৰ ৰচনাত পোৱা যায় দাৰ্শনিক গভীৰতা। কবিতাৰ ভাষা সৰল আৰু সংহত হোৱাৰ উপৰিও বহু সময়ত গদ্যগন্ধী শব্দৰ অৰ্থ হৈ পৰিছে আৰু অধিক ব্যাপক আৰু গভীৰ; লগতে এইবোৰে আনি দিছে অপাৰ ব্যঞ্জনা। বহুবৰ্ণী চিত্ৰকল্পৰ প্ৰয়োগেও কবিতাসমূহক কৰি তুলিছে মহীয়ান আৰু বলিষ্ঠ। এইবোৰে প্ৰকাশ কৰিছে কবিমনৰ আনুভূতিক তীব্ৰতা। চিন্তাতকৈ অনুভূতিৰ প্ৰাধান্য আগতকৈ বৃদ্ধি পাইছে, লগতে বৃদ্ধি পাইছে শব্দৰ অৰ্থ-ব্যঞ্জনাতকৈ সুৰ আৰু সাংগীতিক গুৰুত্ব। উদাহৰণস্বৰূপে —

মোক টানকৈ ৰ'দাই টোমত ভৰাই থোৱাঁ
ভঁৰালঘৰৰ চোতালখনতে
মৌ-সৰা দি জহি শুকাই সৰিম।
পানী পালে, মাটি পালে, ৰ'দে বৰষুণে
ভূৰ্‌ভূৰ্‌কৈ আকৌ গজি উঠিম ....।

(শস্যমালাৰ ভ্ৰমণ, ১৯৯৪)

কবিয়ে শেষবয়সত ৰচনা কৰা কবিতাসমূহত ৰূপক-প্ৰতীকৰ আভৰণ খহাই বস্তুক বস্তুৰূপে চাবলৈ সুযোগ প্ৰদান কৰিছে। কবিয়ে মানুহ আৰু মাটিৰ একাকিত্ব অতিশয় আনুভূতিকতাৰে প্ৰকাশ কৰাৰ লগতে তাৰ ওচৰত মূৰ নত কৰিবলৈ কৈছে —

মূৰ দোঁৱাই চুই আহ মানুহ-মাটি
স্পৰ্শ কৰ প্ৰতিজন সৎ কবিৰ কবিতা,
অকুতোভয় ভালপোৱা—
গ্ৰহণ কৰ মানুহ সম্পৰ্কীয় সুগভীৰ পাঠ,
মাতৃভাষাৰ তেজাল আখৰ

(প্ৰদক্ষিণ কৰ মানুহ মাটি, ২০১০)

কবিয়ে যদিও প্ৰগতিৰ কথা কৈছে, তৎসত্ত্বেও তেওঁ যেন এক পৰিচিত ৰক্ষণশীল নৈতিক মূল্যচেতনাৰ প্ৰতিহে আধিক দায়বদ্ধ। জীৱন ৰূপান্তৰৰ সাধনাৰ বিকল্পৰ সন্ধান বিচৰাৰ পৰিবৰ্তে তেওঁ সৎ কবিৰ পৰিণত ভালপোৱাৰ গান কৰি থকা কবিতাৰ মাজলৈহে যেন পুনৰ্বাৰ প্ৰত্যাবৰ্তন কৰিছে।

ভট্টাচাৰ্যদেৱে এটা সময়ত ভাগৰুৱা হৈ পৰিছে। বুকুৰ মাজত বাঢ়ি অহা অস্থিৰতা অনুভৱ কৰিছে। বিষাদ বুকুত লৈয়ে যেন এদিন এডিঙি পানীত হেৰাই যাব, তাৰো আশংকা ব্যক্ত কৰিছে —

ৰাতি ভালেমান হ'ল।
হালি-জালি থকা গছজোপাক বতাহে কলে —
চাওঁ, ডালপাত পাৰি দে, মই তোৰ কোলাত শুম।
মোৰ বুকুৰ তলেৰে বাঢ়ি আহিছে ধুমুহাৰ অস্থিৰতা,
ময়ো সুদীৰ্ঘ বিষাদ লৈ এডিঙি পানীত হেৰাই যাম এদিন —

(কবিতা তিন টুকুৰা, ২০০৯)

জীৱনৰ গান গোৱা কবি গৰাকীয়ে মৃত্যুৰ আগে আগে গাই গৈছে 'গান সামৰাৰ গান।' জীৱনৰ তিনিকুৰি বছৰ কবিতা লিখি পাৰ কৰা কবিয়ে জীৱন ঘূৰে পৃথিৱীৰ চৌপাশে বুলিছে আৰু সূৰ্য থাকে মানে জীৱন থাকিব, তাৰ ইংগিতো দি গৈছে ।

কবিয়ে মৃত্যুক সম্ভাষণ জনাইছে —
মোৰ মৰিবৰ মন গৈছে
পাৰিলে এতিয়াই —
তিনি কুৰি বছৰ মোৰ ল'লে কবিতাই
সলনিত মোক টনকিয়াল কৰি গ'ল শব্দেৰে
জীৱন শব্দটো সূৰ্যৰ চৌপাশে ঘূৰে
পোহৰাবলে' মনৰ বেগেৰে
আটায়ে জয়ধ্বনি দে
জীৱনৰ জয়গান শুনো তঁহতৰ মুখত —

(প্ৰান্তিক, ১৬-৩১ জুলাই, ২০১২)

জীৱনৰ জয়গান গোৱা আৰু অন্তিম মূহুৰ্তত জীৱনৰ জয়গান শুনিবলৈ হাবিয়াস প্ৰকাশ কৰা কবিৰ শৰীৰ কবিতাৰ শৰীৰ, শব্দেৰে টনকিয়াল শৰীৰ। এই শৰীৰৰ মৃত্যু নাই। যি মৃত্যুৱে দহক জীৱন দিয়ে, প্ৰকৃতাৰ্থত তেনে মৃত্যু অপৰাজেয়। এনে মৃত্যু উত্তীৰ্ণ হয় শিল্পলৈ। কবিয়ে মৃত্যুৰো এক নতুন অৰ্থ উদ্ভাৱন কৰি থৈ গৈছে —

মৃত্যুওটো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য।

(জোনাকী মন, ১৯৭১- ৭৪)

ইয়াতো যেন জীৱনৰ অৰ্থ প্ৰকাশিত হৈছে। স্বেচ্ছাই জীৱন ত্যাগ কৰিবলৈ ওলোৱা কবি ভট্টাচাৰ্যদেৱে যেন মৃত্যুকো সমগ্ৰ জীৱন-প্ৰক্ৰিয়াৰ অনন্ত ৰহস্যৰ উৎস হিচাপেহে উদ্ঘাটন কৰিলে।

**গ্ৰন্থপঞ্জী**

**গ্ৰন্থ ঃ**

ভট্টাচাৰ্য, হীৰেন ঃ হীৰেন ভট্টাচাৰ্যৰ কবিতা (প্ৰথমৰ পৰা আটাইবোৰ), ১৯৫৭-২০১০, ভৱানী প্ৰিন্ট এণ্ড পাব্লিকেশ্যনচ্, ২০১১

মজুমদাৰ, পৰমানন্দ শৰ্মা, ৰজনীকান্ত ঃ হীৰেন ভট্টাচাৰ্যৰ কবিতা, চেতনা, গুৱাহাটী, ১৯৯৭

**আলোচনী ঃ**

বৰা, লক্ষীনন্দন (সম্পা) ঃ গৰীয়সী, ছেপ্তেম্বৰ, ২০১২

বৰুৱা, প্ৰদীপ (সম্পা) ঃ প্ৰান্তিক, ১৬-৩১ জুলাই, ২০১২

বৰুৱা, প্ৰদীপ (সম্পা) ঃ প্ৰান্তিক, ১-১৫ ছেপ্তেম্বৰ, ২০১২

■

॥ প্রবন্ধ ॥



# সর্বধর্ম সমন্বয়ক স্বামী বিবেকানন্দ

**ইন্দ্রানী ভট্টাচার্য**
সহকারী অধ্যাপিকা, বাংলা বিভাগ

সার্ধ শতবর্ষের মাহেন্দ্রক্ষণে দাঁড়িয়ে আমরা ফিরে তাকিয়েছি অগ্নিপুরুষ সন্ন্যাসী বিবেকানন্দের দিকে। একবিংশ শতকের মানুষ হিসেবে আমরা বিগত শতাব্দীর এই অসাধারণ পুরুষকে মনে রেখেছি শিকাগো শহরে অনুষ্ঠিত বিশ্বধর্ম মহাসম্মেলনে হিন্দুধর্মের জয়ধ্বজা উড্ডীনকারী এক হিন্দু সন্ন্যাসীরূপে। কিন্তু আপন ধর্ম ও স্বদেশের প্রতি অকুণ্ঠ ভালোবাসা থাকা সত্ত্বেও তাঁর ধর্ম সম্বন্ধীয় চিন্তাধারা একটি বিশেষ ধর্মকে অবলম্বন করে গড়ে ওঠেনি। শ্রীরামকৃষ্ণের বাণী 'সর্ব ধর্মমতই সত্য - যত মত তত পথ' - এর সার্থক অনুসরণকারী বিবেকানন্দ কোনো বিশেষ একটি ধর্মের পৃষ্ঠপোষকতা না করে সর্বধর্মে ঐক্য সাধনের প্রতি বিশেষ গুরুত্ব দিয়েছিলেন। কেননা তিনি উপলব্ধি করেছিলেন, মানুষ সুমহান কর্মে নিজেকে নিয়োজিত করেছে ধর্মের তাগিদে আবার পৈশাচিক ঘৃণার পরিচয়ও দিয়েছে ধর্মেরই নামে। ধর্মেরই প্রেরণায় মানুষ দান-ধ্যান করেছে, দুঃস্থের সেবা করেছে আবার ধর্মের প্রেরণাতেই পৃথিবী জুড়ে রক্ত বন্যা প্রবাহিত করেছে। তাই ধর্ম সম্পর্কে এক শুভচিন্তার উদয় না হলে মানুষের পরিত্রাণ নেই -একথা অনুভব করেই বিবেকানন্দ সর্ব-ধর্ম সমন্বয়ের উপর জোর দিয়েছিলেন। কিন্তু যে যুগে প্রেম, শান্তি, মৈত্রী, সাম্য ইত্যাদি শব্দগুলো কেবলমাত্র বইয়ের পাতা শোভাবর্ধনকারী কয়েকটি শব্দমাত্রে পর্যবসিত হয়েছে, সে যুগে বিভিন্ন ধর্মের মধ্যে ঐক্যসাধন করা আদৌ সম্ভব কিনা সে সম্পর্কে সংশয় থাকা অতি স্বাভাবিক। তবে বিবেকানন্দের সর্বধর্ম সমন্বয় সম্পর্কে চিন্তাধারা সেই সংশয়ের নিরসন ঘটাতে সাহায্য করে। কেননা তিনি বলেছেন, "সর্বজনীন ধর্মের অর্থ যদি এই হয় যে, কতকগুলি বিশেষ মত জগতের সমস্ত লোকে বিশ্বাস করিবে তাহা হইলে তাহা সম্পূর্ণ অসম্ভব। ইহা কখনও হইতে পারে না। .... যখন এই জগৎ ধ্বংস হইবে, তখনই কেবল সাম্যরূপ ঐক্য আসিতে পারে, অন্যথা এরূপ হওয়া অসম্ভব।"[1] অর্থাৎ ধর্মে ধর্মে পার্থক্য ও বৈষম্য থাকা স্বাভাবিক, আর এই সাম্যের



অভাবই আমাদের উন্নতির কারক। এমতাবস্থায় আমাদের করণীয় কি? এ সম্পর্কে বিবেকানন্দ বলেছেন, "আমরা ইহাকে সুচারুরূপে চলিতে সাহায্য করিতে পারি, ইহার ঘর্ষণ (বিরোধ) কমাইতে পারি। ইহার চক্রগুলি তৈলসিক্ত ও মসৃণ রাখিতে পারি।"[2] আর বৈষম্যের স্বাভাবিক প্রয়োজনীয়তা স্বীকার করে নিয়েই আমরা তা করতে পারি। আমাদের এই শিক্ষা গ্রহণ করতে হবে যে, একই সত্য লক্ষভাবে প্রকাশিত হতে পারে কিন্তু সত্য একটাই। কোনো বিষয়কে শতবার বিভিন্ন দিক দিয়ে দেখা চলে কিন্তু বস্তুটি একই থাকে। ধর্ম বা ঈশ্বর সম্পর্কেও একই কথা খাটে। ঈশ্বর লাভের পন্থা ভিন্ন হতে পারে কিন্তু মূল লক্ষ্য সব ধর্মেরই এক, আর তা হচ্ছে - ঈশ্বরোপলব্ধি।

বিভিন্ন ধর্মে বিভিন্ন প্রকার উপাসনার উদ্দেশ্য যে ফল লাভের জন্য, সেখানেও যে ঐক্য বা সমন্বয় রয়েছে তা সুন্দর এক উপমার সাহায্যে বিবেকানন্দ আমাদের সামনে তুলে ধরেছেন - "মনে করুন আমরা সকলেই পাত্র লইয়া একটি জলাশয় হইতে জল আনিতে গেলাম। কাহারও হাতে বাটি, কাহারও কলসী, কাহারও বা বালতি ইত্যাদি এবং আমরা নিজ নিজ পাত্রগুলি ভরিয়া লইলাম। তখন বিভিন্ন পাত্রের জল স্বভাবতই আমাদের নিজ নিজ পাত্রের আকার ধারণ করিবে। ....কিন্তু প্রত্যেক পাত্রেই জল ব্যতীত অন্য কিছু নাই। ধর্ম সম্বন্ধেও ঠিক এই কথা। আমাদের মনগুলি এই পাত্রের মতো। আমরা প্রত্যেকেই ভগবান লাভ করিবার চেষ্টা করিতেছি। .... ভগবান সেই জলস্বরূপ এবং প্রত্যেক পাত্রের পক্ষে ভগবদ্দর্শন সেই সেই আকারে হইয়া থাকে।"[3] - এই উপমার সাহায্যে স্বামীজি বুঝাতে চেয়েছেন যে, আমাদের মনরূপ পাত্রের বৈচিত্র্যহেতু মানুষের ঈশ্বরের ধারণা, উপাসনার প্রণালী ও ধর্মের ধারণায় বিভিন্নতা থাকতে পারে কিন্তু সর্বপ্রকার ধর্মের মূল লক্ষ্য হচ্ছে সেই বিরাট স্বরূপের সান্নিধ্যলাভে ধন্য হওয়া। অর্থাৎ ছোট-বড় সব ঈশ্বর ধারণা মানব চিত্তকে উর্ধগামী করে এমতচিন্তাই ধর্মে-ধর্মে সমন্বয় সাধন করায় সাহায্য করে। তিনি আরও বলেছেন ঈশ্বর লাভের পথ ভিন্ন হতে পারে কিন্তু মূল লক্ষ্যে পৌঁছানোর পর সব বৈষম্যই তিরোহিত হয়। আমাদের মনে রাখতে হবে, "আমরা প্রত্যেকেই যেন একটি বৃত্তের বিভিন্ন ব্যাসার্ধ দিয়া সেই কেন্দ্রেরই (ঈশ্বরের) দিকে অগ্রসর হইতেছি, তাহা হইলে আমরা সকলে নিশ্চয়ই কেন্দ্রে পৌঁছিব এবং যে কেন্দ্রে সকল ব্যাসার্ধ মিলিত হয়, সেই কেন্দ্রে পৌঁছিয়া আমাদের সকল বৈষম্য তিরোহিত হইবে। কিন্তু যে পর্যন্ত না সেখানে পৌঁছাই, সে পর্যন্ত বৈষম্য অবশ্যই থাকিবে।"[4] আর এই বৈষম্য ও বিভিন্নতাকে স্বীকার করে অপর ধর্মাবলম্বীর প্রতি বিদ্বেষ ও ঘৃণা পরিত্যাগ করে সর্ব ধর্মনিষ্ঠ হতে হবে।

এছাড়াও অপর এক দৃষ্টিভঙ্গী থেকেও তিনি সর্ব ধর্ম সমন্বয়ের প্রচেষ্টা করেছেন। আর তা হল ঃ সমস্ত প্রধান প্রধান ধর্মগুলোর অস্তিত্বের বা সহাবস্থানের একটি সার্থকতা তিনি খুঁজে বের করেছেন। তিনি লক্ষ্য করেছেন প্রাচীন কাল থেকে কতগুলো ধর্মের মনোভাবই এই রয়েছে যে, সকল সম্প্রদায়ই বেঁচে থাকুক, কারণ প্রত্যেক ধর্ম সম্প্রদায়ের কোনো একটি নিজস্ব তাৎপর্য, একটি মহান ভাব আছে, আর তা কল্যাণের জন্য অতি আবশ্যক। সেই মহান ভাবটির পোষণ করা উচিত। তিনি আরও লক্ষ্য করেছেন, প্রত্যেক ধর্মের নিজস্ব এক জীবনীশক্তি রয়েছে, সেই শক্তির বলে পৃথিবীর মুখ্য ধর্মগুলোর একটিও মরে নি; বরং প্রত্যেকটিই উন্নতির পথে অগ্রসর হচ্ছে। খৃষ্টানের সংখ্যা বৃদ্ধি পাচ্ছে, হিন্দুরা বিস্তার লাভ করছে, মুসলমানের সংখ্যা বৃদ্ধি পাচ্ছে, ইহুদীর সংখ্যাও অধিক হচ্ছে। বিবেকানন্দ মনে করেছেন, জগতের প্রধান প্রধান ধর্মগুলোর প্রত্যেকটিই পূর্ণ সত্যকে আংশিকভাবে প্রকাশ করেছে মাত্র। আর ধর্মে ধর্মে বিবাদের কারণই হল নিজ নিজ ধর্মে প্রকাশিত আংশিক সত্যকে পূর্ণ ও একমাত্র সত্য বলে ঘোষণা করা ও ধর্মপ্রচারকদের অবিবেচনা।

বিবেকানন্দ ধর্মে ধর্মে এই বিরোধের অবসান করে অভিনব ধর্ম সমন্বয়ের প্রচেষ্টা করতে গিয়ে প্রত্যেকটি ধর্মের যে মূলভাব রয়েছে যাকে বিবেকানন্দ জীবন্ত হৃদপিণ্ডের সঙ্গে তুলনা করেছেন, তাকে উদারচিত্তে গ্রহণ করার কথা বলেছেন। উদাহরণস্বরূপ তিনি মুসলমান ধর্মাবলম্বীদের স্বধর্মীর প্রতি অকুণ্ঠ ভ্রাতৃত্ববোধের কথা উল্লেখ করে বলেছেন, - "ইসলাম ধর্ম তদন্তর্গত সকল ব্যক্তিকে সমান চক্ষে দেখিয়া থাকে। সুতরাং আপনারা দেখিতেছেন এইখানেই মুসলমান ধর্মের নিজস্ব বিশেষ মহত্ব। .... মুসলমান ধর্ম জগতে যে বার্তা প্রচার করিতে আসিয়াছে তাহা মুসলমান ধর্মাবলম্বীদের মধ্যে কার্যে পরিণত ভ্রাতৃভাব, ইহাই মুসলমান ধর্মের অত্যাবশ্যক সারাংশ।"

আবার হিন্দুদের মধ্যে যে জাতীয় ভাব তিনি দেখেছেন, তা হল - আধ্যাত্মিকতা। ঈশ্বরের স্বরূপ নির্ণয়ে এত অধিক শক্তি ক্ষয় করতে অন্য ধর্মে দেখা যায় না। ত্যাগ ও আধ্যাত্মিকতা এই দুটিই ভারতের মহান আদর্শ এবং এ দুটো ধরে আছে বলেই ভারতের এত ভুল-ভ্রান্তি সত্ত্বেও তার টিঁকে থাকা সম্ভব হয়েছে।

আবার খৃষ্টানদের প্রচারিত মূলভাব হল ঃ "অবহিত হইয়া প্রার্থনা কর, কারণ ভগবানের রাজ্য অতি নিকটে।" — অর্থাৎ চিত্ত শুদ্ধি করে প্রস্তুত হও। আর এই ভাব মনে রেখেছে বলেই

তারা অপরকে সাহায্য করা, হাসপাতাল নির্মাণ করা ইত্যাদি সৎ কার্যের দ্বারা নিজেদের পবিত্র করার চেষ্টা করে প্রভুর আগমনের প্রতীক্ষা করছে। যতদিন তারা এই লক্ষে স্থির থাকবে ততদিন তাদের ধর্ম সজীব থাকবে।

এভাবেই স্বামী বিবেকানন্দ সকল ধর্মের তাৎপর্য অংশ বা মুখ্য অংশ গ্রহণ করে অভিনব ধর্ম সমন্বয়ের প্রচেষ্টা করেছেন। তিনি বলেছেন, "আমি প্রত্যেক ধর্মের ভিতরকার প্রাণবস্তুর কথাই বলিতেছি। প্রত্যেক ধর্মের পশ্চাতে একটি করিয়া সারবস্তু বা আত্মা আছে এবং এক ধর্মের আত্মা অন্য ধর্মের আত্মা হইতে পৃথক হইতে পারে, কিন্তু তাই বলিয়া তাহারা কি একান্ত বিরোধী? তাহার পরস্পরকে খণ্ডন করে, না একে অপরের পূর্ণতা সম্পাদন করে?" এই প্রশ্নের উত্তর তিনি নিজেই দিয়েছেন, "আমার বিশ্বাস, তাহারা পরস্পরের বিরোধী নয়, পরস্পরের পরিপূরক। প্রত্যেক ধর্ম যেন মহান সার্বভৌম সত্যের এক-একটি অংশ লইয়া তাহাকে বাস্তব রূপ প্রদান করিতে এবং আদর্শে পরিণত করিতে উহার সমস্ত শক্তি নিয়োজিত করিতেছে। সুতরাং ইহা মিলনের ব্যাপার - বর্জনের নয়।"[7]

এভাবেই সর্বধর্মের মূল সারসত্যকে হৃদয়ঙ্গম করে তার আলোর দিকটি, ভালোর দিকটি গ্রহণ করার উদার মনোভাবটি সমগ্র মানবজাতির মধ্যে জাগ্রত করতে চেয়েছেন বলেই অতি সাধারণ ধর্ম প্রচারক মাত্র না হয়ে স্বামী বিবেকানন্দ মহামানব রূপে, সর্বধর্ম সমন্বয়কারী রূপে আমাদের মনে চিরস্থায়ী আসন লাভ করেছেন।

**সূত্র নির্দেশ ঃ**

১। বাণী ও রচনা ৩য় খণ্ড, পৃঃ ১৫৪
২। তদেব, ৩। তদেব, পৃঃ ১৫৮-৫৯
৪। তদেব, পৃঃ ১৫৯-৬০ ৫। তদেব, পৃঃ ১৮৭
৬। তদেব, পৃঃ ১৮১ ৭। তদেব, পৃঃ ১৮১

**সহায়ক গ্রন্থ ঃ**

৩। বাণী ও রচনা ৩য় খণ্ড ঃ স্বামী বিবেকানন্দ
৪। বিবেকানন্দের বেদান্ত চিন্তা ঃ দীনেশ চন্দ্র ভট্টাচার্য শাস্ত্রী



Picasso

॥ প্ৰবন্ধ ॥

# এখনি আদৰ্শ কলেজ আৰু মোৰ মিঠা অনুভৱ ...

**সীমা শৰ্মা**
উচ্চতৰ মাধ্যমিক, প্ৰথম বাৰ্ষিক

কলেজৰ শিক্ষা এটি মিঠা অনুভৱ। এটা মিঠা স্মৃতি। যি ৰৈ যায় গোটেই জীৱনলৈ। যাক কেতিয়াও পাহৰিব পৰা নাযায়। মই যেতিয়া কলেজলৈ আহিছিলো, তেতিয়া মোৰ মনলৈ আহিছিল কলেজখন বা কেনেকুৱা হ'ব? মই মোৰ হাইস্কুলত যি পৰিৱেশ পাইছো কলেজত বা কেনেকুৱা পৰিৱেশ পাম? কেনেকুৱা শিক্ষক পাম? - এনে নানা ধৰণৰ চিন্তাই মোৰ মনৰ ভিতৰত প্ৰশ্ন কৰিছিল। মই মোৰ হাইস্কুলত ছয়টা বছৰ যেনেদৰে সুন্দৰভাবে হাঁহি স্ফুৰ্তিৰে কটাইছিলোঁ। ঠিক তেনেদৰে কলেজতো তেনেভাৱে কটাব বিচাৰিছো। যেনেদৰে বিদ্যালয়ত শিক্ষক শিক্ষয়িত্ৰীৰ পৰা মই ইমান মৰম পাইছিলোঁ তেনেদৰে কলেজতো পামনে? কেৱল এটা কথাই জানিছিলো নিজৰ ব্যৱহাৰেই নিজৰ পৰিচয় হ'ব। সেইদিনা যিদিনা শিক্ষাগ্ৰহণ কৰিবৰ বাবে প্ৰথমবাৰ কলেজত ভৰি দিছিলো দেখিছিলো এক নতুন পৰিৱেশ, নতুন শিক্ষক -শিক্ষয়িত্ৰী আৰু নতুন বন্ধু-বান্ধবী। যেতিয়া মই কলেজত ভৰি দিছিলো, তেতিয়া মোৰ এনে লাগিছিল যেন এই কলেজত বিচৰা সকলোখিনিয়েই মই পাম। এতিয়াৰ পৰা এই কলেজখন মোৰ নিজৰ আপোন। সেইদিনাখন অৱশ্যে মই কাৰো লগতে চিনাকী হ'ব নোৱাৰিলো। তাৰ পাছত কলেজখন ভাল লাগিল, শিক্ষকসকলে ভালদৰে পঢ়িবলৈ উৎসাহ দিলে। এইদৰে প্ৰথমদিনৰ পাঠদান শেষ হ'ল। এই কলেজখনৰ উন্নতিৰ মূল গাঁঠনি হৈছে শিক্ষক-শিক্ষয়িত্ৰী সকল। মই দেখিছোঁ কলেজখনৰ শিক্ষাগুৰু সকলে কলেজখনৰ উন্নতিৰ কাৰণে বহুত কষ্ট কৰে। সকলোবোৰ ক্লাছ নিয়াৰিকৈ কৰে আৰু ছাত্ৰ-ছাত্ৰীক যিকোনো প্ৰকাৰে সহায় কৰিবলৈ সদায় প্ৰস্তুত থাকে। এইখন কলেজে ছাত্ৰ-ছাত্ৰী সকলৰ বাবে বহু সা-সুবিধা দিছে। তেওঁলোকৰ সুবিধাৰ বাবে পুঁথি ভৰাল আছে, য'ত তেওঁলোকে তেওঁলোকৰ বাহিৰা জ্ঞান বৃদ্ধি কৰাৰ লগতে বহুতো কথা শিকিব পাৰে। শেষত মই ক'ব খোজো যে, জাগীৰোড মহাবিদ্যালয় এখনি আদৰ্শ মহাবিদ্যালয়। মোৰ যিখিনি অনুভৱ হৈছে সেইখিনি মোৰ বাবে মোৰ মনত সদায় ৰ'ব। শেষত মই বিদ্যালয়খনৰ উন্নতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই মোৰ লিখনি সামৰিছো।

■

॥ প্ৰবন্ধ ॥





# লক্ষ্মীনাথ বেজবৰুৱা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ চুটিগল্পৰ এটি তুলনামূলক আলোচনা

**দেৱজিৎ শইকীয়া**
সহযোগী অধ্যাপক, অসমীয়া বিভাগ

**অৰতৰণিকা** - বেদৰ সময়ৰে পৰা ভাৰতীয় লিখিত সাহিত্যৰ যি দীঘলীয়া ইতিহাস, সি সময়ৰ পৰিৱৰ্তনত বিভিন্ন ধৰণে নতুন ৰূপ আৰু শৈলী গ্ৰহণ কৰি আহিছে। বৃটিছ উপনিবেশিকতাৰ আগলৈকে ৰচিত ভাৰতীয় সাহিত্য প্ৰাচ্য ধ্যান-ধ্যাৰণাৰ লগতহে জড়িত। কিন্তু উত্তৰ-উপনিবেশিকতাৰ সময়ত ভাৰতীয় সাহিত্যই প্ৰাচ্যৰ লগতে পাশ্চত্য ধ্যান-ধাৰণাকো সাঙুৰি লৈ বিৰাট পৰিৱৰ্তনৰ অভিমুখে আগবাঢ়ে। উত্তৰ-উপনিবেশিকতাৰ সময়ত ভাৰতীয় সাহিত্যই আধ্যাত্মিকতাবাদী আৰু পৰম্পৰাগত দৃষ্টিভংগীৰ বিপৰীতে বাস্তববাদী দৃষ্টিভংগীৰে আগবাঢ়িবলৈ অনুশীলন কৰে। গতিকে উপনিবেশিক-পূৰ্ব স্বাধীন ধ্যান-ধ্যাৰণা, শৈলীৰ ভাৰতীয় সাহিত্য স্বাভাৱিকতে উত্তৰ-উপনেবেশিক সময়ত পশ্চাত্য অনুগামী হৈ পৰে। দৃষ্টিভংগী আৰু প্ৰকাশভংগীৰ ফালৰ পৰা ভাৰতীয় সাহিত্যক স্পষ্টভাৱে দুটা ভাগত বিভক্ত কৰিব পাৰি-

ক) প্ৰাচীন ভাৰতীয় সাহিত্য আৰু (খ) আধুনিক ভাৰতীয় সাহিত্য।

প্ৰাচীন ভাৰতীয় সাহিত্যৰ পটভূমি যিদৰে বেদ, সেইদৰে আধুনিক ভাৰতীয় সাহিত্যৰ পটভূমি হ'ল বৃটিছ উপনিবেশিকতাবাদ আৰু পাশ্চাত্য বিশেষকৈ ইংৰাজী সাহিত্যৰ প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰভাৱ।

**আলোচনাৰ লক্ষ্য আৰু উদ্দেশ্য-**

১. গল্পকাৰ লক্ষ্মীনাথ বেজবৰুৱা।
২. গল্পকাৰ ৰবীন্দ্ৰনাথ ঠাকুৰ।
৩. তুলনামুলক আলোচনা।
৪. উপসংহাৰ।

**পদ্ধতি-**

১. বিশ্লেষণাত্মক পদ্ধতি অবলম্বন কৰা হৈছে।
২. বিশ্লেষণাত্মক পদ্ধতি অবলম্বন কৰা হৈছে।
৩. তুলনামূলক পদ্ধতি অবলম্বন কৰা হৈছে।

**১. গল্পকাৰ লক্ষ্মীনাথ বেজবৰুৱা-**

১.১ যিদৰে ৰবীন্দ্ৰনাথ বাংলা চুটিগল্পৰ জনক অথবা প্ৰেমচান্দ হিন্দী চুটিগল্পৰ জনক ঠিক সেইদৰে বেজবৰুৱা হৈছে অসমীয়া চুটিগল্পৰ জনক। জোনাকী আলোচনীৰ ৪ৰ্থ বছৰ (১৯৯২) ৮ম সংখ্যাত প্ৰকাশিত বেজবৰুৱাৰ 'পণ্ডিত মহাশয়'শীৰ্ষক গল্পৰ যোগেদি অসমীয়া সাহিত্যত চুটিগল্পৰ শুভাৰম্ভ হয়। বেজবৰুৱাৰ প্ৰকাশিত গল্পপুথি-- সাধুকথাৰ কুকি (১৯১০), সুৰভি (১৯১০), জোনবিৰি (১৯১০) আৰু কেহোঁকলি (১৯৬৮,

মৰণোত্তৰ ভাৱে প্ৰকাশিত)। প্ৰথম চুটিগল্পকাৰ হিচাপে বেজবৰুৱাৰ হাতত অসমীয়া চুটিগল্পৰ পৰীক্ষা-নিৰীক্ষাহে চলিছিল। সেয়েহে বেজবৰুৱাই গঠনশৈলীৰ ফালৰ পৰা কেইটামানহে সাৰ্থক চুটিগল্প ৰচনা কৰিব পাৰিছিল। বেজবৰুৱাৰ সাহিত্য ৰচনা কৰাৰ এটা মুখ্য উদ্দেশ্য আছিল নিংকিন আধুনিক অসমীয়া সাহিত্যৰ ভঁৰালটো টনকিয়াল কৰা। গতিকে গল্প ৰচনাৰ ক্ষেত্ৰতো তেওঁ উৎকৃষ্টতাতকৈ পৰিমাণৰ ওপৰতহে বেছি গুৰুত্ব দিছিল। তেওঁ 'পাটমুগী' গল্পটোৰ শেষত লেখিছিল, "বাঁহীৰ গল্পৰ অভাৱৰ সমস্যাটোকে সমাধান হ'ব বুলি ভাবিয়ে গল্পটো প্ৰকাশ কৰা হ'ল"। বেজবৰুৱাৰ গল্পসমূহ সাধুকথাৰ ওচৰ চপা। তেওঁৰ গল্পসমূহ শিল্পসুষমাৰে মহিমামণ্ডিত নহয়, তেনেই সাধাৰণ। তদুপৰি প্ৰথম গল্পকাৰ হিচাপে তেওঁৰ গল্পসমূহ অসমীয়া সাধুকথাৰ পৰিবেষ্টনীৰ পৰা ওলাই আহিব নোৱাৰিলে।

**১.২ বেজবৰুৱাৰ গল্পসূচী -**

'সুৰভি'ত প্ৰকাশিত— গীতা, ফিৰিঙতিৰ পৰা খাণ্ডব দাহ, নিস্তাৰিণী দেৱী বা ফাতেমা বিবি, বাপিৰাম, লম্বোদৰ ডেকা, লাওখোলা, মলক গুইন গুইন, প্ৰথম দৰ্শনত ওপজা প্ৰেম, মিষ্টৰ ফিস্পন, ভূৰুকী বৌ, মাধৈমালতী, জাতিৰামৰ জাত।

'সাধুকথাৰ কুকি'ত প্ৰকাশিত আমালৈ নেপাহৰিব, স্বৰ্গাৰোহণ, চোৰ, পুত্ৰবানপিতা, জয়ন্তী, ডাক্তৰ বাবু, ধোৱাখোৱা, ভদৰী, শিৱপ্ৰসাদ, ৰতনমুণ্ডা, ভেমপুৰীয়া, নকওঁ, কন্যা, পণ্ডিত মহাশয়, মালতী, সেউতী, ঘৰপতা ককা, মুলাখোৱা বুঢ়া, জলকুঁৱৰী, আমাৰ সংসাৰ, মিলাৰামৰ আত্মজীৱনী, চেনিচম্পা, কেকো ককা, আৰ্জি, আমাৰ কানীয়া সভাৰ এক অধিবেশন, দদায়েক পদো আকু ভতিজাক ভদো।

'জোনবিৰি'ত প্ৰকাশিত—আমাৰ সংসাৰ, যেনে চোৰ তেনে তাঙোন, কনকলতা (ঐতিহাসিক উপন্যাস), নাঙলু চন্দ্ৰ দাস, জগৰা মণ্ডলৰ প্ৰেমাভিনয়, মৈদাম, মোৰ সৈতে মনাইৰ দন্দ, লোভ, কাশীবাসী, ভোম্‌কেৰেলা, ভোকেন্দ্ৰ বৰুৱাৰ মধ্যলীলা, ভোকেন্দ্ৰ বৰুৱাৰ অন্তলীলা, এৰাবাৰী, ঘণ্টাকৰ্ণ শৰ্মা, ধৰ্মধ্বজ ফয়চলা নবিচ।

'কেহোঁকলি'ত প্ৰকাশিত- কেহোঁকলিত প্ৰকাশিত এটা গল্পক বাদ দি বাকী গল্পসমূহ প্ৰকৃততে বেজবৰুৱাৰ 'বাঁহী' আলোচনীত প্ৰকাশিত। গতিকে তালিকাখন প্ৰকাশৰ চন অনুসৰি দিয়া হ'ল....

ক) কেহোঁকলি (২১শ বছৰ, ২য় সংখ্যা, মাঘ ১৮৫৮, শক, ১৯৩৫ চন)।

খ) মুক্তি (১১শ বছৰ)।

গ) বিহু (১৪শ বছৰ, ১ম সংখ্যা, বহাগ, ১৮৪৬ শক, ১৯২৪ চন)।

ঘ) জুৰমন ৰাইদঙীয়া (এবেগেতীয়া সাধু), (১৮শ বছৰ, ৯ম সংখ্যা, পুহ, ১৮৫১ শক, ১৯২৯ চন)।

ঙ) মাউৰা (২০শ বছৰ, ১০ ম সংখ্যা, মাঘ, ১৮৫৩ শক, ১৯৩১ চন)।

চ) ৰহিত (প্ৰকাশৰ সময় নাই)।

ছ) ললিতী কাকতী (ষষ্ঠ বছৰ, ৭ম সংখ্যা, জেঠ, ১৮৩৭ শক, ১৯১৫ চন)।

জ) পাতমুগী (২০শ বছৰ, ৭ম সংখ্যা, কাতি, ১৮৫৩ শক, ১৯৩১ চন)

ঝ) শ্বন

ঞ) বৰবৰুৱাৰ মত (২০শ বছৰ, ৮ম সংখ্যা, ১৮৫৩ শক, ১৯৩১ চন)

ট) মাৰ্জৰী (২০শ বছৰ আঘোণ, ৮ম সংখ্যা, ১৮৫৩ শক, ১৯৩১ চন)

ঠ) মগনিয়াৰ বুঢ়া (২১শ বছৰ, ৭ম সংখ্যা, কাতি , ১৮৫৪ শক, ১৯৩২ চন)

ড) দচ্ মন্তৰ (২০শ বছৰ, ১১শ সংখ্যা, ফাগুন ১৮৫৩ শক, ১৯৩১ চন)

ঢ) বাৰীচোৱা (২১শ বছৰ, ৪ৰ্থ সংখ্যা, শাওন , ১৮৫৪ শক, ১৯৩২ চন)

ণ) ভৈৰা (২১শ বছৰ, ৫ম সংখ্যা, ভাদ , ১৮৫৪ শক, ১৯৩২ চন)

উল্লেখযোগ্য যে বেজবৰুৱাৰ 'ছাইমন'শীৰ্ষক গল্পটো তাৰকচন্দ্ৰ শৰ্মা সংকলিত 'গল্পমালা'ত প্ৰকাশিত-

**১.২ বেজবৰুৱাৰ গল্পৰ বিষয় বৈচিত্ৰ -**

বেজবৰুৱাৰ গল্পসমূহৰ বিষয়বস্তুৰ ক্ষেত্ৰত থকা এটা উল্লেখযোগ্য বৈশিষ্ট হ'ল- পৰাধীন অসমীয়া সমাজখনৰ অন্তঃসাৰশূন্যতা, জাতিভেদ আদিৰ প্ৰকাশ। সমকালীন পৰাধীন অসমীয়া সমাজখনৰ যি ৰূপ তাক বাহিৰে 'ৰং চং ভিতৰে কোৱাভাতুৰী লগতহে ৰিজনি কৰিব পাৰি । সম্পূৰ্ণ এটা ফোপোলা স্বৰূপ প্ৰকট হৈছিল অসমীয়া সমাজত। সাহিত্য-সংস্কৃতি সকলো দিশতে ঘুণে খোৱা অসমীয়া মানুহবোৰে উন্নত জাতিৰ দৰে গপত গঙাটোপ হৈ পৰিছিল। এই অন্তঃসাৰশূন্যতাই সমসাময়িক সমাজৰ এটা চামক বিপথে পৰিচালিত কৰি পংগু কৰি পেলাইছিল। তদুপৰি আছিল জাতিভেদ প্ৰথা। উদ্ভৱকালীন হিন্দুধৰ্মৰ বৰ্ণ ব্যৱস্থাই সময়ৰ পৰিবৰ্তনত জাতিভেদ প্ৰথাৰ ৰূপ লৈছিল। শিথিল

পৰাধীন অসমীয়া সমাজত জাতিভেদ প্ৰথাই গা কৰি উঠি সমাজত এটা মহামাৰী ৰূপ লৈছিল। এই মহামাৰীয়ে মানুহৰ মনত বহু গভীৰতালৈ এটা ভেদ ভাৱ সুমুৱাই যে প্ৰভাৱৰ পৰা আমি এতিয়াও মুক্ত নহয়। বেজবৰুৱাৰ গল্পত এই কথাবোৰ সূক্ষ্মৰূপত নহ'লেও সাধাৰণভাৱে প্ৰকাশ পাইছে। তেওঁ গল্পকাৰ হোৱাৰ বাবে সাধুকথাৰ পৰিবেষ্টনীৰ পৰা ওলাই আহিব নোৱাৰাৰ বাবে গল্পসমূহে সূক্ষ্মকলাশৈলীৰে প্ৰকাশ লাভ কৰিব নোৱাৰিলে। এনে কেইটামান গল্প হ'ল- জাজিৰামৰ জাত, ভোকেন্দ্ৰ বৰুৱা আদি।

বেজবৰুৱাৰ গল্পৰ বিষয়বস্তুৰ ক্ষেত্ৰত থকা আন এটা বৈশিষ্ট হ'ল– সংস্কাৰধৰ্মী মনোভাৱ। ব্যংগৰ চলেৰে সমাজ সংস্কাৰ কৰাটো যেন বেজবৰুৱাৰ এটা চৰিত্ৰ। আজীৱন কলিকতাবাসী এজন শ্ৰেষ্ঠ অসমীয়া বেজবৰুৱাই সমাজৰ ভণ্ডামি, কু-সংস্কাৰ আদি পৰ্যবেক্ষণ কৰিয়েই ক্ষান্ত থকা নাছিল, তাক সংস্কাৰ বা পৰিশোধন কৰিবলৈও চেষ্টা কৰিছিল। বেজবৰুৱাৰ সমসাময়িক অসমীয়া সমাজখনক কানি বৰবিহে আগুৰি ধৰিছিল। এয়া আছিল অসমীয়া সমাজখনক ধ্বংস কৰিবলৈ বৃটিছসকলৰ গভীৰ ষড়যন্ত্ৰ। কানিৰ নিচাত মানুহবোৰ এলেহুৱা হৈছিল। ইয়াৰ সুযোগতে বৃটিছে আমাক ৰামঠগন দি শাসন কৰিছিল। তদুপৰি অশিক্ষা, কু-সংস্কাৰ আদিবোৰতো আছিলেই। গতিকে বেজবৰুৱাই সমাজৰ এই সমস্যাসমূহ পৰ্যবেক্ষণ কৰি সংস্কাৰ কৰিবৰ বাবে চুটিগল্পৰ যোগেদি চেষ্ট কৰিছিল। সংস্কাৰধৰ্মী দৃষ্টিভংগী প্ৰতিফলিত হোৱা গল্পসমূহত স্বাভাৱিকভাৱেই এটা সজীৱ ব্যংগ সোমাই পৰিছিল, যি আমাক পৰিস্থিতিসমূহ অনুভৱ কৰাত , বুজি পোৱাত সহায় কৰে। এই ব্যংগ পূৰ্ববৰ্তী হেমচন্দ্ৰ বৰুৱাৰ পৰাই আহিছে বুলি পণ্ডিসকলে মন্তব্য কৰিছে। অৱশ্যে এয়া বেজবৰুৱাৰ মৌলিক সৃজনী প্ৰতিভা বুলিও স্বীকাৰ কৰিব পাৰি। উদাহৰণ স্বৰূপে– শিৱপ্ৰসাদ, ভেমপুৰীয়া মৌজাদাৰ, চেনিচম্পা, আমাৰ কানীয়া সভাৰ এক অধিবেশন, ধৰ্মধ্বজ ফয়চলা নবিচ আদি।

অসমীয়া সমাজৰ গ্ৰাম্য পটভূমি বেজবৰুৱাৰ গল্পৰ আন এটা বৈশিষ্ট্য। বেজবৰুৱাৰ আধাতকৈও বেছি গল্পত অসমৰ গ্ৰাম্য জীৱনক অংকন কৰা হৈছে। খুব কম গল্পতহে মধ্য বিত্তীয় সমাজখনে ঠাই পাইছে। অসমৰ গ্ৰাম্য জীৱন মানেই হৈছে কৃষিৰ লগত জড়িত, প্ৰকৃতি নিৰ্ভৰশীল, সহজ-সৰলতা। গ্ৰাম্য জীৱনত জটিল চৰিত্ৰ পোৱা নাযায়। অসমীয়া গ্ৰাম্য জীৱনৰ সৰু সৰু চৰিত্ৰবোৰৰ সৰু সৰু জীৱনবোৰে প্ৰাণ পাই উঠিছে তেওঁৰ গল্পত। প্ৰকৃতিৰ চিত্ৰণ আছে। অসমৰ সাংস্কৃতিক সম্পদসমূহকো যথাযথভাৱে চিত্ৰত কৰিবলৈ চেষ্টা কৰা হৈছে। উদাহৰণ স্বৰূপে— মাধৈমালতী, জয়ন্তী, সেউতী, ঘৰ পতা ককা আদি।

গ্ৰাম্য জীৱনৰ স্বামী-স্ত্ৰীৰ সম্পৰ্ককলৈও দুটামান সাৰ্থক গল্প লেখিছে বেজবৰুৱাই। মানবীয় দৃষ্টিভংগী, সহানুভূতি আদিয়ে গল্পসমূহৰ প্ৰতেকটো চৰিত্ৰকে চুই গৈছে। উদাহৰণ স্বৰূপে এনে দুটামান গল্প হ'ল- পাটমুগী, জগৰা মঁগুলৰ প্ৰেমাভিনয়, ললিতী কাকতী আদি।

ৰোমান্তিক প্ৰেম বেজবৰুৱাৰ গল্পৰ বিষয়বস্তুৰ ক্ষেত্ৰত থকা আন এক বৈশিষ্ট্য। কোনো গল্পত যদি প্ৰেমৰ প্ৰতি সস্নেহ দৃষ্টি আছে, আন কোনোটোত আকৌ ব্যংগৰ মাধ্যমেৰে বিয়োগাত্মক দিশবোৰ অংকন কৰা হৈছে। উদাহৰণ স্বৰূপে--জগৰা মণ্ডলৰ প্ৰেমভিনয়, প্ৰথম দৰ্শনত উপজা প্ৰেম, আমাৰ সংসাৰ আদি।

অসমত হোৱা মানৰ আক্ৰমণৰ বিষয়েও বেজবৰুৱাৰ এটা গল্পত পোৱা যায়। 'সাধুকথাৰ কুকি' গল্পপুথিৰ অন্তৰ্গত 'জয়ন্তী' গল্পটোত ১৭৪২-১৭৪৭ চনৰ ভিতৰত হোৱা মানৰ আক্ৰমণৰ বিষয়ে পোৱা যায়।

আহোমসকলৰ শাসনৰ বিষয়েও বেজবৰুৱাৰ এটা গল্পত পোৱা যায়। গল্পটো হ'ল 'মালতী'।

বেজবৰুৱাৰ 'আৰ্জি' শীৰ্ষক গল্পটোত বৃটিছসকলৰ শাসনৰ বৰ্ণনা পোৱা যায়।

বেজবৰুৱাই পশ্চিমবংগৰ পটভূমিত কেইবাটাও গল্প লেখিছে। এই গল্পবোৰত কলিকতা, হাওৰা, মধুপুৰ, চম্বলপুৰ, চিতাগাঙ্গ আদিৰ চিত্ৰ আছে। পশ্চিম বংগৰ পটভূমিত ৰচনা কৰা গল্পকেইটাত বাংলা ভাষা ব্যৱহাৰ কৰাটো উল্লেখযোগ্য। উদাহৰণ স্বৰূপে-- লাওখোলা, ভুৰুকী বৌ, ডাক্তৰ বাবু, মাৰ্জাৰী, দচ্‌মন্তৰ, ভৈৰা, মিষ্টাৰ ফিপ্সন, আমালৈ নাপাহৰিব আদি।

বেজবৰুৱাৰ গল্পত চাহবাগানীয়া কোলমুণ্ডা সমাজখনেও প্ৰাণ পাই উঠিছে। ৰতনমুণ্ডা, কন্যা আদি এনে ধৰণৰ গল্প।

বেজবৰুৱাৰ গল্পত গভীৰ জাতীয়তাবোধৰ চিত্ৰও পোৱা যায়। অৱশ্যে এই জাতীয়তাবোধক উগ্ৰ বা চৰমপন্থাৰ বুলি অভিহিত কৰিব নোৱাৰি। সমসাময়িক অসমীয়া বা ভাৰতীয় সমাজখনৰ যি স্বাধীনতা সংগ্ৰামৰ চিত্ৰ সেই চিত্ৰৰ উগ্ৰ প্ৰতিফলন তেওঁৰ গল্পত পোৱা নাযায়। জাতীয়তাবোৰ বেজবৰুৱাৰ গল্পত নমনীয় ৰূপতহে দেখা যায়। স্বাধীনতা সংগ্ৰামৰ স্পষ্ট চিত্ৰণ অৱশ্যে তেওঁৰ গল্পত পোৱা নাযায়।

**১.৩ বেজবৰুৱাৰ গল্পৰ ভাৱ বৈচিত্ৰ -**

ক) বেজবৰুৱাৰ যি ৭০ টা গল্প আছে তাৰে বহুখিনি গল্পই

চৰিত্ৰসমূহৰ বাহ্যিক মানসিক অৱস্থাৰ বিশ্লেষণ। আভ্যন্তৰীণ মানসিক অৱস্থাৰ চিত্ৰণ দুটামান গল্পতহে আছে। অবশ্যে এটা গল্পত মানসিক দ্বৈত-সত্বাক তুলি ধৰাৰ সুন্দৰ চিত্ৰ আছে। গল্পটো হ'ল- 'মোৰ সৈতে মনাইৰ দন্দ'।

খ) সাধুকথাধৰ্মী কোমলতা বেজবৰুৱাৰ গল্পৰ ভাববস্তুৰ ক্ষেত্ৰত আন এটা উল্লেখযোগ্য বৈশিষ্ট। বেজবৰুৱাই কেইবাটাও গল্প সাধুকথা হিচাপেই ৰচনা কৰিছিল। উদাহৰণ স্বৰূপে-- জুৰমন ৰাইদঙীয়া (এবেগেতীয়া সাধু), জলকুঁৱৰী, মূলা-খোৱা বুঢ়া আদি।

গ) বেজবৰুৱাৰ গল্পত চৰিত্ৰসমূহৰ মানসিক বিশ্লেষণ সূক্ষ্মধৰ্মী নহয়। কিন্তু ঘটনা আৰু পৰিস্থিতিসমূহ স্পষ্টভাৱে তুলি ধৰিবলৈ চেষ্টা কৰিছে বুলি কব পাৰি।

ঘ) সহানুভূতিশীল, মানবীয় দৃষ্টিভংগী বেজবৰুৱাৰ গল্পৰ ভাৱবস্তুৰ ক্ষেত্ৰত থকা এটা উল্লেখনীয় দিশ।

ঙ) হাস্যৰস বেজবৰুৱাৰ গল্পৰ আন এক বিশেষত্ব।

## ২.০ গল্পকাৰ ৰবীন্দ্ৰনাথ ঠাকুৰ -

১.০ ৰবীন্দ্ৰনাথৰ জন্ম ১৮৬১ চনত। তেওঁ কেৱল গল্পকাৰেই নহয়, এগৰাকী সফল কবি, নাট্যকাৰ,উপন্যাসিক, প্ৰবন্ধ ৰচয়িতা আৰু এজন চিন্তাশীল কথাশিল্পী। ৰবীন্দ্ৰনাথৰ গল্পসমূহ 'গল্পগুচ্ছ' নামেৰে তিনিটা খণ্ডত (প্ৰথম, দ্বিতীয় আৰু তৃতীয়) প্ৰকাশিত হৈছে। ভাৰতীয় সাহিত্য যিহেতু মূলতঃ আলোচনীজীৱী গতিকে ৰবীন্দ্ৰনাথেও প্ৰথম গল্পকৰাৰ হিচাপে ভুমুকি মাৰে 'ভাৰতী' নামৰ আলোচনীৰ জৰিয়তে। ১৮৭৭ চনত 'ভাৰতী' আলোচনীত প্ৰকাশিত 'ভিক্ষাৰিনী' নামৰ গল্পটোৱেই ৰবীন্দ্ৰনাথৰ প্ৰথম চুটিগল্প। ৰবীন্দ্ৰনাথৰ সময় আধুনিক বাংলা সাহিত্যৰ নৱ-উন্মেষৰ সময়। কিন্তু হ'লেও ৰবীন্দ্ৰনাথে চুটিগল্প লেখিবলৈ অনুশীলন কৰা নাছিল, সফল আৰু পৈনত ভাৱেই গল্প ৰচনা কৰিছিল। ৰবীন্দ্ৰনাথৰ গল্পৰ তালিকা [৩] এনেধৰণৰ...

১) হিতবাদী পত্ৰিকাত প্ৰকাশিত-দেনা-পাওনা, পোষ্টমাষ্টাৰ, গিন্নি, ৰামকানাইয়েৰ নিৰ্বুদ্ধিতা, ব্যৱধান, তাৰাপ্ৰসন্নেৰ কীৰ্তি, খোকাবাবুৰ প্ৰত্যাবৰ্তন সম্পত্তি সমৰ্পন, দালিয়া, কঙ্কাল, মুক্তিৰ উপায়, ত্যাগ, একৰাত্ৰি, একটা আষাৰেৰ গল্প, জীৱিত ও মৃত স্বৰ্ণমৃগ, ৰীতিমত নভেল, জয়-পৰাজয়, কাবুলিওয়ালা, ছুটি, সুভা, মহামায়া, দান-প্ৰতিদান, সম্পাদক, মধ্যবৰ্তিনী, অসম্ভৱ কথা, শাস্তি, একটি ক্ষুদ্ৰ পুৰাতন। গল্প, সমাপ্তি, সমস্যাপুৰণ, খাটা, অনধিকাৰ প্ৰবেশ, মেঘ ও ৰৌদ্ৰ, প্ৰায়চিত্ত, বিচাৰক, নিশীথে, আপদ, দিদি, মানভঞ্জন ঠাকুৰ দা, প্ৰতিহিংসা, ক্ষুধিত পাষাণ অতিথি।

২) ভাৰতী পত্ৰিকাত প্ৰকাশিত-ভিখাৰিণী, কৰুণা, খাটেৰ কথা, দুৰাশা, পুত্ৰযজ্ঞ, ডিটেকটিভ, অধ্যাপক, ৰাজটিকা, মণিহাৰা, দৃষ্টিদান, উদ্ধাৰ, দুৰ্বুদ্ধি, ফেল, নষ্টনীড়, ৰাসমণিৰ ছেলে, পণৰক্ষা।

৩। সবুজপত্ৰ পত্ৰিকাত প্ৰকাশিত—হালদাৰ গোষ্ঠী, হৈমন্তী, বোষ্টমী, স্ত্ৰীৰ পত্ৰ, ভাইফোঁটা, শেষেৰ ৰাত্ৰি, অপৰিচিতা, তপস্বিনী, পয়লানম্বৰ, পাত্ৰ ও পাত্ৰী।

৪। নৱজীৱন পত্ৰিকাত প্ৰকাশিত... ৰাজপথৰে কথা।

৫। বালক পত্ৰিকাত প্ৰকাশিত... মুকুট।

৬। সখা ও সাথী পত্ৰিকাত প্ৰকাশিত... ইচ্ছাপূৰণ।

৭। প্ৰদীপ পত্ৰিকাত প্ৰকাশিত—সদৰ ও অন্দৰ, শুভবুদ্ধি।

৮। বঙ্গদৰ্শন পত্ৰিকাত প্ৰকাশিত— দৰ্পহৰণ, মাল্যদান।

৯। বঙ্গভাষা পত্ৰিকাত প্ৰকাশিত— গুপ্তধন।

১০। প্ৰবাসী পত্ৰিকাত প্ৰকাশিত—মাষ্টাৰমশাই, নামঞ্জুৰ গল্প, সংস্কাৰ, বলাই, চিত্ৰকৰ।

১১। শাৰদীয়া আনন্দবাজাৰ পত্ৰিকাত প্ৰকাশিত—ৰবিবাৰ, ল্যাবৰেটৰি, প্ৰগতি সংহাৰ।

১২। ছোটগল্প পত্ৰিকাত প্ৰকাশিত— চোৰাই ধন।

১৩। দেশ পত্ৰিকাত প্ৰকাশিত— ছোটোগল্প।

১৪। শনিবাৰেৰ চিঠি পত্ৰিকাত প্ৰকাশিত— শেষকথা।

১৫। বিশ্বভাৰতী পত্ৰিকাত প্ৰকাশিত... শেষ পুৰস্কাৰ।

১৬। ঋতুপত্ৰ পত্ৰিকাত প্ৰকাশিত.. মুসলমানীৰ গল্প।

## ২.২ ৰবীন্দ্ৰনাথৰ গল্পৰ বিষয়-বৈচিত্ৰ -

ৰোমান্টিক প্ৰেম ৰবীন্দ্ৰনাথৰ গল্পৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য। এই গল্পসমূহত প্ৰেম, সৌন্দৰ্য আৰু কল্পনাৰ সুন্দৰ সমন্বয় ঘটিছে। উদাহৰণ স্বৰূপে.. একৰাত্ৰি, দুৰাশা, শেষেৰ ৰাত্ৰি আদি।

সমাজ জীৱন আৰু পাৰিবাৰিক জীৱনৰ বাস্তৱ চিত্ৰ পোৱা যায় ৰবীন্দ্ৰনাথৰ গল্পত। দৈনন্দিন জীৱনৰ চিত্ৰ হ'লেও এইসমূহ সূক্ষ্ম পৰ্যবেক্ষণশেলীৰ বাবে উৎকৃষ্ট গল্প বুলি সমালোচকৰ দ্বাৰা স্বীকৃত হৈছে। উদাহৰণস্বৰূপে.. পোষ্টমাষ্টাৰ, কাবুলিওয়ালা, ৰাসমণিৰ ছেলে, ছুটি, দিদি, ঠাকুৰদা, নষ্টনীড় আদি।

কলিকতাৰ গ্ৰাম্য জীৱনৰ চিত্ৰ ৰবীন্দ্ৰনাথৰ গল্পৰ আন এক উল্লেখযোগ্য বৈশিষ্ট। এই গল্পসমূহত গ্ৰাম্য জীৱন, প্ৰকৃতি

গজত, পদ্মা নদী আদিয়ে অসাধাৰণভাৱে ভূমূকি মাৰিছে। উদাহৰণ স্বৰূপে.. দেনাপাওনা, পোষ্টমাষ্টাৰ, নির্বুদ্ধিতা, ব্যৱধান আদি।

বৃটিছ উপনিবেশিকতাবাদে আমদানি কৰা নগৰকেন্দ্রিক সভ্যতাৰ চিত্রও প্রতিফলিত হৈছে ৰবীন্দ্রনাথৰ গল্পত। উদাহৰণ স্বৰূপে ঃ ৰবিবাৰ, ল্যাবৰেটেৰি আদি।

বিশাল প্রকৃতিৰ চিত্রণ তথা মানুহৰ লগত প্রকৃতি নিবিড় আত্মীয়তাক লৈও ৰবীন্দ্রনাথে কেইবাটাও গল্প লেখিছে। উদাহৰণ স্বৰূপে-মেঘ ও ৰৌদ্র, অতিথি, আপদ আদি।

অশৰীৰি বিশ্বাস তথা ভৌতিক সংস্কাৰৰ ওপৰত প্রতিস্থিত ৰবীন্দ্রনাথৰ কেইবাটাও গল্প আছে। উদাহৰণ স্বৰূপে ঃ ক্ষুধিত পাষাণ, নিষীথে, মণিহাৰা আদি।

ৰবীন্দ্রনাথৰ গল্পৰ বিষয়-বৈচিত্র সম্পর্কে সমালোচকৰ মত এনেধৰণৰ—

বাংলা সমালোচক অৰুণকুমাৰ মুখোপাধ্যায়ৰ ভাষাত “বস্তুত ৰবীন্দ্র-গল্পজগতকে বলা যায় চৰিত্রশালা। তাঁৰ সহানুভূতিশীল পর্যবেক্ষণে আৰ মমত্ববোধজনিত পক্ষপাতে চৰিত্রগুলি হয়ে উঠেছে সজীৱ, তাৰা আমাদেৰ দৃষ্টিৰ সামনে এসে দাঁৰায়, আমৰা তাদের শ্বাস-প্রশ্বাসেৰ শব্দ পাই। কতোৰকমেৰ মানুষ কতোৰকমেৰ মানসিকতা, কতোৰকমেৰে সামাজিক স্তৰ, কতোৰকমেৰ বিষয়-বৈচিত্র”[৪]।

**২.৪ ৰবীন্দ্রনাথৰ গল্পৰ ভাৱবৈচিত্র -**

১) মানবতাবাদী দৃষ্টিভংগী।
২) সূক্ষ্ম পর্যবেক্ষণ।
৩) সহানুভূতিশীলতা।
৪) বাস্তববাদী দৃষ্টিভংগী।
৫) সজীৱ আৰু সপ্রতিভ উপস্থাপনশৈলী।

**৩.০ তুলনামূলক আলোচনা -**

ৰবীন্দ্রনাথ বাংলা চুটিগল্পৰ জনক আৰু লক্ষ্মীনাথ অসমীয়া চুটিগল্পৰ জনক। ৰবীন্দ্রনাথৰ চুটিগল্প প্রকাশ হৈছে ১৮৭৭ চন আৰু লক্ষ্মীনাথৰ প্রথম চুটিগল্প প্রকাশ হয় ১৮৯২ চনত। এইফালৰ পৰা তেওঁলোক দুয়োজনৰ সাহিত্যিক জীৱনত সময়ৰ ব্যৱধান বৰ বেছি নহয়। দুয়োগৰাকী শ্রেষ্ঠ কৃতবিদ্য আৰু নমস্য সাহিত্যিকৰ সাহিত্য সৃষ্টিৰ পটভূমিও একে।

৩.০১ পটভূমিৰ ফালৰ পৰা দুয়োজন সাহিত্যিকেই বৃটিছ আগমন আৰু ইংৰাজী সাহিত্যৰ প্রভাৱত সাহিত্য সৃষ্টি কৰিছে। ৰবীন্দ্রনাথ প্রভাৱিত হৈছে ইংৰাজী সাহিত্যৰ দ্বাৰা আৰু লক্ষ্মীনাথ প্রভাৱিত হৈছে ইংৰাজী আৰু বাংলা সাহিত্যৰ দ্বাৰা।

৩.০২ বিষয়বস্তুৰ ক্ষেত্রত বেজবৰুৱাৰ গল্পত মুলতঃ গ্রাম্য জীৱনৰ প্রকাশহে পোৱা যায়, কিন্তু ৰবীন্দ্রনাথৰ গল্পত গ্রাম্য আৰু নগৰ এই দুয়োটা জীৱনেই পোৱা যায়।

৩.০৩ স্বামী-স্ত্রীৰ সম্পর্ক লৈ বেজবৰুৱাই কেইবাটাও গল্প লেখিছে যদিও গল্পসমূহত সূক্ষ্ম পর্যবেক্ষণৰ অভাৱ। আনহাতে ৰবীন্দ্রনাথৰ একে বিষয়ৰ গল্পসমূহত সূক্ষ্মপর্যবেক্ষণ স্পষ্টভাৱে দেখা যায়।

৩.০৪ মানৱতাবাদী দৃষ্টিভংগী দুয়োজন গল্পকাৰৰ উল্লেখযোগ্য বৈশিষ্ট।

৩.০৫ সমসাময়িক স্বাধীনতা সংগ্রামৰ প্রতি দুয়োজন গল্পকাৰেই আছিল নীৰৱ। তেওঁলোকৰ গল্পত স্বাধীনতা সংগ্রামৰ উগ্র বিদ্রোহ নাই যদিও পৰাধীনতাৰ প্রতি ক্ষোভ আৰু ইংৰাজৰ অন্ধ অনুকৰণৰ প্রতিবাদ প্রকাশিত হোৱা দেখা যায়।

৩.০৬ প্রেম বা ৰোমাঞ্চক গভীৰ দৃষ্টিভংগীৰে চোৱাৰ প্রৱণতা দুয়োজন গল্পকাৰৰ গল্পতেই দেখা যায়।

৩.০৭ বেজবৰুৱাৰ গল্পসমূহ ভাৱ আৰু ভাষাশৈলীৰ ক্ষেত্রত সাধুকথাৰ ওচৰ চপা যদিও ইয়াৰ দ্বাৰাই তেওঁ সমাজজীৱন আৰু ব্যক্তিজীৱনৰ নানা দিশ প্রকাশ কৰিছে। কিন্তু ৰবীন্দ্রনাথৰ গল্পসমূহ ভাৱ আৰু ভাষাশৈলীৰ ফালৰ পৰা পৈণত শিল্পসুষমাৰে মহিমামণ্ডিত।

৩.০৮ দুয়োজন গল্পকাৰেই আলোচনীৰ চাহিদা পূৰাবলৈ লেখা-মেলা কৰিছিল।

৩.০৯ দুয়োজন গল্পকাৰেই সামাজিক উচ্চ-নীচ, জাতি-ভেদ আদি ৰক্ষনশীলতাৰ পৰা আঁতৰত। দুয়োজনেই উদাৰনৈতিক দৃষ্টিভংগীৰ।

৩.১০ বেজবৰুৱাৰ গল্পত যিদৰে অসমৰ জন-জীৱনৰ বিশাল ৰূপ অংকতি হৈছে, ঠিক একেদৰে ৰবীন্দ্রনাথৰ গল্পত বংগৰ জন-জীৱনৰ বিশাল ৰূপ অংকিত হৈছে।

৩.১১ নাৰীবাদী দৃষ্টিভংগী দুয়োজন গল্পকাৰেই উল্লেখযোগ্য বৈশিষ্ট্য। নাৰীক নতুন দৃষ্টিভংগীৰে চোৱাৰ প্রৱণতা স্পষ্টৰূপত দুয়োজন গল্পকাৰৰ গল্পত প্রকাশ পাইছে।

৩.১২ অভিজাত শ্রেণীৰ অন্তঃসাৰশূণ্যতা, ভেম আদিৰ প্রকাশ দুয়োজনৰেই গল্পত পোৱা যায়।

৩.১৩ দুয়োজনৰেই গল্পত সমাজৰ নিম্ন শ্রেণী-চৰিত্রৰ প্রতি

সহানুভূতিশীল অনুকম্পা দেখা যায়।

৩.১৪ বেজবৰুৱাই তীব্ৰ ব্যংগতাৰে সমাজ সংস্কাৰ কৰিব বিচাৰিছে, আনহাতে ৰবীন্দ্ৰনাথৰ গল্পত এনে ব্যংগৰ কোনো চিত্ৰ নাই।

৩.১৫ বংগীয় পৰিবেশত থকাৰ কাৰণে বেজবৰুৱাৰ গল্পত ৰবীন্দ্ৰনাথকে আদি কৰি বংগৰ লেখকসকলৰ প্ৰভাৱ দেখা যায়।

৩.১৬ দুয়োজন গল্পকাৰেই সমসাময়িক ৰোমান্তিকতাবাদ অথবা আবেগৰ আতিশয্যৰ বিপৰীতে সমাজ-বাস্তবতাকহে তুলি ধৰিছে তেওঁলোকৰ গল্পত।

৩.১৭ সমাজক আগুৱাই নিয়াৰ আশা আৰু দৃষ্টিভংগী আছে দুয়োজনৰ গল্পত।

৩.১৮ বঙালী সমাজৰ পটভূমিত বেজবৰুৱাৰ কেইবাটাও গল্প ৰচিত। যেনে, পুত্ৰবান পিতা, কাশীবাশী, লাওখোলা আদি।

৩.১৯ বেজবৰুৱাৰ গল্প মনৰ গভীৰ স্থলত প্ৰবেশ কৰি মানসিক বিশ্লেষণৰ চেষ্টা দেখা নাযায়। আনহাতে ৰবীন্দ্ৰনাথৰ গল্পত মানসিক বিশ্লেষণ সূক্ষ্মৰূপত পোৱা যায়।

৩.২০ বেজবৰুৱাৰ গল্পত ৰহস্য জগত, অতি প্ৰাকৃত-ভৌতিক আদি চৰিত্ৰ পোৱা নাযায়, কিন্তু ৰবীন্দ্ৰনাথৰ গল্পত এনেবোৰ চৰিত্ৰও পোৱা যায়।

এইদৰে আমি বেজবৰুৱাৰ আৰু ৰবীন্দ্ৰনাথৰ চুটিগল্পৰ এটি তুলনামূলক আলোচনা আগবঢ়াব পাৰো।

**পাদটীকা -**

১. বেজবৰুৱা গ্ৰন্থাৱলী, ১ ম খণ্ড, ১৯৬৮
২. বেজবৰুৱা গ্ৰন্থাৱলী, ১ ম খণ্ড, ১৯৬৮
৩. বন্দোপাধ্যায় ড° অমিত কুমাৰ, বাংলা সাহিত্যৰ পূৰ্ণ ইতিবৃত্ত, পুনৰ প্ৰকাশ, ২০১২, পৃ, -৪৪৯
৪. মুখোপাধ্যায় অৰুণকুমাৰ, ৰবীন্দ্ৰ পৰিক্ৰমা, প্ৰথম প্ৰকাশ, ২০০৬ পৃ-৪২

**গ্ৰন্থপঞ্জী, অসমীয়া**

১. বেজবৰুৱা গ্ৰন্থাৱলী, ১ ম খণ্ড, ১৯৬৮
২. শৰ্মা সত্যেন্দ্ৰনাথ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত নৱম সংস্কৰণ, ২০০৪
৩. বৰুৱা প্ৰহ্লাদ কুমাৰ অসমীয়া চুটিগল্পৰ অধ্যয়ন, প্ৰকাশক-বনলতা, গুৱাহাটী, তৃতীয় প্ৰকাশ, ২০০৮

**বাংলা-**

১. মুখোপাধ্যায় অৰুণ কুমাৰ ৰবীন্দ্ৰ পৰিক্ৰমা প্ৰথম প্ৰকাশ, ২০০৬
২. বন্দোপাধ্যায় অসিত কুমাৰবাংলা সাহিত্যেৰ পূৰ্ণ ইতিহাস, প্ৰকাশক-মডাৰ্ণ বুক এজেঞ্চী কলকাতা, ১০১২
৩. চট্টোপাধ্যায় হীৰেন (সম্পা) বংগীয় সাহিত্য সংসদ, দ্বিতীয় সংস্কৰণ, ২০০৪।



॥ প্রবন্ধ ॥

# রবীন্দ্রনাথের গদ্য-ছন্দ চিন্তা



**সোমা বোস**
সহকারী অধ্যাপিকা,
বাংলা বিভাগ

"মানবের জীর্নবাক্যে মোর ছন্দ দিবে নবসুর
অর্থের বন্ধন হতে নিয়ে ভারে যাবে কিছুদূর
ভাবের স্বাধীনলোকে।"

বিশ্বকবি রবীন্দ্রনাথের প্রতিভার স্পর্শে সঞ্জীবিত হয়েছে বাংলা ছন্দের জগৎ ও চিরনতুনের কবি রবীন্দ্রনাথ জীবনে ও মরনে, চিন্তনে ও কল্পনায় গদ্যে ও পদ্যে বারবার নিজেকে নটরাজের মতো ভেঙেছেন ও গড়েছেন নতুন সৃষ্টিতে ছন্দের জগতে ও তিনি নানা পরীক্ষা-নিরীক্ষার মাধ্যমে বৈচিত্র্য সৃষ্টি করেছেন। রবীন্দ্রনাথ জানতেন ¯ ছন্দ কেবল রূপনীতি নয়, তা রূপের পাত্রে অরূপের মধুপান এর মাধ্যম। রবীন্দ্র পূর্ববর্তী ছন্দ বিষয়ে যে জড়তা ছিল, তা রবীন্দ্রনাথের কলমে অনেকটা সাবলীল হয়েছে। তিনি মানুষের মুখের স্বাভাবিক উচ্চারণের উপরই বেশী গুরুত্ব প্রদান করেছিলেন। রবীন্দ্রনাথ তাই নিজেকে 'ছন্দবিলাসী কবি' নামে অভিহিত করেছেন।

রবীন্দ্রনাথ আবির্ভাবের বহু পূর্বে অষ্টাদশ শতাব্দীর অন্যতম করি ভারতচন্দ্র রায়ও ছন্দের নানা বৈচিত্র্যময় কারুকার্য দ্বারা তাঁর রচিত কাব্যকে সৌষ্ঠব দান করেছেন।

সমকালেরই বিখ্যাত শাক্ত সাধক ও পদকার রামপ্রসাদ সেনও তাঁর মন মাতানো সুরে বাংলা সাহিত্যের আকাশে নতুন নতুন দিগন্ত উন্মোচন করেন, আবার ইশ্বরচন্দ গুপ্তও মধ্যযুগের কাব্য পয়ার ত্রিপদী ছন্দোবন্ধের মুক্তি ঘটিয়েছেন।

বাংলা সাহিত্যে ছন্দের যাদুকর বলতে সত্যেন্দ্রনাথকে বোঝালেও এর প্রাণ প্রাচুর্য কিন্তু রবীন্দ্রকাব্যেই প্রস্ফূটিত হয়েছে। তাই কবি সমালোচক মোহিতলাল মজুমদার বলেছেন - বাঙালির ছন্দবোধ জন্মিয়াছে রবীন্দ্রযুগে।

বাংলা ছন্দে রবীন্দ্রনাথের সর্বাপেক্ষা উল্লেখযোগ্য অবদান হল গদ্য কবিতার ছন্দ, কিন্তু ঐতিহাসিক দিক দিয়ে সত্য না হলেও বলা যেতে পারে বাংলা গদ্য সাহিত্যে তিনিই সার্থক গদ্য কবিতার প্রতিষ্ঠাতা। রবীন্দ্রনাথ 'গদ্যকবিতা' তথা 'গদ্যছন্দের' একটি সুন্দর নাম দিয়েছিলেন 'গদ্যিকা'। আবার কখন 'ভাবছন্দ' বলে ব্যাখ্যা করেছেন। রবীন্দ্রনাথই গদ্য কবিতাকে কবিতার রাজসভায় ঠাঁই করে দিয়েছেন।

রবীন্দ্রনাথ গীতাঞ্জলির ইংরেজি অনুবাদ করতে গিয়েই বাংলায় সেইরকম গদ্য কবিতা রচনার প্রেরণা পেয়েছিলেন 'লিপিকা', 'পুনশ্চ', 'শেষসপ্তক' প্রভৃতিতে এর সার্থক প্রয়োগ দেখা যায়। প্রবহমান ও মুক্তক পয়ার ছন্দে যে বন্ধনমুক্তির পরিচয় পাওয়া যায়, তা হল শুধু যতি মিল ও পংক্তি সীমার বন্ধন থেকে মুক্তি, নির্দিষ্ট সংখ্যক মাত্রা-বিন্যাসের রীতি থেকে মুক্তি নয়। মাত্রা-বিন্যাসের ফলে যে ধ্বনি স্পন্দন সৃষ্টি হয় তাকে বজায় রেখে মাত্রা-বিন্যাসের বন্ধনকে এড়িয়ে যে স্পন্দমান গদ্যরীতির উদ্ভব হয় তাতে গদ্য কবিতার সৃষ্টি হয়। গদ্য কবিতার ছন্দ থাকে না, কিন্তু ছন্দের ভঙ্গিটুকু থাকে।

রবীন্দ্রনাথের 'পুনশ্চে'র গদ্য কবিতাগুলি রচনার সময় মুক্তকের মতোই ভাবানুযায়ী ছোট-বড় পংক্তিবিন্যাসে বাক পর্বগুলিকে সাজিয়েছেন ছন্দ থেকে ভাবমুক্তির যে যাত্রারম্ভ আরম্ভ হয়েছে মধুসূদনের 'অমিত্রাক্ষর' থেকে তা পরিসমাপ্তি লাভ করে রবীন্দ্রনাথের গেদ্য কবিতায় এসে।

আজ এই বাদলার দিন;
এ মেঘদুতের দিন নয়,
এ দিন অচলতায় বাঁধা,
মেঘ চলছে না চলছে না হাওয়া,
টিপি টিপি বৃষ্টি
ঘোমটার মতো পড়ে আছে
দিনের মুখের উপর
সময়ে যেন স্রোত নেই
চারিদিকে অবারিত আকাশ
অচঞ্চল অবসর।

(পুনশ্চ ঃ বিচ্ছেদ)

গতিও যতির আবর্তন জনিত একটি সুন্দর অনুভূতি এখানে সহজভাবে প্রকাশ পেয়েছে; ভাব এখানে প্রধান, ছন্দ তার অনুবর্তী।

গদ্যকবিতার ভাবানুযায়ী পদক্ষেপ ও স্পন্দিত গতিভঙ্গি রবীন্দ্রনাথের একটি কাব্যাংশে সুন্দর বাবে অনুভব হয়।

"আমি ব্রাত্য আমি মন্ত্রহীন
দেবতার বন্দীশালায়
আমার নৈবেদ্য পৌঁছল না,
আজ আপন মনে ভাবে,
কে আমার দেবতা
কার করেছি পূজা।"

(ওরা অন্ত্যজ ওরা মন্ত্রবর্জিত)

শুধু পদ্যভাষা নয় সাধারণ গদ্যভাষা থেকে ও এই গদ্য কবিতার ভাষার প্রকৃতি পৃথক। তাই রবীন্দ্রনাথ বলেছেন "গদ্য ছন্দের গোড়ার কথা হচ্ছে, ছন্দকে ভাবের বাহন করতে হবে। কবিতার ভাব এবং ছন্দের মধ্যে একটা সম্বন্ধ ঘটে। কিন্তু গদ্য কবিতায় সে রকম হবার উপায় নেই।"

গদ্য ও পদ্যের চাল নিয়েও রবীন্দ্রনাথ সুন্দরভাবে ব্যাখ্যা করেছেন, ১৯৩২ সালে শৈলেন্দ্রনাথ ঘোষের লিখিত একটি পত্রে এ সম্পর্কে বলেছেন —

"গদ্যের চালটা পথে চলার চাল, পদ্যের চাল নাচের, তাই নাচের গতির প্রত্যেক অংশের মধ্যে সুসংগতি থাকা চাই; সেটার অভাব ঘটলে তাকে বলা যেতে পারে মাতালের চাল, তাতে সুবিধাও নেই। সৌন্দর্য নেই।"

'বাক্যাং রসাত্মাকং কাব্যম্' অর্থাৎ কাব্য হচ্ছে সেই বাক্য 'রস' যার আত্মা — একথা সকলের জানা, গদ্য কবিতার সার্থকতা ও তার রসের সৃষ্টিতে, রবীন্দ্রনাথ এই কথার সুন্দরভাবে ব্যাখ্যা করেছেন —

"কথা যখন খাড়া দাঁড়িয়ে থাকে তখন সে কেবলমাত্র আপন অর্থটুকু নিবেদন করে, যখন তাকে ছন্দের আঘাতে নাড়া দেওয়া যায় তখন তার কাছ থেকে অর্থের বেশি আরো কিছু বেরিয়ে পড়ে, সেটা জানার জিনিষ নয়, বেদনার জিনিষ, সেটাতে পদার্থেরে পরিচয় নয়, রসের সম্ভোগ,"

সুতরা ছন্দোবন্ধের যতই পরিবর্তন হোক না কেন রসের পরিবর্তন ঘটাতে পারবে না, কারণ তার লক্ষ্য থাকে কাব্যকে শ্রুতিমধুর করে তোলা এবং সহজে পাঠকের হৃদয়ে তা সঞ্চার করে দেওয়া, রবীন্দ্রনাথও এই রসের আবেদনের দিকটি যথাযথ রেখেই ছন্দে নানা বৈচিত্র্য সৃষ্টি করেছেন, তাঁর 'গদ্যছন্দ'ও তারই সার্থক ফসল।

**সহায়ক গ্রন্থাবলী ঃ-**

খান লায়েক আলি ঃ ছন্দ প্রবাহ
গুপ্ত অতুল চন্দ ঃ কাব্য জিজ্ঞাসা
সেন নীলরতন ঃ অধুনিক বাংলা ছন্দ
সেন প্রবোধ চন্দ ঃ বাংলা ছন্দ শিল্প ও ছন্দ চিন্তার অগ্রগতি।

■

॥ প্ৰবন্ধ ॥

# ৰক্তদান মহাদান

**প্ৰিয়ংকা ব্ৰহ্ম**
একাদশ শ্ৰেণী

আৰহমান কালৰ পৰাই সামাজিক অধিকাৰ আৰু কৰ্তব্যৰ আহ্বান হৈছে -- মৈত্ৰী, সহযোগিতা আৰু পৰ-হিত অথবা মানৱ-কল্যাণ। সাম্প্ৰতিক কালত তাৰেই এক বাস্তৱ নিদৰ্শন হ'ল - ৰক্তদান। সমাজত মানৱৰ হিত কিম্বা জনসেৱাৰ যিমানবোৰ দৃষ্টান্ত আছে, তাৰ ভিতৰত ৰক্তদানেই শ্ৰেষ্ঠ জনসেৱা বুলি নিশ্চয় দাবী কৰিব পাৰি।

এটা মানৱ দেহৰ পৰা আন এটা মানৱ দেহলৈ ৰক্ত সঞ্চালনৰ প্ৰয়োজন আৰু পদ্ধতি বহু আগৰ পৰাই চিকিৎসা বিজ্ঞানত অনুভূত হৈছিল। এই বিষয়ে ক্ৰমান্বয়ে অনুশীলন আৰু পৰীক্ষা-নিৰীক্ষাৰ পিছত চিকিৎসা বিজ্ঞানীসৰে কেইটামান স্থিৰ সিদ্ধান্তত উপনীত হৈছে আৰু প্ৰয়োগ পদ্ধতিও আৱিস্কাৰ কৰিছে। সিদ্ধান্তসমূহ হ'ল ঃ মানৱ দেহৰ ৰক্ত অন্য মানৱ দেহৰ ৰক্তলৈ সঞ্চাৰিত কৰিব নোৱাৰি। অৰ্থাৎ প্ৰথমতে তেজৰ 'গ্ৰুপ' মিলাই ল'ব লাগে। ভিয়েনাৰ প্ৰখ্যাত চিকিৎসক লেন্ত স্টিনাৰে গৱেষণা কৰি ঘোষণা কৰিছে যে মানুহৰ তেজ চাৰিটা গ্ৰুপত ভাগ কৰা যায় - A, B, AB আৰু O। চিকিৎসাধীন ব্যক্তিৰ তেজ যিটো গ্ৰুপৰ হয়, কেৱল সেই গ্ৰুপৰ সুস্থ মানুহৰ তেজহে ৰোগীৰ শৰীৰলৈ সঞ্চাৰিত কৰা প্ৰয়োজন। ভিন্ন গ্ৰুপৰ তেজ সঞ্চাৰিত কৰিলে ফল বিষময় হ'ব পাৰে। অৱশ্যে ৰক্তদানৰ আগতে 'Rh' গ্ৰুপো পৰীক্ষা কৰি লোৱা হয়। এজন মানুহে ৰক্তদান কৰা মানে আন এজনৰ প্ৰাণ ৰক্ষা কৰা। উপযুক্ত বয়সত কোনো সুস্থ ব্যক্তিৰ শৰীৰৰ পৰা এবাৰত 250 C.C. ৰক্ত উলিয়ালে শৰীৰৰ কোনো ক্ষতি নহয়। সেইখিনি সাধাৰণতে সাত দিনৰ ভিতৰতে পূৰ হয়। এই ৰক্ত সংৰক্ষণৰ নিৰ্দ্দিষ্ট ব্যৱস্থাও আছে। তাপমাত্ৰা আৰু অন্যান্য পৰিপাৰ্শ্বিকতা ভেদে সাধাৰণতে ১৯ দিনৰ পৰা তিনি মাহলৈ ৰক্ত ব্যৱহাৰ যোগ্য হৈ থাকে।

সমাজৰ মানুহে যাতে ৰক্তদান কৰিবলৈ অনুপ্ৰাণিত হয়, তাৰ বাবে চৰকাৰী ভাৱে ঠায়ে ঠায়ে বিজ্ঞাপন, আলোচনাচক্ৰ, আনকি 'স্লাইড'- প্ৰদৰ্শন আদিৰো ব্যৱস্থা কৰা হয়। তদুপৰি ৰক্তদানকাৰীক সামান্য অৰ্থ প্ৰদানৰ ব্যৱস্থাও আছে।

ক্ষুধাৰ্তক অন্নদান, তৃষ্ণাৰ্তক জলদান পৰম ধৰ্ম বুলি যদি আমি বিশ্বাস কৰোঁ তেনেহ'লে মুমূৰ্ষক প্ৰাণদান কৰাটো আটাইতকৈ ডাঙৰ ধৰ্ম বুলি মানিবই লাগিব। ইয়াৰ উপৰিও সমাজতত্ত্বৰ ফালৰ পৰা বিচাৰ কৰিলেও বুজিব পৰা যায় যে আজি যিজনে ৰক্তদান কৰিছে, ভৱিষ্যতে হয়তো তেৱেঁই এদিন অইন এজনৰ ৰক্ত ল'বলগীয়া হ'ব পাৰে।

*(বিভিন্ন পাঠ্যপুথিৰ সহায়লৈ)*

■

# ৰেগিং

**প্ৰভাত পাতৰ**
স্নাতক, প্ৰথম ষান্মাসিক

বৰ্তমান সময়ছোৱাত শৈক্ষিক সমাজত দেখা দিয়া এক সামাজিক আৰু ভয়াবহ ব্যাধি হৈছে ৰেগিং। মহাবিদ্যালয় অথবা শৈক্ষিক অনুষ্ঠানসমূহত ৰেগিং হ'ল এনে এক পদ্ধতি য'ত জ্যেষ্ঠ আৰু নৱাগত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ইয়াৰ জৰিয়তে পৰস্পৰে পৰিচিত হোৱাৰ পৰিৱেশ গঢ়ি উঠে। কিন্তু বৰ্তমান শৈক্ষিক সমাজত এই পদ্ধতিৰ বিকৃতি ঘটি ই অতি ভয়াবহ ৰূপ ল'বলৈ ধৰিছে। বহুতে এই সামাজিক ব্যাধিক এক ভয়ানক ৰোগ বুলিও কয়। এই ৰোগবিধৰ ফলত বৰ্তমান শৈক্ষিক পৰিৱেশটো প্ৰদূষিত হ'ব ধৰিছে। প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ মনত উচ্চ শিক্ষা লাভৰ মানসেৰে হাইস্কুলৰ দেওনা পাৰ হৈ কলেজ বা মহাবিদ্যালয়ত নামভৰ্তি কৰি নিজৰ সপোনক বাস্তৱিত কৰাৰ যি আশা-আকাংশা তাক অতি কম সময়ৰ ভিতৰতে ভাঙি চুৰমাৰ কৰে ৰেগিং নামৰ এই ৰোগবিধে। এখন সুস্থ শৈক্ষিক সমাজৰ বিপৰীতে এখন ভয়ানক আৰু প্ৰদূষিত শৈক্ষিক সমাজত পৰিণত কৰিব পাৰে ৰেগিঙৰ এই ৰোগবিধে। ৰেগিঙৰ ইতিবাচক প্ৰভাৱৰ বিপৰীতে থকা নেতিবাচক প্ৰভাৱ শৈক্ষিক সমাজত অধিক হোৱা বাবে ৰেগিং নামৰ এই ৰোগবিধ সামাজিক ব্যাধিৰূপে স্বীকৃত হৈছে। কলেজ বা মহাবিদ্যালয়ত ৰেগিঙৰ প্ৰকৃত উদ্দেশ্যটোক সুপথে পৰিচালিত কৰালে শৈক্ষিক সমাজত কোনো ধৰণৰ ব্যাধিৰ সৃষ্টি নহয়। কিন্তু তাৰ বিপৰীতে যদি ৰেগিঙৰ প্ৰকৃত উদ্দেশ্যটোক বিকৃত কৰে, তেতিয়াহে ই ভয়ানক ৰূপ অথবা ব্যাধিৰ সৃষ্টি কৰিব পাৰে। বৰ্তমান ৰেগিঙৰ প্ৰকৃত উদ্দেশ্যটোক কিছুমান ঠেক মনোবৃত্তিৰ যুৱক-যুৱতিয়ে বিপথে পৰিচালিত কৰি ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ ৰঙীণ সপোনবোৰক ধূলিসাৎ কৰি মোহাৰি পেলাবলৈ অলপো কুণ্ঠাবোধ নকৰা পৰিলক্ষিত হৈছে। গতিকে ৰেগিঙে বৰ্তমান শৈক্ষিক সমাজত এক বিপৰ্য্যয়ৰ ৰূপ ল'ব ধৰিছে। ৰেগিঙৰ দৰে ভয়ানক ৰোগৰ ৰোষত পৰি বহুতো ছাত্ৰ-ছাত্ৰীয়ে হেৰুৱাব লগা হৈছে নিজৰ জীৱন, বহুতো ছাত্ৰ-ছাত্ৰী আবদ্ধ হ'ব লগা হৈছে মানসিক ৰোগত, বহুতে সমাপ্ত কৰিব লগা হৈছে শিক্ষা জীৱনৰ পাতনি আৰু বহুতো অভিভাৱকে হেৰুৱাব লগা হৈছে নিজৰ পুত্ৰ নাইবা কন্যাক। উচ্চ শিক্ষাৰ সপোন পূৰণৰ আশা মনত বান্ধি শিক্ষা গ্ৰহণ কৰিবলৈ অহা বহুতো ছাত্ৰ-ছাত্ৰীয়ে সন্মুখীন হ'ব লগা হৈছে ৰেগিঙৰ দৰে ভয়ানক ৰোগৰ। পিতৃ-মাতৃৰ সপোন পূৰণৰ আশা বুকুত বান্ধি উচ্চ শিক্ষা লাভৰ বাবে অহা বহুতো মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰীয়ে আত্মহত্যাৰ দৰে পথো অৱলম্বন কৰি নিজৰ জীৱন বিসৰ্জন দিয়াৰ দৃষ্টান্ত বৰ্তমান শৈক্ষিক সমাজত বিৰাজমান। গতিকে ৰেগিং কেৱল যে শৈক্ষিক সমাজৰ বাবেই ক্ষতিকাৰক এনে নহয়, ই উঠি অহা নৱ প্ৰজন্মৰ প্ৰতিও অভিশাপস্বৰূপ। গতিকে, এখন সুস্থ শৈক্ষিক সমাজৰ বাবে ৰেগিং যে এক সম্পূৰ্ণ ক্ষতিকাৰক সামাজিক ব্যাধি তাত কোনো সন্দেহ নাই। ৰেগিঙৰ দৰে ভয়ানক ৰোগ যদি শৈক্ষিক সমাজত চলি থাকে, তেন্তে শৈক্ষিক সমাজখন এদিন গৈ অতি ভয়ানক পৰিস্থিতিৰ সন্মুখীন হ'ব।

সেয়েহে, সময় থাকোঁতেই আমি এই সম্পৰ্কত সকলো সজাগ হোৱাটো উচিত। ৰেগিঙৰ দৰে সামাজিক ব্যাধিক সমাজৰ পৰা নিৰ্মূল কৰি এখন সুস্থ-সবল, শান্তিপূৰ্ণ সমাজ গঢ়ি তুলিবলৈ সকলোৰে আগবাঢ়ি আহিলে নিশ্চয় আশানুৰূপ ফল লাভ কৰিব পৰা যাব। ■

॥ প্ৰবন্ধ ॥

# মণিপুৰী ইমাসকল

**মানসী বৰদলৈ**
উচ্চতৰ মাধ্যমিক, প্ৰথম বাৰ্ষিক

উত্তৰ-পূৰ্বৰ সাতভনীৰ ভিতৰত মণিপুৰখনো এখন অতিকে সংস্কৃতিবান প্ৰাকৃতিক সম্পদৰাজিৰে সমৃদ্ধ ৰাজ্য। মণিপুৰৰ এক শক্তিশালী সম্পদ হ'লগৈ ৰাজ্যখনৰ মহিলাসকল। মণিপুৰী মহিলাসকল UNICEF ৰ প্ৰতিবেদন অনুসাৰ প্ৰকৃত সৰল মহিলা। এনে মহিলা সমগ্ৰ পৃথিৱীতে বিচাৰি পাবলৈ কঠিন, তেওঁলোক অতুলনীয়। সঁচাকৈয়ে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এয়া এক গৌৰৱৰ বিষয়। পৃথিৱীজুৰী সংঘটিত নাৰী পুৰুষৰ সম অধিকাৰৰ যুঁজত মণিপুৰী মহিলা ভাৰতৰ সকলো জাতিতকৈ এখোজ আগবঢ়া। পুৰুষৰ অত্যাধিক সুৰা আসক্তিক লৈ মণিপুৰত ১৯৭০ চনতে সংগঠিত হোৱা মহিলাৰ ঐতিহাসিক NIGHT PATROLLERS MOVEMENT আজিও অব্যাহত।

স্বাধীনতাৰ বাবে যুঁজ দি অহা মণিপুৰী মহিলাৰ এক দীঘলীয়া ৰণ-ইতিহাস আছে। নুপিলান অৰ্থাৎ মণিপুৰী মহিলাৰ যুঁজ। ১৯৩৯ চনত আৰম্ভ হোৱা এই নুপিলানে মহাৰজা আৰু তেওঁৰ বৃত্ৰিছ এজেন্টৰ বিৰুদ্ধে যুঁজ দিছিল। শাসনাধীন চৰকাৰৰ অৰ্থনৈতিক পলিচিৰ বিৰুদ্ধে এই বিদ্ৰোহ আৰম্ভ কৰা হৈছিল। মণিপুৰী মহিলাই মণিপুৰৰ বজাৰ নিয়ন্ত্ৰণ কৰা হেতু তেওঁলোকে প্ৰতিবাদী কাৰ্য্যসূচী লৈ শোভাযাত্ৰা কৰি আহি ৰাজ্যিক দৰবাৰ ঘেৰাও কৰে। এই বজাৰ এতিয়াও মণিপুৰী মহিলাই চলাই আছে। সমগ্ৰ দক্ষিণ এচিয়াৰ ভিতৰতেই বৃহৎ মহিলাৰ দ্বাৰা পৰিচালিত ইমা বজাৰ। ৰাতিপুৱা সাত বজাৰ পৰা সন্ধ্যা সাত বজালৈ প্ৰায় তিনি হাজাৰ পয়ত্ৰিশৰ পৰা পঞ্চল্লিশ বছৰীয়া মণিপুৰী মহিলাই অবিৰত ভাবে বজাৰখন চলাই আহিছে।

২০০৪ চনৰ ১৫ জুলাই তাৰিখে মণিপুৰৰ মহিলাই মণিপুৰৰ পৰা আৰ্মড ফোৰ্চ প্ৰত্যাহাৰৰ দাবীত আসাম ৰাইফলচৰ মুখ্য কাৰ্য্যালয়ৰ সন্মুখত বিবস্ত্ৰ হৈ এক অভিনৱ, স্পৰ্শকাতৰ প্ৰতিবাদ সাব্যস্ত কৰিছিল, যি প্ৰতিবাদে সমগ্ৰ পৃথিৱীতে খলকনি তুলিছিল। সমাজত ড্ৰাগচ আৰু এইড্চৰ দৰে গভীৰ সমস্যাৰ নিৰ্মূলকৰণৰ বাবে আৰু লগতে নানা ধৰণৰ সামাজিক সমস্যা, যেনে - মদ, অসৎ আচৰণ আদিৰ বিৰুদ্ধে মাত মতা দুটা মহিলা সংগঠন হ'ল মৈৰা পেইবী আৰু নুপিমাৰুপ। মৈৰাপেইবী সকলে মণিপুৰত ৰাতি অতন্দ্ৰ প্ৰহৰীৰ কাম কৰে। অকল সেয়াই নহয়, ৰাতি কোনো অঞ্চলত সোমালে এই প্ৰহৰী দলৰ মুখামুখি হ'বই লাগিব। যিকোনো অসামাজিক কামৰ ক্ষেত্ৰত তেওঁলোকে প্ৰৱলভাৱে বাধা দিয়ে। প্ৰয়োজনত তেওঁলোকে জৰিমনা লয়, মাৰপিটো কৰে। সকলো নাৰীয়ে মণিপুৰী মহিলাৰ পৰা বহুকথা শিকিবলগীয়া বহু আছে। সামাজিক ক্ষেত্ৰত মহিলাৰ এনে সক্ৰিয় ভূমিকাই সমাজ আৰু শিশু সকলৰ বাবে অধিক সুস্থ বাতাবৰণ সৃষ্টি কৰিবলৈ সক্ষম হৈছে।

তেওঁলোকে প্ৰমাণ কৰিছে যে আত্ম বিশ্বাসেৰে ভৰপুৰ হৈ উঠাৰ বাবে শিক্ষাৰ অভাৱ অথবা অৰ্থনৈতিক দূৰৱস্থা কেতিয়াও অন্তৰায় হ'ব নোৱাৰে।

মণিপুৰী মহিলা অন্যান্য বিষয়বোৰটো আগৰণুৱা। আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত কুৰাণী, চানমাচা গনু, এম. চি. মেৰিকম, চি. এইচ. ৰামেশ্বৰীয়ে ভাৰতলৈ সুখ্যাতি কঢ়িয়াই আনিছে। এম. চি. মেৰিকম অলিম্পিকত ভাৰতৰ প্ৰথমগৰাকী বক্সিং খেলৰ পদক বিজয়িনী। ৰাষ্ট্ৰীয় পৰ্যায়ৰ ফুটবলত মণিপুৰৰ মহিলা দল আঠবাৰকৈ চেম্পিয়ন হয়। সংস্কৃতিৰ জগততো মণিপুৰী নৃত্যক তেওঁলোকে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ নিব পাৰিছে। সু-লেখিকা বিনোদিনী দেৱীয়েও সাহিত্য জগত খনলৈ বহুতো অৱদান দিছে।

মোৰ এই চুটি প্ৰৱন্ধৰ শেষত মই ইৰম শৰ্মিলালৈ একাঁজলি শ্ৰদ্ধা জ্ঞাপন কৰিছো। আৰ্মড ফোৰ্চ এক্ট প্ৰত্যাহাৰৰ দাবীত আজি কেইবা বছৰ ধৰি তেখেতে অনশন কৰি আহিছে। সঁচাকৈয়ে ধন্য এই ভাৰতবৰ্ষ। কাৰণ এই পূণ্য ভূমিতেই উক্ত তেজস্বিনী, দুঃসাহসী, সৰল, দক্ষ আৰু দেশপ্ৰেমী মহিলা সকলে জন্ম লাভ কৰিছে। প্ৰকৃত অৰ্থতেই তেওঁলোক সঁচা মাতৃ। তেওঁলোকৰ আদৰ্শ সমগ্ৰ পৃথিৱীৰ মহিলাই গ্ৰহণ কৰিলে অকল নাৰী সম্পকীয় সমস্যাই নহয়, সমাজৰ সকলো স্তৰৰ মানুহৰে সমস্যা সমূহ সমাধানৰ পথ নিশ্চয় ওলাব।

■



# অনুভৱৰ পৃষ্ঠাবোৰৰ পৰা

**বিষ্ণু ডেকা**
প্ৰাক্তন ছাত্ৰ, অসমীয়া বিভাগ

ট্ৰেইনখন লাহে লাহে ষ্টেচনৰ পৰা আতৰি গ'ল। জাগীৰোডৰ পৰা গুৱাহাটীৰ দিশে; ট্ৰেইনখনে ষ্টেচনবোৰ এটা এটাকৈ এৰি গৈছিল ..........।

আজি ইউনিভাৰ্চিটিৰ ফৰ্ম ফিল আপৰ অন্তিম দিন! পঢ়াশুনাৰ যেন শেষ নাই অ, আ, ক, খ, শিকাৰ পৰা আৰম্ভ কৰি মৃত্যুৰ সময়ত ঔষধৰ বটলটিৰ ফালে চাই ঔষধৰ নামটি পঢ়ি চোৱালৈকে।

প্ৰথম শ্ৰেণীত টিনৰ বাকচ, বাঁহ কাঠৰ স্কেল, হাতত এডোখৰি সৰু বস্তা বহিবৰ বাবে লৈ যোৱাৰ কথা এতিয়াও মনত পৰে। দুপৰীয়াৰ লেইজাৰ টাইমত খেজুৰ গছ, জামু গছ, আম গছ কেইজোপাৰ আৰু আমাৰ পৰা ৰক্ষা নাই। চাৰি পাঁচজন একেলগে গছত উঠি গৈছিলো।

দ্বিতীয় শ্ৰেণীত প্ৰথম চাইকেল চলাবলৈ শিকোতে আঠুৰ ছাল যোৱা মুহূৰ্তবোৰ মনত পৰিলে গা জিকাৰ খাই উঠে। তৃতীয় শ্ৰেণীত থাকোতে মোৰ মূৰ ফাটিছিল। বন্ধু কেইজনমানে আম গছলৈ দলিওৱা আৰু ফৰ্মূতি আহি মূৰত লগাত সাতোটা চিলাই ল'ব লগা হৈছিল। বিদায় সভা প্ৰাথমিক বিদ্যালয়ৰেই নহয় এদিন হাইস্কুলৰো হ'ল। স্কুল এৰিবৰ দিনা বহুতৰে চকু সেমেকিছিল। সময়বোৰ পাৰ হৈ যায়, আশাবোৰে ন সাজ পিন্ধে, দিনবোৰে সপ্তাহৰ, সপ্তাহে মাহ আৰু এদিন বছৰৰ বুকুত লয় পায়।

বহু বন্ধুৱে আধাতে শিক্ষা জীৱনৰ যৱনিকা পেলালে, বহুজনে ব্যৱসায়ত মন দিলে, বহুজনে অসৎ সংগত পৰি মদ, ভাং, চিগাৰেটৰ দোকানবোৰহে চিনি পোৱা হ'ল।

কম সময়তে ধনী হ'ব খোজা বহুতো বন্ধুৱে এদিন মুখ থেকেচা খাব লগা হ'ল। এচাম শিক্ষাৰ্জনত ব্ৰতী হৈ ৰ'ল যেনিবা। দিনবোৰ কাৰো বাবে ৰৈ নাথাকিল, — উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ জাগীৰোড মহাবিদ্যালয়তে স্নাতক প্ৰথম বৰ্ষৰ কলা শাখাত নাম ভৰ্ত্তি কৰিছিলো। অসমীয়া বিষয়কে প্ৰধান হিচাপে লৈ শিক্ষাৰম্ভ কৰিছিলো।

জাগীৰোড মহাবিদ্যালয়ৰ আশ্ৰম যেন লগা পৰিৱেশে প্ৰতিজন ছাত্ৰ ছাত্ৰীকে প্ৰেৰণা আৰু উদ্‌গনি যোগায়। চিৰসেউজীয়া গছ-গছনি, আৱাস গৃহ, পুথিভড়াল, শ্ৰেণীকোঠা আদিয়ে স্বাভাৱিকতে মনত শিক্ষাৰ প্ৰতি একোটা অনুৰাগ গঢ়ি তোলে, মইয়ো তাৰ ব্যতিক্ৰম নিশ্চয় নাছিলো। ড° ৰাজু বৰুৱা বাইদেউ, অদিতি দাস বৰুৱা বাইদেউ, হাবিবুৰ ৰহমান, পংকজ শ্যাম ছাৰ আৰু বৰ্ণা শৰ্মা বাইদেউৰ মৰম স্নেহ আৰু পাঠদানৰ বিশিষ্টতাৰ বাবে স্নাতক পৰ্যায়ত প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হব পাৰিলো।

"আজিকালি বিশ্বায়নৰ যুগ, গোটেই পৃথিৱীখন এখন সৰু গাঁৱলৈ পৰিণত হ'ব ধৰিছে। গতানুগতিক শিক্ষাৰ সমান্তৰাল ভাবে ছাত্ৰ-ছাত্ৰীয়ে কম্পিউটাৰ শিক্ষা, সাধাৰণ জ্ঞান, প্ৰতিযোগীতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'ব পৰাকৈ প্ৰস্তুতি চলাব লাগে, জীৱন পথত আগুৱাই যোৱাৰ লগে লগে ডাঙৰক সন্মান জনোৱা, মূল্যবোধৰ শিক্ষা আৰু নীতি শিক্ষাৰে নিজৰ মনক পৰিপুষ্ট কৰি তোলাত গুৰুত্ব দিব লাগে।" —

এনেধৰণৰ কথাবোৰে সঁচাকৈ বহুতকে প্ৰেৰণা দিয়ে, আগুৱাই যাবৰ বাবে। নিজৰ চৌপাশৰ সম্পৰ্কে জানিবৰ বাবেও জ্ঞান দিয়ে।

বৰ্তমান মানুহবোৰ ব্যস্ত হৈছে। কাৰো যেন সময় নাই। ব্যক্তি কেন্দ্ৰিকতাই গ্ৰাস কৰিছে সভ্য সমাজকো। হিংসা, বৰ্বৰতা, হত্যা, লুণ্ঠন, ধৰ্ষণ, শোষণ, দুখ দৰিদ্ৰতাই শেষ কৰি যোৱা সমাজখন আৰু পৃথিৱীখন যে কেতিয়া উদ্ধাৰ হ'ব! হয়তো পৃথিৱীখন এদিন ধ্বংস হৈ যাব মানুহৰ মূৰ্খামিৰ বাবে ......।

......... ট্ৰেইনখনৰ দীঘল উকিটোৱে বাস্তৱলৈ ঘূৰাই আনিলে, 'অ' পালোহিয়েই চোন', 'জালুকবাৰীলৈ যোৱা ছয় নম্বৰ বাছ ধৰিব লাগে ব'লা সোনকালে' -- কৌস্তভদাই ক'লে ......।।।

■

# গল্পৰ শিতান


- লোভ/ৰঞ্জু গগৈ চুতীয়া ॥ ৫৭ ॥
- জোনাক বিহীন জীৱন/ বিদ্যুৎ দেউৰী ॥ ৬১ ॥
- চোৰৰ শপতনামা/ আল্পনা মহন্ত ॥ ৬২ ॥
- স্বপ্ন ভংগ/ লোকেশ দাস ॥ ৬৩ ॥

# লোভ

**ৰঞ্জু গগৈ চুতীয়া**
সহযোগী অধ্যাপিকা, অৰ্থনীতি বিভাগ

লক্ষেশ্বৰ বড়াৰ আহল-বহল মাগুৰ বৰণীয়া মুখখন ডাৱৰে আৱৰা আকাশখনৰ দৰে সদায় গোমোঠা হৈয়ে থাকে। বাৰিষা যেনে খৰালিও তেনে। গোমোঠা মুখখনত লিপিট খাই লাগি থাকে ঘোপা চাৰনিটো। দেখিলে এনে লাগে যেন কোনোবাই তেওঁৰ ওচৰত ডাঙৰ জগৰ লগাই থৈছে! বিদ্যালয়ৰ প্ৰধান শিক্ষক হৈ থাকোঁতে আহৰণ কৰা মুডটো অৱসৰ গ্ৰহণ কৰাৰ পাছতো সচৰাচৰ পিন্ধি থকা পোচাকযোৰৰ দৰে ৰৈয়েই গ'ল। তেখেতৰ কাৰ্য্যকালত অৱশ্যে বিদ্যালয়ৰ শৈক্ষিক বাতাবৰণ শলাগিবলগীয়াই আছিল। ছাত্ৰ-ছাত্ৰীৰতো দূৰৰে কথা শিক্ষক-শিক্ষয়িত্ৰীসকলেও তেখেতৰ চকুত চকু থৈ কথা ক'বলৈ সাহস গোটাব পৰা নাছিল। বিদ্যালয়ৰ বহুদিনীয়া আন্তঃগাঁথনিমূলক অভাৱ-অভিযোগবোৰো বড়ামাষ্টৰৰ দিনতে বহুলাংশে দূৰ কৰাৰ কৃতিত্ব তেখেতে অৰ্জন কৰিছিল। পিছে বিদ্যালয়ৰ অভাৱ-অভিযোগবোৰ যি হাৰত দূৰ কৰাৰ কৃতিত্ব তেখেতে অৰ্জন কৰিছিল, তাতোকৈ অধিক সফলতাৰ পৰিচয় ডাঙি ধৰিছিল পৰিয়ালকেন্দ্ৰিক অভাৱ-অভিযোগবোৰ দূৰ কৰাৰ ক্ষেত্ৰত। দুচলীয়া টিঙৰ অসম আৰ্হিৰ ঘৰটোৰ ঠাই অধিকাৰ কৰিছিল ছয়-সাতকোঠলীয়া আৰ.চি.চি. ঘৰে।

ল'ৰা-ছোৱালী বুলিবলৈ বৰা মাষ্টৰৰ এটাই মাথোঁ পো। প্ৰথম অৱস্থাত পঢ়াত ভাল আছিল যদিও পাচলৈ দ্বাদশ শ্ৰেণীৰ চাৰ্টিফিকেটখন যেনে তেনে লোৱাৰ যোগ্যতাকণ আহৰণ কৰি আইৰ মূৰত শেষচলু পানী দি ব্যৱসায়ত নামিল। বড়া মাষ্টৰেও ব্যৱসায়ৰ কামত ইফাল-সিফাল কৰিবলৈ নতুন মডেলৰ বাইক এখন তাক কিনি দিলে। পঢ়া-শুনাত সিমান ভাল নহ'লেও সি কিন্তু দেউতাকৰ দৰে নহয়। তাৰ লগ-সঙ্গ আছে। তেওঁলোক মাজে-সময়ে তাৰ ওচৰলৈ আহে। সিও যায়। ব্যৱসায়ৰ ব্যস্ততাৰ মাজতে বিয়া-সবাহ, মেল-মিটিং আদিলৈও পাক এটা মাৰে। দেউতাকৰ দৰে ঘৰৰ ভিতৰতে সোমাই নাথাকে। কিন্তু মাক-বাপেকে তাৰ এই স্বভাৱটো সমূলি পচন্দ নকৰে। তেওঁলোক যিদৰে আনৰ ঘৰলৈ নাযায়, তেওঁলোকৰ ঘৰলৈও কোনোবা আহিলে তেওঁলোকে সিমান ভাল নাপায়। তেওঁলোকৰ আদৰ-কায়দাবোৰ দেখি দেখি বিৰক্ত হৈ এদিন মাকে চুবুৰীয়া মানুহ এঘৰৰ কথা বেয়াকৈ কিবা কৈ থকাত সি নামাতি নোৱাৰিলে -- "তোমালোক কি যে! চুবুৰীয়াৰ লগত মিলিজুলিও থাকিব নাজানা? কোনো মানুহৰ লগতেই সম্পৰ্ক নাৰাখা আৰু মই ৰাখিলেও তিকিচি-বিকিচি কৰি থাকা। মানুহ তেনেকৈ থাকে নেকি? মই তেনেকৈ নোৱাৰো দেই! এইখন ঘৰ নেকি? মানুহ এটাৰ হাঁহি অকন দেখিবলৈ নাই। খেৰ বাঁহৰ জুপুৰীত থাকিবলৈকো ইয়াতকৈ ভাল।"

সেয়া ক'বলৈ পালেহে, মাকে যেন তাক খাইহে পেলাব! -- "আও, তোৰ ইমান কথা! ইমান কষ্ট কৰি তালৈকে এই ঘৰবাৰী কৰিলো, এতিয়া খেৰ-বাঁহৰ জুপুৰীহে ইয়াতকৈ ভাল হ'ল! পাইচতো ওপৰতে এনে ঘৰত ওলোৱা-সোমোৱা কৰিবলৈ! বাপেৰে আকাশ দেখা ঘৰত থাকিয়েই জীৱনৰ এচোৱা খেদালে। নিজে মানুহ হৈহে এইকণ কৰিছে! কৰিছেনো কাৰ কাৰণে? তোৰ কাৰণেহে; তই বুৰ্ব্বকে

বুজি পালেহে! তোৰদৰে বেঙা আছে জানো ক'ৰবাত!"

মাকৰ কথা শুনি তাৰ কৈ দিবৰ মন গৈছিল যে, স্কুলৰ প্ৰধান শিক্ষক হৈয়েই দেউতাকে দুখনকৈ গাড়ী কেনেকৈ ল'লে, ঘৰৰ চৌহদৰ ভিতৰতে দুটাকৈ অসম আৰ্হিত ভাড়াঘৰ কেনেকৈ বনালে, মেইন টাউনত আৰু এডোখৰ মাটি কেনেকৈ ল'লে, সি বেঙাই নজনা নহয় বুলি। বহুত ধৈৰ্য্য ধৰি সি ৰ'ল। ধৈৰ্য্য নধৰিলে মাকে পৰিস্থিতি কোনফালে লৈ যায় ঠিকনা নাই। পানীৰ টেপৰ দৰে মাকৰ মুখখন খুলি দিলে সতকাই বন্ধ নহয়। লাজ মান বুলিবলৈতো কথা এটা আছে। চৌহদৰ ভিতৰতে দুঘৰ ভাৰাটীয়া। চৌহদৰ সোঁৱে-বাঁৱে গাতে লাগি আছে দুঘৰ চুবুৰীয়া। মাকে যিবোৰ নুবুজে, সিতো বুজে। গতিকে আৰু নমতাই ভাল। তথাপিও এনেকৈ আৰু কিমানদিন? বাহিৰলৈ ওলাই গ'লে মনটো অলপ ফৰকাল লাগে -- ঘৰখনত সোমালেই ডাঙৰ বোজা এটাইহে যেন তাৰ মূৰটো হেঁচা মাৰি ধৰি আছে তাৰ এনে লাগে। কিবা এটা নকৰিলে এইখন ঘৰত সুস্থভাৱে জীয়াই থকাটোৱেই তাৰ কাৰণে মস্কিল!

বহুত ভাবিচিন্তি এদিন দুপৰীয়া ভাত-পানী খাই বিচনাত বাগৰ দি মাকক তাৰ কোঠালৈ মাতিলে। পাকঘৰৰ কাম সামৰি মাক তাৰ বিচনাখনতে বহিল।

"কিয় মাতিছিলি?"

"দুটামান কথা ক'বলগীয়া আছে। ধৈৰ্য্য ধৰি শুনা যদি কওঁ, নহ'লে নকওঁ।"

"কিহৰ ধৈৰ্য্য-অধৈৰ্য্যৰ কথা কৈছ? কব যদি ক নক'লে নাই?"

"হুলস্থূল নকৰাতো!"

"ক — নকৰোঁ।"

"সঁচায়?"

"সঁচায়।"

"তেনেহ'লে কওঁ। ক'বলৈ আকৌ ভয়েই লাগে নহয়, তুমিহে যি।"

"বাদ দে তেনেহ'লে — নালাগে ক'ব। সেইবোৰ পেঘেনিয়াই নাথাকিবি।"

"কওঁ শুনা -- ঘৰ-দুৱাৰ, সা-সম্পত্তি গোটালেই জীৱনত সকলো হৈ নাযায় মা। এইবিলাকেই মানুহৰ জীৱনৰ সৰ্বস্ব নহয়। এইবিলাকেৰে তোমালোক সুখী হৈছা — মোৰ ক'বলগীয়া নাই। মই কিন্তু নোৱাৰো! দেউতাই এই ঘৰ, মাটি গাড়ী কিদৰে কৰিলে সমাজেতো ভালকৈয়ে জানে। মোৰ বৰ ভয় আৰু লাজ লাগে সমাজখনলৈ। আত্মমৰ্য্যদা পাৰ্থিব সা-সম্পদতকৈ বহু ওপৰত মা মোৰ মতে। সমাজখন আগতকৈ বেয়া হৈছে সঁচা, কিন্তু সকলো মানুহেই বেয়া হৈ যোৱা নাই।"

"আৰু কিবা কবিনে? তোৰ এই দাৰ্শনিকৰ দৰে কথাবোৰ ভাল মানুহবোৰৰ আগত কবিগৈ। মোৰ আগত নহয়।" উচাৎ মাৰি মাক গুচি গ'ল তাৰ কোঠাৰ পৰা। অশান্ত উদাস মনেৰে সি পৰি থাকিল বিচনাখনতে। আবেলি জ্ঞানজ্যোতি ওলাই যোৱাৰ পাছত মাকে দেউতাকক ক'লে "হে ৰা, এইবোৰ সা-সম্পত্তি এনেই গোটালা বুজিছা। পুতেৰাৰ এইবোৰলৈ অলপো ধাউতি নাই। এইবোৰে বোলে তাক অলপো সুখী কৰিব নোৱাৰে।"

টি.ভি.ৰ চুইচটো অফ্ কৰি চকুকেইটা মোহাৰি মোহাৰি বৰা মাষ্টৰে ক'লে — "তাৰ ৰেহ-ৰূপবোৰেই কয় নহয়! একেটা মাত্ৰ পো। সমাজৰ বু-বু-বা-বা-লৈ কৰ্ণপাত নকৰি তাৰ কাৰণেই যতচব কৰিলো; শেষত এয়াহে হ'ল। পঢ়া কৰিলে সেইয়া। নাই, তাৰ লগ-সঙ্গবোৰ এৰুৱাব লাগিব অতি সোনকালে। এইবোৰেই তাক এদিন শেষ কৰিব। কিহত ইমান দৰকাৰ লগ-ভাগৰ। ভৱ ইঞ্জিনিয়াৰে ল'ৰাৰ কাৰণে যিমান কৰি থৈ গৈছে হেডমাষ্টৰ হৈয়ে মই তাতোকৈ বেছি কৰিলোঁ। একো নকৰোঁ বুলিলেও ঘৰতে বহি সি আৰামত জীৱনটো খাব পাৰিব।"

"তাক আকৌ এইবোৰ নালাগে নহয়!"

"তেনেহ'লে কি লাগে?"

"সমাজ লাগে, সমাজ। ঘৰ নহয় বোলে এইখন, মৰিশালি।"

"অ' হয় নেকি। অত কষ্টেৰে বনোৱা ঘৰখন সি মৰিশালিহে পাতিলে। ঠিক আছে — এই মৰিশালিত সি থাকিব নালাগে। মন্দিৰ বিচাৰি থাককগৈ। তাক কৈ দিবা।" - ফোঁপাই ফোঁপাই মাষ্টৰে ক'লে কিন্তু জ্ঞানজ্যোতিৰ বাইকৰ শব্দত মাক-বাপেকৰ মিটিং ভাগিল। মুখ-হাত ধুই জ্ঞানজ্যোতি আনদিনাৰ দৰেই নিজৰ কোঠাত সোমাল। মাকে তাৰ চাহকাপ আনি তাৰ বিচনাতে থ'লে। দেউতাকৰ কাপ ড্ৰইংৰূমতে দি নিজৰ কাপো জ্ঞানজ্যোতিৰ কোঠালৈকে লৈ আহিল। বহুদিনৰ পৰা মাক-বাপেকে আলচি থকা কথাষাৰ ব্যক্ত কৰাৰ এয়াই সুযোগ। মাকে সুযোগকণ গ্ৰহণ কৰিলে।

"সোণমইনা, দেউতাৰাৰ বয়স হৈছে, মোৰো বয়স হৈছে। দেউতাৰাই তোৰ বিয়াখন পতাৰ কথা বৰকৈ চিন্তা কৰিছে। মোকো ৰন্ধা-বঢ়াত সহায় কৰিবলৈ লগ এটা লগা হৈছে। মাহীয়েৰাই তোৰ বাবে ছোৱালী এজনী মোটামুটি ঠিক কৰিছেই। ছোৱালীজনীয়ে এইবাৰ এম. এ. পাচ কৰিছে। ঘৰৰ অৱস্থাও ভাল; দেখনিয়াৰো। সেই ছোৱালীজনীকে চাবলৈ তই যাব লাগিব এদিন।"

"মই বিয়াৰ কথা এতিয়াই ভবা নাই। ব্যৱসায়টো আৰম্ভ কৰানো কিমান দিন হৈছে। খোপনি পুতিবলৈ পোৱাই নাই দেখোন। তোমালোকো যে আৰু। টকা-পইচা অলপ গোটাই নোলোৱাকৈ বিয়া-বাৰুৰ কথা এতিয়াই নাভাবো।" - জ্ঞানজ্যোতিৰ স্পষ্ট উত্তৰ।

"টকা-পইচাৰ কথা তই কিয় চিন্তা কৰিব লাগে। সিবিলাক আমাৰ কথা। লাগে মাথো তোৰ মতটো। তোৰ মতটো পালেই দুদিনতে কিমান ধুমধামেৰে বিয়াখন হৈ

যাব চাবিচোন।” - শেষঢোকা চাহত শোহা মাৰি মাকে উল্লাসেৰে ক'লে-

“মুঠতে মই ভবা নাই মা।”

“তই নাভাবিলে কি হ'ব, আমি ভাবিছোঁ নহয়। আমাৰ প্ৰতি তোৰ দায়িত্ব নাই নেকি? মুঠৰ ওপৰত ইবোৰ-সিবোৰ তোৰ একো নুশুনো, ছোৱালী চাবলৈ তই ওলাব লাগিব। তেনেকুৱা ছোৱালী এৰি দিলে দুনাই আৰু নাপাবি।” তাৰ মুৰত আৰু একুৰা জুই জ্বলাই যুদ্ধজয়ৰ উল্লাসেৰে মাক বীৰাঙ্গনাৰ দৰে ওলাই গ'ল তাৰ কোঠাৰ পৰা।

ওপৰলৈ মূৰ কৰি জ্ঞানজ্যোতিয়ে মনতে পাগুলিলে -- হায়াৰ চেকেণ্ডাৰীৰ দেওনা যেনে তেনে পাৰ হোৱা পুতেকলৈ এম.এ. পাচ দেখনিয়াৰ বোৱাৰী আনে। লোভৰো এটা সীমা থকা উচিত। মুখখন যেনেকৈ মেলিছে, কোৱাৰী ফাটি তেজ ব'বৰ উপক্ৰম হোৱা নাইতো? ৰন্ধা-বঢ়াত সহায় কৰিবলৈ এম. এ. পাচ বোৱাৰী নহ'লেও চলে। ভাৰ সাগৰৰ পকনিয়াৰপৰা উদ্ধাৰ পাবলৈ সি উপায় চিন্তিবলৈ ধৰিলে। কি কৰা যায়? ফোন কৰি বাল্যবন্ধু অৰ্পণক মাতিলে। আধাঘন্টামানৰ পাছতেই অৰ্পণ আহিল। ড্ৰইংৰুমতে মাক-বাপেকৰ লগত দুআষাৰ কথা পাতি জ্ঞানজ্যোতিৰ কোঠালৈ সি সোমাই গ'ল। জ্ঞানজ্যোতিৰ বিচনাখনতে দীঘল দি তাক সুধিলে -- “কিয় মাতিছিলি, জল্‌দি ক - বৰ জৰুৰী কাম এটা এৰি থৈ আহিছোঁ।”

“ময়ো জৰুৰী কথা এটাতে মাতিছিলো।”

“মূল কথালৈ আহ। পাতনি নেমেলিবি।”

“ইমান সময় নাই যদি যাগৈ যা -- নকওঁ।”

“আৰে ভাই, এৰচোন এইবোৰ। কথাটো নুশুনালৈকে টেন্‌চন্ লাগি থাকে নহয়।”

“কথাটো কৈ দিলে, তোৰ টেন্‌চন্ আৰু বাঢ়িব।”

“যি হয় হ'ব -- ক সোনকালে।”

“মা-দেউতাই মোৰ বিয়াৰ কথা ভাবিছে। ক'ৰবাত বোলে এম.এ. পাচ দেখনিয়াৰ ছোৱালী পাইছে -- চাবলৈ যাব লাগে। গতিকে মই ৰুবিৰ বাদে যে আন কাকো বিয়া নকৰাওঁ এই কথাটো সিহঁতক কৈ তই মোক উদ্ধাৰ কৰিব লাগে। জানই নহয় -- সেই আপ্তবাক্যষাৰঃ 'বিপদৰ বন্ধুহে আচল বন্ধু'।”

“হ'ব হ'ব -- মই এতিয়াই খুড়ীদেউক কথাটো ক'ম।”

“এতিয়াই নালাগে দেচোন, দুই-তিনিদিনৰ পিছত ক'লেই হ'ব।”

“নাই, নাই। তপতে তপতে কাম কৰিব লাগে; ৰন্ধা ভাত যিদৰে গৰমে গৰমে খাব লাগে। পাছ বুলিলেই পিঠি।”

“যাঃ, যি কৰ কৰ।”

“ড্ৰইংৰুমতে দুয়োজনে টি.ভি. চাই আছে। এয়াই সুযোগ। কথাটো মই আজিয়েই উলিয়াম। তোৰ কোঠালৈ নাহোঁ আৰু। বাহিৰে বাহিৰে যামগৈ। তেন্তে বেষ্ট অব লাক, গুড্ নাইট।”

অৰ্পণ আহি জ্ঞানজ্যোতিৰ মাকৰ কাষৰ চ'ফাখনতে বহিল। 'শাহু-বোৱাৰী' চিৰিয়েলখন দুয়ো মগ্ন হৈ চাই আছে। কথাটো উলিওৱাৰ সি সুযোগেই পোৱা নাই। তেনেতে বাণিজ্যিক বিৰতি পৰিল। মাকে অৰ্পণলৈ চালে।

“কথা এটা আছিল, খুড়ীদেউ। ক'ব পাৰিম নে?”

“নিশ্চয় পাৰা, কিয় নোৱাৰিবা!”

অৰ্পণে জ্ঞানজ্যোতিৰ কথা সমস্ত ক'লে। মাকে পোনচাটেই অস্বীকাৰ কৰিলে -- “ক'ৰ ৰুবি-চুবিৰ কথা কৈছা- এইবিলাকক প্ৰাণ গ'লেও মই বোৱাৰী কৰি ঘৰলৈ নানো। তাক কৈ দিবা। আমি ছোৱালী চাইছোঁ। আমাৰ মতেই হ'ব লাগিব।” -- বন্ধুৰ কৰ্ত্তব্য পালন কৰি অৰ্পণ গ'লগৈ।

অলপ পাছতে অৰ্পণে ফোনেৰে তাক সমস্ত জনালে। সেই ৰাতি ভাত-পানী নোখোৱাকৈ দুৱাৰ বন্ধ কৰি সি শুই থাকিল। মাকেও এবাৰো নামাতিলে তাক ভাত খাবলৈ। অনাহাৰ অনিদ্ৰাৰে আঘোণমহীয়া ৰাতি এটা পাৰ কৰাৰ পাছত ক্লান্ত অৱশ শৰীৰটো মৰা শ' চুচৰোৱাদি চোচৰাই চোচৰাই প্ৰাতঃকৰ্মখিনি কৰিয়েই সি বাহিৰ ওলাল। ৰাতিপুৱাৰ চাহ, দুপৰীয়াৰ ভাত বাহিৰতে খালে। গধূলি সজাৰ পখি সজালৈ ঘূৰি আহিল। হৰ-গৌৰী তেতিয়া নিত্যনৈমিত্তিক কাৰ্যক্ৰমণিকাত ব্যস্ত। আনদিনাৰ দৰেই হাত-ভৰিকেইটা ধুই বিচনাত বাগৰ দিবলৈ লওঁতেই মাকৰ ডাক পৰিল -- “সোনমইনা, তোক দেউতাৰাই মাতিছে। আচামী আজি কাঠগড়াত উঠাৰ পাল।” কে'চৰ তাৰিখ ইমানদিনে পৰা নাছিল। গোচৰীয়া পক্ষই আজি ভালকৈয়ে ফাইল খুচৰিলে। জবানবন্দীৰ বাবে সি সাজু হ'ল। মনতে আওৰালে ঃ “যি ক'ম সঁচা ক'ম, সঁচাৰ বাদে মিছা নকওঁ।” বুকুত বল বান্ধি সি ড্ৰইংৰুম অভিমুখে ৰাওনা হ'ল।

“কিয় মাতিছিলা?” দেউতাকৰ পেন্দুৰা চকুকেইটালৈ কোনোমতে চাই সি সুধিলে

“বহ” -- চাকৰিৰ সাক্ষাৎকাৰ দিবলৈ যোৱা প্ৰাৰ্থীৰ দৰে সি বহিল।

মাতটো যিমান পাৰি টান আৰু কঠোৰ কৰি দেউতাকে বাক্যবাণ নিক্ষেপ কৰিলে -- “মাৰে তোক সকলোবোৰ কৈছেই। মই পুনৰবাৰ কোৱাৰ প্ৰয়োজন নাই। সন্মান বোলা কথা এটা আছে। তোৰ পঢ়া-শুনা বিশেষ নহ'ল। গতিকে উচ্চশিক্ষিত এজনী ছোৱালীক বিয়া কৰাই আনি মোৰ হৃত মৰ্যাদা ঘূৰাই আনিব বিচাৰোঁ। মানসিকভাৱে অতি সোনকালে প্ৰস্তুত হ বিয়াৰ বাবে।”

দেউতাকৰ কথাই তাক বিছাই ডকাদি ডাকিলে। তাৰ অন্তৰৰৰ নিভৃত কোণৰপৰা স্বতঃস্ফূৰ্তভাবে ওলাই আহিল ঃ "উচ্চশিক্ষিত ছোৱালীক বোৱাৰী কৰি আনিলেই কি ঘৰখনৰ হৃত মৰ্যাদা ঘূৰি আহিব, মই উচ্চশিক্ষিত হ'ব নোৱাৰাৰ বাবে ঘৰখনৰ মৰ্য্যদা যিমান অৱনমিত হৈছে, তাতোকৈ অধিকগুণে অৱনমিত হৈছে তোমালোকৰ ক্ৰিয়া কাণ্ডৰদ্বাৰা। মোক পণ কৰি সেই মৰ্যাদা ঘূৰাই আনিবলৈ অপচেষ্টা নকৰাই ভাল। তাৰোপৰি উচ্চ শিক্ষিত পত্নীক সুখী কৰিবৰ জোখাৰে মোৰেইবা আছে কি?

"তোৰ কি নাই? সুখী হৈ জীয়াই থাকিবলৈ আজিৰ পৃথিৱীত লগা সকলোখিনিয়েই তোৰ আছে। মাত্ৰ পঢ়াটো অলপ কম। বিয়াৰ ক্ষেত্ৰত সকলোৱে ল'বাৰ পঢ়া-শুনাক ইমান গুৰুত্ব নিদিয়ে। বেঙ্ক-বেলেন্স, সা-সম্পত্তি, ঘৰ-দুৱাৰতহে গুৰুত্ব দিয়ে।"

"তোমালোকক দেখোন সমাজ নালাগেই — এতিয়া আকৌ সমাজৰ কথা ভাবিলা কিয়?"

ইমানপৰে তামোল পকটিয়াই পকটিয়াই মাত-বোল নমতাকৈ বহি আছিল মাক। এতিয়া তেওঁ শেষপাত ব্ৰহ্মাস্ত্ৰ প্ৰয়োগ কৰিলে — "কথাৰ গুৰি ক'ৰবাত — মোৰ ঘৰত টোকোনা মানুহৰ ছোৱালী আনি সোমোৱাহিচোন চাওঁ, কিদৰে সুমুৱাৰ। হয় মই থাকিম, নহয় তাই থাকিব। মোক অৰ্পণে কৈছে নহয় — ৰুবি নে চুবিৰ কথা।"

"তেনেকৈ নক'বা মা। সিহঁতৰ আমাৰ দৰে ঘৰ, সা-সম্পত্তি নাথাকিলেই, সিহঁত টোকোনা হ'ল নেকি? আমাৰ মানসিকতাতকৈ সিহঁতৰ মানসিকতা বহু ওপৰত। সুস্থ মানসিকতা বুলিবলৈ আমাৰ কিবা এটা আছে জানো? নিজৰ পাৰ্থিব সুখ-আৰামৰ বাদে আমি আন কিবা চিনি পাওঁ জানো? আমাৰ পৃথিৱীৰ চাৰিসীমা ঘৰৰ ভিতৰতেই আৱদ্ধ। ইয়াৰ বাহিৰতো যে এখন পৃথিৱী আছে, এনে এচাম মানুহ আছে যি পেট পূৰাই এসাজ ভাত খাবলৈ পোৱা নাই, থাকিবলৈ এটা ঘৰ নাই, পুহমহীয়া জাৰত ল'বলৈ এডোখৰ গৰম কাপোৰ নাই, সেইচাম মানুহৰ যন্ত্ৰণাময় জীৱনৰ কথা আমি কল্পনা কৰিব পাৰোনে? জীৱিকাৰ ফালৰপৰা ৰুবিৰ দেউতাক সাধাৰণ মানুহ হ'ব পাৰে, মনটো কিন্তু অসাধাৰণ। সমাজখনৰ বাবে কিবা নহয় কিবা এটা কৰিবলৈ নিজে চেষ্টা কৰাৰ উপৰিও আনকো উৎসাহিত কৰি আহিছে। ৰুবিও দেউতাকৰ আদৰ্শৰ দ্বাৰাই অনুপ্ৰাণিত। তেওঁলোকৰ লগত সম্পৰ্ক স্থাপন কৰিলে আমাৰ সন্মান লাঘৱ নহয়। আমাৰ ধন-সম্পত্তি আছে। তাকেলৈ গৰ্বত আমি ফুলি থাকো। বিপদৰ সময়ত মাত এষাৰ দিবলৈ ধন-সম্পত্তিৰ পাহাৰ বগাই আমি আনৰ কাষলৈ যাব নোৱাৰো। তোমালোকে ভবাৰদৰে টোকোনা (?) মানুহৰ ছোৱালী বিয়া কৰাই এই ঘৰত সোমোৱাই তোমালোকৰ যশ-খ্যাতিত যে কালিমা নাসানো সেইলৈ তোমালোক নিশ্চিন্ত থাকা।"

পুতেকৰ কথা শুনি মাক-বাপেক শিল পৰা কপৌৰদৰে ঠাইতে মৌন হৈ ৰ'ল। পুতেকে এনেদৰে মুখ খুলি প্ৰতিবাদ কৰিব পাৰিব বুলি তেওঁলোকে কল্পনাও কৰিব পৰা নাছিল। তথাপিও মাকে ফটা মুখখন বেছি দেৰি জপাই থ'ব নোৱাৰিলে। শেষ পৰ্য্যন্ত যুদ্ধত জয়ী হ'বৰ কাৰণে সৈনিকে কৰা আপ্ৰাণ চেষ্টাৰ দৰেই মাকেও দাঁত-উঠ কামুৰি বাক্যবান এৰিলে — "ইঃ, কথা চোৰা তাৰ। ধন-সম্পত্তিক যে ইমান ভৰ্ৎসনা কৰিছ, ধন নথকা হ'লে ব্যৱসায় আৰম্ভ কৰিব পাৰিলিহেঁতেন নে? ধন নোহোৱাৰ কাৰণেইটো সেইচাম মানুহে আজি পেট পূৰাই খাবলৈ পোৱা নাই, থাকিবলৈ ঘৰ এটা সাজি ল'ব পৰা নাই -- জাৰ গুচাবলৈ এডোখৰ গৰম কাপোৰ কিনি ল'ব পৰা নাই। ধন থকা হ'লে সিহঁতবোৰ তেনেকৈ থাকিলেহেঁতেন নে? যাচোন, ফুটাকড়ি এটা বিচাৰি পাৱ যদি ক'ৰবাত — বাপেৰে এইকেইটা গোটাই থোৱাৰ কাৰণে হে তই তেনেকৈ কৈছ। সমাজলৈ তাৰ ভয় লাগে, লাজ লাগে। বুৰ্ব্বক, সমাজে তোক কি দিছে? বৰঞ্চ হিংসা কৰিছে। বুকু ফিন্দাই ঘূৰি ফুৰিব নোৱাৰ। এই জমানাত চব চোৰ, দগাবাজ বুজিলি, কোনো ধোৱা তুলসীৰ পাত নহয়।"

মাকৰ হাতুৰীৰ কোবকেইটাত তাৰ মুখখন মেল খাই গ'ল পুনৰ — "হ'ব মা, হ'ব। সমাজে হিংসা কৰেনে হেয়জ্ঞান কৰে আমাক, তাক বুজিবৰ জোখাৰে মোৰ মগজু নোহোৱা নহয়। মই কি ক'বলৈ গৈছো তুমি বুজা নাই আৰু বুজিবলৈও চেষ্টা কৰা নাই। তোমালোকৰ জীৱনবোধ আৰু মোৰ জীৱনবোধৰ মাজত পাৰ্থক্য আছে আৰু সেইবাবেই এই সংঘাত। জীয়াই থাকিবলৈ টকা-পইচা, সা-সম্পদ লাগিবই। মই জানো। কিন্তু ইয়াৰ লগে লগে লাগিব সততা, মানৱতা ইত্যাদিবোৰ। এইবোৰ বিসৰ্জ্জন দি পাৰ্থিব সা-সম্পদৰ কাৰাগাৰত বন্দী হৈ মানুহ নামৰ প্ৰাণীবোৰ সুস্থভাৱে জীয়াই থাকিব পাৰিব জানো?"

পুতেকৰ মুখত ইমানবোৰ গাজত লগা কথা শুনি মাক নিস্তব্ধ হৈ গ'ল। ইমানদিনে তাক মাকে নিমাখিত বুলিয়েই ভাবিছিল। আজিহে বুজিলে পুতেকে দেখোন চব কথাই জানে।

জীৱনজুৰি গোটোৱা ধন-দৌলতৰ পাহাৰে অসম্ভৱকো সম্ভৱ কৰিব পাৰি বুলি ভাবি থকা কথাষাৰ তেওঁলোকৰ বুকুৰ মঙহেই ধূলিসাৎ কৰি দিলে। মাক গৈ বিচনাত পৰিলগৈ। লক্ষীকান্ত মাষ্টৰে সোঁভৰিখন চোফাখনতে তুলি মুখখন যিমান পাৰি গোমোঠা কৰি বহা ঠাইতে বহি ৰ'ল থম্ থমকৈ।

■

# জোনাক বিহীন জীৱন

**বিদ্যুৎ দেউৰী**
স্নাতক, প্ৰথম ষান্মাসিক

পুৰাৰ কোমল সূৰুযৰ মৃদু ৰেঙণি আৰু পক্ষীৰ কিচিৰ মিচিৰ শব্দই শ্ৰুতিৰ টোপনি ভাগি দিলে। সময়তকৈ আজি অলপ দেৰিকৈ উঠিম বুলিয়েই তাই পুনৰ মূৰ ঢাকি শুই পৰিল যদিও তাই টোপনি নঁগে একমাত্ৰ পল্লৱৰ কথাই ভাবি থাকিল। সৰুৰে পৰা তাৰ কোনো শুংসূত্ৰই নাই। নাই যেন তাইৰ ওপৰত তাৰ কোনো দায়িত্ব। খং উঠি যায় তাইৰ, তাৰ কথা ভাবিলে। তথাপি তাই মনে প্ৰাণে কামনা কৰে সি য'তেই নাথাকক ভালেৰেই থাকক। আজি পল্লৱৰ জন্মদিন। সেইবাবে হয়তো আজি তালৈ বেছিকৈ মনত পৰিছে। সি হয়তো আজি তাইলৈ এবাৰ হ'লেও ফোন কৰিব। বিচনাতে পৰি তাই ঠিৰাং কৰিলে যে তাই আজি অফিচলৈ নাযায়। দিনটো পল্লৱৰ নামতে ব্যস্ত থাকিব। কথাখিনি ভাবি তাইৰ মনটো কিবা এটা ভাল লাগি গ'ল। ইমান দিনে ডাৱৰে আবৰা মনটোক আজি মুকলি মুকলি দেখা গ'ল। একেজাপে বিচনাৰ পৰা উঠি চিধাই বাথৰুমত সোমাল। বাথৰুমৰ পৰা ওলাই ফিকা চাহ একাপ বনাই আৰামকৈ বহি চাহত শোহা মাৰিলে। তেতিয়াও তাই পল্লৱৰ কথাই ভাবি আছিল। যাৰ বাবে তাই আজিও জীৱনৰ বাটত আশাৰ সম্বল নেহেৰুৱাকৈ জীয়াই আছে। যাক তাই নিজতকৈও বেছি ভাল পায়। সি হয়তো খুব ধুনীয়া হৈছে। কথাখিনি ভাবি থাকোতেই টেলিফোনটো বাজি উঠিল। আনন্দতে দৌৰি গৈ ৰিচিভাৰ তুলি সঁহাৰি জনালে যদিও সিমূৰৰ কথাৰ প্ৰতি কোনো প্ৰতিক্ৰিয়া দেখা নগ'ল। খঙতে ৰিচিভাৰটো থৈ আহি আকৌ চোফাখনতে আৰামকৈ বহি মনতে ভোৰভোৰালে — "মাহী! সৰুতে মা-দেউতা ঢুকুৱাৰ পাছত মোৰ পৰা দূৰে দূৰে আঁতৰি থাকিল আৰু আজি ইমান দিনৰ মূৰত ফোন কৰি চিধাই সোধে বাতৰি কাকতখন চাইছনে নাই। সেইটো মোৰ কথা চাওঁনে নাচাওঁ, সিহঁতৰ কি গৰজডাল পৰিছে। এবাৰো পল্লৱৰ কথা নুসুধিলে।" এনে লাগিছিল যেন তাই টেলিফোনটোকে ভাঙি থৈ আহিব। তাই নিজকে চম্ভালি ফ্ৰেছ্ হৈ বাহিৰলৈ ওলাল বস্তু অলপ কিনিবলৈ। লগতে পল্লৱৰ বাবেও ভাল ধুনীয়া উপহাৰ এটা আনিব। সি ফোন কৰিলে তাৰ ঠিকনাটো ৰাখি তালৈ প্ৰেৰণ কৰিব।

বস্তুবোৰ কিনি ঘৰলৈ বাট লওঁতেই তাইৰ মনত পৰিল মাহীয়েকে ফোনত কোৱা কথাখিনি। মনটোৱে নমনাত বাতৰি কাকত এখন কিনি হেড্‌লাইনত চকু ফুৰালে। ডাঙৰ ডাঙৰ আখৰেৰে লিখা আছে — "দুধৰ্ষ উগ্ৰপন্থী জয়ন্ত ৰায় ওৰফে পল্লৱ ফুকন পুলিচৰ গুলিত নিহত"। কাষতে আছে পল্লৱৰ ৰক্তাক্ত মৃতদেহৰ ফটো। কিন্তু সেইজন পল্লৱ হয় জানো, যাৰ বাবে আজিও তাই জীয়াই আছে। যি পল্লৱে তাইক সৰুতে কৈছিল ঃ "বাইদেউ তোমাৰ বিয়াত ময়ো তোমাৰ লগতেই যাম"।

চকু মেলি দেখিলে তাই এখন ব্যক্তিগত নাৰ্চিং হোমৰ বেডত পৰি আছে। ইফালে-সিফালে মূৰ তুলি দেখিলে, ওচৰতে আছে - মাহী-মহা, মামা-মামী সকলো। তাই লাহেকৈ উঠি বহি খিৰিকীৰে আকাশলৈ চালে। এনে লাগিল যেন তাইৰ সকলো কথা আকাশখনেহে বুজি পায়। চিঞৰি চিঞৰি ক'বলৈ মন গ'ল — "পল্লৱ, মোকো লৈ যোৱা তোমাৰ লগত"। কিন্তু নোৱাৰিলে; দুচকুৰে কেৱল দুধাৰি চকুলো বৈ আহিল। ■

॥ গল্প ॥

# চোৰৰ শপতনামা

**আল্পনা মহন্ত**
স্নাতক, চতুৰ্থ যান্মাসিক

বৰনামঘৰৰ ভাগৱত চুৰি হোৱা ঘটনাটো বনজুইৰ দৰে বিয়পি পৰিল। মানুহৰ ঘৰৰ তলা ভাঙি চুৰি কৰাৰ প্ৰথাটোৰে সিহঁতে ভগৱানৰ ঘৰতো হাত দিছে। দুই এজনে কামটো বাপু, ধন আৰু নগেনৰ দ্বাৰাই হোৱা বুলি সন্দেহ কৰিছে। তথাপি চকুৰে দেখা নাই যেতিয়া কাকনো ধৰিব? অকল সন্দেহ হ'লেইতো নহ'ব, প্ৰমাণোতো লাগিব।

কথাবিলাক মনতে পাগুলি থাকোতেই হঠাৎ কলিং বেলটো বাজি উঠাত সম্বিত ঘূৰাই পালো আৰু চিন্তা কৰিলো, চোৰ বা ডকাইত নহয়তো? ঘৰত মই অকলশৰীয়া বুলি জানিয়েই অহা নাইতো? কিবা ভয় লাগি গ'ল! ভয়ে, ভয়ে মাত দিলো - "কোননো"? বাহিৰৰ পৰা 'মইহে' বুলি কোৱা মাত এটা ভাঁহি আহিল। আকৌ চিন্তা কৰিলো, মইহে বুলি কোৱাজন বা কোন? পুনৰ চিঞৰি কলো - "কোন মই"?

"বৰ ভয় কৰাহে তুমি, দুৱাৰখন খোলা।" - বাহিৰত এওঁৰ মাতটো বুজিব পাৰি ততাতৈয়াকৈ গৈ দুৱাৰখন খুলি দিলো।

"হেৰা গাঁৱৰ কাৰণে ভাল খবৰ বুজিছা, চুৰি হোৱা ভাগৱতখন হেনো বিচাৰি পালে" - হাতত লৈ অনা মোনাটো মোলৈ বুলি আগবঢ়াই তেওঁ ভিতৰলৈ সোমাই আহিল।

"পালে মানে? চুৰি হোৱা ভাগৱতখন আকৌ ক'ত পালে?"- বৰ আগ্ৰহেৰে তেওঁক সুধিলো।

ভাগৱতখন পোৱাটো ডাঙৰ বিষয় নহয় কিন্তু ভাগৱতখনৰ ভিতৰত পোৱা টোকাটোহে ডাঙৰ কথা, - হাত ঘড়ীটো খুলি টেবুলত থৈ তেওঁ কলে।

"কিনো খোকোজা লগাকৈ কথাবোৰ কয় অ'? ভালকৈ কথাবোৰ ভাঙি-পাতি ক'ব নোৱাৰে নেকি?" -এক প্ৰকাৰে ভেকাহি মাৰি কোৱাদিয়েই কলো।

মোৰ কথাটো শুনাৰ হাবিয়াস দেখি তেওঁ চোফাখনতে বহি পৰিল আৰু ক'লে - "শুনা তেন্তে! কালি সন্ধিয়া হেনো ভাগৱতখনি ঠগাৰ সৈতে মণিকূটৰ দুৱাৰমুখতে চুৰ কেইটাই থৈ গ'লহি। সন্ধিয়া বোলে নামঘৰীয়াই ভাগৱতখন মণিকূটত থ'বলৈ যাওঁতে তাৰ পৰা এখনি কাগজ সৰি পৰিল। কাগজখনত কি লিখা আছিল জানা? লিখা আছিল - "বজাৰত বেজিটোৰ পৰা হাতীটোলৈকে প্ৰত্যেকটো বস্তুৰে দাম বাঢ়িছে। যাৰ কাৰণে এতিয়া মানুহৰ ঘৰৰ পৰা চুৰ কৰিবলৈকো আমাৰ বেয়া লগা হৈছে। সেয়ে এই কাম কৰিছিলোঁ। কিন্তু এনে কাম কৰি আমি বৰ লজ্জিত হৈছোঁ। আমি চোৰ প্ৰবৃত্তি এৰিব বিচাৰিছো। সম্পূৰ্ণ সুস্থ মন, মগজ তথা স্ব-ইচ্ছাৰে আমি ভাগৱতৰ নামত আজিৰে পৰা একা নিকা জীৱন কটোৱাৰ শপত ল'লো। ৰাইজে যেন আমাক সন্দেহৰ দৃষ্টিৰে নাচায়। ভগৱানে যেন আমাক শক্তি দিয়ে। ইতি -

বাপু, ধন আৰু নগেন।"

প্ৰথম বাৰৰ কাৰণে চোৰৰ শপতনামা আৰু নৈতিকতাবোধৰ কথা জানি মই তবধ মানিলো। কথাবোৰ ভাবি-ভাবি এখোজ-দুখোজকৈ এওঁৰ হাতৰ পৰা বজাৰৰ মোনাটো লৈ পাকঘৰ পালোহি। এনেতে বাথৰুমৰ পৰা পতি দেৱৰ চিঞৰ ভাঁহি আহিল - "হেৰা, চাহ একাপ নিদিয়া জানো?"

■

# স্বপ্ন ভংগ

**লোকেশ দাস**
তৃতীয় ষান্মাসিক

দয়াৰাম ফুকন গোভালীৰ নামজ্বলা জমিদাৰ। ওচৰে পাজৰে ভালেখিনি অঞ্চললৈ তেওঁৰ খ্যাতি বিদ্যমান। গাওঁখনত যিমানখিনি ভাল ৰুপিত মাটি আছে, সেই গোটেইখিনিৰ গৰাকী তেওঁৰেই। গাঁৱৰ সৰহভাগ মানুহে তেওঁৰ মাটিৰপৰাই বছৰৰ ভাত মুঠি যোগাৰ কৰে। যি দুই এঘৰৰ দুই এবিঘা নিজা মাটি আছে, সিহঁতেও তেওঁৰ মাটিত ভূঁই নুৰুলে বছৰৰ ভাতমুঠি নাটেগৈ। দয়াৰ দুটা ল'ৰা । ডাঙৰটো চহৰত থাকি কলেজত পঢ়ি আছে আৰু সৰু ল'ৰা ৰুদ্ৰ ফুকন থাকে গাঁৱত। গাঁৱত যদি দহটা অনিয়ম বা গুণ্ডামি হয় তাৰে ন'টাই কেয়াৰ অব্ ৰুদ্ৰ ফুকন।

ঘনকান্ত শইকীয়াৰ চৈধ্য পুৰুষ সেই গাঁৱৰে বাসিন্দা। ঘনকান্ত শইকীয়া বুলি তেওঁক অবশ্যে বৰ বেছি সংখ্যকে চিনি নাপায়। ঘনকানিয়া বুলিয়ে জনাজাত। দুবেলা দুমুঠি ভাত নোখোৱাকৈ সি থাকিব পাৰে কিন্তু কানি নহ'লে তাৰ উপায় নাই। তাৰ একমাত্ৰ জী জয়াৰ জন্মৰ সময়ত উপযুক্ত চিকিৎসাৰ অভাবত পত্নীক হেৰুৱায়। এফালে সি ভবামতে পুত্ৰসন্তান নোপোৱাৰ শোক, আনহাতে ভাৰ্যা বিয়োগৰ শোক, এই দুয়োটা শোকেই তাক দহি মাৰিছিল। তেতিয়াৰ পৰাই সি কানিয়া হৈ পৰিছিল। জীয়েকৰ যতন লোৱা দূৰৰে কথা দিনটোত এবাৰ খবৰ ল'বলৈকে যেন তাৰ আহৰি নাই। মামাকৰ ঘৰতে তাই কিছু ডাঙৰ দীঘল হ'ল। সি এপুৰা মাটি পৈত্ৰিক সম্পত্তি হিচাপে লাভ কৰিছিল। সেই মাটিডৰা ফুকন জমিদাৰৰ মাটিৰ কাষতেই। প্ৰথমে এপুৰা আছিল যদিও কানিৰ দাম সোধাবলৈ বন্ধকী দি, বিক্ৰি কৰি দুবিঘা মানহে আছেগৈ।

শাওন মাহ যাবৰে হ'ল। এইবাৰ গোভালীৰ পথাৰত হাল নাই। বৰুণ দেৱতাৰ কৃপা নাথাকিলে পথাৰত নাঙল চলে কেনেকৈ! দিনে-দিনে পথাৰৰ ফাঁটবোৰ ডাঙৰ হৈ যাব ধৰিছে। সকলোৰে মনত এটাই চিন্তা! পথাৰত হাল নগ'লে পেট চলে কেনেকৈ? নাম ঘৰত কত যে নাম, পূজা-অৰ্চনা চলিল তাৰ হিচাপ নাই। অসময়ত ভেকুলীৰ বিয়া পতাৰো দিহা হ'ল। অৱশেষত যেন বৰুণ দেৱতা যেনিবা তুষ্ট হ'ল। সন্ধিয়াৰ পৰাই মেঘৰ তৰ্জন গৰ্জন শুনা গ'ল। গাঁৱত যেন কিবা উৎসৱহে লাগিল; নাঙল যুঁৱলি লৈ ওলাই সকলো পুৱা হোৱালৈহে বাট চাইছে। ঘনকান্তই ও ছোৱালীজনীক পুৱাৰ জোখেৰে ভাত বনাবলৈ কৈ সকলো সাজু কৰাত লাগিল। ভাত পানী খাই সকলো সোনকালে শুই থাকিল। গোটেই নিশা প্ৰবল বৃষ্টিপাত হ'ল। বছৰটোত কোনো দিনে নিচিন্তমনে শুব নোৱাৰা ঘনকান্ত কানিয়াই কাইলৈ পুৱাৰ পৰা আৰম্ভ হ'ব লগা ব্যস্ততাৰ সপোন দেখি গভীৰভাৱে শুলে। পুৱা শুই উঠি ৰাতি পানী দি থৈ দিয়া পইতা ভাতকে কেঁচা জলকীয়া দুটাৰে সানি খাই ৰাইজৰ লগত সিও ওলাল কান্ধত নাঙল যুঁৱলি লৈ। গাঁৱৰ বোৱাৰী জীয়াৰী সকলেও বহু দিনৰ মূৰত পানী পাই ন ৰূপ লোৱা ধৰণীৰ মুখখন চাবলৈ পদূলিয়ে পদূলিয়ে থিয় দিলেহি। চাৰিওফালে হেই-হেই, যা-যা শব্দ। কাৰো ৰ'বলৈ সময় নাই। সকলোৰে মনত এটাই চিন্তা, সোনকালে পথাৰ পাবগৈ লাগে।

ৰাইজৰ লগতে ঘনকান্ত কানিয়াই পথাৰ পাই মানে দেৰি নকৰি গৰু হাল জুৰিলে। হেই-হেই শব্দ কৰি গৰু খেদি

আপোন মনে হাল বাই থকাৰ মাজে মাজে ঘনকান্তৰ মুখেদি দুই-এটি গীতৰ কলিও ওলাই থাকিল। মুঠতে ন-আনন্দত পথাৰখনে প্ৰাণ পাই উঠিছে। এনেতে, ফুকন জমিদাৰ গৈ আলিৰ সিটো মূৰৰ পৰাই মাত লগালে অ' ঘন কানিয়া, ঘন-কানিয়া অ', চাওঁ আহচোন এইফালে কথা এটা কওঁ। সি কামত ইমানেই মগ্ন যে সি গমেই নাপালে যে তাক কোনোবাই মাতিছে। দ্বিতীয়বাৰ মাতোতেহে তাৰ গাত তম্বিত আহিল। সি সন্মুখত ফুকন জমিদাৰক দেখি নিজৰ চকুযুৰিকে বিশ্বাস কৰিব নোৱাৰিলে। চকু-মুখ মোহাৰি ভালকৈ চাবলৈ যত্ন কৰিলে। নাই সি ভুল দেখা নাই সেইয়া ফুকন জমিদাৰয়েই! গাঁওখনৰ মানুহে পূবৰ বেলি পশ্চিমত ওলোৱাটো কল্পনা কৰিব পাৰে, কিন্তু ফুকন জমিদাৰ ধূতি কোঁচাই বোকাৰ মাজেৰে পথাৰত সোমোৱাৰ কথা কল্পনা কৰিব নোৱাৰে। সেই দয়া জমিদাৰে আজি পুৱাই পুৱাই ঘনকান্তৰ পথাৰত কিয়? প্ৰথমে সি ভাবিলে তেওঁ হয়তো মাটি দুবিঘামান আধি কৰিবলৈ খাটনি ধৰিব। কিন্তু সি নকৰে, কাৰণ সি অকলশৰীয়া মানুহ তাতে সকলো গ'ল। উত্তৰ দিয়াৰ বাবে প্ৰায় প্ৰস্তুত হৈ সি উঠি আহি ফুকন জমিদাৰৰ সন্মুখত আহি মাত দিলেহি — কওকচোন পিতাই, পুৱাই পুৱাই কষ্ট কৰি ঘনকান্তক পথাৰত আহি লগ কৰিবলৈ কিহে পাইছে? লগুৱাটোক পঠাই মাতি দিলেই হ'লহয়চোন। গধূলি পাক এটা মাৰি আহিলোহয় গৈ।

- এ নক'বি আৰু পথাৰখনকে চাব আহিলো, দেখো তয়ো হাল বাই আছ'। ভাবিলো কথাটো হ'বলা তই নাজন, জনাই যাওঁ এবাৰ।

- কওকচোন পিতাই কি কথা, কিজানি এই কানিয়াই কিছু উদ্ধাৰ পাওঁ।

- শুন দয়া, তই হালবাই থকা মাটিডৰা আৰু তোৰ হৈ থকা নাই। যোৱা চেটেলমেন্টতে এইখিনি মোৰ নামত পট্টাত উঠিছে। বিশ্বাস নকৰ যদি মণ্ডলবাবুক সুধি আহিবিগৈ কথাষাৰ। এই মাটিডৰাত আৰু তই হাল নাবাবি। মাটিডৰা মোক লাগিব। মই দেবেশ্বৰক কৈ আহিছো। কালিৰ পৰা সি ইয়াত হাল বাব। তই যা এতিয়া।

কথাষাৰ শুনি ঘনকান্তই চকুৰ আগতে ধুঁৱলি-কুঁৱলি দেখিলে। বজ্ৰ পৰা মানুহৰ দৰে কিমান সময়যে তাত সি থিয় হৈ থাকিল ধৰিবই নোৱাৰিলে। ইতিমধ্যে ফুকন জমিদাৰ গৈ আলিবাট পালেগৈ।

গাঁৰৰ বুঢ়াৰ পৰা নতুনকৈ কথা বুজিব পৰা হোৱা শিশু এটালৈকে সকলোৱে জানে ডাঙৰ হিজল জোপাৰ কাষতে থকা মাটিডৰা ঘন কানিয়াৰ চৈধ্য পুৰুষৰ সম্পত্তি। এইখিনি আকৌ ফুকন জমিদাৰৰ পট্টাত সোমাল কেনেকৈ? প্ৰথমে তাৰ বিশ্বাস হোৱা নাছিল যদিও মনতে ভাবিলে দয়াৰ কথা শিলৰ ৰেখা। মিছা হোৱাৰ কোনো সম্ভাৱনা নাই। তথাপি মণ্ডলবাবুৰ ঘৰলৈ পাক এটা মাৰি অহাৰ দিহা কৰি ঘৰমুৱা হ'ল। মণ্ডলৰ ঘৰত গৈ সি দয়াৰ কথাকে সঁচা দেখিলে। মণ্ডলক বহু প্ৰশ্ন কৰিও একো সদুত্তৰ নাপালে তাৰ আৰু বুজিবলৈ বাকী নাথাকিল যে ফুকন জমিদাৰৰ মাটিৰ প্ৰতি থকা বংশগত লোভৰ পৰা তাৰ মাটিডৰা ও হাত সাৰি যাব নোবাৰিলে। উপায়হীন হৈ সি এতিয়া কি কৰিব, কি নকৰিব তাকে ভাবি বলিয়াৰ দৰে হ'ল। কানি খোৱাৰ পৰিমাণো বাঢ়ি গ'ল। পুৱা তাৰ পদূলিমুখেদি গাঁৰৰ গৃহস্থই গৰু খেদি নিয়া যেতিয়া দেখে তাৰ বুকুৰ মাজত সুমাই থকা এঙাৰ টুকুৰা যেন দ্বিগুণ প্ৰৱণতাৰে জ্বলি উঠে। সি বাৰু যেনে-তেনে চলি যাব। ছোৱালীজনীৰ কি হ'ব? বহু চিন্তাৰ অন্তত বাট এটা যেনিবা বিচাৰি পালে। কিন্তু হাজাৰটা প্ৰশ্নই তাৰ মনত খুন্দা মাৰিলে। ভাল হ'ব জানো মাতৃহাৰা ছোৱালীজনীক এনেকৈ ওলিয়াই দিয়াটো! পাৰিব জানো কষ্টখিনি সহ্য কৰিব? কিন্তু উপায়তো নাই। আৰু এমাহমান পিছত ঘৰত চাউলো শেষ হ'ব। তেতিয়া সি নিজেই খাব কি আৰু তাইকে খুৱাব কি? গতিকে পিছত নাখাই মৰাতকৈ এতিয়াই কিবা এটা কৰা ভাল। ভবামতে পিছদিনা পুৱা ছোৱালীজনীক বুজাই মেলাই গাঁৰৰপৰা কিছু দূৰত থকা কেশৱ মহাজনৰ চাহৰ দোকানত সুমুৱাই দিলেগৈ বনকৰা ছোৱালী হিচাপে। ঘনকানিয়াৰ চিন্তা যেন কিছু পাতলিল। একমাত্ৰ জী জয়াক ওলিয়াই দি ঘনকানিয়াৰ গাঁৰত ইটো সিটো কৰি যেনে-তেনে চলি থাকিল। কিন্তু যিমানে দিন যাব ধৰিছে, প্ৰতিদিনে জয়া কাম কৰা চাহৰ দোকানখনৰ আগেদি স্কুললৈ অহা-যোৱা কৰা সমনীয়া ছোৱালীৰ জাকবোৰ দেখি দেখি তাইৰ মনতো স্কুললৈ যোৱাৰ হেঁপাহ বান্ধিব ধৰিলে। কাণসমনীয়া ছোৱালীবোৰৰ সতে জাক পাতি স্কুললৈ যোৱাৰ দুৰ্বাৰ হেপাহে তাইৰ কামৰ প্ৰতি অনিহা ভাব জগাই তুলিলে। সেই হেঁপাহৰ কথা কাক ক'ব তাকে ভবি টোপনি নহা হ'ল। দিনৰ দিনটো দোকানত কাম কৰি, ৰাতি কিছু জিৰণী পায় ছোৱালীজনীয়ে। এইবোৰ চিন্তাতে টোপনি নাই। দিনে দিনে তাইৰ মুখৰ ফালে চাব নোৱাৰা অৱস্থা হৈ আহিব ধৰিছে। ঠিক তেতিয়াই তাইৰ ওচৰত দেৱদূতৰূপে থিয় দিছিলহি চহৰৰ কলেজত শিক্ষকতা কৰা প্ৰফেচৰ বৰুৱা। বৰুৱা বিবাহিত যদিও নিঃসন্তান। কিবা উদ্দেশ্যৰে গাঁৰৰ ফালে আহোতে কেশৱ মহাজনৰ সেই দোকানখনতে চাহ-একাপ খাই যোৱাৰ মানসেৰে গাড়ীখন ৰখাই দোকানত সোমাল। গাঁৰৰ সেউজীয়া পৰিবেশ আৰু মৃদু বতাহজাকে তেওঁক বাৰুকৈয়ে আপ্লুত কৰিছিল। জয়াক

গাঁওখনৰ ইটো-সিটো সুধোতে প্ৰসংগক্ৰমে তাই গম নোপোৱাকৈয়ে তাইৰ সম্পূৰ্ণ কাহিনী, মনৰ দুখ, আশা - সমস্ত কথা কৈ পেলালে। যেতিয়া চেতনা আহিল যে তাই এজন অচিনাকী পথিকৰ আগত এইবোৰ গাই আছে, ক'ব নোৱাৰাকৈয়ে তাইৰ চকুৰে চকুলো নিগৰি আহিল। প্ৰফেচাৰ বৰুৱাই তাইৰ কথাৰবোৰ একান্ত মনে শুনি আছিল। যেতিয়া তাই ক'লে যে তাই পঢ়িব বিচাৰে, তেওঁ কথাষাৰ শুনি বৰ ভাল পালে। কাৰণ তেওঁওতো নিঃসন্তান। গতিকে জয়াক তুলি লৈ তাইক সম্পূৰ্ণ সাৰ্থক কৰাৰ সুযোগ এটা দিয়াত তেওঁৰ আপত্তি নাথাকে। ঘৰত গৈ বৰুৱানীকো কথাষাৰ ক'লে। তেওঁও কথাটো বৰ উৎসাহেৰে আদৰি ল'লে। এদিন দুয়ো আহি দেউতাকৰ সৈতে জয়াক তেওঁলোকৰ ঘৰলৈ লৈ গ'ল। আৰু বৰুৱাই ঘনকানিয়াক প্ৰতিশ্ৰুতি দিলে যে তেওঁ তাইক লিখা পঢ়া শিকাব।

ঘনকানিয়াৰ ছোৱালী জয়া স্কুলত পঢ়িব, ঘনকান্তৰ বাবে যিটো কল্পনাৰো বাহিৰত সেইটো আজি বাস্তৱ হোৱাৰ আশা জাগি উঠা দেখি তেওঁৰ যেন গৰ্বেৰে অন্তৰ উপচি পৰিল। গাঁৱত যকে লগ পায় তেওঁকে সগৰ্বে জনাব ধৰিলে যে তাৰ জয়া স্কুললৈ গৈ আছে, এদিন লিখা-পঢ়া জনা হ'ব, ডাঙৰ মানুহ হ'ব ইত্যাদি ইত্যাদি।

প্ৰফেচৰ বৰুৱাৰ ঘৰত কিতাপৰ ভাণ্ডাৰটো দেখি তাইৰ মন আনন্দত নাচি উঠিল। তাই লগৰীয়াৰ লগত স্কুল যাব, লিখা-পঢ়া কৰিব, টিপ চহীৰ সলনি ইংৰাজীত নিজৰ চহী কৰিব ইত্যাদি কল্পনাই তাইক আনন্দ সাগৰত ডুবাই পেলালে। প্ৰতিশ্ৰুতিমতে বৰুৱাই জয়াক স্কুলত নাম লগাই দিলে। বোকা পানী গচকি স্কুললৈ যোৱা জয়া আজি প্ৰফেচৰ বৰুৱাৰ গাড়ীত স্কুলত অহা যোৱা কৰা হ'ল। ঘৰত বৰুৱা বৰুৱানীৰ উপযুক্ত তত্বাৱধাত দিনক দিনে তাই আগুৱাই গৈ থাকিল। শ্ৰেণীত প্ৰথম, দ্বিতীয় ও হ'ল। কাম-কাজৰ লগতে পঢ়া-শুনাতো নিপুন পাৰদৰ্শিতা দেখুৱাই তাই সুখ্যাতিৰে প্ৰবেশিকা পাচ কৰিলে। পিছত প্ৰফেচৰ বৰুৱাৰ যত্ন আৰু প্ৰেৰণা আৰু বৰুৱানীৰ মাতৃস্নেহত তাই সুখ্যাতিৰে বি.এ. ও পাছ কৰিলে। দেউতাক এই খবৰ পাই আনন্দত আত্মহাৰা হ'ল। দুৰ্ভাগ্য ক্ৰমে লোভৰ কালচক্ৰত পৰি মাটি বাৰী হেৰুৱাই নিঃস্ব হোৱা ঘন-কানিয়াৰ ছোৱালী আজি উচ্চ শিক্ষিতা। তাৰ ছোৱালীয়ে চহৰত চাকৰি কৰিব, গাড়ী কিনিব, সি নতুন কাপোৰ পিন্ধি চহৰত ঘূৰিব, চহৰত তাৰ ঘৰ হ'ব ইত্যাদি স্বপ্নই তাক আপোন পাহৰা কৰি পেলালে। গাঁৱতো কথাটো বিদ্যুৎ বেগেৰে বিয়পি গ'ল। কিছুদিন পিছত ঘনকানিয়াই বৰুৱাৰ ঘৰত গৈ কাকুতি মিনতি কৰি জয়াক গাঁওলৈ লৈ আনিলে। সি ভাবিছিল যিহেতু তাই গাঁৱৰ প্ৰথম বি.এ. পাছ ছোৱালী, গতিকে তাই ঘৰলৈ আহিলে দূৰ দূৰণিৰ মানুহে তাইক চাব আহিব। মানুহেৰে তাৰ ঘৰ ওপচি পৰিব, তাৰ সন্মান বাঢ়িব ইত্যাদি ইত্যাদি।

গাঁৱৰ পৰা সৰুতেই ওলাই যোৱা সেই জয়া আজি ইমান ৰূপৱতী আৰু গুণৱতী হৈ পুনৰ গাঁৱলৈ আহিছে যে কোনেও তাইক চিনিবকে নোৱাৰিলে। গাঁৱৰ বুঢ়া-মেথা সকলোৱে তাইৰ জয়গান গালে। ঘনকান্তক ভাগ্যবান পিতৃ বুলি সম্বোধন কৰিলে। এইবোৰে ঘন কানিয়াৰ মনৰ মাজত জ্বলা আশাৰবন্তি গচিক দুগুণ উজ্বলতাৰে জ্বলাই তুলিলে। কিন্তু ফুকন জমিদাৰৰ বাবে এইটো আছিল এটা অসহনীয় বিষয়। তেওঁ জমিদাৰ হৈ যিটো নোৱাৰিলে, সেইটো ঘনকানিয়াৰ হোৱা দেখি তাৰ সহ্য হয় কেনেকৈ?

বহু দিন হ'ল, জয়া গাঁৱৰ সকলোৰে মৰম চেনেহ আৰু নিজৰ আপোন ঘৰখনৰ শীতল ছায়াই তাইক প্ৰফেচাৰ বৰুৱাৰ ঘৰত যোৱাৰ কথা পাহৰাই ৰাখিছিল। এদিন দেউতাকে তাইৰ আগত কথাষাৰ কোৱাতহে গাত তত্ আহিল। যাৰ যত্নৰে তাই আজি এই পৰ্যায় পালেহি তেওঁক তাই ইমান দিনে খবৰ ল'বলৈ মনত নপৰিলনে? নিজৰ ওপৰতে খং উঠিল তাইৰ। গতিকে তাই অকণো পলন নকৰি সিদ্ধান্ত কৰি পেলালে যে কাইলৈ পুৱাই তাই ৰাওনা হ'ব চহৰলৈ। পিছদিনা পুৱা ঘনকানীয়াই বাৰীৰ পৰা তুলি অনা পালেং শাক মুঠি আৰু কাচ-কল আশী লৈ জয়া ওলাল চহৰলৈ।

এদিন দুদিনকৈ আজি পাঁচদিন হ'ল জয়া চহৰলৈ যোৱা। তাই দুদিনতে উভতাৰ কথা। কিন্তু আজি পাঁচদিনৰ মূৰতো উভতি নহাত দেউতাকৰ মনত প্ৰথমে চিন্তা অলপ হ'ল যদিও ভাবিলে, ইমান দিনৰ মূৰত গৈছে তাই; গতিকে বৰুৱা আৰু বৰুৱানীয়ে ক'ত সহজে আহিব দিব! গতিকে আৰু দুদিনমান দেখা যাওক। কিন্তু সম্পূৰ্ণ এসপ্তাহতো তাই উভতি নহাত ঘনকানিয়াৰ মনত চিন্তা বাঢ়ি গ'ল। কোনো অঘটন হোৱা নাইতো জয়াৰ? এনেও দিন-কাল বেয়া। চাৰিওফালে হত্যা আৰু হিংসাৰ ধ্বংসযজ্ঞ। ঘনকান্তৰ মন এক অজান শংকাত কঁপি উঠিল। নাই আৰু বাট চোৱা ভাল নহ'ব। কাইলৈ পুৱাই সি চহৰলৈ যাব। ভবামতেই পিছদিনা পুৱাই সি ওলাল প্ৰফেচৰ বৰুৱাৰ ঘৰলৈ। প্ৰফেচৰ বৰুৱাৰ ঘৰ পাইগৈ মানে বেলি পশ্চিমত ঢাল খাইছিলেই। দিনটোৰ খাওঁ-খাওঁকৈ থকা বেলিৰ প্ৰকোপে ঘনকানিয়াৰ ক'লা দেহটোক আৰু অধিক ক'লা কৰি তুলিছিল। ঘামত তিতি অৱস্থা নোহোৱা মানুহটোৱে হাত মুখ ধুই জিৰাই ল'লে। এনেতে বৰুৱানীয়ে চাহ আনি ঘনকান্ত আৰু বৰুৱাৰ সন্মুখত থলেহি। বৰুৱানীয়ে ক'লে, "অকলে আহিলে যে, জয়া নাহিল

কিয়? ইমানদিনে তাইৰ এবাৰ মনত পৰা নাই নে আমালৈ?" বৰুৱানীৰ কথা শুনি ঘনকানিয়া থৰ লাগিল। কি কৈছে বাৰু বৰুৱানীয়ে? তেওঁক পৰীক্ষা কৰিছে নেকি? সি ধেমেলিয়া সুৰতে ক'লে "জয়াই আপোনাক পাহৰিছে নে মোক? দুদিনৰ কথা কৈ আহি আজি ন দিন। তাইৰ যাবৰ হোৱাই নাই নে? মইহে আহিব লগা হ'ল তাইৰ খবৰ ল'ব।" "কি কৈছে? জয়া কেতিয়া আহিল আমাৰ ইয়ালৈ?" বৰুৱাই আচৰিত হৈ ক'লে।

- "কি? জয়া অহা নাই?" ঘনকানিয়াৰ মূৰত যেন কোনোবাই টাঙোনহে মাৰিলে। ইমান দিন বৰুৱাৰ ঘৰত জয়া আছে বুলি নিচিন্ত মনে থকা ঘন কানিয়াই কি কৰিব এতিয়া, ক'ত বিচাৰিব তাইক? মুহূৰ্ততে তাৰ মনলৈ হাজাৰ প্ৰশ্ন আহিল। গতি বিষম দেখি প্ৰফেচৰ বৰুৱাই গাড়ীত ঘনকানিয়াক বহুৱাই দুয়ো জয়াৰ সন্ধানত ওলাল। জয়াৰ চিন্তাত বৰুৱানীৰ অবস্থা সন্তানহাৰা মাতৃৰ দৰে হ'ল। পুলিচক খবৰ দিয়া হ'ল। নাই জয়াৰ খবৰ নাই। কিন্তু, বিধাতাৰ কি বিধান, পুৰা হ'ব ধৰা সময়তে এচপৰা ক'লা ডাৱৰে আঁৰ কাপোৰ তৰি দিলে আৰু তাৰ লগে লগে ঘন-কানিয়াৰ মনত গঢ় লৈ উঠা কল্পনাৰ বালিঘৰটিও পলকতে খহি পৰিল। এদিন পুলিচ থানাৰ পৰা ফোন আহিল প্ৰফেচৰ বৰুৱালৈ, ৰাজপথৰ কাষত বস্তাত ভৰাই থোৱা অৱস্থাত অসমীয়া সাঁজ পৰিহিতা গাভৰু এগৰাকীৰ অৰ্ধগলিত মৃতদেহ পোৱা গৈছে, গতিকে প্ৰফেচৰ বৰুৱা থানলৈ যাব লাগে চিনাক্ত কৰণৰ বাবে। থানালৈ গৈ প্ৰফেচৰ বৰুৱাই খুব সহজেই চিনি উলিয়ালে; হয় সেই অৰ্ধগলিত দেহটো জয়াৰেই। পৰীক্ষা-নিৰীক্ষা আৰু পুলিচৰ তালাচিত ফুকন জমিদাৰ স্বীকাৰ কৰিবলৈ বাধ্য হ'ল যে 'দয়া বনাম জয়া' এইখন খেলত দেউতাকক জয়ী কৰোৱাৰ বাবেই দয়াৰ সৰু ল'ৰাৰ হাতত ধৰ্ষিতা হ'বলগীয়া হ'ল জয়া আৰু তাৰ সমস্ত সাক্ষী-প্ৰমাণ মচি দিয়াৰ বাবেই জয়াৰ এই অৱস্থা। আইনমতে ফুকন জমিদাৰ আৰু তেওঁৰ মানস পুত্ৰ ৰুদ্ৰ ফুকন ৰঙা ঘৰৰ আলহি হ'ল হয়, কিন্তু ঘনকানিয়া আৰু প্ৰফেচাৰ বৰুৱাই তিল-তিলকৈ গঢ় দিয়া জয়াক হেৰুওৱাৰ বেদনাই তেওঁলোকক কি যে আগাত হানিলে ঘন কানিয়া আৰু প্ৰফেচাৰ বৰুৱাৰ মনত সেই কথা তদ্ৰূপ ঘটনাত সন্তান হাৰা পিতৃ-মাতৃৰ পক্ষেহে অনুভব কৰাটো সম্ভৱ। দামিনি কাণ্ডৰ প্ৰতিবাদৰ দৰেই কেইদিনমান ৰাজ পথ উত্তাল হ'ল, সমদল ওলাল, অফিচ থানা ঘেৰাও হ'ল। দিন বাগৰিল, বছৰো পাৰ হৈ গৈ থাকিল। সময় ইয়াৰ 'নিৰ্দোষ নিৰুদ্বেগ' ভংগীমাৰে মাথোঁ পাৰ হৈ হৈ থাকিল, ঘনকানিয়াইও বুকুত বিপদৰ ব'ব নোৱাৰা ভাৰ বান্ধি সময়ৰ মুখলৈ চাই মাথোঁ দিন নিয়ালে সকলোৰে পাহৰি গ'ল এদিন ঘনকানিয়াৰ ছোৱালীজনীৰ কথা। ঘনকানিয়াৰ বাহিৰে।

■



The Last Supper : Leonardo Da Vinci

# কবিতাৰ শিতান


- বৰষুণ/ বিদিশা পাটৰ ॥ ৬৯ ॥
- স্বপ্ন, দুঃস্বপ্ন আৰু অন্য কিছু/ অজিত কুমাৰ ৰায় ॥ ৬৯ ॥
- ভূপেন দা / জয়ন্ত মাধৱ ডেকা ॥ ৭১ ॥
- বিচাৰিছোঁ সুখৰ ঠাই/ পৰিমিতা ডেকা ॥ ৭১ ॥
- দুটি কবিতা/ ৰাজুমণি ৰাভা ॥ ৭২ ॥
- ড° ভূপেন হাজৰিকা/ হেমা শইকীয়া ॥ ৭২ ॥
- তীখাৰ আঙুলি/ মুকুট আলী ॥ ৭৩ ॥
- সোণালী পখীটি/ অংকিতা ভৰালী ॥ ৭৩ ॥
- সপোন/ কৰিশ্মা সৰকাৰ ॥ ৭৪ ॥
- শৰতৰ জোনাক নিশা/ মৌচুমী ডেকা ॥ ৭৪ ॥
- ফাগুন/ প্ৰিয়ংকা কৰ্মকাৰ ॥ ৭৫ ॥
- ব'হাগ/ ৰীতা বড়ো ॥ ৭৫ ॥
- নিৰ্যাস/ প্ৰিয়ংকা কলিতা ॥ ৭৫ ॥
- মৰম/ দিপান্বিতা দাস ॥ ৭৬ ॥
- জীৱনৰ এটি কবিতা/ দিপালী বৰা ॥ ৭৬ ॥
- মিনতি/ সুপ্ৰীয়া সূত্ৰধৰ ॥ ৭৬ ॥
- মাতৃভূমি/ গণেশ মণ্ডল ॥ ৭৭ ॥
- মই এজন ভাগৰুৱা পথিক, স্বপ্না মজিকা/ ৰুবেদিনা আখতাৰা ॥ ৭৭ ॥
- জীৱন/ ৰাম প্ৰসাদ পাল ॥ ৭৮ ॥
- দুৰ্বল নহ'বা !/ উপেন চন্দ্ৰ ডেকা ॥ ৭৮ ॥
- ফাগুন/ জয়ামণি টেৰণ ॥ ৭৮ ॥
- জীৱন/ ৰিন্টি পাণ্ডে ॥ ৭৯ ॥
- ভূপেন মামা আকৌ এবাৰ উঠা/ ৰুণিমা ইংতি ॥ ৭৯ ॥
- অকলে অকলে/ নাৰ্জু বেগম ॥ ৮০ ॥
- সমবেত কণ্ঠৰ গীত/ পৱন চন্দ্ৰ গগৈ ॥ ৮১ ॥




## বৰষুণ

**বিদিশা পাটৰ**
দ্বাদশ শ্ৰেণী

বৰষুণ উচুপি উচুপি পৰা তুমি,
তুমি ইমান কিয় আকুলতাৰে ভৰা,
আমাৰ দেহ, মন, প্ৰাণ
সকলো পৰিষ্কাৰ কৰি গুচি যোৱা,
তোমাক গাত লোৱাৰ হাবিয়াস ... কিয় কৰি তোলা।
তোমাৰ স্পৰ্শত অনুভৱ হয় যেন
মই এতিয়া মুকলি হলোঁ উৰণীয়া পক্ষীৰ দৰে,
- আৰু অনুভৱ হয় কিছুমান প্ৰকৃতিৰ লক্ষ্যবস্তু
যাৰ অবিহনে ...
সকলো নিঠৰুৱা আৰু মনলৈ আহে কিছু কবিতাৰ শব্দ।।
০০০০



## স্বপ্ন, দুঃস্বপ্ন আৰু অন্য কিছু

**অজিত কুমাৰ ৰায়**
(প্ৰাক্তন ছাত্ৰ)

আজিকালি মই কাকো বিশ্বাস নকৰো
আনকি মই নিজকো
কিয়নো মোৰ শেষ সিদ্ধান্ততো
ভুল বুলি প্ৰমাণিত হৈছে।
আপোনাৰো শেষ সিদ্ধান্ততো
ভুল হ'ব পাৰে
আপুনিও আত্মহত্যাৰ আগমুহূৰ্তত
নিৰ্জনতাৰ সৈতে কথা পাতি
চাওকনা ........
বীজগণিতৰ প্ৰতিটো গাণিতিক সূত্ৰই
সমাধা কৰিব নোৱৰা
জটিল অংকটো
কেতিয়াবা সমাধান কৰে নিৰ্জনতাই।

চিনাকি ৰাজপথটোত আপোনাকো
চিনাকি মুখবোৰে আমনি কৰে চাগে'
মোকো কৰিছিল
এশ সাতাইশ দিনৰ মূৰত
শামুকৰ খোলাৰ পৰা
যেতিয়া ওলাই আহিছিলো
নিজকে এনে লাগিছিল
মই যেন চাইপ্ৰাচ্ দ্বীপৰ

সেই প্ৰতিমূৰ্ত্তিটো
বেৰৰ জলঙাইদি কোনোবাই
সুহুৰিয়াই দিছিল
তুমি উন্মাদ ........
তথাপি মই এটা আত্মহত্যাৰ
বাতৰি নহ'লো।

আজিকালি মই
আঁদ্ৰে মৰৱা,
চেমুৱেল স্মাইলছ
ভি. এছ. নাইপলৰ
ভাষাবোৰ বুজি পাওঁ।

সিহ'তে নাজানে
পাব্‌লো পিকাছো
লিউনাৰ্ড' দ্য-ভিঞ্চি
বা নীলপৱন বৰুৱাৰ
ছবিবোৰ
মই কাৰোবাক বুজাই দিব পাৰো।

অকনো কষ্ট নকৰাকৈ
আওঁৰাব পাৰো
এৰিষ্ট'ট্‌ল কিম্বা কাৰ্লমাৰ্ক্সৰ সংজ্ঞা।

এতিয়াও
হীৰুদা বা প'ল এলুৱাৰ
কবিতাৰে মোৰ বুকু
দোৰোল খাই আছে
তথাপি
ছে-গুৱেভাৰা বা ফিডেল কাষ্ট্ৰ'ৰ
কথা পাতিলে
মই ৰ'দৰ মুখামুখি হ'ব পাৰো।

ধোঁৱা বুলি কওঁতে
মই নিৰ্দ্ধাৰণ কৰিব পাৰো
ফ'ৰটি চেভেন্ নে ফিফ্‌টি চিক্সৰ
বুলেটৰ ধোঁৱা।

বাগিচা বুলি ক'লে
মই টোপনিৰ বাগিচাতে
কৈ দিব পাৰো
সেয়া ৰজনীগন্ধাৰ সুবাস নে খৰিকাজাঁইৰ .......।
অৰণ্য বুলি ক'লে
মই সেইখন অৰণ্যৰ ঠিকনা জানো
য'ত ঋতুৱে ঋতুৱে অহা
প্ৰৰিভ্ৰমি চৰাইৰ সপোন জিৰায়

চুবুৰী বুলি ক'লে
যন্ত্ৰণাৰ চুবুৰীত মোৰ
সঘন আহ যাহ
কিয়নো যন্ত্ৰণাৰ চুবুৰীত হৃদয়
বৰফতকৈ আগেয়ে গলে

এই কথা হয়তো
কোনোবা দেৱলীনা
মালবিকা কিম্বা মনালিছাই
নাজানিবও পাৰেঃ

শুনা,
আজিকালি মোৰ প্ৰিয় ৰং
সলনি হৈছে
তথাপি ডাণ্টেৰ ব্ৰিয়েট্ৰিছে
ভোজমেলত পিন্ধা
ফ্ৰক্‌টোৰ বৰণ যে ৰঙা
সেইকথা মোৰ কিন্তু মনত আছে।
০০০০

*[(এই মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ শ্ৰীৰায়ৰ কবিতা বহু কাকত আলোচনীত প্ৰকাশ পাইছে। তেওঁৰ দুখনি কবিতাপুথিও ইতিমধ্যে প্ৰকাশ পাইছে ("মোৰ দেশ ৰ'দৰ দেশ' আৰু "এজাক বৰষুণৰ সমদল")]*

# ভূপেন দা

**জয়ন্ত মাধৱ ডেকা**
উচ্চতৰ মাধ্যমিক



সুৰৰ পূজাৰী নীল কণ্ঠ তুমি
তুমিয়েতো ভূপেন দা
দিছিলা বুকুত সুৰৰ প্ৰেৰণা
দুখীয়াক দিছিলা সান্ত্বনা।।

মুহিছিলা সকলোকে সুৰৰ বাণেৰে
সুৰৰ ছন্দেৰে তুমি
দিছিলা অজস্ৰৰ  বুকুত সাহস
আগুৱাই যাবলৈ বুলি।।
গাইছিলা গান মানুহৰ বাবে
বুকু উজাৰি তুমি,
দিছিলা পৰিচয় তুমিয়ে
বিশ্বত অসমীয়া সংস্কৃতিৰ।।
সেয়েই তুমি আজিও বিশ্ব বৰেণ্য
সুৰৰ যাদুকৰ,
সু-কণ্ঠৰে দিলা পৰিচয়
তুমিয়েইতো যাযাবৰ।।
০০০০




# বিচাৰিছোঁ সুখৰ ঠাই

**পৰিমিতা ডেকা**
স্নাতক, দ্বিতীয় ষাণ্মাসিক

তুমি আহিছিলা সেইদিনা
যিদিনা মোৰ পদুলী মুখৰ
শেৱালী জোপাৰ সুবাসে
মোৰ চৌপাশে তোমাৰ সুগন্ধি
বিয়পাইছিল ............
স্নিগ্ধ জোনাকৰ ফটফটীয়া পোহৰত
আমি দুয়ো বিলীন হৈ গৈছিলো
কোনো স্বপ্ননীল সাগৰত,
ৰচিলোঁ কত সপোন
কত যে সপোন
কত যে সপোনৰ কাৰেং ........
তুমি আহিছিলা সেইদিনা
যিদিনা পদূলী মুখৰ
চতিয়না জোপাৰ সুবাসে
মোৰ মন চঞ্চলা কৰি
তুলিছিল .........
তুমি মোৰ কোলাত
মূৰ থৈ কৈছিলা ..........
মোৰ ভাগৰুৱা শৰীৰৰ
জিৰণিৰ বাবে দিবানে
অকণি সুখৰ ঠাই ?
০০০০

# দুটি কবিতা

ৰাজুমণি ৰাভা
(প্ৰাক্তন ছাত্ৰ)

(১)

## কিবা এটা হৈ থাকে

কিবা এটা হৈ থাকে
হৈ থাকে সদায়
অলপ অলপকৈ
শুনিও নুশুনাকৈ
জানিও নজনাকৈ
বুজিও নুবুজাকৈ।
আশা আহে আশা যায়
সপোন ফুলে আৰু ভাঙে
চুৰমাৰ হৈ যায় বুকুৰ কথা।

(২)

## অৱশেষত স্বীকাৰোক্তি

হাতত কলম থাকে মানে
নিৰ্লিপ্ততাৰে লিখি যাম
ভালপোৱা আৰু আবেগৰ গান ...
কেতিয়াবা সময় পালে দূৰৰ পৰাই কৈ দিব
মোৰ কবিতাৰ কিমান দাম ....।
০০০০



# ড° ভূপেন হাজৰিকা

হেমা শইকীয়া
স্নাতক, তৃতীয় যান্মাসিক

যাৰ জীৱন-ছবি গানেৰে অঁকা
সৃষ্টিত জিলিকিছে তেওঁৰ
জোন-বেলি-তৰা সাগৰ-মহাসাগৰ
আৰু সেউজীয়া ধৰা।
ধন্য আমাৰ মাতৃভূমি
তোমাৰ অকৃত্ৰিম পৰশত,
অসমীয়া জাতিৰ দাপোন তুমি
বিশ্ব দৰবাৰত।
কান্দিছে হিয়াই আমাৰ
গাই তোমাৰ গান,
তোমাৰ অবিহনে আমি যেন
একোটা নিৰ্জীৱ প্ৰাণ।
অদ্বিতীয় তুমি, অকল্পনীয় তুমি
আৰু অনন্যও তুমি।
তুমি বৰ্তমান, অতীত তুমি
ভৱিষ্যৎ তুমি
অমৰ তুমি
তুমি চিৰজ্যোতিষ্মান।
০০০০

# তীখাৰ আঙুলি

**মুকুট আলী**
স্নাতক, প্ৰথম ষান্মাসিক

ওৰেটো নিশা
বৰষুণত তিতি বুৰি
আয়নাত চালো
নিজৰ দেহটো;
মই নাই!
আৰু মোৰ
চৌপাশেৰ কোলাহল।
বৰষুণে ধুই নিছিল
সমগ্ৰ জোনাক
আৰু
হৃদয়ৰ কমনীয়তা।
আয়নাখন আকৌ চালো,
সিপাৰে - মৰি আছে জোনাকবোৰ!
সময়বোৰে কান্দিছে
কিযে বেসুৰা কণ্ঠ!
এইবাৰ আকৌ
আকৌ এবাৰ চালো আয়নাখন
নিস্তেজ সময়ৰ বুকুত উজ্বলি আছে
কেইটোপালমান ৰঙা বৰষুণ
আৰু
কেইটামান তীখাৰ আঙুলি।
০০০০



# সোণালী পখীটি

**অংকিতা ভৰালী**
উচ্চতৰ মাধ্যমিক, প্ৰথম বাৰ্ষিক

সোণালী পখীটি,
তোমাৰ সোণালী
কণ্ঠৰ পৰা
নিগৰি আহক
ধীৰ গতিৰে
ছন্দোময় সুৰৰ নিজৰা।
সুৰে সুৰে প্লাবিত হওক
এই বসুন্ধৰা।
সোণালী পখীটি,
তুমি আমালৈ
আনিবা বতৰা
দুষ্কৃতি নাশি
সংস্কৃতিৰ পূজা
তুমিহে কৰিব পাৰা।
এন্ধাৰ বিনাশী
জ্যোতিৰ শিখাৰে
উদ্ভাসিত হওক এই ধৰা।
সোণালী পখীটি,
তোমাৰ অমাতৰ
মাত মৌ নিগৰা।
ছন্দে ছন্দে তুমি
গীতৰ কণ্ঠেৰে
সুৰৰ সেতু ৰচনা কৰা।
সুৰে সুৰে আজি
নামি আহক
হিয়াৰ বতৰা।
০০০০

# সপোন

**কৰিশ্মা সৰকাৰ**
উচ্চতৰ মাধ্যমিক, প্ৰথম বৰ্ষ

প্ৰতিশ্ৰুতিৰ ধুমুহাত
দিৱা নিশা একাকাৰ হয়।
ৰামৰাজ হ'ব বুলি
উৰুখা পজাত বহি,
জেতুকী বুঢ়িয়ে সাজে
স্বপ্নৰ প্ৰসাদ
ৰামৰ মুখা পিন্ধি
ৰাৱন গাদীত বহে।
জেতুকীয়ে বুকুত খেপিয়ায়
হেৰুৱা সোণটিক।
দগমগীয়া ৰঙা কপালখনো
স্বাধীনতাৰ নামতেই উকা হৈ ৰ'ল।
তথাপি নিৰ্বাচন আহে
প্ৰতিশ্ৰুতিৰ বৰ্ষা নামে,
জেতুকীয়ে ফুৱাই দিয়ে
তুঁহ জুইকুৰা,
কিজানিবা দেখা পাই
ৰামৰ মুখা;
তুঁহ জুইত হাত সুমুৱাই
ৰাৱণক এশিকনি দিয়াৰ সময় যে এয়াই
০০০০০



# শৰতৰ জোনাক নিশা

**মৌচুমী ডেকা**
উচ্চতৰ মাধ্যমিক, দ্বিতীয় বাৰ্ষিক

শৰতৰ জোনাক নিশা
সৰে শেৱালী,
মন মোৰ উন্মাদ
যমুনাৰ বালিত।
কানুৰ বেণুৰ সুৰত
উন্মাদিনী যমুনা
দুবৰি দলিচাখনিত
নিয়ৰ টোপালবোৰে
গাঁথিছে মুকুতাৰ মালা।
অতীতৰ হেৰুওৱা দিন বোৰ
যেন বিচাৰি পাওঁ আজি
শৰতৰ এই জোনাক নিশা।।
০০০০



## ফাগুন

**প্ৰিয়ংকা কৰ্মকাৰ**
তৃতীয় ষাণ্মাসিক

গছৰ লঠঙা ডালত
পলাশ মদাৰ ফুলিছে,
ধূলিয়ৰি বাটবোৰত দ'ম দ'ম
শুকান পাতৰ খৰখৰণি
মোৰ চঞ্চল মনত হেঁপাহবোৰে
নতুনকৈ ঘৰ সাজিছে
সেউজ সপোনবোৰ জীপাল
কৰিবলৈ ধৰালৈ নামিছে
ফাগুন!
০০০০০

## ব'হাগ

**ৰীতা বড়ো**
উচ্চতৰ মাধ্যমিক, দ্বিতীয় বৰ্ষ



ব'হাগৰ প্ৰথম দিনকেইটাৰ মাজতে
মাকৰ ঘৰলৈ যোৱা বৰদৈচিলাজনীয়ে
লৈ আহে প্ৰাচুৰ্যময় বসন্ত।
বসন্তৰ পৰশত প্ৰকৃতি হৈ উঠে
ঐশ্বৰ্যশালী,
অনুভৱী হৃদয়ক আলোড়িত কৰি
সঞ্চাৰিত কৰে ন উন্মাদনা!
বুকুত বাজি থাকে
অনাবিল প্ৰশান্তিৰ বতৰা..
অবুজ শিহৰণ আৰু...
বসন্তৰ ৰঙৰ প্লাৱন ......।।
০০০০০

## নিৰ্যাস

**প্ৰিয়ংকা কলিতা**
স্নাতক, পঞ্চম ষাণ্মাসিক

কোনে দিব পাৰে নিজৰ পৰিচয়
নিজান নিৰিবিলিত?
সকলোৱে দেখে সপোন
কিন্তু, বাস্তৱৰ কোলাহলত
পৰি ৰয় ইয়াৰ ধ্বংসাৱশেষ।
হিংসা, বিদ্বেষ, ঠগ-প্ৰবঞ্চকেৰে
গোটেই সমাজখনেই আজি পৰিপূৰ্ণ
কেনেকৈ সুৰক্ষা দিম নিজক
তাকে ভাৰি ৰচিছোঁ বহু নীতি
বিবেক দেখুওৱা নিজৰ শক্তি
আন্ধাৰক ঠেলি আহা, পোহৰলৈ কৰোঁ গতি।
০০০০

## মৰম

**দিপান্বিতা দাস**
স্নাতক, তৃতীয় ষান্মাসিক

মৰমে বিচাৰে
মাথোঁ মৰমক সদায়,
মৰমক নিদিবা
কেতিয়াও বিদায়।
কলিজাৰ তেজেৰে
শলিতা জ্বলাই,
মৰমক ৰাখিবা
চিৰদিন জীয়াই।।
oooo

## জীৱনৰ এটি কবিতা

**দিপালী বৰা**
স্নাতক, পঞ্চম ষান্মাসিক

বেদনাবোৰ আগত লৈয়ে লিখিলো
এটি জীৱনৰ কবিতা,
সপোনবোৰ জানো দিঠকত পৰিণত হ'ব?
জীৱনটো যদিও কষ্টকৰ
তথাপি দুখবোৰ ঠেলি
নিৰ্জীৱ শিলত লেখি
এটি নতুন জীৱন গঢ়াৰ আশাৰে
হাঁহি কান্দোনৰ পথত
বৰ্তমানত অতীতৰ ৰূপ দি
সাজু হলো মই জীৱন যুঁজত।
oooo

## মিনতি

**সুপ্রিয়া সূত্ৰধৰ**
স্নাতক, দ্বিতীয় ষান্মাসিক

পদপথত পৰি থকা
নাঙঠ আৰু ভোকাতুৰ শিশুৰ দৰে
মোৰ বুকুখন কঁপে।
আশীৰ দেওনা পাৰ কৰা
মই এক অশীতিপৰ
বৃদ্ধ।
সংবিধানে দিয়া মোৰ নাম ঃ
মই দেশৰ জ্যেষ্ঠ নাগৰিক।
মোৰ দেহৰ শিৰাই-উপশিৰাই
অভিজ্ঞতাৰ সঞ্চয়ী ভঁৰাল।
জীৱনৰ তাড়নাত,
মোৰ কণ্ঠেৰে নিগৰে,
কৰুণ কাকূতি-ঘোষা।
দিয়া, মোৰ বুকুৰ শূন্য কলহটো
পূৰাই দিয়া।
অলপ জীৱনী শক্তিৰে,
মোক এটুকুৰা জীৱন দিয়া ........
স্থবিৰ হৈ পৰা মোৰ
ভৰি দুখনত
অলপ গতি দিয়া .......
মৰুভূমিৰ দৰে মোৰ
শুকান চকুযুৰিত
অশ্রুৰ বন্যা দিয়া ..........
অলপ শান্তি, অলপ হাঁহি, অলপ অশ্রু,
মোক অলপ জীয়াই থাকিবলৈ
দিয়া ..........
oooo

# মাতৃভূমি

গণেশ মণ্ডল
প্ৰথম ষান্মাসিক

তোমাৰ কোলাতে ললোহি জনম
হে অসমী আই
তোমাতকৈ প্ৰিয় আজি মোৰ হৃদয়ত
আন কোনো নাই।
বৰেবৰণীয়া হৈ আছো একেলগে
নানা জাতি-উপজাতি
ৰক্ষা কৰিছো আমি নিজস্ব ধৰ্ম
বজাই ৰাখি সংহতি।
প্ৰীতিময় আমাৰ অসমী আই
শান্তিৰ সমাবেশ
একতাৰ দ্বাৰা আমি বিশ্বত এদিন
গঢ়িম অভিলেখ।
শান্তি সমৃদ্ধি মিলা-প্ৰীতি কিছুমানে
নোৱাৰে সহিব
তেনে লোকে আমাৰ মাতৃভূমিক
কৰিছে ধ্বংস।
আমি যদি হওঁ আই তোমাৰ
প্ৰকৃত সন্তান
প্ৰাণ দি হ'লেও ৰক্ষা কৰিম আই
তোমাৰেই সন্মান।



# মই এজন ভাগৰুৱা পথিক, স্বপ্না মজিকা

ৰুবেদিনা আখতাৰা
স্নাতক, দ্বিতীয় ষান্মাসিক

স্বপ্না - মজিকা,
মই এজন ভাগৰুৱা পথিক!

স্বপ্না-মজিকা,
মোক আশ্ৰয় দি দি,
তুমিও চাগে অনুভৱ কৰিছা,
মোতকৈও বেছি দুৰ্বলতা।

তথাপিও স্বপ্না মজিকা সুধিছোঁ তোমাক,
মোৰ দীঘলীয়া যাত্ৰাৰ
পৰিশ্ৰমী দেহে, ক'ত হেৰাই পাব .....
কৃষ্ণচূড়াৰ কম্পিত বতাহজাক ........??

স্বপ্না মজিকা,
দীঘলীয়া যাত্ৰাৰে,
মোৰ জীৱনৰ লক্ষ্য পূৰণৰ বাবে,
এৰি থৈ তোমাৰ শীতল পাটি
মই যে তোমাক এৰি যাবই লাগিব!

স্বপ্না মজিকা, আহিম দিয়া
আকৌ কেতিয়াবা,
মাজে মাজে জিৰাবলৈ,
তোমাৰ শীতল পাটিত,
হৈ এজন ভাগৰুৱা পথিক।
*(জাগীৰোড মহাবিদ্যালয়ৰ ছাত্ৰী-নিবাস স্বপ্না-মজিকাক সুঁৱৰি)*
০০০০

## জীৱন

**ৰাম প্ৰসাদ পাল**
স্নাতক, দ্বিতীয় ষান্মাসিক

মৃত্যুৰ মুখৰ ফালে আমি সকলো
অবিৰত ভাৱে গৈ আছো আগুৱাই
শত সহস্ৰ বাধাইও
দিব নোৱাৰে আগভেটা
নদীৰ দৰে যেন ই এক প্ৰবাহিত সোঁত।
নিৰ্জীৱতাই যাৰ গতি
মৃত্যুৱেই পৰিণতি
তাৰে নাম জীৱন।

জীৱন মাথোঁ আহে এবাৰ
আশা বাঢ়ে আশা ভাঙে
দুদিনীয়া সংসাৰলৈ আহি
আমি দিওঁ মাথোঁ ভাও জীৱন ভাওনাত।
০০০০



## ফাগুন

**জয়ামণি টেৰণ**
উচ্চতৰ মাধ্যমিক, দ্বিতীয় বৰ্ষ

ফাগুণ, কিয় এনেকুৱা তই
নিষ্ঠুৰ কপট-হৃদয়হীন অবুজ,
কিয় নাপাৱ বুজি
মোৰ হিয়াৰ আকুলতা,
সৰল আৱাহন,
কিয় নোৱাৰ তই পুৰাবলৈ
বুকুৰ শূন্যতা ....।।
মাথোন হেতালি খেল যে
আৱেগোদ্বেলিত হিয়াক লৈ।।
ফাগুণ, তথাপিও আকুল মই আজিও
তোকেই বিচাৰি, কেৱল তোক।
হিয়াৰ কোঠালি সজাওঁ
মাথোঁ তোৰ বাবেই;
কাৰণ .....
তয়েই যে কঢ়িয়াই আন
মোৰ সেউজীয়া সপোনবোৰ,
- ছন্দহীন জীৱনলৈ ছন্দ।।
০০০০০

## দুৰ্বল নহ'বা!

**উপেন চন্দ্ৰ ডেকা**
কৰ্মচাৰী (জাগীৰোড মহাবিদ্যালয়)

তোমাৰ মাজতে কৰিছে ঈশ্বৰে বিৰাজ
ঈশ্বৰে গঢ়িছে, দুৰ্বল হ'বলৈ নহয়!
দুৰ্বলজনে হেৰুৱায় শান্তি মনোহৰ
সৰলজনৰ জীৱনত কিন্তু শান্তি অবিনশ্বৰ।
সাহসেৰে দুৰ্বলক কৰা জয়
সত্যত থাকিলেই শত্ৰুৰো হয় লয়
সত্যই সাহস, সাহসেই আনে প্ৰগতিৰ পথ
সত্যত থাকি সাহসেৰে চলোৱা
তোমাৰ জীৱন ৰথ।
০০০০

## জীৱন

**ৰিন্টি পাণ্ডে**
স্নাতক, প্ৰথম ষান্মাসিক

জীৱন নহয় কেৱল সুখৰ বাবে
দুখেও ল'ব পাৰে থিতাপি
নপাৰিবা তুমি দুখত ভাগি,
সুখ-দুখক কৰা জীৱনৰ লগৰী।
কৰা তুমি জীৱন-যাত্ৰাৰ শুভাৰম্ভণি।।

দুদিনৰ এই জীৱন, মিছা মৰীচিকা
এই আছে, এই নাই
মৃত্যুক্ষণত্রে মানৱে কৰে মিথ্যা অভিমান।

মৃত্যুশয়নৰ হ'বা তুমি যাত্রী
অহংকাৰত নহয় লাভ তোমাৰ
মৃত্যুটো ৰাখি যোৱা স্মৃতি
তেহে হ'ব গুণগান তোমাৰ।

আনৰ সুখত সুখী, আনৰ দুখত দুখী
দুখতো নেৰিবা লগ
বিপদত সহায় কৰাজন সঁচা বন্ধু
তোমাৰ, জানিবা নিশ্চয়।

নকঁবা একো কথা
যিয়ে দিয়ে আনক দুখ
কিয়নো, আনক কৰি দুখী
নিজে তুমি নোহোৱা সুখী
জানি ৰাখা এই কথা নিশ্চয়।
০০০০





## ভূপেন মামা আকৌ এবাৰ উঠা

**ৰুণিমা ইংতি**
স্নাতক, প্ৰথম ষান্মাসিক

ভূপেন মামা, আকৌ এবাৰ উঠা
এতিয়াও বাকী আছে তোমাৰ বহু গান গাবলৈ
অসমীয়া জাতিটো জগাই তুলিবলৈ,
বহু গান ৰচিবলৈ ..........

ভূপেন মামা, উঠা আকৌ এবাৰ
চিঞৰি চিঞৰি গোৱা তুমি
তোমাৰ প্ৰাণ পৰশা যুগান্তকাৰী গীতবোৰ।
- যিবোৰ গীতত আছে জাতিৰ বাবে ভৱিষ্যৎ বাণী
শেতেলী এৰিব নোৱাৰা টোপনি গধুৰ অসমীয়াসকলৰ বাবে।

হে সংগীত সূৰ্য ভূপেন মামা, শুনিছানে তুমি?
তুমি উঠা। নহ'লে যে অসমীয়া জাতিটো নিঠৰুৱা হ'ব .........
আৰু হয়তো নিজকে অসমীয়া বুলিও পাহৰি যাব .........

তুমি উঠা ভূপেন মামা,
আকৌ এবাৰ উঠা ..........।
০০০০

# আমি গৌৰৱান্বিত

## মহাবিদ্যালয়ৰ ছাত্ৰী নাৰ্জু বেগমলৈ 'কবিতাৰ দিন' বঁটা



জাগীৰোড মহাবিদ্যালয় আলোচনীৰ ২০১১-২০১২ বৰ্ষৰ সংখ্যাত প্ৰকাশিত এটি কবিতাৰ বাবে মহাবিদ্যালয়ৰ তৃতীয় ষান্মাসিকৰ ছাত্ৰী নাৰ্জু বেগমে লাভ কৰিছে নৰকান্ত বৰুৱা ফাউণ্ডেশ্যন আৰু পয়েত্ৰী পীচ ফ্ৰেইণ্ডশ্বিপৰ যুটীয়া উদ্যোগত আয়োজিত কবিতাৰ দিনৰ লগত সংগতি ৰাখি প্ৰৱৰ্তন কৰা নৰকান্ত বৰুৱা সোঁৱৰণী কবিতাৰ দিন বঁটা ২০১৩। নাৰ্জু বেগমৰ এই কবিতাটিৰ শিৰোনামা আছিল 'অকলে-অকলে'। উল্লেখযোগ্য যে এটা বছৰত প্ৰকাশ পোৱা মহাবিদ্যালয়ৰ আলোচনীসমূহত ঠাই পোৱা কবিতাসমূহৰ পৰা শ্ৰেষ্ঠ এটি কবিতা বাচনি কৰি কবিগৰাকীক উক্ত বঁটাৰে সন্মানিত কৰা হয়। ২৯ ডিচেম্বৰ, ২০১৩ তাৰিখে গুৱাহাটীৰ লক্ষ্মীৰাম বৰুৱা সদনত উদ্‌যাপন কৰা 'কবিতাৰ দিন' অনুষ্ঠানটিত নাৰ্জু বেগমক উক্ত বঁটাৰে সন্মানিত কৰা হয়।

নাৰ্জু বেগমে লাভ কৰা এই সন্মানে জাগীৰোড মহাবিদ্যালয়ৰ সমূহ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ ছাত্ৰীকে আহ্লাদিত কৰিছে। ছাত্ৰীগৰাকীলৈ অভিনন্দন জনোৱাৰ লগতে তেওঁৰ কাব্য প্ৰতিভাৰ উত্তৰণ কামনা কৰি মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতিয়ে আটাইৰে হৈ তেওঁলৈ যাঁচিছে শুভ-ইচ্ছা। লগতে এই সংখ্যাত পুনৰ্মুদ্ৰণ কৰা হ'ল 'কবিতাৰ দিন' বঁটাৰে বাবে বিবেচিত হোৱা তেওঁৰ কবিতাটি।

### অকলে অকলে

অকলে অকলে কেতিয়াবা  
ল'ৰালি ল'ৰালি খেলো,  
ল'ৰালিলৈ বেছি দূৰ নহয়  
যিমান মৃত্যুলৈ।

তেনেকৈয়ে ভাবো -  
অকলে অকলে কেতিয়াবা  
ভাল লগা কথাবোৰ ভাবো,  
ভাল লগা কথাবোৰ নাথাকে বেছি সময়  
দুখ লগা কথাবোৰে  
ভিৰ কৰেহি মন গহনত।

আচলতে অকলে অকলে কেতিয়াবা  
গুচি যাওঁ একাষৰীয়া হৈ,  
ভাল লগা মুহূৰ্তৰ স্মৃতিয়ে  
পাতলাব নোৱাৰে সকলো।  
বেছি দূৰৈততো জ্বলা নাই জুই  
ধোঁৱাই ছানি ধৰা আকাশ।  
অকলে অকলে কেতিয়াবা হেৰাই যাওঁ  
আৰু নিৰন্তৰ বিচাৰি ফুৰো নিজকে।।

# সমবেত কন্ঠৰ গীত

**পবন চন্দ্ৰ গগৈ**
অধ্যাপক, শিক্ষা বিভাগ

(১)
বান ভেটিবলৈ আহ অ'
হিলদল ভাঙি আহ অ'
খোজৰ ভৰত কঁপক মাটি
জাকে জাকে আহ অ'
জীৱন আছে আশা আছে
বাধা নাশি আহ অ'।।

আকাশ আমাৰ পথাৰ আমাৰ
মাটি আমাৰ প্ৰাণ
এই মাটিতেই জীৱন তৰোঁ
ধানেই আমাৰ মান।
যা যা যা যা আঁতৰি
কোন পিশাচী বান
তই নাহিবি বান
আৰু নাহিবি বান
যা গুছি যা বান।।

০০০০০

*(গুৱাহাটী বিশ্ববিদ্যালয় যুৱ মহোৎসৱ, ২০১২ ৰ সমবেত গীতৰ প্ৰতিযোগিতাত তৃতীয় স্থান প্ৰাপ্ত)*



(২)
বন্তি জ্বলাওঁ আঁহা
আজি আঁহা
বন্তি জ্বলাওঁ আঁহা।
অজ্ঞানতাৰ আউসী এন্ধাৰ
আঁতৰাওঁ আজি আঁহা
সমাজৰ যত কলুষ কালিমা
নাশিবলে আজি আঁহা।
পোহৰে মেলিব পাখি
আনিব নতুন গতি
জীৱনলৈ নৱ ছন্দ আহিব
আশাৰ বাঁহীটি লৈ আঁহা।।

এন্ধাৰ দিনৰ যত সোঁৱৰণী
যোৱাহে পাহৰি
নতুন প্ৰভাত আহিবই নামি
আনাহে আদৰি
পোহৰে মেলিব পাখি
আনিব নতুন গতি
সতেজ ফুলেৰে সন্মুখ আছে ভৰি
বোটলোঁ আজি আঁহা।।

০০০০০

*(এই গীতটি ২৯ অক্টোবৰ, ২০১৩ তাৰিখে সদৌ অসম কলেজ কৰ্ম্মচাৰী পৰিষদৰ অষ্টম বাৰ্ষিক অধিবেশনৰ (জাগীৰোড কলেজ) মুকলি সভাত পৰিবেশিত হৈছিল।*


Art of Van Gogh

# ENGLISH
## *Section*


- Positive Mental Health for Students/ Jyotika Mohan/ 85
- Memories of a Time when I could make my College Proud/ Rajashree Bordoloi / 86
- Swami Vivekananda The Great Spiritual Leader/ Chayanika Dasgupta / 87
- Plasma : Fourth State of Matter/ Rajesh Ghosh / 88
- Time / Shabnam Sultana / 89
- A bird's eye view on Indian Women Writing in English/ Reema Boro /90
- Hope Never Dies / Manika Tarafdar / 91
- A Tribute to My Friend : Dr. Jyotirmoy Das Choudhury/ Munindra Tahbildar / 92
- E-Learning: What is it and why?/ Sangeeta Kakoty / 94
- Economic Benefits of Tourism : Jagiroad at a Glance/ Shapna Medhi / 96
- The Neo-Vaishnavite Satra and its Present Scenario in Assam/ Sumu Gogoi / 98
- Electron's Negativity can be Cut in Half/ Prasenjit Biswas / 100
- Biotechnology/ Jasmine Longchar / 101
- Electronic Media and Blasphemy/ Arunava Kalita / 102
- First Human on the Moon/ Lokesh Das / 103
- My Trip to Barc/ Jyoti Prasad Biswash / 104
- National Park & wild life Sanctuaries of Assam/ Silpisikha Mahanta / 105
- Swami Vivekananda : the Friends of all/ Sampa Rani Sen / 108
- "Bird Watching" As an Alternative Tourism Spot/ Ume Kulsum Rohman / 110
- Cell-Phone Radiation, a Micro-level Killer/ Prabir Banerjee / 112
- Reminiscing Gradma's tales/ Stuti Goswami / 114
- Baideu/ Dr. Sohail Ahmed / 117
- Life is very precious/ Susma Chetri / 118
- Just Bloom!/ Dhriti Basfor / 118
- Moral Values and "Scientific Education"/ Pinaki Goswami / 119

# POSITIVE Mental Health for Students

**Jyotika Mohan**
Fifth Semester, TDC

Health is wealth, because it is a constant source of happiness & pleasure. Mental health is one of the important components of human health. Sound health is a state of maintaining harmony or balance between the needs, desires, aspirations & attitudes of the individual with respect to the prevailing conditions in the external environment.

The World Health Organization (WHO) defines mental health as a state of welbeing in which the individual realizes his or her own abilities, can cope with the normal stresses of life, can work productively & fruitfully & able to make a contribution to his or her community.'

**Signs of poor mental health :-**

As human beings, we are required to maintain sound health. However, we develop certain behaviour & habit which can lead to a poor state of mental health. Such behavior range from mild irritation to suffering from anxiety, stress & depression etc.

The main disorders which indicate poor mental health are as follows :-

i) Haphazard & disorganized daily life routine.
ii) Short-tempered & irritating behaviour
iii) Anger & aggressive behavior
iv) Restlessness
v) Increased or poor appetite & indigestion.
vi) Irregular sleeping pattern such as insomnia, disturbed sleep on narcolepsy (excess sleep)
vii) Poor interpersonal relationships.
viii) Negative attitude toward self & others.
ix) Withdrawing from relationships.
x) Irregular & abnormal physiological conditions (eg. blood pressure, heart palpitation & irregular pulse rate)
xi) Excessive use of drugs (eg. alcohol, tranquillizers & hallucinogens)
xii) Cigarette smoking & use of tobacco in other forms.

**Significance of the issue :-**

We all know that due to the advancement in technology & the influence of globalization, remarkable changes are taking place in the society as well as in our life styles. Over industriali-zation, privatization & urbanization, unhealthy competi-tion, corruption & crimes have emerged in the society in such a way that these have created a new fear of uncertainty & insecurity, confusion & conflict, stress & anxiety among our young adults. This has led to a very serious threat to our values & to our social environment. In this situation, our new generation & the student's community in particular, have become victims of mental ill health & abnormality.

To face this challenge, the best option would be to develop positive mental health among our students though appropriate ways & means without delay.

# Memories of a Time when I could make MY COLLEGE PROUD



**Rajashree Bordoloi**
TDC, Fifth Semester

I was in class twelve, when I first heard about the Gauhati University Youth Festival. I longed to have more information and I came to know that it is a kind of talent search programme. Students from various colleges come together to display their talents. After that I became very eager to be a participant of the G.U. Youth Festival.

I am thankful to my destiny, as ultimately I could be part of a group of twenty students of our college, which went to join in various events of the Festival. Srijut Paban Ch. Gogoi, Srijut Ratumoni Das, Srijut Himangshu Haloi and Madam Labhita Sarma were our guides. I could impress the judges with my performances in almost every event. I was awarded the "Best Singer Medal (2011)". Success led to more success and I was able to bag the Best Singer award for the second time subsequently. For all my success, I wish to record my sense of grateful to our In-Charge (In-Charge of the cultural cell) Prof. Poban Ch. Gogoi.

It was a great and memorable experience in my life. I was full of excitement, mainly because with my achievements, I could make my college proud. Excitements redoubled when I returned from the University. I was greeted with a warm welcome by our Principal and the entire College Staff and of course, by all the students of the college. I felt, as if I was on the top of the world that day.

I will always cherish the fond memory of these days in my life.





# SWAMI VIVEKANANDA
## The Great Spiritual Leader

**Chayanika Dasgupta**
H.S. 1st year

Swami Vivekananda was born with an extra ordinary personality. He had a luminous life, as it was full of many great deeds.

"Money does not pay, nor name, fame that can cleave adamantine walls of difficulties." This was what Swamiji said. But in today's world, we see only money is playing a very dominant role. People are prepared to do anything for money, they can go to any extent for it and they are least bothered about the means. They are busy in amassing wealth even at the cost of the peace of others. Adulteration, cheating, bribery, theft, scams, scandal, dowry, harassment, robbery, exploitation are rampant everywhere. Now-a-days, people don't think of life giving, they think of robbing other's life. Surprisingly it is perpetuated by also a section of the so-called educated people. As if in the modern educational system, there is no scope for the development of the heart.

Actually it is no use blaming others, when we ourselves cannot change them. Today we the youths of not only India but of the whole world must develop tremendous will power to resist these evils. Keeping quiet is not great virtue. We need positive force to spread good ideas. Swami Vivekananda wanted young people to shoulder this responsibility. He said - "My hope of future lies in the youths of character - intelligent, renouncing all for the service of others and obedient that can sacrifice their lives in working out my ideas and thereby do well to themselves and the country at large."

Swamiji was really an inspiration for today's youth. He was not an ancient mythical god or a legendary hero, but he was one who lived in the modern age and acted and reacted with the modern world, with all its problems and prospects. He was the personality who always gave great importance in character building. He wanted the youth to be the youth of character. He said - "we have seen that it is the subjective world that rules the objective, change the subject and the object is bound to change; purify yourself and the world is bound to be purified. This one thing is required to be taught now more than ever before. We are becoming more and more busy about our neighbours and less about ourselves. The world will change, if we change. If we are pure, the world will become pure. The question is; why I should see evil in others. I cannot see evil unless I be evil. I cannot be miserable unless I am weak."

Swami Vivekananda is the architect of modern India. He had the firsthand knowledge about the Indian people. He went round the whole country as a wandering monk. He was shocked to see everywhere emaciated and physically weak youth. What was his advice to them? "Be strong my young friends; that is my advice to you. You will be nearer to heaven through football than through study of Gita. You will understand Gita better with your biceps, your muscles, a little stronger. You will understand the mighty genius and the mighty strength of Krishna better with a little stronger blood in you."

Dear youth, how long will you sleep? Get up, give up all that is degrading you and respond to the clarion call of Swami Vivekananda and your life will be blessed.

■

# PLASMA :
## Fourth State of Matter

**Rajesh Ghosh**
T.D.C. 2nd Semester

In physics, usually gaseous state of matter in which a part or all of the atoms or molecules are dissociated to form ions, in such a condition plasmas are formed. Plasmas consist of a mixture of neutral particles, positive ions and negative electrons. A plasma is a conductor of electricity, but a volume with dimensions greater than the debye length exhibits electrically neutral behaviour. At a microscopic level, corresponding to distances shorter than the Debye length, the particles of a plasma do not exhibit collective behaviour but instead react individually to a disturbance, e.g. an electric field.

On the earth, plasmas usually do not occur naturally except in the form of lightning bolts, which consist of narrow paths of air molecules of which approximately 20 percent are ionized and in parts of flames. The free electrons in a metal can also be considered as a plasma. Most of the universe, however, consists of matter in the plasma state. The ionzation is caused either by high temperatures, such as inside the sun and stars, or by radiation, such as the ionzation of inter-steller gases or closer to the earth, the upper layers of the atmosphere producing the aurora.

Plasmas can be created by applying an electric field to a low-pressure gas, as in neon or fluorescent tubes. A plasma can also be created by heating a neutral gas to very high temperatures. Usually the required temperatures are too high to be applied externally, and the gas is heated internally by the injection of high speed ions or electrons that collide with the gas particles, increasing their thermal energy. The electrons in the gas can also be accelerated by external electric fields. Ions from such plasmas are used in the semiconductor industry for etching surfaces and otherwise altering the properties of materials.

In very hot plasmas the particles acquire enough energy to engage in nuclear reactions with each other during collisions. Such fusion reactions are the heat source in the sun's core, and scientists are trying to create artificial plasmas in the laboratory in which fusion reactions would produce energy for the production of electricity.

■



# TIME

**Shabnam Sultana**
T.D.C. 5th Semester

Time is not something you can see or touch. You can only teli that time passes because other things change which indicates you that there is a past, present and future.

Time that is past happened already. Time that is present is happening right now. The future is the time which has not happened yet.

In ancient days, people took cue from the rising and setting of the sun to tell the time. They needed to know when it would be light and when it would be dark. To them, when the sun rose it was daytime, when the sun set it was night time and when the sun was at its highest point in the sky, it was noon, halfway through the day.

People also used the seasons for guessing time, long ago. They knew that there is winter and summer. They needed to know when to plant crops, and when to gather food for the winter.

People also studied the movement of the sun. They used the sun to tell when the summer began. They called the time 'a year' counting from one summer to another. They counted up the number of days that made up a year and came up with numbers close to 365.

Ancient people also saw that the moon seemed to change its shape in a cycle that lasts 29 days. They called this time a month.

Ancient Babylonians in the Middle East may have been the first people to divide a day into 24 hours. They invented the sun dial around 2000 BC, to tell the passing of the hours during daylight. A sun dial is a disk with a triangle - shaped piece sticking up in the middle. The triangle casts a shadow that moves around the sun dial's disk as the sun moves across the sky.

The Babylonians put markings on the disk to show where the shadow would be in each hour. People also used hourglasses to tell time. An hourglass had two containers with a narrow connection between them. They watched how long it took time for water and sand to pour from one container to another.

People learned to divide hours into minutes, minutes into seconds. There are 60 minutes in an hour and 60 seconds in one minute.

Hour, minutes and seconds are the same amount of time anywhere on Earth. But the Earth is divided into 24 time zones. The time zones look like slices on a beach ball. There is an one - hour difference between each time zone and the one next to it.

■

A bird's eye view on

# Indian Women Writing in English

**Reema Boro**
B.A., 5th Semester

Indian women writing in English is being recognized as one major contemporary current in English language literature. The likes of Salman Rushdie, Amitav Gosh and Anita Desai have won worldwide acclaim for the quality of their writing and for their imaginative use of English. This speaks of the role of English as global lingua franca and its position in India. The Indian writers in English are writing in none of their native languages but in a second language, and it affects a trans-cultural character in their works.

Traditionally, the works of Indian women writers have been undervalued due to the patriarchal preoccupations of the male-dominated society.

The majority of the novels written by Indian women writers depict the psychological sufferings of the frustrated homemakers. This subject matter is often considered superficial compared to the depiction of the repressed and oppressed lives of women. Indian women writers now have started questioning the prominent old patriarchal domination. They no longer remains mere puppets in the hands of man. They have shown their worth in the field of literature both qualitatively and quantitatively. Many Indian women novelists have explored female subjectivity in order to establish their identity.

The image of women in fiction has undergone a change during the last four decades. Women writers have moved away from traditional portrayals of enduring self-sacrificing women beyond conflicts, female characters do search for identity. In recent India, women's writings are based upon delineation of inner life and subtle interpersonal relationships. In a culture where individualism and marital bliss and the women's role at home has been a central focus, it is interesting to note the emergence of not just an essential Indian sensibility but an expression of cultural displacement of women. Now, their presentation is more assertive. The writers are now more liberated in their views and more articulate in their expression than before.

The last three decades have seen emergence of prominent feminists in literature like Shashi Deshpande, Manju Kapur, Arundhati Roy, Anita Desai, Ashapurna Devi, Ismat Chugatai, Bharati Mukherjee, Kamala Markandya, Kiran Desai.

Besides, the women writers have shown interest to make foray into the tribal and rural areas. In these pictures they have expressed their concern for women and their problems. The subjects, they have touched upon do create awareness for the modern women all over the globe.

The variety of subjects handled by them considering Indian environment needs an appreciation. Some of the writers however do not want to claim that they belong to the feminist movement yet their writings suggest that their inner spirit and feelings are for the welfare of the women only.



# Hope never dies

**Manika Tarafdar**
Asstt. Professor, Dept. of Computer Application

People of 21st century often face depression and become desperate at small things. If a businessman has to make some losses or if an MD of a company has to fail to secure a contract or a student has to fail in an exam - they used to get frustrated very easily. Does the life end there itself? No, after every dark night, there is a morning; following sorrow, there is happiness. Happiness and sorrow are the two different sides of the same coin. We should always try for a better tomorrow; no matter, however dark today is.

In this context, a story from Helen Killer's life could be an eye opener for us. Helen Killer was blind, deaf and dumb. But she did not lose her patience and self belief and at the age of 7, she learnt Braille (a system of reading and writing for the blind). And by the time she was 20 years old, she mastered in many subjects. In 1904, she receives a degree from Radcliffe College with honours. She started to write articles and soon became very popular. Had she not been patient and self-confident, she would not have achieved such a success.

ইয়াৰ জেঝিয়াং ৱানলি বিশ্ববিদ্যালয়ত অনুস্থিত হোৱা গণিত বিষয়ৰ আন্তৰ্জাতিক সন্মিলনখনৰ অন্তিম দিনা আয়োজক সমিতিয়ে মিনিষ্ট্ৰি অৱ টুৰিজিমৰ সহযোগত বিদেশী প্ৰতিনিধি সকলক ফুৰাবলৈ নিছিল। পুৱা ৬ বজাতে সাজু হৈ হোটেলৰ বাহিৰত সকলো একগোট হলো। শীত তাপ নিয়ন্ত্ৰিত হোটেলৰ পৰা বাহিৰলৈ ওলাই অহাৰ পিছতে সমগ্ৰ মুখমণ্ডলত হাঁড় কপোৱা ফেৰফেৰীয়া বতাহ অনুভৱ কৰিলো। নিংব' চহৰৰ এইকেইদিনৰ সৰ্বনিম্ন তাপমাত্ৰা -৫ ডিগ্ৰী আৰু সৰ্বোচ্চ তাপমাত্ৰা ১২ ডিগ্ৰী। স্থানীয় মানুহবোৰে বতাহৰ পৰা মুখমণ্ডলক বচাবলৈ মুখত কাপোৰ মাৰি ফুৰা দেখিছিলো। কনফাৰেঞ্চৰ সমন্বয়ক প্ৰফেচাৰ কুন গাৰে চহৰ খনৰ বতৰৰ বিষয়ে আমাক আগতীয়াকৈ জনাই দিছিল। সেয়েহে পৰ্য্যাপ্ত পৰিমাণৰ গৰম কাপোৰ লৈ আমিবোৰে সাজু হৈ গৈছিলো।

তথাপি আজি যেন বেছি ঠাণ্ডা তেনে অনুভৱ হৈছিল। প্ৰথমেই আমাক নিবলৈ আহিল দুখন অত্যাধুনিক চুপাৰ ডিলাক্স বাছ। চীন দেশৰ গাড়ীত চালকৰ আসন বাওঁফালে থাকে। আমাৰ দৰে সোঁহতীয়া ড্ৰাইভিং নহয়। আমাৰ গাড়ীখনত এজনী চুটি-চাপৰ মৰমলগা চীনা গাভৰু, আমাৰ গাইড। গাড়ীৰ চালকৰ আসনৰ পিছফালে বিশেষ ভাৱে সজোৱা এটা চেম্বাৰ। সৰু অথচ সু-সজ্জিত এই চেম্বাৰটোত যাত্ৰী সকলক গাইড কৰিবৰ বাবে প্ৰয়োজনীয় চাউণ্ড চিষ্টেম, টুৰিষ্ট ইনফৰমেচন বুকলেট আদি আটাইবোৰ সুবিধা সংলগ্ন। আমাৰ সকলোকে গাইডে গাড়ীত বহুৱাই লৈ আমাৰ গন্তব্য স্থানলৈ যাত্ৰা আৰম্ভ কৰিলে। কিছুদূৰ যোৱাৰ পিছত সু-প্ৰভাতেৰে আৰম্ভ কৰিলে নিংব' চহৰৰ ইতিবৃত্ত।

চীনৰ সাগৰীয় উপকুলৰ মধ্যভাগত অৱস্থিত নিংব' প্ৰধানত এখন বাণিজ্য নগৰী। সুবিশাল চৌহদেৰে চাৰিখনকৈ বিশ্ববিদ্যালয় থকা নিংব' চহৰৰ নামৰ অৰ্থ হৈছে নিৰ্মল সাগৰীয় বতাহ। (প্ৰথম দিনা নিংব' চহৰত ভৰি থৈয়েই লাভ কৰিছিলো নামৰ যথাৰ্থ থকা নিৰ্মল সাগৰীয় বতাহৰ অনুভৱ)। চহৰ খনৰ মুঠ মাটি কালি ৯,৩৬৫ বৰ্গ কিলোমিটাৰ আৰু মুঠ জনসংখ্যা প্ৰায় দুই লাখ। ইয়াক চীনা সকলে এডুকেচনেল হাব হিচাবে গণ্য কৰে। চহৰ খনক চমুকৈ য়ং বুলিও জনা যায়। ইয়াৰ পৌৰাণিক নাম আছিল মিংজ। চীনা লিপিত লিখা মিং নামৰ শব্দটো দুটা শব্দৰ সমাহাৰ। এই দুয়োটাই চহৰ খনৰ অভ্যন্তৰত থকা দুটা হ্ৰদ সৌৰ হ্ৰদ (Solar Lake) আৰু অৰ্ধগোলাকাৰ হ্ৰদ (Crescent Lack) ক বুজায়। আনহাতে য়ং হৈছে মূল চহৰৰ মাজেৰে প্ৰবাহিত হোৱা এখন প্ৰাখ্যাত নদী। খৃষ্টপূৰ্ব প্ৰায় ৪৮০০শকৰ পৰাই নিংব' চীনৰ এখন উল্লেখযোগ্য নগৰ হিচাপে পৰিগণিত হৈ আহিছে। টাং, চং আৰু কুইং ডায়নেষ্টিয়ে ভিন্ ভিন্ সময়ত ইয়াত শাসন কৰাৰ বিষয়ে বুৰঞ্জীত উল্লেখ পোৱা যায়। ১৬ শতিকাত (১৫২২ চনৰ পৰা) ইয়াৰ লগত পৰ্টুগীজ সকলে বাণিজ্য আৰম্ভ কৰে। প্ৰায় এটা দশক বেহা বেপাৰ চলোৱাৰ পিছত চীন দেশীয় মানুহক অপহৰণ কৰি নিয়া আৰু থলুৱা সম্পদ অন্যায়কৈ হস্তগত কৰাৰ বাবদ পৰৱৰ্ত্তী সময়ত স্থানীয় লোকৰ লগত মনোমালিন্য হয়। ফলত স্থানীয় চীনা প্ৰশাসকে পৰ্টুগীজ সকলক তাৰপৰা উচ্ছেদ কৰি খেদি পঠোৱাত পৰ্টুগীজ সকলৰ লগত হোৱা বাণিজ্যত যতি পৰে। আনহাতে ১৮৪২ চনত চীনা আৰু বৃটিছ সকলৰ মাজত হোৱা প্ৰথম অপিয়াম যুদ্ধৰ পিছত ইয়াৰ শাসন ভাৰ বৃটিছৰ হাতলৈ যায়। আনহাতে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ১৯৪০ চনত জাপানে ইয়াত প্লেগ বেমাৰৰ বীজানু যুক্ত ব'ম পেলাই বিভিষীকাৰ সৃষ্টি কৰিছিল। যুদ্ধোত্তৰ নিংব'ৰ প্ৰকৃতি প্ৰদত্ত সুন্দৰ ভৌগোলিক অৱস্থানক আশিৰ্বাদ হিচাপে লৈ বিশ্ব বাণিজ্যৰ এক প্ৰধান কেন্দ্ৰ স্থল হিচাপে গঢ়ি তুলিবলৈ চীনা প্ৰশাসনে যথেষ্ট ধন বিনিয়োগ কৰিছিল। ইয়াৰ শেহতীয়া উদাহৰণ হৈছে 2008 চনত চীনা চৰকাৰে সাগৰৰ ওপৰেদি নিৰ্মাণ কৰি উলিওৱা ৩৩ কি.মি. দীঘল এখন দলং। নিংব' আৰু চাংহাইক সংযোগ কৰা এই দলং খনেৰে চীনৰ প্ৰখ্যাত চাংহাই মহানগৰলৈ দুঘণ্টাতকৈও কম সময়তে নিংব'ৰ পৰা যাব পৰা হল। উক্ত দলং খনৰ বাবেই এই অঞ্চলে বিভিন্ন দিশত দ্ৰুত উন্নতি লাভ কৰে। ফলত নিংব' চহৰৰ আশে পাশে বিভিন্ন উদ্যোগ গঢ় লৈ উঠি ইয়াক নতুনত্ব প্ৰদান কৰিছে।

ইমানপৰে নিংব' চহৰৰ বিৱৰণৰ মাজত বুৰগৈ থকা আমিবোৰে কেনেকৈ যে আমাৰ গন্তব্য স্থান পালোহি গমেই নাপালো। বাছখন ৰৈ যোৱাতহে আমাৰ হুচ্ আহিল। ইমান কম সময়ৰ ভিতৰতে প্ৰায় ১৭০০ বছৰীয়া পুৰণি চহৰ এখনৰ বৰ্ণনাৰে সকলোকে সন্মোহিত কৰি শুৱলাকৈ কব পৰাটো কম গুৰুত্বপূৰ্ণ কথানে বাৰু? ছোৱালীজনী টুৰিষ্ট গাইড হোৱাৰ বাবে সচাকৈয়ে উপযুক্ত। বেচ প্ৰফেচনেল। আমাক বাছেৰে লৈ আহিল এটা প্ৰাচীন বৌদ্ধ মন্দিৰলৈ, যিটো নিংব' মহানগৰৰ পৰা প্ৰায় 25 কি. মি. দূৰত্বত টিয়ানটং ৰাষ্ট্ৰীয় উদ্যানৰ মাজত বৌদ্ধ ধৰ্মী (চান বৌদ্ধ) লোকসকলৰ পবিত্ৰ টাইবেই পৰ্বতৰ (Taibai Mountain) ওপৰত অৱস্থিত। টিয়ানটং নামৰ উক্ত মন্দিৰটো

প্ৰায় ১৭০০ বছৰীয়া পুৰণা মন্দিৰ। গাড়ীৰ পৰা নামি প্ৰায় ২০-২৫ মিনিটমান সময় খোজ কঢ়াৰ পিছত মন্দিৰৰ চৌহদটো দেখা পোৱা যায়। পাহাৰৰ ওপৰত প্ৰায় ২০০ বিঘা মাটি কালিৰে ই এক সুবিশাল এলেকা জুৰি বিস্তৃত। মন্দিৰটোৰ সুউচ্চ মূল স্তম্ভটো বহুদূৰৰ পৰাই প্ৰত্যক্ষ কৰিব পাৰি। ভালকৈ দেখাৰ পিছতহে আমি অনুমান কৰিব পাৰিলো যে এই মন্দিৰৰ প্ৰতিচ্ছবিটোৰেই আমাৰ কনফাৰেঞ্চৰ বেনাৰত থকা মন্দিৰটো। ক্ৰমান্বয়ে ওপৰলৈ উঠি গৈ থাকোতে আমিবোৰে মাজে মাজে ৰৈ ৰৈ ফটো উঠিবলৈ পিছে নাপাহৰিলো। সমগ্ৰ এলেকাটো অনন্য প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপুৰ। মন্দিৰৰ পিছফালে থকা পাহাৰবোৰে ইয়াৰ সৌন্দৰ্য্যত এক অনন্য মাত্ৰা প্ৰদান কৰিছে। এই পাহাৰ বোৰত বহুতো সৰু বৰ গুহা অৱস্থিত। বিভিন্ন সময়ত খোদিত কৰা শিলাস্তম্ভ আৰু লিপিৰ অস্তিত্ব চৌদিশে দেখা পোৱা যায়। বহুতো দুষ্প্ৰাপ্য তথা মূল্যবান গছ বনেৰে ভৰা এই বৃহৎ এলেকাটোত বিভিন্ন প্ৰজাতিৰ অৰ্কিড পৰ্য্যাপ্ত পৰিমাণে পোৱা যায়। তদুপৰি এই বিস্তৃৰ্ণ এলেকাটো বিভিন্ন প্ৰজাতিৰ চৰাই চিৰিকতি আৰু বনৰীয়া জন্তুৰ বিচৰণ ভূমি। আমাৰ যাত্ৰাপথৰ মাজে মাজে ডাঠ গছবন আৰু মাজে মাজে মুকলি অঞ্চল। আনহাতে গাড়ীৰ পৰা নামি খোজ কাঢ়ি গৈ থকা বাটৰ বাওঁকাষে ওখ ওখ কাক বাঁহৰ লানি নিচিগা শাৰী। মূল চৌহদৰ আধা কিলোমিটাৰমান আঁতৰত ৰাস্তাৰ দুয়োকাষে স্থানীয় লোকৰ সৰু সৰু দোকান।

চৌহদৰ প্ৰথম ভাগতেই প্ৰায় চাৰি বিঘা মাটি কালিৰে এটা বৃহৎ পুখুৰী। শিলেৰে সুন্দৰকৈ বন্ধোৱা পুখুৰীটোৰ চাৰিওফালে দেৱাল দিয়া আছে। সুউচ্চ পাহাৰৰ ওপৰত এনে এটা বিশাল পুখুৰী দেখি আমি আটায়ে সঁচাকৈয়ে আচৰিত হলো। দেখা পালো পানীত প্ৰতিবিম্বিত হোৱা মন্দিৰৰ চূড়া। পাৰতে ৰৈ চৌপাশৰ মনোমোহা দৃশ্য উপভোগ কৰাৰ লগতে নিজৰ নিজৰ কেমেৰাবোৰৰ সদ্ ব্যৱহাৰ কৰিবলৈ নেপাহৰিলো। সেই স্থানৰ পৰা কিছু নিলগত মন্দিৰৰ মুখ্যদ্বাৰ। মন্দিৰৰ মূল দ্বাৰত প্ৰৱেশ কৰাৰ পিছতহে অনুমান কৰিব পাৰিলো যে ই এক স্বয়ং সম্পূৰ্ণ বৌদ্ধধৰ্মীয় শিক্ষানুষ্ঠান। চৌকাষে পাহাৰৰ টিলাত সুদৃশ্য চীনা পৰম্পৰাৰে সুশোভিত বহুতো ঘৰ। এইবোৰত বৌদ্ধ ভিক্ষু সকল থাকে। আমাৰ লগত যোৱা গাইডে আমাক সকলোকে একগোট কৰি মন্দিৰৰ বিৱৰণ দিবলৈ ধৰিলে।

প্ৰায় ১৭ শতিকা পুৰণি টিয়ানটং নামৰ এই বৌদ্ধ ধৰ্মীয় শিক্ষানুষ্ঠান তথা মন্দিৰটো ৩০০ খৃষ্টাব্দত জিন্ ডায়নেষ্টিৰ দিনত সজোৱা। চীনা শব্দ টিয়ানটং মানে দেৱশিশু। অৰ্থাৎ দেৱশিশুৰ মন্দিৰ (Tiantong Temple - Temple of Heavenly Child)। উল্লেখযোগ্য কথাটো হল যে চীন দেশৰ বৃহত্তম বৌদ্ধ মন্দিৰ বোৰৰ ভিতৰত এই মন্দিৰটো অন্যতম। চীনাসকলৰ পাঁচখন পবিত্ৰ তীৰ্থ স্থানৰ ভিতৰত ইয়াৰ স্থান ২য়। চৌকাষে পাহাৰেৰে আগুৰা এই বৃহৎ চৌহদটোৰ পাহাৰৰ এঢলিয়া অংশত সজোৱা ঘৰবোৰ ২০ টা বেলেগ এলেকাত বিভক্ত। আৰম্ভণিতে হেনো এই আটাইবোৰ ঘৰত সৰ্বমুঠ ৯৯৯ টা কোঠা আছিল যিটো বৰ্তমান ৭৩০ টা কোঠাত সীমাবদ্ধ হৈছেগৈ। বৌদ্ধধৰ্মীয় এটা ঠাল কাৱটং (Caotong in China) শাখাটোৰ আৰম্ভণি হেনো ইয়াতেই হৈছিল। তদুপৰি জাপানৰ বৌদ্ধধৰ্মী লোক সকলৰ এটা প্ৰধান শাখা হৈছে জেন (স'ট')। এই শাখাটোৰ উৎপত্তিও হৈছিল এই মন্দিৰতে। ডগেন জেন্ জি নামৰ ২৬ বছৰীয়া তজবজীয়া ডেকা বৌদ্ধ ভিক্ষু এজনে ১২২৭ খৃষ্টাব্দত ৰু জিং নামৰ চীনা ধৰ্মগুৰু এজনৰ ওচৰত ডেৰ বছৰীয়া দীক্ষা গ্ৰহণ কৰাৰ অন্তত জাপানত গৈ ধৰ্ম প্ৰচাৰ কৰিছিলে গৈ। সেয়েহে এই মন্দিৰটোক জাপানী সকলৰ উক্ত জেন (স'ট') শাখাটোৰ অনুগামী লোক সকলে তেওঁলোকৰ অন্যতম এক পবিত্ৰ তীৰ্থ বুলি গণ্য কৰি আহিছে। উল্লেখযোগ্য যে জাপানৰ মুঠ জনসংখ্যাৰ এক তৃতীয়াংশ লোক এই জেন শাখাটোৰ অনুগামী। জাপানৰ প্ৰায় ২০০০ ৰো অধিক বৌদ্ধমঠ কেৱল এই জেন শাখাটোৰ লোকে প্ৰতিষ্ঠা কৰিছে।

মূল মন্দিৰৰ ভিতৰত প্ৰৱেশ কৰি দেখা পালো এক বিশাল মঞ্চ। মঞ্চৰ ওপৰত প্ৰায় ১২-১৪ ফুট উচ্চতাৰ তিনিটা সুউচ্চ ধ্যানমগ্ন সোণালী বৌদ্ধমূৰ্ত্তি। আমাৰ ইয়াত দেখা বৌদ্ধমূৰ্তি বোৰতকৈ সামান্য পৃথক। মই চিকিমৰ বৌদ্ধ মন্দিৰ আৰু অৰুণাচল প্ৰদেশৰ টাৱাঙৰ গোমপালৈও গৈছো। দুয়োঠাইতে কতো তিনিটাকৈ মূৰ্তি একেলগে দেখা পোৱা নাই। তিনিটাকৈ মূৰ্তি একেলগে দেখা পাই মনৰ খু-দুৱনি মাৰ নিয়াবলৈ গাইডক ইয়াৰ বিষয়ে সুধিলো। তেওঁ যিখিনি কলে তাক শুনিহে চকু কপালত উঠিল। এই তিনিজন একেলগে একে সময়তে আৱিৰ্ভাৱ ঘটা বুদ্ধ। তিনিও জনৰে কামৰ বিভাগ সুকীয়া সুকীয়া। এই তিনিওজনে মানুহৰ অতীত, বৰ্তমান আৰু ভৱিষ্যত জীৱনৰ ওপৰত নিয়ন্ত্ৰণ ৰাখে। এজনে পূৰ্বপুৰুষ সকলৰ, এজনে বৰ্তমান জীৱিত সকলৰ আৰু আনজনে ভৱিষ্যতে পৃথিৱীলৈ আহিব লগীয়া সকলৰ দায়িত্বত নিয়োজিত হৈ থাকে। কোনোবাই যদি পূৰ্বপুৰুষৰ মঙ্গল কামনা কৰি আশীৰ্বাদ বিচাৰে তেনেহলে ১নং জন বুদ্ধৰ ওচৰলৈ যাব লাগিব। আনহাতে বৰ্তমান সকলৰ সু-স্বাস্থ্যৰ লগতে সম্পদশালী হব খোজে তেনেহলে ২নং বুদ্ধৰ ওচৰলৈ যাব লাগিব। আৰু যদি নতুনকৈ সুন্দৰ, স্বাস্থবান আৰু তেজস্বী



সন্তান বিচাৰে তেনেহলে তৃতীয় জন বুদ্ধৰ ওচৰলৈ যাব লাগিব। তাত মম জলোৱা লোকৰ শাৰী আমি অৱশ্যে প্ৰত্যক্ষ কৰিছিলো। মম অৱশ্যে মূৰ্তিৰ ওচৰত জলোৱাৰ পৰিবৰ্তে তাত আঠুলৈ আশীষ বিচাৰি বাহিৰৰ এক বিশেষ ঠাইতহে জলাই ছিল। মোৰ কথাবোৰ কিবা খেলিমেলি যেন লাগিছিল। বৌদ্ধ ধৰ্মৰ বিষয়ে জ্ঞান নাই যদিও সৰুৰে পৰাই জানি আহিছিলো যে বৌদ্ধ ধৰ্ম কোনো জন্মান্তৰ বাদত বিশ্বাসী নহয়। যদি সেয়ে হয় তেনেহ'লে অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ বুদ্ধৰ ধাৰণাৰ অৰ্থ কি? তাৰ মানে আমাৰ দৰে ইয়াতো নানা ঋষি নানা মত প্ৰচলিত নেকি? মনত প্ৰশ্ন জাগিছিল, সুধিবলৈও মন গৈছিল। পিছে সময়ৰ নাটনি, আৰু ধৰ্মীয় বিশ্বাসৰ ভিন্নতা মনে মনে স্বীকাৰ কৰি মনৰ প্ৰশ্ন মনতে সামৰি ইফালে সিফালে থকা অন্যান্য মূৰ্তি বোৰ চাবলৈ ধৰিলো। দেখা পালো বুদ্ধ মূৰ্তি কেইটাৰ বাওঁ হাতে মাটিৰ পৰা ৫-৬ ফুট মান ওখ স্থানত একে শাৰীতে সজাই থোৱা আন তিনিটা বিশেষ মূৰ্তি। আকাৰত যথেষ্ট ডাঙৰ এই মূৰ্তি কেইটা দেখাত আমাৰ পৌৰাণিক আখ্যানত থকা অসুৰৰ দৰে। প্ৰতিটো মূৰ্তিৰ বিষয়ে অলপ অলপকৈ তলত স্পষ্টকৈ ইংৰাজীত লিখা আছে। নামবোৰ আমাৰ দেশীয় নামৰ লগত মিল থকা যেন লাগিল। এটাৰ নাম দা ৰেষ্টাৰ্ণ বীৰাপাক্ষ (বা পিলিয়াবক্কা) তলত সংলগ্ন ফলকত চীনা আৰু ইংৰাজীত লিখা আছে এনেদৰে। *The Heavenly King Virapaksa is called Piliubocca (also named as Guangmu). His whole body is of blue colourskin, dressed in amour and helmet and seizing a snake in his hand. Its Sanskrit iransliteration reads "Piliubocca". The word "Piliubocca" means "Open wide eyes". It means we should keep our eyes wide to watch the whole world all the time and take the care of all the people. He lived at white cloud wharf beside the Xumi Mountain. He was respected as an outstanding leader, so he was catching a Red Dragon (named Chisuo) in his hand. He tried to encourage them whom failed to believe in Buddhism to believe in Budha Dharma.'* ওচৰলৈ গৈ ভালকৈ নাম ফলক পঢ়িহে জানিব পাৰিলো যে সেই কেইটা মূৰ্তি আচলতে সৰগৰ দেৱতাহে। বিভিন্ন শক্তিৰ অধিকাৰী জুমি পৰ্বতৰ সিপাৰে ডাৱৰৰ দেশত বাস কৰা এই কেইজনে দেৱতা বুদ্ধ ধৰ্মত বিশ্বাস হেৰোৱা লোকক বিশ্বাস ঘূৰাই অনাৰ দায়িত্বত নিয়োজিত হৈ থাকে। দুখন মান ফটো তুলিলো অসুৰ বুলি ভুল কৰা দেৱতা কেইজনৰ।

এফালৰ পৰা আমিবোৰে চাই চাই গৈ থাকোতে ক্ৰমান্বয়ে আমাৰ দলটো দুজন চাৰিজনকৈ সিচৰিত হৈ পৰিলো। মোৰ লগত মাথো চাৰিজন মানহে ৰলগৈ। তেনেতে জাপানত গৱেষণা কৰা শ্ৰীলংকা

এই তিনিজন একেলগে একে সময়তে আৱিৰ্ভাৱ ঘটা বুদ্ধ। তিনিও জনৰে কামৰ বিভাগ সুকীয়া সুকীয়া। এই তিনিওজনে মানুহৰ অতীত, বৰ্তমান আৰু ভৱিষ্যত জীৱনৰ ওপৰত নিয়ন্ত্ৰণ ৰাখে। এজনে পূৰ্বপুৰুষ সকলৰ, এজনে বৰ্তমান জীৱিত সকলৰ আৰু আনজনে ভৱিষ্যতে পৃথিৱীলৈ আহিব লগীয়া সকলৰ দায়িত্বত নিয়োজিত হৈ থাকে। কোনোবাই যদি পূৰ্বপুৰুষৰ মঙ্গল কামনা কৰি আশীৰ্বাদ বিচাৰে তেনেহলে ১নং জন বুদ্ধৰ ওচৰলৈ যাব লাগিব। আনহাতে বৰ্তমান সকলৰ সু-স্বাস্থ্যৰ লগতে সম্পদশালী হব খোজে তেনেহলে ২নং বুদ্ধৰ ওচৰলৈ যাব লাগিব। আৰু যদি নতুনকৈ সুন্দৰ, স্বাস্থ্যবান আৰু তেজস্বী সন্তান বিচাৰে তেনেহলে তৃতীয় জন বুদ্ধৰ ওচৰলৈ যাব লাগিব।



ল'ৰা ৰাণাৰতে আৰু মোৰ মাজত এটা আমোদজনক ঘটনা ঘটিল। আমি তেতিয়ালৈকে গমেই পোৱা নাই যে মন্দিৰৰ ভিতৰত ফটো তোলা নিষেধ। আমিবোৰে তেতিয়ালৈকে যেয়ে যেনেকৈয়ে পাইছো সুবিধা বুজি ফটো উঠাই আছো। গাইডে কেইজনমানক লৈ আন এফালে ব্যস্ত হৈ আছে। মই মূৰ্তি আৰু অন্যান্য গুৰুত্বপূৰ্ণ স্থানৰ ফটো উঠোৱাৰ পিছত ভাবিলো তিনিওজন বুদ্ধক একেলগে থকাকৈ এখন ফটো ল'ব পাৰি নেকি? বহু কেইটা এঙ্গোলৰ পৰা চেষ্টা কৰাৰ অন্তত কোনোমতে এখনত ধৰি ৰাখিবলৈ সক্ষম হ'লো। এইবাৰ ভাবিলো, মই যে এই মন্দিৰলৈ আহিছিলো তাৰ প্ৰমাণ ৰাখিবলৈ মোৰ নিজা এখন ফটো উঠোৱা যাওক। ভবামতেই কাম। ৰাণাৰতেক মনৰ কথা কলো। সি কলে কথাটো বেয়া নহয়। আমাৰ নিজৰ কেমেৰাত নিজৰ ফটো নথকাটো ভাল কথা হোৱা নাই। সি মোক এটুকুৰা ধুনীয়া ঠাইত ঠিয় কৰাই মোৰ ফটো ল'লে। তেনেতে চীনা মূলীয় মালয়েছীয়াৰ ডেকা প্ৰফেচাৰ এৰীক ফেন্ ওচৰ চাপি আহিল আৰু কাষলৈ আহি লাহেকৈ ক'লে তুমি যে ফটো উঠিছা তাৰ পিছফালে থকা চাইনবোৰ্ডখনত কি লিখা আছে তুমি জানানে নাই? মই তেতিয়াহে মন কৰিলো ৰাণাৰতেই মোক যি স্থানত ঠিয় কৰাইছিল সেই স্থানত মই পিঠি দিয়া স্থানৰ কাষতে চীনাভাষাত কিবা-কিবি লিখা আছে। মই তাক ক'লো - "মইটো তোমাৰ দৰে চীনা ভাষা নাজানো। গতিকে মই কেনেকৈ জানিম তাত কি লিখা আছে।" এৰিক চীনা মূলীয়, সেয়েহে সি চীনা ভাষা জানে। সি লাহেকৈ ৰাণাৰতে আৰু মোক দুয়োহাতেৰে ধৰি কলে যে তাত লিখা আছে - "Photography is strictly prohibited." আমাৰ তিনিওৰে হাঁহি ৰখাব নোৱাৰা অৱস্থা। ৰাণাৰতে হাঁহি হাঁহিয়ে কলে - "These are written in Chinese, that means they are to be followed by Chinese people only. Not you or me. Let me have a snap too, please!" অৰ্থাৎ সেইয় যিহেতু চীনা ভাষাত লিখা আছে গতিকে সেই নিয়ম তেওঁলোকৰ বাবেহে প্ৰজোয্য হয়। আমাৰ বাবে নহয়। এই বুলি তাৰ কেমেৰাটো লাহেকৈ এৰিকৰ ফালে আগুৱাই দি ক'লে অনুগ্ৰহ কৰি মোৰো এখন ফটো উঠোৱানা। এৰিকে ক'লে তোমাৰ পৰা আৰু উপায় নাই। যোৰা যোৰা কোনোবাই মানা কৰিবলৈ অহাৰ আগতে সোনকালে পজ লোৱা গৈ। ৰাণাৰতে বেচ্ ফুৰ্তিবাজ ল'ৰা। এৰিকে ফটো উঠাই থকাৰ সময়তো সি কিবা কিবি কৈয়ো আছিল। অৱশ্যে ফটো উঠোৱাৰ পৰ্ব সিমানতে সামৰি আমি লগৰ অন্য বোৰক বিচাৰি আগবাঢ়িলো।

বুদ্ধ মূৰ্তি কেইটাৰ সোঁকাষে সংলগ্ন দুটা কোঠাত আছে এটা গ্ৰন্থাগাৰ। অলেখ গ্ৰন্থৰে সুসজ্জিত বেচ্ আহল বহল কোঠাটো দেখি মনটো ভাল লাগি গ'ল। ধৰ্মানুস্থান আৰু শিক্ষানুস্থানৰ মাজৰ সাকোঁডালক যেন এই পবিত্ৰ কোঠা দুটাই তৈয়াৰ কৰি সমন্বয় সাধন কৰিছে। ইয়াত বহু পুৰণি গ্ৰন্থ সংগ্ৰহ কৰি সংৰক্ষণ কৰা আছে বুলি তাত থকা এজন লোকে জনাইছিল। গ্ৰন্থবোৰ আমাৰ বাবে দুৰ্বোধ্য আছিল। তদুপৰি আমাৰ দলটো বিচাৰি যোৱাৰ তাগিদাত আলমাৰীৰ গ্লাচৰ ফাঁকেৰে চকু ফুৰাই ফুৰাই তাৰ পৰা ওলাই আহিলো। কোঠাটোৰ পৰা ওলাই এটা ঠেক বাটেৰে আগুৱাই গৈ অলপ আঁতৰত আমাৰ দলটোক দেখাপালো। গাইডক বেৰি লৈ সকলোৱে কৌতুহলেৰে ওপৰলৈ চাই আছে। আমিও ওচৰ চাপি গলো। ইফালে সিফালে ভালকৈ চাই অনুমান কৰিলো বুদ্ধমূৰ্তি কেইটাৰ ঠিক পিছফালে থকা এখন প্ৰায় ২৫ ফুট বহল আৰু ১৫ ফুট উচ্চতাৰ বৃহৎ আকাৰৰ এখন দেৱালত অদ্ভুত আকৃতিৰ সৰু ডাঙৰ মানৰ দেহৰ অসংখ্য মূৰ্তি লগোৱা আছে। বিভিন্ন ৰঙৰ সমাহাৰ থকা তথা ভিন্ন পৰিৱেশ পৰিস্থিতিৰ কল্পনাৰে সজোৱা মূৰ্তিবোৰৰ আকৃতিবোৰ ভয়ানক ও কিম্ভুত-কিমাকাৰ। কোনোবাটোৰ হাত এটা সমগ্ৰ শৰীৰৰ দুগুণ, কোনোবাটোৰ আকৌ ভৰি এখন হয়তো অদ্ভুত ধৰণেৰে দীঘল। এটাৰ যদি মূৰটো মানুহৰ, গাটো হয়তো ভেকুলীৰ, মাছৰ, গাহৰিৰ নহলে গাধৰ। কাৰোবাৰ যদি চকু এটা বাহুত আছে আনটোৰ হয়তো

মূৰটোৰেই অদ্ভুত ধৰণেৰে দীঘল। সাগৰতলিৰ আৰু পাহাৰত থকা জীৱসমূহৰ অলেখ কাল্পনিক দৃশ্যৰ সংযোজন কৰা আছে। সাগৰ তলীত পিঠিত ঢেকীয়া গজা মানুহটোৰ মুখমণ্ডল এবাৰ চালে দ্বিতীয়বাৰ চাবলৈ ভয় লগা। মুঠৰ ওপৰত অলপ সময় চোৱাৰ পিছত চাবলৈ মন নোযোৱা ভয়লগা চেহেৰাৰ মানুহৰ সমষ্টিৰে গঠিত এক অদ্ভুত দৃশ্য। এইবোৰেনো আচলতে কি বুজাব খুজিছে তাকে জানিবলৈ গাইডক বিছাৰি ইফালে সিফালে চাই দেখোঁ যে আমি কেইজনমানহে তাত আছো। আমি মূৰ্তিসমূহৰ দৃশ্যবোৰ চাই থাকোতেই লগৰ বাকীসকলে এজন দুজনকৈ তাৰ পৰা আঁতৰি গ'ল। হয়তো তেওঁ লোকেও দৃশ্যবোৰ চাবলৈ বৰ ভাল পোৱা নাছিল নতুবা আমি তালৈ অহাৰ বহু আগৰে পৰা চোৱাৰ বাবে নতুনৰ সন্ধানত সেই স্থান ত্যাগ কৰিছে। সি যি কি নহওক ওচৰতে থকা এৰিককে মোৰ প্ৰশ্ন সুধিলো। তেওঁক সুধিলো যে সন্মুখৰ ফালে সুদৃশ্য সোণালী বুদ্ধ মূৰ্তিৰ পিছফালে ইমান অদ্ভুত কিম্ভুত কিমাকাৰ মূৰ্তি সোপা কিয় লগাই ৰাখিছে। এৰিকে জনালে যে এইয়া পৰম্পৰাগত ভাবে যুগে যুগে চলি অহা ধৰ্মীয় বিশ্বাস। তেওঁলোকৰ বিশ্বাস অনুসৰি অধৰ্মী সকলৰ এনে দশা হ'ব পাৰে। গতিকে সৰ্বসাধাৰণ লোকৰ মনত ধৰ্মৰ প্ৰতি আকৰ্ষণ বঢ়াবৰ বাবে তথা অধৰ্মী সকলৰ হব পৰা সম্ভাব্য অৱস্থাবোৰক ইয়াত বৰ্ণনা কৰা আছে। তেনেতে আমাৰ লগত লগ লাগিলহি জাপানৰ আৰু ইষ্টনিয়াৰ পৰা অহা প্ৰফেচৰ কেইজন। তেওঁলোকৰ এজনে কলে - "Hey! Do you all know the piculiarity of this place? Here every building is connected with every other by corridors, covered with roof." কথাটো মইও মন নকৰা নহয়। ইতিমধ্যে আমাৰ দলৰ বাকীসকল

**মই যিমান কেইটা বৌদ্ধ মন্দিৰলৈ এতিয়ালৈকে গৈছো সকলোতে এটা কথা ভালকৈ মন কৰিছো। কথাটো এইযে বৌদ্ধ ধৰ্মৰ লোক সকলে বিভিন্ন উজ্জ্বল ৰঙৰ সমাহাৰ ঘটাই তেওঁলোকৰ মন্দিৰবোৰক চালে চকুৰোৱা অপূৰ্ব সুন্দৰকৈ সজাই ৰাখে। চীন দেশৰ এই টিয়ানটং মন্দিৰে মোৰ এই ধাৰণা একেবাৰে দৃঢ় কৰিলে। নহলেনো তেওঁলোকৰ ৰজাই পেইণ্টাৰক ১ নং অতিথিৰ মৰ্য্যদা দিয়ে জানো।**

গৈ তাত থকা মিউজিয়ামত সোমালেগৈ। আমিও সংযোগী কৰিডৰেৰে এটা এটাকৈ কোঠাবোৰ চাই চাই গৈ মিউজিয়ামত সোমালোগৈ। মিউজিয়াম হৈছে অতীতৰ দাপোন। পৌৰাণিক তথ্যসমূহক সংৰক্ষণ কৰি বৰ্তমানৰ লগতে ভৱিষ্যতৰ প্ৰজন্মক প্ৰত্যয়জনক ভাবে বুজাব পৰাকৈ সংৰক্ষণ কৰি ৰখাৰ মহত্ত্বতম প্ৰচেষ্টাটোৰ অন্য নাম মিউজিয়াম। ১৭০০ বছৰীয়া তথ্যৰ ভড়াল এটাক সংৰক্ষণ কৰি পৰম্পৰাক ধৰি থকা এই কোঠা কেইটা দেখি মোৰ অনুমান হৈছিল মন্দিৰটোক আগুৰি থকা এলেকাটোৰ বয়সৰ তুলনাত যেন পৰ্যাপ্ত নহয় মিউজিয়ামৰ আকাৰ। যদিও মন্দিৰ প্ৰতিষ্ঠাপক যিজিং (Yixing) কে আদি কৰি ডগেন জেন জি. জপানী পেইণ্টাৰ জুযৌ (Xuezhou) আদিক সুন্দৰ ভাবে ধৰি ৰাখিবলৈ সক্ষম হৈছে। উল্লেখযোগ্য যে জাপানৰ পৰা বৌদ্ধ ধৰ্মৰ মাৰ্গ দৰ্শনৰ বাবে পঞ্চম শতিকাত তেওঁ (জাপানী পেইণ্টাৰ জুযৌ) টিয়ানটং মন্দিৰলৈ আহিছিল। মিং ডায়নেষ্টি সম্ৰাট জিয়ান (Xian) এ তেওঁক টিয়ানটং মন্দিৰৰ ১নং অতিথিৰ মৰ্য্যদা প্ৰদান কৰিছিল। তাত অৱশ্যে কাৰোৱেই মূৰ্তি বা প্ৰতিচ্ছবি দেখা পোৱা নগৈছিল। তাৰ পৰিৱৰ্তে ঠায়ে ঠায়ে কিছু স্তম্ভ আৰু কিছু চীনা লিপিযুক্ত ঠিয় আয়াতাকাৰ ফলক দেখা পাইছিলো। লগত যোৱা চীনা বন্ধু প্ৰফেচৰ লেমনট্ৰি আৰু আন কেইজন মানৰ লগত পৰৱৰ্তী সময়ত হোৱা আলোচনাৰ কালত তেওঁ লোকৰ পৰা জানিব পাৰিছিলো যে এই টিয়ানটং মন্দিৰটোৱে বিভিন্ন ডানেষ্টিৰ লগত সময় অতিবাহিত কৰিব লগা হৈছিল। উক্ত সময়বোৰত বিশেষকৈ এটা ডায়নেষ্টিৰ পৰা আনটোলৈ ক্ষমতা হস্তান্তৰৰ সময়ত হোৱা অঁৰিয়া অঁৰিৰ ফল মন্দিৰটোৱেও বহন কৰিব লগাত পৰিছিল। তদুপৰি মিং ডায়নেষ্টিৰ শাসন কালতে ১৫৮৭ চনৰ ২১ জুলাইত অহা এক প্ৰলয়ংকাৰী বানে মন্দিৰটোৰ সমগ্ৰ এলেকাটোক নিচিহ্ন কৰি পেলাইছিল। ফলত বহু গুৰুত্বপূৰ্ণ তথ্য কালৰ বুকুত চিৰদিনলৈ গেৰাই গ'ল।

মই যিমান কেইটা বৌদ্ধ মন্দিৰলৈ এতিয়ালৈকে গৈছো সকলোতে এটা কথা ভালকৈ মন কৰিছো। কথাটো এইযে বৌদ্ধ ধৰ্মৰ লোক সকলে বিভিন্ন উজ্জ্বল ৰঙৰ সমাহাৰ ঘটাই তেওঁলোকৰ মন্দিৰবোৰক চালে চকুৰোৱা অপূৰ্ব সুন্দৰকৈ সজাই ৰাখে। চীন দেশৰ এই টিয়ানটং মন্দিৰে মোৰ এই ধাৰণা একেবাৰে দৃঢ় কৰিলে। নহলেনো তেওঁলোকৰ ৰজাই পেইণ্টাৰক ১ নং অতিথিৰ মৰ্য্যদা দিয়ে জানো।

মিউজিয়ামৰ লগত সংলগ্ন কোঠা এটাত লগৰে কেইজনমানে ভিৰ কৰি থকা দেখাপাই ওচৰচাপি গৈ দেখিলো দুজনমানে নিজৰ নিজৰ মানি বেগ উলিয়াই বস্তুৰ দাম দৰ কৰি আছে। ইমান পৰে মিউজিয়ামৰ ইতিহাসৰ পৃষ্ঠাত মূৰ গুজি ভাৱ সাগৰত ডুব গৈ থকা মই তেতিয়াহে জানিব পাৰিলো যে এইটো এটা সামগ্ৰী বিক্ৰী কেন্দ্ৰ। তাত থকা বৌদ্ধ ভিক্ষু সকলে হাতেৰে তৈয়াৰী বস্ত্ৰ, কাঠ-বাঁহৰ বিভিন্ন সামগ্ৰী ইয়াত ৰখা আছে। লগতে



সকলোকে মন্দিৰৰ ইতিবৃত্ত সম্বলিত সচিত্ৰ একোখনকৈ পুস্তিকা বিনামূলীয়াকৈ দি থকা হৈছে। মই তেনে এখন পুস্তিকা লৈ দেখিলো তাত মই বুজিব পৰাকৈ কেৱল ফটো কেইখন মানহে আছে। কাৰণ তাত টিয়ানটং শব্দটোৰ বাদে আটাইবোৰেই মোৰ বাবে দুৰ্বোধ্য চীনা ভাষাত লিখা আছে। তথাপি পুস্তিকাখন লগত লৈ দুই এপদ সৰু সুৰা বস্তু লৈ তাৰে পৰা বাহিৰলৈ আহিলো। এটা গৃহৰ পৰা আনটোলৈ মাজে মাজে সৰু সৰু কৰিডৰ আৰু মাজে মাজে দুটা টিলা সংযোগী কাঠেৰে তৈয়াৰী সাকোঁ বোৰ পাৰহৈ আহোঁতে ইষ্টনীয়াৰ প্ৰফেচাৰে কোৱা কথাযাৰৰ সত্যতা বিচাৰি পাইছিলো।

তাৰ পৰা ওলাই বাহিৰলৈ আহোঁতে পুনৰ মূল মন্দিৰৰ কাযেৰে আহিব লাগে। ওলাই অহাৰ সময়ত শেষৰখন দুৱাৰৰ মুখতে চাৰিজন বৌদ্ধভিক্ষুৱে আমাক চাৰি-পাঁচ খনকৈ DVD দিলে। মনটো ভালেই লাগিল, ভাবিলো নিশ্চয় মন্দিৰৰ ইতিবৃত্ত সম্বলিত তথ্য যুক্ত DVD হ'ব। ক্ৰমলৈ উভতি অহাৰ পিচত লেপটপত লগাইহে জানিব পাৰিলো তেওঁলোকৰ মন্দিৰৰ বিভিন্ন মাংগলিক কাৰ্য্যক্ৰমণিকাৰ তথা বিভিন্ন তাল মানত গোৱা গীত সন্নিবিষ্ট হৈ আছে এই DVD কেইখনত। তাৰে কেইটামান শুনিবলৈ অতিকে সুৰলা আৰু অপূৰ্ব ছন্দ যুক্ত। এতিয়াও মই মাজে সময়ে সেই কেইটা শুনাৰ আনন্দ লওঁ।

প্ৰায় চাৰে তিনি ঘণ্টাৰ অন্তত মন্দিৰৰ পৰা বাহিৰত আমালৈ অপেক্ষা কৰি থকা বাছলৈ বুলি ওলাই আহিলো। দলটোৰ সদস্য সকলে অগা-পিছাকৈ নিজৰ নিজৰ মাজত মন্দিৰ সম্পৰ্কীয় আলোচনাৰ মাজেৰে আহি আছো। তেনেতে বাছ ৰোৱা ঠাই খনৰ ঠিক বাওঁফালে দক্ষিণ পশ্চিম দিশত পাহাৰৰ পাদদেশত এটা প্ৰায় ২০ ফুট উচ্চটাৰ শুধবগা নাৰী মূৰ্তিত চকু পৰিল। লগতে থকা চীনা ডেকা প্ৰফেচাৰ লেমনট্ৰিৰ পৰা উক্ত মূৰ্তিটোৰ বিষয়ে জানিব বিচাৰিলো। লেমনট্ৰিয়ে মোক কোৱা কথাখিনিৰ সাৰাংশ এনেকুৱা - চীন দেশৰ দক্ষিণৰ কোনো এখন দেশৰ পৰা এজন লোক কেইবা শতিকাৰ পূৰ্বে চীনলৈ ধৰ্ম প্ৰচাৰৰ বাবে আহিছিল। তেওঁ মূলত মানৱ সেৱাৰ জড়িয়তে এই কাম কৰিছিল। তেওঁ বিশেষকৈ শিশু আৰু দুৰ্গত মহিলা সকলৰ শুশ্ৰূষাৰ দায়িত্বপালন কৰিছিল। যিহেতু তেওঁ প্ৰায়খিনি সময় শিশু আৰু মহিলাৰ লগত থাকিব লগীয়া হৈছিল সেয়েহে যোগ সাধনাৰ বলত তেওঁ নিজৰ লিঙ্গ পৰিবৰ্তন কৰি পুৰুষৰ পৰা মহিলালৈ ৰূপান্তৰিত হৈ লৈছিল যাতে মহিলা আৰু শিশু সকলৰ মাজত তেওঁৰ সেৱাই পূৰ্ণতা পায়। চীন দেশৰ লোকে তেওঁক দেৱদূতৰ লগত তুলনা কৰি তাৰ প্ৰতিদান স্বৰূপে পাহাৰৰ পাদদেশত তেওঁৰ মূৰ্তি স্থাপন কৰি যুগে যুগে তেওঁৰ সেৱাৰ স্বীকৃতিৰ মান্যতা প্ৰদান কৰি তেওঁক কৃতজ্ঞতা জনাই আহিছে।

বৰ্তমানৰ বিজ্ঞানৰ যুগত বিজ্ঞানৰ বলত অস্ত্ৰোপ্ৰচাৰ বা হৰমোনেল চিকিৎসা পদ্ধতিৰে মানুহে লিঙ্গ পৰিবৰ্তন কৰাৰ কথা আমি শুনিবলৈ পাওঁ। কিন্তু আধুনিক বিজ্ঞানে ঢুকি নোপোৱা ধৰ্মান্ধতাৰে ভৰা কোনো এটা যুগত এনেধৰণৰ ঘটনাও যে ঘটিছিল তাক বিশ্বাস কৰিবলৈ টান লগা কথা। কথাখিনিৰ সত্যাসত্য নিৰূপণ কৰাৰ উপায় নাই। সি যি কি নহওক চীনালোক এজনে তেওঁলোকৰ পৰম্পৰাগতভাবে শুনি অহা তথা ধৰ্মীয় লোক বিশ্বাসৰ আধাৰত গঢ়লৈ উঠা কাহিনী এটাক যিহেতু ব্যক্ত কৰিছে গতিকে তাক বিশ্বাস কৰাৰ বাবে গত্যন্তৰ নাই। কথাবোৰ শুনি থাকোতে মোৰ মনলৈ আহিছিল ৰজা অশোকৰ কথা। কলিঙ্গ বিজয়ৰ পিছত যুদ্ধত হতাহত সকলৰ শোকত ম্ৰীয়মান হৈ তথা আত্ম অনুশোচনাত দগ্ধ হৈ মানসিক অশান্তিৰ পৰা পৰিত্ৰাণ পাবলৈ ৰজা অশোকে বৌদ্ধ ধৰ্ম গ্ৰহণ কৰা আৰু পৰৱৰ্ত্তী সময়ত পুতেক মহেন্দ্ৰ আৰু জীয়েক সংঘমিত্ৰাক ধৰ্ম প্ৰচাৰৰ বাবে বিভিন্ন দেশলৈ পঠিওৱাৰ কথা সৰুতে পঢ়িছিলো। টিয়ানটং মন্দিৰ পৰিদৰ্শন কৰি উভতি অহাৰ পথত মনৰ একোণত বাজি ৰৈছিল লেমনট্ৰিয়ে বুজাব খোজা দক্ষিণৰ কোনো এখন দেশৰ লোক জনৰ কথা। এইজন তেওঁলোকৰে এজন (সংঘমিত্ৰা নাইবা মহেন্দ্ৰ) নহয়টো।

■

## ॥ আত্ম -লেখা ॥



# ‘লাইফ ইজ নট ৰকেট চাইন্স’

(‘ৰকেট মেন’ বুলি জনাজাত ভাৰতৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি ড° এ.পি.জে. আব্দুল কালামে ভাৰতৰ কোটি কোটি জনতাক আৰু বিশেষকৈ উঠি অহা প্ৰজন্মটোক তেখেতৰ জীৱন কাহিনী, নেতৃত্বৰ আদৰ্শ আৰু জীৱনমুখী সামাজিক পথ নিৰ্দেশনাৰে উদ্বুদ্ধ তথা অনুপ্ৰাণিত কৰি আহিছে তেখেতৰ বিভিন্ন লিখনিৰ মাধ্যমেৰে। ইংৰাজী বাৰ্তালোচনী ‘আউটলুক’ৰ এটি সংখ্যাত প্ৰকাশিত ড° কালামৰ ‘লাইফ ইজ নট ৰকেট চাইন্স’ শীৰ্ষক আত্মজীৱনীমূলক লেখাটিৰ মুকলি অনুবাদ কৰিছে **ড° দীপকজ্যোতি বৰুৱাই**।)

মোৰ ল'ৰালি কাল বুলিলেই থিতাতে মনলৈ অহা কথাটো হ'লগৈ আমি থকা ঠাইখন - অৰ্থাৎ ৰামেশ্বৰম নামৰ দ্বীপটোৰ সৈতে সাগৰখনৰ নিবিড় সম্পৰ্কটো। সমুদ্ৰৰ জোৱাৰবোৰ, ঢৌৰ উঠা-নমাবোৰ, পাম্বান দলঙেৰে পাৰ হৈ যোৱা ৰেলগাড়ীবোৰৰ ঝক্ ঝক্ শব্দ, চহৰখনৰ আকাশত সদায়েই বৃত্তাকাৰে ঘূৰি উৰি থকা চৰাইবোৰ আৰু বতাহত অনৱৰতে উপঙি থকা লুণীয়া গোন্ধটো - এই সমূহৰ স্মৃতিৰ মাজেৰেই মই শৈশৱৰ নিৰ্যাস লাভ কৰোঁ এতিয়া এই বয়সতো। বিশেষকৈ সদা পৰিদৃশ্যমান সাগৰখনৰ স্মৃতি - যিখনক কেন্দ্ৰ কৰি মোৰ চৌপাশে ঘটি থাকে বহু কাহিনী। আমাৰ লগতে আমাৰ চৌপাশে থকা প্ৰায় প্ৰতিজনৰ বাবেই জীৱন-জীৱিকাৰ মূল সুঁতি স্বৰূপ আছিল এই সাগৰখন। স্বাভাৱিকতে, সাগৰখনৰ সৈতে আমাৰ সকলোৰে আছিল এক বুজাব নোৱাৰা আকৰ্ষণ আৰু নিবিড়তা। প্ৰতিখন ঘৰৰে ইয়াৰ সৈতে আছিল এক অৱধাৰিত সম্পৰ্ক। মানুহঘৰ লাগিলে এটা মাছুৱৈৰ পৰিয়ালেই হওক কিম্বা নাৱৰীয়াৰ।



মোৰ দেউতাইও নাও চলাই জীৱিকা অৰ্জন কৰিছিল। প্ৰতিদিনেই তেওঁ ৰামেশ্বৰমৰ পৰা ধনুশকড়িলৈ আৰু ধনুশকড়িৰ পৰা ৰামেশ্বৰমলৈ নাও চলাই যাত্ৰী অনা-নিয়া কৰিছিল। ৰামেশ্বৰমৰ পৰা ধনুশকড়িলৈ বাইশ কিলোমিটাৰ পথ। মোৰ প্ৰায়ে মনলৈ আহে তেওঁ নিজাকৈ নাও এখন সাজি উলিওৱাৰ বাবে ইয়াৰ মাজতে চলোৱা আপ্ৰাণ চেষ্টাৰ কথা; আৰু এদিন তেওঁ সেই নাওখন সাজি উলিওৱাৰ কথা।

বহু অতীতৰে পৰা এখনি তীৰ্থস্থান হিচাপে সমগ্ৰ দেশতে পৰিচিত হৈ অহা এটি নাম - ৰামেশ্বৰম। ৰামচন্দ্ৰই সীতাদেৱীক ৰাৱণৰ হাতৰ পৰা উদ্ধাৰ কৰিবলৈ যাওঁতে এই স্থানতে অৱস্থান কৰি লংকালৈকে ইয়াৰ পৰা এখনি শিলৰ সাঁকো স্থাপন কৰিছিল বুলি বিশ্বাস আছে। ৰামেশ্বৰমত এটা অতি প্ৰসিদ্ধ শিৱ মন্দিৰ বৰ্তমান আৰু কথিত আছে যে, ইয়াৰ ভিতৰত থকা শিৱ লিংগটোৰ আৰ্হিটো সাজিছিল সীতাদেৱীয়ে। বহুতে ক'ব খোজে যে, ৰাম, লক্ষ্মণ আৰু সীতাই লংকাৰ পৰা আযোধ্যালৈ ঘূৰি যোৱাৰ পথত এই স্থানতে ৰৈ শিৱক আৰাধনা কৰিছিল কাৰণেই পিছত ইয়াত এই শিৱমন্দিৰটো স্থাপন কৰা হৈছিল। আমাৰ ঘৰলৈ আন ঠাইৰ পৰা যিকোনো মানুহ আহিলেই ধনুশকড়িলৈ এপাক মাৰিবই। ইয়াৰ মূল কাৰণ হ'লগৈ ধনুশকড়ি এখনি পবিত্ৰ তীৰ্থস্থান। ধনুশকড়িৰ সাগৰ সংগমত গা ধোৱাটো এটা পবিত্ৰ কৰ্ম বুলি সদায়েই বিবেচিত হৈ আহিছে। বঙ্গোপসাগৰ আৰু ভাৰত মহাসাগৰৰ এই স্থানতেই সঙ্গম ঘটিছে। ধনুশকড়িৰ সৈতে ৰামেশ্বৰমৰ পথ ব্যৱস্থা গঢ় লৈ উঠাৰ পিছত তালৈ যোৱাটো আগতকৈ এতিয়া অধিক সুগম হ'ল। অতীতত আমাৰ শৈশৱত ধনুশকড়িলৈ ফেৰিৰে গৈ আমাৰ কি যে মজা লাগিছিল!

আমাৰ দেউতাৰ দৈনিক আয় প্ৰথমতে খুব কম আছিল, চলিবলৈ অসুবিধা পাই তেওঁ পিছত ফেৰি ব্যৱসায়ত মন দিয়ে। তেওঁক যিহেতু এতিয়া নিজাববীয়াকৈ এখন ফেৰিৰ দৰকাৰ হ'ল, তেওঁ সমুদ্ৰৰ পাৰৰ বালিত নিজে এখন ফেৰি সাজিবলৈকে লাগি গ'ল।

তেওঁ আমাৰ আটাইৰে চকুৰ সন্মুখতে টুকুৰা টুকুৰ কাঠৰ তক্তা আদি জোৰা দি, লগতে লো-জাতীয় ধাতবীয় আচবাবৰ গাত ভেঁজা দি বহু চেষ্টা আৰু পৰিশ্ৰমৰ অন্তত এদিন কলা-কলাকৈ এখনি ফেৰি সাজি উলিয়াবলৈ সক্ষম হৈছিল। তেওঁৰ সেই সাফল্যই মোৰ মনত এক গভীৰ সাঁচ বহুৱাবলৈ সক্ষম হৈছিল, বিশেষকৈ ইঞ্জিনিয়াৰিং বিষয়টোৰ প্ৰতি মোৰ মনত আগ্ৰহৰ বাট মুকলি কৰাৰ ক্ষেত্ৰত ই আছিল মোৰ বাবে এক আদিপাঠ স্বৰূপ। ফেৰি এখন সাজিবলৈ হ'লে প্ৰথমতেই দৰকাৰ হয় ভাল কাঠৰ। আমাৰ এজন সহোদৰ ভ্ৰাতৃ জালালুদ্দিনে ইয়াৰ যোগাৰ কৰিছিল। এই ফেৰিখন নিৰ্মাণৰ সময়চোৱাত মই প্ৰায় প্ৰতিদিনাই সেই ঠাইলৈ গৈছিলোঁ আৰু ক'বলৈ গ'লে দিনটোৰ ভিতৰত এবাৰ তালৈ এপাক মাৰিলেহে মই শান্তি পোৱা হ'লো। কাঠৰ দীঘল দীঘল তক্তা নিৰ্দিষ্ট জোখত কাটি কাটি উলিওৱা হৈছিল, কেঁচা কাঠবোৰ ৰ'দত ভালকৈ শুকুৱাই টান হ'বলৈ দিয়া হৈছিল, পিছত ৰান্দা মাৰি সিবোৰৰ গাটো মসৃণ কৰা হৈছিল, জোখে জোখে হাতুৰি-বটালি লৈ গজালেৰে সিবোৰ জোৰা লগোৱা হৈছিল ইত্যাদি ইত্যাদি। ইয়াৰ পিছত আকৌ নাৱৰ তলিখন আৰু নাৱৰ সন্মুখৰ ভাগটো টঙটঙীয়া কৰি তুলিবলৈ বেলেগে জুই ধৰি বিশেষ প্ৰক্ৰিয়াৰে তপতোৱাৰ ব্যৱস্থা কৰা হৈছিল। - এইদৰে এক নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ মাজেৰে ক্ৰমান্বয়ে মোৰ চকুৰ সন্মুখতে এদিন প্ৰাণ পাই উঠিছিল এখনি পূৰ্ণ অৱয়বৰ ফেৰি-নাও। ইয়াৰ বহু বছৰৰ পিছত মই মোৰ



কৰ্মজীৱনত ৰকেট আৰু মিছাইল আদি কেনেদৰে নিৰ্মাণ কৰিব পাৰি সেয়া শিকিছিলোঁ। এনে অভিযান্ত্ৰিক নিৰ্মাণকাৰ্য্যৰ প্ৰতিটোৰে অন্তৰালত আছিল বিশেষ বিশেষ জটিলবিধৰ গাণিতিক আৰু বৈজ্ঞানিক সূত্ৰৰ প্ৰয়োগ। কিন্তু এই নাওখন - যিখনৰ নিৰ্মাণ সাগৰৰ বালিত কৰা হৈছিল, সেইখনো যে নিৰ্মাণৰ পিছত পানীত উপঙি থাকিবলৈ সক্ষম হ'ব - ইয়াৰ অন্তৰালত থকা বৈজ্ঞানিক সূত্ৰ আদিৰ সম্পৰ্কে কিন্তু সাধাৰণতেই কাৰো মনত একো আশ্চৰ্য্য অথবা উৎসুকতাৰ সৃষ্টি হোৱা নাছিল। মোৰ মনত অৱশ্যে এই বিষয়টোৱে কিছু হ'লেও ছাপ বহুৱাইছিল।

মোৰ জীৱনৰ বাবে এই ফেৰিখনৰ গুৰুত্ব আন এটা দিশৰ পৰাও আছিল। ইয়াৰ জৰিয়তেই মই এজন বিশেষ মানুহৰ সাহচৰ্য্য লাভ কৰিবলৈ সক্ষম হৈছিলোঁ। তেওঁ হ'লগৈ আহমেদ জালালুদ্দিন। মোৰ তুলনাত তেওঁৰ বয়স যথেষ্ট আছিল, হ'লেও কিন্তু তেওঁ মোৰ প্ৰতি বন্ধুত্বসুলভ আচৰণ কৰিছিল। তেওঁ মোৰ মনটো ভালদৰে বুজি পাইছিল, বিশেষকৈ মই যে সাধাৰণতেই বিষয় এটাৰ প্ৰতি উৎসুকতা প্ৰকাশ কৰি তাৰ কাৰ্য্য-কাৰণ অনুধাৱন কৰিবলৈ ভাল পাইছিলোঁ - মোৰ মনৰ এই দিশটোক তেওঁ বৰ পছন্দ কৰিছিল। কিবা এটা সোধা মাত্ৰেই তেওঁ মোৰ প্ৰশ্নৰ যথাযথ উত্তৰ দিবলৈ যত্নপৰ হৈছিল। সময়ত তেওঁ মোক ভাল ভাল পৰামৰ্শও দান কৰিছিল। তেওঁ অলপ হ'লেও ইংৰাজী পঢ়িব পাৰিছিল আৰু মোক বিজ্ঞানীসকলৰ বিষয়ে আৰু তেওঁলোকে কৰা আৱিষ্কাৰ আদিৰ বিষয়ে, লগতে সাহিত্য আৰু সমাজবিদ্যা আদিৰ বিষয়তো মই নজনা বহু তথ্যৰ যোগান ধৰি ভাল পাইছিল। সমুদ্ৰৰ তীৰত নাওখনৰ কামত লাগি থাকোতে অথবা অন্য সময়ত সুবিধা পালেই মই তেওঁৰ স'তে কথা পাতি সময় অতিবাহিত কৰিছিলো। তেওঁৰ কথাই মোৰ মনত নতুন

নতুন ভাৱৰ উদ্রেক কৰিছিল আৰু সামগ্রিকভাৱে জীৱ আৰু জগত সম্পৰ্কে মই যথেষ্ট সংখ্যাক জ্ঞান লাভ কৰিবলৈ সক্ষম হৈছিলোঁ। লগতে, ভৱিষ্যতে মই কি কৰিম, এই সম্পৰ্কে কিবা এটা সিদ্ধান্ত লোৱাৰ ক্ষেত্রতো যেন তেওঁৰ এই সাহচৰ্য্যৰ কিছু হ'লেও বৰঙণি আছিল।

নাওখনৰ নিৰ্মাণ কাৰ্য্য শেষ হ'ল, সময়ত এই নাওখনে আমাৰ পৰিয়ালৰ বাবে আৰ্থিকভাৱে বিশেষ সৌভাগ্য কঢ়িয়াই আনিবলৈকো সক্ষম হ'ল। দেউতাই নাওখন চলাবৰ বাবে দুজনমান মানুহো নিয়োগ কৰিলে। মাজে মাজে দলগতভাৱে অহা তীৰ্থযাত্রীয়েও আমাৰ নাওখন ভাৰালৈ ল'বলৈ ধৰিলে। তীৰ্থযাত্ৰীৰ ভীৰ থকা দিনবোৰত মই সুবিধা পালেই ফেৰিচালকৰ কাষতে বহি ধনুশকড়িলৈ গৈছিলোঁ। যাওঁতে সময়ে সময়ে তীৰ্থযাত্ৰী আৰু নাওচালকসকলৰ মুখত ৰামায়ণৰ কাহিনীবোৰৰো এটা দুটা শুনাৰ সুবিধা পাইছিলোঁ। বিশেষকৈ ৰামচন্দ্ৰই তেওঁৰ বান্দৰসেনাৰ সুবিধাৰ্থে লংকালৈকে এখন শিলৰ সাঁকো নিৰ্মাণ কৰাৰ কাহিনী, হনুমানক উত্তৰ ভাৰতৰ পৰা এটা প্ৰকাণ্ড আকাৰৰ শিৱলিংগ কঢ়িয়াই আনিবলৈ দিয়া নিৰ্দেশ আৰু হনুমানে শিৱলিংগটো আনোতে পলম কৰাৰ পৰিপ্রেক্ষিতত সীতাদেৱীয়ে উপাসনাৰ বাবে নিজহাতে এটা শিৱলিংগ সাজি উলিওৱাৰ কাহিনী - দেশৰ ভিন্ন কোণৰ পৰা অহা তীৰ্থযাত্ৰীসকলৰ মুখত ৰামায়ণৰ এই কাহিনীবোৰ বিভিন্ন ধৰণে বিবৃত হৈছিল আৰু মইও তেওঁলোকৰ সৈতে এই বিলাকত ভাগ লৈছিলোঁ। তেওঁলোকেও তেওঁলোকৰ মাজত মোৰ দৰে সৰু ল'ৰা এটা পাই বৰ স্ফূৰ্তি পাইছিল আৰু মোৰ সৈতে আগ্রহেৰে কথা পাতিছিল। -- শৈশৱৰ দিনৰ এইবোৰ স্মৃতি মোৰ মনত এতিয়াও বহুখিনি সজীৱ হৈ আছে।

(২)

এইদৰেই বছৰবোৰ পাৰ হৈ গৈ থাকিল। মোৰ বিদ্যালয়খন, মোৰ শিক্ষাগুৰুসকল, আহমেদ জালালুদ্দিন আৰু আন বহুজনৰ সংস্পৰ্শ আৰু সাহচৰ্য্যত মই বহু কথাই শিকিবলৈ তথা জনিবলৈ সক্ষম হৈছিলোঁ। ক'বলৈ গ'লে এওঁলোকৰ লগতে আমাৰ নাওখন, এই নাৱত অহা-যোৱা কৰা যাত্রীবোৰ, লগতে সাগৰৰ উঠা-নমাবোৰ, সাগৰৰ পাৰৰ মানুহবোৰৰ কথা আৰু হাঁহিবোৰ, গল্প-গুজববোৰ - এই সকলোবোৰেই মোৰ জীৱনৰ ভেঁটি গঢ়ি তোলাত কম-বেছি পৰিমাণে বৰঙণি যোগাইছিল আৰু এইদৰেই মোৰ শৈশৱৰ দিনবোৰ আকাশত বগা-ক'লা ডাৱৰবোৰ স্বচ্ছন্দ ভাৱত উৰি গৈ থকাৰ দৰে পাৰ হৈ গৈ আছিল। তেনেকুৱাতে এদিন এটা দুৰ্যোগৰ আবিৰ্ভাৱ হ'ল। বংগোপসাগৰ মানেই ঘূৰ্ণিবতাহৰ সঘন অহা-যোৱা। এই ক্ষেত্ৰত বছৰটোৰ নৱেম্বৰ আৰু মে' - এই দুটামাহত বিশেষভাৱে ত্ৰাসৰ বলী হ'বলগা হয় সমুদ্রতীৰৰ মানুহ। যি বিশেষ দিনটোৰ কথা ক'বলৈ ওলাইছোঁ সেই দিনটোৰ কথা মনত পৰিলে মোৰ আজিও বুকুখন কঁপি উঠে। প্ৰকৃততে এদিন নহয়, কেবাদিনো ধৰি বিৰামবিহীনভাৱে বতাহ ভীষণ জোৰেৰে বলিয়েই থাকিল। ইয়াৰ বেগ ক্ৰমে বাঢ়ি বাঢ়ি এসময়ত ৰণচণ্ডী মূৰ্ত্তি ধৰি আমাৰ আটাইৰে মনত ভীষণ ত্ৰাসৰ সৃষ্টি কৰিলে। ইয়াৰ আৰ্ত্ত চিএঞৰ আৰু বিকট গেঙণিৰ দৰে শব্দ আমাৰ কাণ তাল মাৰি ধৰিব লগা অৱস্থা হ'ল। ইয়াৰ জোৰ ইমানেই বেছি আছিল যে, মুহূৰ্ত্ততে আমাৰ চকুৰ সন্মুখত মাটিত ঢলি পৰিবলৈ ধৰিলে মানুহৰ ঘৰ দুৱাৰ, মস্ত মস্ত গছ-বিৰিখ। তেতিয়াৰ দিনত লাইট নাছিল আৰু ঘৰৰ ভিতৰত জ্বলোৱা লেম্পবোৰ বতাহৰ কোবত থিৰেৰে থাকিব নোৱাৰা অৱস্থা এটাও হৈছিল। ফলত বেছিভাগ সময় আমি অন্ধকাৰতে ঘৰৰ ভিতৰত পাৰ কৰিবলৈ বাধ্য হৈ পৰিছিলোঁ। ইতিমধ্যে বতাহৰ লগ লাগি বৰষুণে তাণ্ডৱৰ মাত্ৰা অধিক বঢ়াই তুলিছিল। ঘৰৰ ভিতৰত ত্ৰাসিত চিত্তে আমি পৰিয়ালৰ সমূহ সদস্যই একেলগে বহি প্ৰায়ে নিদ্ৰাবিহীনভাৱেই সময়বোৰ পাৰ কৰিব লগাত পৰিছিলোঁ। এনেদৰে শুই বহি থাকোতে প্ৰায়ে মোৰ মনটো ধাৱমান হৈছিল খোলা সাগৰৰ বিস্তীৰ্ণ জলৰাশিৰ মাজলৈ। এনে অৱস্থাত সমুদ্রৰ মাজত কোনো লোক বন্দী হ'ব লগা হোৱা নাইতো? এইযে মা-দেউতাৰ নিৰাপদ আশ্ৰয়ত আমি পৰিয়ালৰ সদস্যসকল এইদৰে নিশ্চিন্তে বহি থাকিব পাৰিছোঁ, বাহিৰত কোনোবা ক'ৰবাত যদি কিবা পৰিস্থিতিত ঘৰলৈ সময়ত ঘূৰি আহিব নোৱাৰি হঠাতে বিচ্ছিন্ন হৈ পৰিছে সাগৰৰ মাজত - এনেবোৰ দুঃশ্চিন্তাৰ অভিঘাতত মোৰ মনটো সঘনে হৈ পৰিছিল আড়ষ্ট।

মুঠ তিনিটা দিনৰ পিছত যেতিয়া ধুমুহা বতাহ আৰু বৰষুণৰ তাণ্ডৱ যথেষ্ট কমিছিল, আমি বিস্ফাৰিত নেত্রে মাথোঁ প্ৰত্যক্ষ কৰিছিলোঁ ধুমুহা আৰু ঘূৰ্ণিবতাহে এৰি থৈ যোৱা ধ্বংসযজ্ঞৰ বিচিত্র ছবি আমাৰ চৌপাশে। গছ, ঘৰ সকলোৱেই যেন মাটিত মিলি গৈছিল ইতিমধ্যে। আনকি ঘূৰ্ণিৰ প্ৰতাপত (ঘন্টাত প্ৰায় ১০০ মাইল জোৰত আহিছিল উক্ত ঘূৰ্ণি) আমাৰ ঘৰৰ কাষৰ আলিবাটটোৰো চিন-মোকাম নাইকীয়া হৈ পৰিছিল। কিন্তু, এই আটাইবোৰ ঘটনাৰ মাজতে আমালৈ অহা আন এটা সংবাদে আমাৰ প্ৰতিজনৰে বুকুৰ ভিতৰখন যেন একেবাৰে চুৰমাৰ কৰি পেলালে। সংবাদটো আছিল - আমাৰ সেই বিশেষ নাওখন, যিখনৰ জৰিয়তে পৰিয়ালটোৱে অলপ হ'লেও সকাহ লাভ কৰিবলৈ সক্ষম হৈছিল, সেইখন সমুদ্র পৃষ্ঠৰ কোবাল চাকনৈয়াত বিলীন হৈ গ'ল। এতিয়া উভতি চাই যেতিয়াই সেই বিশেষ দিনটোৰ কথা মনত পেলাওঁ, মোৰ এনেকুৱা লাগে, দেউতাই প্ৰকৃততে এনেকুৱা এটা ঘটনা হ'ব বুলি যেন আগতেই তেওঁৰ ষষ্ঠেন্দ্ৰিয়ৰ জৰিয়তে গম পাইছিল। জীৱনত তেওঁ অলেখ ধুমুহা

আৰু ঘূৰ্ণিবতাহক বুকু পাতি গ্ৰহণ কৰিব লগা হৈছিল। তথাপিও যেন ঘটনাটোৰ আগে আগে তেওঁ নাৱখনৰ অস্তিত্বকলৈ শংকাগ্ৰস্ত হোৱাৰ লগতে অধিক দুঃশ্চিন্তাত ভুগিছিল। অৱশ্যে, তেওঁ নিজে দুঃশ্চিন্তাত আড়ষ্ট হৈও আমাৰ মনবোৰক তেনে হ'বলৈ নিদিয়াৰ বাবে বিশেষভাৱে যত্নপৰ হৈছিল। ধুমুহাৰ শেষৰ দিনা আমাৰ নাওখন হেৰাই যোৱাৰ খবৰটো যেতিয়া আমি পাইছিলোঁ, বাহিৰত দেখুৱাই মই চকুপানী টোকা নাছিলো যদিও ভিতৰি ভিতৰি অতিশয় ভাগি পৰিছিলো আৰু নিজৰ দুখখিনি সম্বৰণ কৰিবলৈ অপাৰগ হৈ মই মাথোঁ অস্থিৰচিত্তে সময়বোৰ পাৰ কৰিবলৈ বাধ্য হৈ পৰিছিলোঁ।

এই সময়খিনি আমাৰ পৰিয়ালৰ বাবে অছিল এটা অতিকৈ জটিল সন্ধিক্ষণ। কিন্তু, ভাবি আচৰিত লাগে কেনেকৈ দেউতাই এনে এক দুৰ্যোগৰ মাজতো বিচলিত নহৈ উদ্বেগবিহীনভাৱে নিজকে পৰিচালিত কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰি গৈছিল। দেউতাৰ সেই মুখখন আজিও মোৰ মানসপটত ভাঁহি আছে। সময়ত আমাৰ মাজলৈ অন্য এখন নতুন নাও আহিল আমাৰ পৰিয়ালৰ বাবে জীৱিকাৰ সুস্থিৰ উৎস হিচাপে। ৰামেশ্বৰমৰ পৰা ধনুশকড়িলৈ আৰু ধনুশকড়িৰ পৰা ৰামেশ্বৰমলৈ যাত্ৰী কঢ়িওৱাৰ বাবে আমাৰ নাও পুনৰ চলিবলৈ আৰম্ভ কৰিলে। ধুমুহাৰ দিনবোৰ পুৰণি হ'বলৈ আৰম্ভ কৰিলে। মন্দিৰ আৰু মছজিদত মানুহৰ ভিৰ আকৌ লাগিল আৰু চহৰবোৰৰ বজাৰত চিনাকি-অচিনাকি মানুহৰ সমাগমো পুনৰ চলিল।

ঘূৰ্ণি বতাহ আৰু ধুমুহাই আমাক আগৰদৰেই জোকাই থাকিল সময়ে-সময়ে। লাহে-লাহে এনে প্ৰাকৃতিক দুৰ্যোগবোৰক সাধাৰণ পৰিঘটনা হিচাপেই গ্ৰহণ কৰিবলৈকো শিকিলো। এনে দুৰ্যোগত ধৈৰ্য্য নেহেৰুৱাই অথবা ত্ৰাসিত নহৈ সাধাৰণভাৱেই থাকিবলৈ যিমান পাৰো চেষ্টা কৰিলোঁ। ৰামেশ্বৰমৰ পৰা মই অধ্যয়ন আৰু জীৱিকা সূত্ৰে আঁতৰি থাকিবলগা হোৱা সময়ত আগৰ সেই বিশেষ ঘূৰ্ণিটো হোৱাৰ বহু বছৰৰ পিছত উক্ত স্থানত আকৌ এবাৰ ঘূৰ্ণিৰ প্ৰলয় নামিছিল। বতাহৰ কোব ইমানেই বেছি আছিল যে ইয়াৰ ফলত ধনুশকড়িৰ ভূ-খণ্ডৰ এছোৱা সমুদ্ৰৰ গৰ্ভত লীন গৈছিল। আনকি পাম্বান দলঙৰ ওপৰেদি ইয়াৰ মাজতে গৈ থকা এখন ৰেলগাড়ীয়ে ঘূৰ্ণিৰ কোব সহিব নোৱাৰি সমুদ্ৰৰ জলৰাশিত থিতাতে গৈ বিলীন হৈ পৰিছিল। ৰেলগাড়ীখনত বেছিভাগেই আছিল তীৰ্থযাত্ৰী। ঘূৰ্ণীৰ ফলত ক'বলৈ গ'লে আমাৰ সমগ্ৰ এলেকাটোৰেই ভূ-অৱয়ব সলনি হৈ গৈছিল আৰু চকুৰ পলকতে ধনুশকড়ি চহৰখন এখন নৰমনিচহীন শূণ্য চহৰলৈ যেন পৰ্যৱসিত হৈ পৰিছিল। এই দুৰ্য্যোগৰ পিছত বিশেষকৈ ধনুশকড়ি চহৰখনে আৰু কেতিয়াও ইয়াৰ পূৰ্বৰ শ্ৰীচেহেৰা ঘূৰাই নাপালে। আজিও ১৯৬৪ চনৰ এই দুৰ্য্যোগৰ সাক্ষ্য হিচাপে বিচাৰিলেই পোৱা যাব ধনুশকড়ি চহৰখনৰ পুৰণি ঘৰ-দুৱাৰ সমূহৰ অৱশিষ্ট সমূহ।

আটাইতকৈ ডাঙৰ কথা, উক্ত দুৰ্যোগত দেউতাৰ দ্বিতীয়খন ফেৰি-নাৱো সমুদ্ৰগৰ্ভত বিলীন হৈ গ'ল। অৰ্থাৎ আমাৰ পৰিয়াললৈ পুনৰ এক অমানিশা নামি আহিল। বিপৰ্যস্ত পৰিয়ালটোক মই সেই মুহূৰ্তত বিশেষ একো সহায় কৰিব পৰা নাছিলোঁ, কাৰণ ৰামেশ্বৰমৰ সমুদ্ৰতীৰৰ সেই পৃথিৱীখনৰ পৰা মই তেতিয়া বহু দূৰলৈ আঁতৰি আহিছিলোঁ আৰু মোৰ ব্যস্ততা বাঢ়িছিল। প্ৰকৃততে, দেউতাই আছিল পৰিয়ালটোৰ মূল চাবিকাঠিস্বৰূপ, তেওঁ সহজে কোনো ক্ষেত্ৰতে বিচলিত হৈ পৰা লোক নাছিল। এই দুৰ্যোগটোৰ ক্ষেত্ৰতো তেওঁ নিজস্ব স্বভাৱসুলভতাৰে সকলো চম্ভালি লৈছিল। মই চেটেলাইট্ লঞ্চ ভিহ্‌কল্ ((**Satellite Launch Vehicle**) অথবা পৃথিৱী বা অগ্নি আদি মিচাইলৰ নিৰ্মাণৰ কামত নিয়োজিত হৈ

**উক্ত দুৰ্যোগত দেউতাৰ দ্বিতীয়খন ফেৰি-নাৱো সমুদ্ৰগৰ্ভত বিলীন হৈ গ'ল। অৰ্থাৎ আমাৰ পৰিয়াললৈ পুনৰ এক অমানিশা নামি আহিল। বিপৰ্যস্ত পৰিয়ালটোক মই সেই মুহূৰ্তত বিশেষ একো সহায় কৰিব পৰা নাছিলোঁ, কাৰণ ৰামেশ্বৰমৰ সমুদ্ৰতীৰৰ সেই পৃথিৱীখনৰ পৰা মই তেতিয়া বহু দূৰলৈ আঁতৰি আহিছিলোঁ আৰু মোৰ ব্যস্ততা বাঢ়িছিল।**

থকাৰ সময়ত, বিশেষকৈ তেনে যান আদিৰ 'কাউন্ট ডাউন' আৰু 'টেইক্ অফ'ৰ মুহূৰ্তসমূহত অনাকাংখিতভাৱে কিবা বিজুতি অথবা জটিলতাৰ সমুখীন হ'ব লগা হ'লে অধৈৰ্য নহৈ দেউতাৰ মুখখন বাৰে বাৰে মনত পেলাওঁ। বিশেষকৈ ধুমুহাই অনা দুৰ্যোগময় সময়বোৰ পাৰ হৈ যোৱাৰ পিছত দেউতাৰ মুখৰ সেই অভিব্যক্তিটো (অভিব্যক্তিটো আছিল এনেধৰণৰ ঃ এইটো এটা স্বাভাৱিক দুৰ্য্যোগ; মানুহতকৈ প্ৰকৃতি বহু শক্তিশালী আৰু সেয়েহে চকুৰ এক পিৰিকতিতেই আমাৰ সকলো আঁচনি আৰু লক্ষক ভূলুণ্ঠিত কৰি দিব পৰা শকতি প্ৰকৃতিৰ আছে। এনে অৱস্থাত মানুহৰ এটাই ৰাস্তা আছে - সি হ'ল দুৰ্য্যোগ সত্বেও হতি নপৰা আৰু আশাৰে জীৱনক পুনৰ গঢ়াৰ বাবে সংকল্প গ্ৰহণ কৰা) মনত পৰাৰ লগে লগে মই নিৰাশাক হেলাৰঙে জয় কৰিব পৰা হওঁ।

(৩)

প্ৰতি ৰাতিপুৱাই ইংৰাজী আৰু তামিল ভাষাৰ এসোপা খবৰ কাকত হ'কাৰে মোৰ ঘৰত দি যায়। দেশৰ বাহিৰত থাকিব লগা হ'লেও মই বিভিন্ন মাধ্যমৰ জৰিয়তে দেশৰ খা-খবৰ সততে লৈ

থাকিবলৈ যত্ন কৰোঁ। একো উপায় নাথাকিলে ইন্টাৰনেটত পৰিৱেশিত হোৱা সংবাদ, ভিন ভিন আলোচনী-পত্ৰত প্ৰকাশিত সম্পাদকীয়-ৰচনা আদি পঢ়ি মই মোৰ দেশৰ স'তে মনঃসংযোগ কৰি থাকোঁ। আজিকালি 'মাউচ'ত টিপা এটা মাৰিয়েই ভূ-ভাৰতৰ খা-খবৰ লৈ থকাটো সকলোৰে বাবে সম্ভৱ হৈছে। কথাটো ভাবি আচৰিত লাগে যদিও ইঞ্জিনিয়াৰিং আৰু বিজ্ঞান প্ৰযুক্তিৰ এজন মানুহ হিচাপে এই কথাবোৰে মোক ইমান চমক খুৱাব নালাগে। হ'লেও মই ভাবি আচৰিত হওঁ - সত্তৰ বছৰ আগতে আমাৰ জীৱনটো যেনেকুৱা আছিল - বিশেষকৈ দক্ষিণভাৰতৰ এখন অতিকৈ প্ৰত্যন্ত ক্ষুদ্ৰ চহৰৰ মানুহ হিচাপে - এতিয়াৰ অৱস্থাটো তুলনামূলকভাৱে কিমান বেলেগ হৈছে!

মোৰ জন্ম হৈছিল ১৯৩১ চনত। যেতিয়া মোৰ আঠ বছৰ বয়স, তেতিয়া বিশ্বযুদ্ধ আৰম্ভ হৈছে। ব্ৰিটেইনে নকৈ জাৰ্মানীৰ বিৰুদ্ধে ৰণশিঙা বজাইছে আৰু ভাৰতৰ ৰাষ্ট্ৰীয় কংগ্ৰেছৰ তীব্ৰ বিৰোধিতা সত্ত্বেও বৃটিছ উপনিবেশ হিচাপে ভাৰতেও যুদ্ধত যোগদান কৰিছে। হাজাৰ-হাজাৰ ভাৰতীয় সৈন্যই পৃথিৱীৰ বিভিন্ন প্ৰান্তৰৰ যুদ্ধক্ষেত্ৰত বৃটিছ সেনাৰ সৈতে যুদ্ধত অৱতীৰ্ণ হোৱাৰ এই সময়ছোৱাত দাক্ষিণাত্যৰ সাগৰ তীৰত থকা আমাৰ এই চহৰখনত কিন্তু যুদ্ধৰ বিন্দুমাত্ৰ প্ৰভাৱো অনুভূত হোৱা নাছিল। আগতেই কৈছোঁ, ১৯৪০ -ৰ দশকৰ সময়ত ৰামেশ্বৰম এখনি অতিকৈ প্ৰান্তীয় সৰু চহৰ আছিল আৰু বছৰটোৰ নিৰ্দিষ্ট একোটা সময়ত তীৰ্থযাত্ৰীসকল অহাৰ সময়তহে চহৰখনে প্ৰাণ পাই উঠিছিল। নাগৰিকসকলৰ বেছিভাগেই আছিল ব্যৱসায়ী শ্ৰেণীৰ লোক আৰু ইয়াৰ সৰহ অংশই আছিল ক্ষুদ্ৰ ব্যৱসায়ী লোক। চহৰখনৰ কেন্দ্ৰবিন্দু আছিল মন্দিৰটো (চহৰখনত লগতে আছিল এটা মছজিদ আৰু গীৰ্জাঘৰো)। চহৰখনৰ আপোনভোলা, শান্তিপূৰ্ণ মানুহখিনিয়ে সাধাৰণতেই নিজকে কামে-কাজে ব্যস্ত কৰি ৰাখিছিল আৰু খুট্ খাট দুই এটা ওখনা-ওখনি পৰ্য্যায়ৰ সংঘাতৰ বাহিৰে বিশেষ কোনো গুৰুতৰ বিধৰ হাই কাজিয়াৰ ঘটনাই চহৰখনক কেতিয়াবা স্পৰ্শ কৰা মনত নপৰে।

নাগৰিকসকলৰ বাবে বাহিৰৰ পৃথিৱীখনৰ খা-খবৰ জনাৰ বাবে একমাত্ৰ উৎসস্বৰূপ আছিল চহৰলৈ অহা বাতৰি কাকত কেইখন। যিটো এজেন্সিয়ে কাকতৰ যোগান ধৰিছিল তাৰ মালিকগৰাকী আছিল মোৰ এগৰাকী সম্বন্ধীয় লোক; নাম ঃ চামছুদ্দিন। জালালুদ্দিনৰ দৰে মোৰ জীৱনত চামছুদ্দিনৰো প্ৰভাৱ আছিল অপৰিসীম। আনুষ্ঠানিক লিখা- পঢ়া নাছিল যদিও তেওঁ আখৰ-বাখৰ পঢ়িব জানিছিল। নিজৰ থকা ঠাইখনৰ বাহিৰে বাহিৰৰ জগতখনৰ সৈতে তেওঁৰ বিশেষ পৰিচয় নাছিল। তেওঁ মোক অত্যন্ত মৰম কৰিছিল আৰু বিভিন্ন দিশত মোক পৰামৰ্শাদিও আগবঢ়াইছিল। ক'বলৈ গ'লে তেওঁ মোৰ ভৱিষ্যত জীৱনৰ বাবে দিক্ প্ৰদৰ্শক যেন হৈ পৰিছিল। মই অভিব্যক্ত কৰিব নোৱাৰা ধৰণৰ কিন্তু মোৰ মনৰ ভিতৰত চেপা-খুন্দা খাই থকা বহু চিন্তা-ভাৱনা আৰু অনুভূতিৰ কথা তেওঁ যেন কিবা প্ৰকাৰে বুজি পাইছিল। দৈনন্দিন জীৱনত চামছুদ্দিনৰ দৰে মানুহবোৰ যদিও এক সীমিত পৰিধিৰ মাজতে সদায় আৱদ্ধ হৈ থাকিবলৈ বাধ্য হয়, বয়স আৰু অভিজ্ঞতাই তেওঁলোকক জগতখনৰ সম্পৰ্কত সৰুৱে নজনা বহু কথাই জানিবলৈ সুবিধা দিয়ে - সেয়েহে মই বিশ্বাস কৰো, এওলোকক কোনোৱে হেয় বুলি ভাবিব নালাগে।

> **মোৰ জীৱনত চামছুদ্দিনৰো প্ৰভাৱ আছিল অপৰিসীম। আনুষ্ঠানিক লিখা- পঢ়া নাছিল যদিও তেওঁ আখৰ-বাখৰ পঢ়িব জানিছিল। নিজৰ থকা ঠাইখনৰ বাহিৰে বাহিৰৰ জগতখনৰ সৈতে তেওঁৰ বিশেষ পৰিচয় নাছিল। তেওঁ মোক অত্যন্ত মৰম কৰিছিল আৰু বিভিন্ন দিশত মোক পৰামৰ্শাদিও আগবঢ়াইছিল। ক'বলৈ গ'লে তেওঁ মোৰ ভৱিষ্যত জীৱনৰ বাবে দিক্ প্ৰদৰ্শক যেন হৈ পৰিছিল।**

চামছুদ্দিনৰ এজেন্সিটোৱেই আছিল ৰামেশ্বৰমত একমাত্ৰ কাকতৰ এজেন্সি। চহৰখনত কমেও এহাজাৰ স্বাক্ষৰ লোক আছিল আৰু এওঁলোকৰ প্ৰায় প্ৰতিঘৰ লোকেই চামছুদ্দিনৰ পৰা কাকত লৈছিল। সেই সময়তেই দেশৰ স্বাধীনতা আন্দোলন ক্ৰমাৎ সফলতাৰ ফালে আগুৱাই গৈছিল আৰু যিহেতু সংবাদ-পত্ৰ সমূহত এই সম্পৰ্কীয় খবৰবোৰে গুৰুত্বপূৰ্ণ স্থান দখল কৰিছিল, চামছুদ্দিনৰ কাকতৰো চাহিদা ক্ৰমাৎ বৃদ্ধি পাইছিল। নাগৰিকসকলে সাধাৰণতেই ইজনে সিজনৰ সৈতে এই সংবাদবোৰ পঢ়ি উঠি সুবিধা পালেই সিবোৰৰ ওপৰত সৰৱ আলোচনা কৰিছিল।

সেই সময়ৰ কাকত সমূহত যুদ্ধৰ সংবাদ সমূহেও বিশেষ গুৰুত্ব লাভ কৰিছিল। হিটলাৰ আৰু নাজি সৈন্যবাহিনীৰ বিষয়ে সবিস্তাৰে বাতৰি পৰিৱেশিত হৈছিল। অৱশ্যে, কাকতসমূহত স্থূলৰুচিৰ খবৰ আদিও বহু পৰিমাণে প্ৰকাশিত হৈছিল। সমূহ সংবাদপত্ৰৰ ভিতৰত আমাৰ অঞ্চলত সবাতোকৈ জনপ্ৰিয় কাকতখনি আছিল তামিল ভাষাত ওলোৱা 'দিনমণি'।

ৰামেশ্বৰমলৈ এই কাকতসমূহৰ টোপোলাবোৰ ৰেলত পঠিওৱা হৈছিল আৰু চহৰৰ ষ্টেশ্যনতেই উক্ত টোপোলাসমূহ ৰেলখন ৰোৱাৰ সময়ত পেলাই থৈ যোৱা হৈছিল। তাৰ পৰাই সেইসমূহ ভাগ ভাগ কৰি চহৰৰ চুকে

কোণে থকা গ্ৰাহকসকলৰ ঘৰে ঘৰে দিওৱাৰ ব্যৱস্থা কৰা হয়। এইটো আছিল চামছুদ্দিনৰ ব্যৱসায় আৰু তেওঁ অনায়াসে এই কামটো দিনটোৰ ভিতৰত সমাপন কৰিছিল। এই বাতৰিকাকত বিলি কৰাৰ কাৰবাৰটোত সময়ত মইও আৰধাৰিতভাবে লিপ্ত হ'বলগীয়া হৈছিল। তেতিয়া দ্বিতীয় বিশ্বযুদ্ধৰ সময়। বৃটিছ চৰকাৰে বহুতো অত্যাৱশ্যকীয় সামগ্ৰীৰ ওপৰত নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিছে। কেতবোৰ সামগ্ৰী আকৌ ৰেশ্যনিং ব্যৱস্থাৰ জৰিয়তে ৰাইজৰ বাবে সুলভ কৰাৰ নীতিও গ্ৰহণ কৰিছে। দেশখনত ক'বলৈ গ'লে সামগ্ৰিকভাৱে জৰুৰী অৱস্থাৰ দৰে অৱস্থা এটা চলিব লাগিছে। আমাৰ দৰে পৰিয়ালবোৰ সহজে চলিব নোৱাৰা অৱস্থা এটাৰ সৃষ্টি হৈছে। বিশেষকৈ অন্ন-বস্ত্ৰৰ সমস্যাটোৱেই সাধাৰণ মানুহক জ্বলা-কলা দেখুৱাইছে। আমাৰ পৰিয়ালত তাতে আকৌ সদস্যৰ সংখ্যাও সৰহ - মুঠ পাঁচটা ল'ৰা-ছোৱালী। লগতে আকৌ খুড়াৰ পৰিয়ালটোও আমাৰ লগত আছে। সকলো অসুবিধা সত্ত্বেও মা আৰু আইতাই ঘৰখন চলাই নিবলৈ দেহে-মনে কষ্ট কৰিছিল।

আমাৰ পৰিয়ালৰ আৰ্থিক অৱস্থা ক্ৰমে জটিল হৈ আহিছিল। এনে অৱস্থাত চামছুদ্দিনে সমস্যাৰ জোৰা মৰাৰ স্বাৰ্থত আমাৰ ঘৰখনক এটা বিশেষ প্ৰস্তাৱ দিলে আৰু প্ৰস্তাৱটোৱে আমাৰ আটাইকে উৎসাহিত কৰিলে। প্ৰস্তাৱটো আছিল - মইও চামছুদ্দিনৰ সহায়কাৰী হিচাপে ৰামেশ্বৰমৰ ঘৰে-ঘৰে কাকত বিলি কৰিব লাগে। মইও ঘৰখনক দুটা পইছা আয় কৰি দিব পাৰিম বুলি ভাবি আৰু লগতে কাকত বিলোৱা কামটো ৰোমাঞ্চকৰ হ'ব বুলি অনুভৱ কৰি প্ৰস্তাৱটোৰ জৰিয়তে সমানেই আহ্লাদিত হ'লো। কিন্তু এনে সময়তে এটা সমস্যা ঘটিল। ৰামেশ্বৰমলৈ যিখন ৰেলত পুৱাই কাকতৰ টোপোলাবোৰ আহে, সেই ৰেলগাড়ীখন এতিয়া ৰামেশ্বৰমত ৰখোৱাটো বন্ধ কৰি দিলে। লগে লগে অৱশ্যে সমস্যাৰ সমাধানো ওলাল। ৰেলখন যেতিয়া ৰামেশ্বৰমৰ ষ্টেশ্যনত সোমাবহি তেতিয়া কাকতৰ বগীৰ পৰা টোপোলাবোৰ চলন্ত ৰেলৰ খিড়িকীৰে বাহিৰলৈ দলিয়াই দিয়া হ'ব আৰু মই প্লেট্‌ফৰ্মৰ পৰা উক্ত টোপোলাসমূহ এটা-এটাকৈ আনি এঠাইত সেইবোৰ একেলগে দ'ম কৰি ৰাখিব লাগিব। ইয়াৰ পিছত তাতে সেইবোৰ খুলি ভাগ ভাগ কৰি ঘৰে-ঘৰে বিলি কৰাৰ ব্যৱস্থা কৰিব লাগিব। ভবামতেই কাম। মই এই কামটো বেছ উপভোগ কৰিছিলোঁ। ক'বলৈ গ'লে এনে এটা কাম পাই মোৰ গা সাতখন আঠখন। মোৰ তেতিয়া বয়স আঠ বছৰহে মাথোঁ। তেতিয়াই ঘৰখনৰ কাৰণে দুপইচা অৰ্জন কৰিববলৈ সক্ষম হৈছিলোঁ এইদৰে। বৰ টনাটনিকৈ ঘৰখন চলিছিল তেতিয়া আৰু এই ক্ষেত্ৰত আটাইতকৈ বেছি ত্যাগ স্বীকাৰ কৰিব লগা হৈছিল মূল মহিলা দুগৰাকীয়ে। ঘৰৰ এই অৱস্থাটোৱে সাধাৰণতেই মোৰ মনটোক এক গভীৰ বিষাদ বোধেৰে সিক্ত কৰি ৰাখিছিল।

মোৰ এই নতুন 'চাকৰি' টোক মই মোৰ দৈনন্দিন কামৰ তালিকাখনৰ সৈতে সুন্দৰকৈ খাপ খুৱাই লৈছিলোঁ। ঘৰত মই নিৰ্দিষ্ট সময়ত পঢ়িছিলোঁ আৰু ঘৰত পঢ়া আৰু স্কুলত পঢ়া - এই দুই কামৰ মাজতে সময় উলিয়াই কাকত বিলি কৰা কামটোও চলাই গৈছিলোঁ। গণিত বিষয়ত মোৰ ভাল দখল আছিল, অন্ততঃ মোৰ সম্পৰ্কীয় যিকোনো লোকৰ তুলনাত। দেউতাই আমাৰ স্কুলৰ গণিতৰ ছাৰজনৰ ওচৰতমোৰ ঘৰুৱা টিউশ্যনৰো ব্যৱস্থা কৰি দিলে। টিউশ্যন লোৱাৰ ক্ষেত্ৰত ছাৰজনে চৰ্ত্তসাপেক্ষেহে সন্মতি প্ৰদান কৰিছিল। তেওঁৰ চৰ্ত্ত আছিল যে, মই মোৰ চাৰিজন সহপাঠী ছাত্ৰৰ সৈতে একেলগে টিউশ্যনলৈ যাব লাগিব আৰু তাকো একেবাৰে ৰাতিপুৱা গা-পা ধুই। ইয়াৰ ফলত প্ৰায় এবছৰ সময় মই ফেহুঁজালিৰ আগতেই ঢাৰি-পাটী এৰিববলৈ বাধ্য

> **মোৰ এই নতুন 'চাকৰি' টোক মই মোৰ দৈনন্দিন কামৰ তালিকাখনৰ সৈতে সুন্দৰকৈ খাপ খুৱাই লৈছিলোঁ। ঘৰত মই নিৰ্দিষ্ট সময়ত পঢ়িছিলোঁ আৰু ঘৰত পঢ়া আৰু স্কুলত পঢ়া - এই দুই কামৰ মাজতে সময় উলিয়াই কাকত বিলি কৰা কামটোও চলাই গৈছিলোঁ।**

হৈছিলোঁ। এই ক্ষেত্ৰত অৱশ্যে মায়েও মোক সহায় কৰিছিল। তেওঁ মোক উঠাবলৈকে সদায় নিজে বিচনাৰ পৰা আগতে উঠিছিল। গা-পা ধুই উঠি মই লৰালৰিকৈ চাৰৰ ঘৰলৈ বুলি বাটত ভৰি দিছিলোঁ। টিউশ্যনৰ পৰা উভতি আহি ঘৰ পায়েই মই ওচৰতে থকা আৰৱিক স্কুললৈ বুলি খোজ দিছিলোঁ। আৰৱিক স্কুলত আমাক 'কোৰাণ শ্বৰিফ' শিকাইছিল।

'কোৰাণ শ্বৰিফ'-ৰ পাঠ পঢ়া শেষ হ'লেই মই দৌৰ মাৰি গৈ ৰেল ষ্টেশ্যন পাওঁগে। তাত পাইচাৰি কৰি কৰি বাট চাই থাকোঁ ৰেলখন অহালৈ। সাধাৰণতে অন্য ৰেলৰ ক্ষেত্ৰত হোৱাৰ দৰে এই মাদ্ৰাজ-ধনুশকড়ি মেইলখনে কাচিংহে পলমকৈ পায়হি। ডাঙৰকৈ উকি এটা মাৰি এটা প্ৰচণ্ড শব্দৰ মাজেৰে ৰেলখনে ষ্টেশ্যনটো দেও দি পাৰ হৈ যায়। মই ষ্টেশ্যনত এটুকুৰা নিৰ্দিষ্ট ঠাই ঠিক কৰি লৈছিলোঁ, যিটুকুৰা ঠাইত ৰ'লে চলন্ত ৰেলৰ বিশেষ বগিটোৰ পৰা দলিয়াই দিয়া কাকতৰ টোপোলাবোৰ গোটাবলৈ সুবিধা হ'ব। প্লেটফৰ্মত টোপোলাকেইটা জপিয়াই পৰে আৰু ৰেলখনো আপোনচিত্তে গৈ থাকে। ৰেলখনৰ সেই নিৰ্দিষ্ট বগীটোত আহি থকা 'চামছুদ্দিনৰ মানুহ' টোৱে মোলৈ চাই হাত জোকাৰি থৈ আঁতৰি যায়গৈ আৰু মই অলপ পিচতে কামত ধৰোঁ। প্ৰথম, টোপোলাবোৰ এটা এটাকৈ আনি

একেঠাইতে গোটাব লাগে, পিছত সেই সমূহ বিলি কৰাৰ সুবিধাৰ বাবে ভাগ-ভাগ কৰিব লাগে। এইখিনি হ'লত বিলম্ব নকৰি ৰামেশ্বৰমৰ চুকে কোনে কাগজ বিলাবলৈ লাগি যাওঁ। এই কামটোৱে মোক ৰামেশ্বৰমৰ ভালে সংখ্যক নাগৰিকৰ সৈতে ভালদৰে পৰিচয় হোৱাৰ এটা সুযোগ প্ৰদান কৰিলে। এওঁলোকৰ বহুতেই নিজৰ কাকতখনৰ বাবে খাপ পিটি ৰৈ থাকে আৰু মোৰ পৰা কাকতখন হাতত তুলি লওঁতেই তেওঁলোকে কেতিয়াবা মোৰ স'তে দু-আষাৰ কথা-বাৰ্তাও পাতে, বহুতে আকৌ মই কাকত বিলোৱা শেষ কৰি কেনেকৈ সময়ত স্কুলত উপস্থিত হ'মগৈ এইলৈও উদ্বিগ্নতা প্ৰকাশ কৰে। প্ৰায়সকল গ্ৰাহকেই ৰাতিপুৱাই মোৰ দৰে অকণমানি ল'ৰা এটাৰ পৰা কাকতখন এইদৰে ল'বলৈ পাই বেছ আমোদ পোৱাটোও মই লক্ষ্য কৰিছিলোঁ।

আমাৰ চহৰখন যিহেতু সাগৰৰ পাৰত পূৱ দিশত অৱস্থিত আছিল, প্ৰায় আঠ বজাতে বেলি আকাশৰ এফাল পায়গৈ - মই ইতিমধ্যে মোৰ কাকত বিলোৱা কামটো দিনটোৰ বাবে সমাপ্ত কৰি ঘৰত সোমাওঁহি। মই ঘৰগৈ নোপোৱালৈকে মায়েও ৰাতিপুৱাৰ আহাৰ যতনাই বাটলৈ চাই থাকে। ৰাতি পুৱা তৰা নৰা চিঙি কাকত বিলাওঁতে মোৰো যথেষ্ট ভোক লাগে আৰু সেয়েহে মায়ে খাবলৈ আগবঢ়াই দিয়া যিকোনো বস্তুৱেই মোৰ জিভাত পৰি অমৃত যেন লাগে। মই খাওঁতে মাও কাষত বহি থাকে। আবেলি যেতিয়া স্কুলৰ পৰা ঘূৰি আহোঁ, তাৰ পিছতো কাম, চামছুদ্দিনৰ হৈ কাকতৰ গ্ৰাহকসকলৰ ঘৰে ঘৰে গৈ যি সকলে পাওনা আদায় দিবলৈ আছে সেইখিনি সংগ্ৰহ কৰা কাম।

গধূলি বা সন্ধ্যা বেলাৰ পৰত সাগৰৰ পাৰত এঠাইত বহি লৈ জালালুদ্দিন আৰু চামছুদ্দিনে অলপ আৰাম কৰে। তেওঁলোকৰ হাতত থাকে সেইদিনাৰ 'দিনমণি' খন। মইও তেওঁলোকৰ লগ লাগোঁ আৰু তেতিয়াই তেওঁলোকৰ সৈতে কাকতখনৰ শিৰোনামাবোৰত চকু ফুৰাওঁ। আমাৰ মাজৰে এজনে গুৰুত্বপূৰ্ণ বাতৰিবোৰ চিঞৰি চিঞৰি পঢ়িব আৰু সেই পঢ়াৰ মাধ্যমেৰেই আমাৰ চকুত ভাঁহি উঠিব আমি বাস কৰা ঠাইখনৰ বাহিৰৰ আহল-বহল পৃথিৱীখনৰ সম্পৰ্কত চিত্ৰ-বিচিত্ৰ অলেখ ছবি। গান্ধী, কংগ্ৰেছ, হিট্‌লাৰ, পে'ৰিয়াৰ, ই.ভি. ৰামস্বামী ইত্যাদি ডাঙৰ ডাঙৰ মানুহৰ নামবোৰ তেতিয়া আমাৰ বাবে অতিকৈ চিনাকি। তেওঁলোকৰ মুখৰ পৰা ওলোৱা এই সংবাদসমূহ পঢ়ি পঢ়িয়েই কল্পনা কৰিবলৈ লৈছিলোঁ আমি থকা ঠাইখনৰ বাহিৰৰ পৃথিৱীখন কিমান যে বিচিত্ৰধৰণৰ হ'ব। মই ভিতৰি এনেকৈও প্ৰশ্ন কৰিছিলোঁ নিজকে, এদিন বাৰু বাহিৰৰ এই বহল পৃথিৱীখন- মাদ্ৰাজ, মুম্বাই অথবা আন কোনোবা এখন মহানগৰত - মই নিজৰ বাবে অকণমান ঠাই উলিয়াবলৈ সুবিধা কৰিব পাৰিমগৈনে? লগতে গান্ধী-নেহৰুৰ দৰে মহান ব্যক্তিক ওচৰৰ পৰা পোৱাৰ বাবেও মনত প্ৰবল আশা জাগ্ৰত হৈছিল। কাগজ পঢ়া শেষ হওক বা নহওক, সন্ধিয়া সময় মতে ঘৰলৈ উভতিব লাগিব। ঘৰলৈ গৈ হ'ম-ৱাৰ্কত ধৰোঁগৈ। নিশা ন'টামান বজালৈ মই নিজে নিজেই বিচনাত শুই পৰোঁ। বিচনাত পৰা মাত্ৰকে মোক টোপনিয়ে হেঁচি ধৰে। দিনটোৰ পৰিশ্ৰমৰ ক্লান্তিৰ বাবেই এনে হয়। পিছদিনা সোনকালে ঢাৰি-পাটী এৰোঁ। সেই এটা বছৰ দৌৰি দৌৰি কাগজ বিলি কৰি থাকোঁতেই যেন মই আগতকৈ বহুত পৰিপক্ক হৈ গ'লো। লগতে, মই কিমান বেগাই গ'লে কিমান সময়ত কিমানখিনি দূৰত্ব অতিক্ৰম কৰিব পাৰিম, এই হিচাপবোৰ স্বাভাৱিকভাৱেই মুহূৰ্ততে কৰিবলৈ সক্ষম হ'লো আৰু কাগজৰ হ'কাৰৰ দৰে এই কামটোৰ বাবেই সময়ৰ সাৰ্থক ব্যৱহাৰৰ সম্পৰ্কত এক অনুশীলন এইদৰে মই মোৰ শৈশৱতেই আয়ত্ব কৰিবলৈ সক্ষম হ'লো। লগতে, এই কামটোৰ জৰিয়তে মই বহু মানুহৰ সৈতে সম্পৰ্ক স্থাপন কৰিবলৈ সক্ষম হৈছিলোঁ আৰু সামাজিক আচৰণৰ এক আৰ্হি পাঠো এইদৰে লাভ কৰিছিলোঁ। সেইবাবেই হয়তো সময়ৰ উচিত ব্যৱহাৰৰ জৰিয়তে যিমান পাৰি সিমান সৰহ সংখ্যক মানুহৰ সৈতে সাক্ষাৎ কৰাটো মোৰ বাবে আজি সহজ কথা হৈছে। লগতে শৈশৱৰ সেই অভিজ্ঞতাৰ পৰা মই আন এটা বৰ ডাঙৰ কথা শিকিলোঁ - সেইটো হ'ল, এজন কাম কৰি খোৱা সাধাৰণ মানুহে কষ্ট আৰু পৰিশ্ৰমৰ লগতে সময়ৰ সদব্যৱহাৰৰ জৰিয়তেহে নিজৰ জীৱিকা অৰ্জন কৰিবলৈ সক্ষম হয় - সেইটোৰ উপলব্ধি। হ'ম-ৱাৰ্ক, টিউশ্যন, প্ৰাৰ্থনা - এই সকলোবোৰ মই নিতান্তই কৰিব ৰাগিব, কিন্তু সবাৰোপৰি, মাদ্ৰাজ-ধনুশকড়ি মেইলখন অহাৰ আগে আগে মই ষ্টেশ্যন গৈ পাবই লাগিব। 'দায়িত্ব' বোলা বস্তুটোৰ সৈতে সেই ফুলকুমলীয়া বয়সতে মই এইদৰে পৰিচয় লাভ কৰিছিলোঁ। হ'লেও কিন্তু মোৰ বাবে সেই সময়ছোৱাৰ মাদকতাই আছিল সুকীয়া আৰু ইয়াৰ প্ৰতিটো মুহূৰ্তকে মই আপোনমনে উপভোগ কৰিছিলোঁ, যদিওবা নিশাৰ ভাগলৈ মোৰ অকণমানি দেহাটো সোনকালেই অৱশ হৈ পৰিছিল ক্লান্তি আৰু ভাগৰত। মোৰ আয়ে মোৰ সৰু দেহাটোৱে ইমান কষ্ট সহিব লগা হোৱাত মাজে মাজে দুখ প্ৰকাশ কৰিছিল, কিন্তু তেনে মুহূৰ্তত মুখত সহজ হাঁহি ফুটাই তেওঁক প্ৰত্যয় নিয়াবলৈ প্ৰয়াস কৰিছিলোঁ যে, মই যি দু-পইচা আয় কৰিছিলোঁ, সি অলপ হ'লেও আমাৰ বৃহৎ পৰিয়ালটোক চলাত সহায় কৰিছিল আৰু এইলৈ ভিতৰি মই বিশেষ গৰ্ব অনুভৱ কৰিছিলোঁ।

০০০

মোৰ সুদীৰ্ঘ আৰু ঘটনাবহুল জীৱনটোত মই বহু সফলতাৰ অভিজ্ঞতা লাভ কৰিলোঁ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ

ক্ষেত্ৰত আমাৰ ৰাষ্ট্ৰখনক এঢাপ আগুৱাই নিয়াৰ ক্ষেত্ৰত মই যিমান পাৰি বৰঙণি আগবঢ়াবলৈ চেষ্টা কৰিছোঁ। এনে সফলতাৰ বাহিৰেও ব্যক্তিগত স্তৰত মই দেশখনৰ সৰ্বোচ্চ পদবীটোত অধিষ্ঠিত হোৱাৰ সাফল্যও লভিবলৈ সক্ষম হ'লো। এতিয়া অকণমান উভতি চালেই দেখা পাওঁ মই বহু সাফল্যৰ গৰাকী হ'লো আৰু আটাইতকৈ ডাঙৰ কথা, দেশৰ বহুসংখ্যক মেধাসম্পন্ন ডেকা-ডেকেৰীক নেতৃত্ব দিয়াৰ সুযোগ মই লাভ কৰিছিলোঁ। ইমানবোৰ সাফল্য সত্ত্বেও মই এটা কথা সদায় দৃঢ়ভাবে বিশ্বাস কৰোঁ যে, বিফলতাৰ তিতা-কেঁহা সোৱাদ পোৱা জনেহে প্ৰকৃত সাফল্যৰ পথত অগ্ৰসৰ হ'ব পাৰে। মোৰ জীৱনত সফলতা আৰু বিফলতা - এই দুয়োটাৰে সোৱাদ লাভ কৰি আহিছোঁ। বিফলতাই মানুহৰ মনলৈ যি নৈৰাশ্যৰ আগমনি ঘটাই, ইয়াৰ অভিজ্ঞতা মোৰো জীৱনত বাৰুকৈয়ে হৈছে। বিফলতাৰ পৰা আয়ত্ব কৰা শিক্ষাখিনিয়েই মোক পৰোক্ষভাৱে দিক্‌দৰ্শন কৰিছে আৰু ইয়াৰ সহায়েৰেই মই জীৱনৰ কঠিন পৰিস্থিতিসমূহ অতিক্ৰম কৰি আগবাঢ়ি যাবলৈ সক্ষম হৈছোঁ।

বিফলতাৰ তেনে এক ঘটনাই পঢ়ি থকা কালত এবাৰ মোৰ সংবেদনশীল মনটোক বাৰুকৈয়ে জোকাৰি গৈছিল। তেতিয়া মই মাদ্ৰাজ ইঞ্চটিটিউট অৱ টেকন'ল'জিৰ এইৰ'নেটিক্সৰ ছাত্ৰ। ডিজাইন বিভাগত তেতিয়া আমাৰ শিক্ষক আছিল প্ৰফেছাৰ শ্ৰীনিৱাসন। তেওঁ শিক্ষানুষ্ঠানখনৰো মূৰব্বী আছিল। এবাৰ আমাৰ ছাত্ৰসকলক তেওঁ চাৰিজন, চাৰিজনকৈ ভাগ কৰি প্ৰতিটো দলকে নিৰ্দিষ্ট কিছুমান 'এচাইনমেণ্ট' দিছিল। আমাৰ দলটোৰ ভাগত পৰিছিল এখন **'low level attack aircraft'** ডিজাইন কৰাৰ এচাইনমেণ্ট। কেবাসপ্তাহ ধৰি আমি এই কামটোত লাগি থাকিলোঁ। মোৰ লগত থকা বাকী তিনিগৰাকী সতীৰ্থই এয়াৰক্ৰাফ্‌টখনৰ ভিন ভিন অংগসমূহ সাজি উলিওৱাৰ দায়িত্ব লৈছিল। ইতিমধ্যে আমাৰ পাঠ্যক্ৰমৰ অন্য সকলোবিলাক কাম শেষ হৈছে, গতিকে আমি এই ডিজাইনিঙৰ কামত যোল অনাই নিমগ্নিত হ'বলৈ সুবিধা হৈছিল। সুদীৰ্ঘ সময় আমি দলীয়ভাৱে সুস্থিৰভাৱে আমাৰ কামখিনি আগুৱাই নিছিলোঁ। আমাৰ একান্ত উদ্দেশ্য আছিল যেনে তেনে আমি অধ্যাপকগৰাকীক আমাৰ কুশলতা আৰু জ্ঞান প্ৰদৰ্শন কৰা। এদিন ইয়াৰ মাজতে প্ৰফেছাৰ শ্ৰীনিৱাসন আমাৰ ওচৰলৈ নিজে আহিছিল কামনো কিমান আগবাঢ়িছে চাবলৈ। বিশ্লেষণাত্মক দৃষ্টি এটা মুখত লৈ তেওঁ কামটো ভালদৰে পৰ্যবেক্ষণ কৰাৰ অন্তত (সেই সময়ত মই ভিতৰি ভিতৰি বহু পৰিমাণে উত্তেজিত হৈ পৰিছিলোঁ) হঠাতে মূৰটো পোন কৰি ঘোষণা কৰিলে এইদৰেঃ "নাই, কালাম! একো ভাল হোৱা নাই।" - তেওঁ ইয়াৰ মাজতে মোলৈ পোনে পোনে চাই এইবুলি কৈ উঠিল ঃ "মই তোমাৰ পৰা উৎকৃষ্ট মানৰ কিবা এটা পাম বুলি আশা কৰিছিলোঁ। এইটো কি সাজিলা? প্ৰকৃততে তোমাৰ দৰে মেধাসম্পন্ন এজন ছাত্ৰৰ পৰা এনে কেঁচা কাম আশা কৰা নাযায়।" - মই মাথোঁ থৰহৈ তেখেতলৈ চাই ৰৈছিলোঁ। মোৰ মুখৰ মাত হৰিছিল। শ্ৰেণীত মই সদায় প্ৰথম ছাত্ৰ হিচাপে চিহ্নিত হৈছিলোঁ আৰু কোনো শিক্ষকেই মোক তেতিয়ালৈকে এইদৰে ক'ব পৰা নাছিল। এনেকৈ লজ্জানত হ'বলগীয়া হোৱাটো মোৰ বাবে এটা অতিকৈ নতুন অভিজ্ঞতা আছিল। মোৰ বৰ বেয়া লাগিছিল, অধ্যাপকগৰাকীয়ে মোক ক'লে যে, মই এই কামটো নতুনকৈ কৰিব লাগিব। উপায়বিহীন হৈ মই তেখেতক কথা দিলোঁ যে মই পুনৰ কামটোত ধৰিম। শ্ৰীনিৱাসন চাৰে মোক ক'লে যে তিনিদিনৰ ভিতৰত কামটো সম্পাদন কৰি দেখুৱাব লাগিব। লগতে তেওঁ ক'লে যে, সোমবাৰৰ আবেলিৰ ভিতৰত যদি মই কামটো তেওঁক কৰি দেখুৱাবলৈ সক্ষম নহওঁ, তেওঁ মোৰ নামত অহা জল-পানীটোও বন্ধ কৰি দিব। তেখেতৰ শেষৰ ঘোষণাটোৱে মোক অতিকৈ ভীতিগ্ৰস্ত কৰি তুলিলে। কাৰণ, এই জলপানীটো মোৰ বাবে খুবেই দৰকাৰী। মই যদি প্ৰকল্পটো সাৰ্থকভাৱে সম্পাদন কৰিব নোৱাৰো, মই পঢ়া এৰিব লাগিব। মোৰ জীৱনৰ লক্ষ্য, মোৰ মা-দেউতাৰ সপোনবোৰ, মোৰ বাইদেউ, জালালুদ্দিনৰ সপোনবোৰ - এই সপোনবোৰ নিমিষতে মোৰ চকুৰ সমুখত যেন ভাঁহিব ধৰিলে।

ইয়াৰ পিছত আৰু মই খাবলৈ - শুবলৈকো পাহৰাৰ নিচিনা। মই দৃঢ় প্ৰতিজ্ঞ

> **বিফলতাই মানুহৰ মনলৈ যি নৈৰাশ্যৰ আগমনি ঘটাই, ইয়াৰ অভিজ্ঞতা মোৰো জীৱনত বাৰুকৈয়ে হৈছে। বিফলতাৰ পৰা আয়ত্ব কৰা শিক্ষাখিনিয়েই মোক পৰোক্ষভাৱে দিক্‌দৰ্শন কৰিছে আৰু ইয়াৰ সহায়েৰেই মই জীৱনৰ কঠিন পৰিস্থিতিসমূহ অতিক্ৰম কৰি আগবাঢ়ি যাবলৈ সক্ষম হৈছোঁ।**

হ'লো যে, এই প্ৰকল্পটো মই সাৰ্থকভাৱে ৰূপায়ণ কৰিমেই। অহৰহ মই ড্ৰয়িং বোৰ্ডতে লাগি থাকিলোঁ আৰু লাহে লাহে কলা কলাকৈ মোৰ প্ৰকল্পটো সাকাৰ হৈ অহিব ধৰিলে। যিমানেই প্ৰকল্পটো গঢ় লৈ উঠিল, সিমানেই যেন মোৰ মনৰ ভিতৰত গোট খোৱা আন্ধাৰখিনিয়েও মোক বাট এৰি দিলে। মন্ত্ৰমুগ্ধ মানুহ এটাৰ দৰে মই মাথোঁ এই কামটোতে নেৰা-নেপেৰাকৈ লাগি থাকিলোঁ আৰু পিছদিনা দেওবাৰৰ আবেলিৰ ভাগলৈ এটা সুন্দৰ ডিজাইন মোৰ চকুৰ সমুখত ভাস্বৰ হৈ উঠিল। এনে সুন্দৰ ম'ডেল এটা মোৰ হাতত এনেকৈ প্ৰাণ পাই উঠাৰ বাবে মই ভিতৰি ভিতৰি

উত্তেজিত হোৱাৰ লগতে অত্যন্ত গৰ্বিতও অনুভৱ কৰিলোঁ। ম'ডেলটোত শেষ স্পৰ্শকণ দিয়াৰ বাবে যেতিয়া আপোন জগতত বিভোৰ হৈ আছিলোঁ, হঠাতে মই মোৰ পিঠিৰ ফালে কোনোবা এজন ৰৈ থকাৰ উমান পালো। ঘূৰি চাই মই চক্ খাই গলোঁ - মোৰ পিছফালে সেয়া অন্য কোনো নহয়, শ্ৰীনিৱাসন চাৰ। গাত তেওঁৰ টেনিছ খেলোঁতে পিন্ধা সাজজোৰ অৰ্থাৎ তেওঁ ক্লাৱৰ পৰা ঘূৰি অহাৰ পথত এয়া মোৰ ম'ডেলৰ খবৰ ল'বলৈ সোমাইছেহি। মই নাজানিলো কিমান সময় তেওঁ মোৰ পিছফালে থিয় হৈ মই কাম কৰা চাই আছিল। তেওঁ লাহেকৈ মোৰ ফালে আগবাঢ়ি আহি ম'ডেলটো পাত পাতকৈ চাবলৈ ধৰিলে। তেওঁৰ স্বভাৱসুলভ বিশ্লেষণাত্মক দৃষ্টিৰে ম'ডেলটো বহু সময় চোৱাৰ পিছত তেওঁ এতিয়া মোৰফালে চাই মুকলিকৈ হাঁহি এটা মাৰিলে। তাৰ পিছত পিঠিত থপৰিয়াই থপৰিয়াই মোক ক'লে - "মই জানো, এই তিনিটা দিন মই তোমাক এটা অসম্ভৱ যেন লগা কাম কৰিবলৈ দিছিলোঁ, কাৰণ তিনিদিনত এনে এটা কাম কৰি উলিওৱাটো একেবাৰে উজু কথা নহয়। তথাপিও তুমি কৰি দেখুৱালা আৰু মইতো ক'ম, তুমি যিটো কাম কৰি দেখুৱাইছা, এইটো এটা অতিকৈ উত্তম **(outstanding)** কাম হৈছে। তোমাৰ শিক্ষাগুৰু হিচাপে মোৰ এটা দায়িত্ব আছিল তোমাক উপলব্ধি কৰোৱা - তোমাৰ ভিতৰত কিমানখিনি প্ৰতিভা, মেধা আৰু সম্ভাৱনা আছে।"

চাৰে মোৰ আগৰ কামটো অগ্ৰাহ্য কৰাৰ পিছত এই দুদিন ধৰি মোৰ মানসিক পৰিস্থিতিটো এনেকুৱা হৈছিল, এতিয়া চাৰৰ মুখৰ পৰা এই মন্তব্যটো লাভ কৰাৰ পিছত মোৰ মনটো পুনৰ ফৰকাল হৈ পৰিল। একল সেয়াই নহয়, মই মোৰ হেৰুওৱা আত্মবিশ্বাস আৰু আত্মশক্তিৰ সন্ধান পুনৰ লাভ কৰি আত্মস্থচিত্তে মোৰ অধ্যয়নত ৰত হ'বলৈ মই এক অনন্য প্ৰেৰণা লাভ কৰিলোঁ।

সেই বিশেষ দিনটোত ক'বলৈ গ'লে মই দুটা বিশেষ কথা শিকিলোঁ ঃ এগৰাকী শিক্ষকে যেতিয়া তেওঁৰ ছাত্ৰ-ছাত্ৰীসকলৰ উন্নতিৰ কথাকে সদায় চিন্তা কৰি থাকে, তেওঁ প্ৰকৃততেই ছাত্ৰ-ছাত্ৰীসকলৰ এগৰাকী ভাল বন্ধু হিচাপেই সেই চিন্তা কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়নৰ সাৰ্থকতাকেই জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰে। দ্বিতীয় কথাটো হ'ল ঃ ছাত্ৰ-ছাত্ৰীৰ বাবে কাম এটাৰ ডে'ডলাইনৰ ক্ষেত্ৰত 'অসম্ভৱ' বুলি কোনো কথা নাই, এনে অসম্ভৱকো সম্ভৱ কৰি তুলিব পৰা যায় কঠোৰ পৰিশ্ৰম আৰু গভীৰ আত্মনিষ্ঠতাৰে। জীৱনত আজি পৰ্যন্ত মই বহুতো জটিল দায়িত্ব কান্ধ পাতি লৈছোঁ আৰু দেশৰ বহু শীৰ্ষ স্থানীয় নেতাই মোক এনে বহু দায়িত্বভাৰ অৰ্পণ কৰি আহিছে মোৰ ওপৰত প্ৰৱল আস্থাৰ ভাৰ ৰাখি - এই আটাইবোৰ কাম ভালদৰে সম্পাদন কৰিবলৈ মই সদায়েই চেষ্টা কৰি আহিছোঁ। এই আটাইবোৰৰ ক্ষেত্ৰত এম.আই.টি.-ত মোক দিক্দৰ্শন কৰোৱা শ্ৰী নিৱাসন চাৰৰ পৰা লাভ কৰা প্ৰেৰণা, উপদেশ আৰু আদৰ্শ মোৰ বাবে সদায়েই পাথেয় হৈ আছে।

এম.আই.টি.ৰ শিক্ষা সাং কৰি মই মোৰ পেচাগত কৰ্মজীৱন আৰম্ভ কৰোঁ। জীৱনৰ এই নতুন অধ্যায় আৰম্ভ কৰোঁতে ক্ষণিকৰ বাবেও মই অনুভৱ কৰা নাছিলোঁ যে, ইয়াৰ পিছতো মোৰ আৰু বহু কষ্ট কৰিবলৈ বাকী আছে। মই প্ৰথম বাংগালুৰুত থকা হিন্দুস্থান এইৰোনেটিক্স লিমিটেডৰ চাকৰিত যোগদান কৰিছিলোঁ। উক্ত প্ৰতিস্থানত মই এয়াৰ ক্ৰাফ্টৰ বিষয়ে - বিশেষকৈ এয়াৰক্ৰাফ্টৰ ডিজাইন আৰু প্ৰযুক্তিৰ সম্পৰ্কত নতুন নতুন জ্ঞান লাভ কৰিবলৈ সমৰ্থ হৈছিলোঁ। ইতিমধ্যেই মোৰ মনত এটা ধাৰণা গঢ় লৈছিল যে, মই জীৱনত এদিন নহয় এদিন উৰাজাহাজ চলোৱা বিধৰ চাকৰি এটা কৰিমগৈ। পিছত এইচ.এ.এল.ত এইৰোনোটিকেল ইঞ্জিনিয়াৰৰ চাকৰি লাভ কৰোঁতেই লগে লগে দুটা আন ভিন্ন ধৰণৰ চাকৰিৰ সাক্ষাৎকাৰৰ বাবেও পত্ৰ লাভ কৰিলোঁ। এটা আছিল ভাৰতীয় বিমান বাহিনীত আৰু আনটো প্ৰতিৰক্ষা বিভাগৰ ডিৰেক্টৰেইট অৱ টেক্‌নিকেল ডেৱেলপ্‌মেন্ট এণ্ড প্ৰ'ডাক্‌শ্যনত, প্ৰথমটো ডেৰাডুনৰ আৰু দ্বিতীয়টো দিল্লীৰ।

এইখিনিতে আকাশত উৰিবলৈ মোৰ মনত সৃষ্টি হোৱা হেপাহখিনিৰ আঁৰৰ কাৰণটো জনাব লাগিব। এম.আই. টি.ৰ চৌহদত দুখন সঁচাসঁচি এয়াৰক্ৰাফ্ট দেখিবলৈ পাইছিলোঁ। ছাত্ৰ-ছাত্ৰীসকলক বিষয়টোৰ ওপৰত আগ্ৰহ জন্মাবলৈকে এই নিষ্ক্ৰীয় এয়াৰক্ৰাফ্ট দুখন চৌহদৰ ভিতৰত সজাই থোৱা হৈছিল। এই যান দুখন মোৰ বাবে প্ৰৱল আকৰ্ষণৰ কেন্দ্ৰস্বৰূপ হৈ উঠিছিল আৰু সুবিধা পালেই সেই দুখন ওচৰৰ পৰা চাবলৈ গৈছিলোঁ। যিকোনো ধৰণৰ সীমা নেওচি মানুহৰ অসীমলৈ যাত্ৰা কৰাৰ আদিম কল্পনা তথা সপোনৰ ডেউকা মেলি বাধা নেওচি আগুৱাই যোৱাৰ সুগভীৰ বাসনাই মোৰ মনটোকো উদ্বাউল কৰি তুলিছিল আৰু এই এয়াৰক্ৰাফ্ট দুখনে মোৰ সেই সপোন আৰু বাসনাৰ প্ৰতীক হৈ যেন মোক সদায়েই জোকাই আহিছিল। আকাশত উৰিবলৈ থকা মোৰ প্ৰৱল আকাংখ্যাৰ বাবেই মই মোৰ অধ্যয়নৰ ক্ষেত্ৰ হিচাপে বাছি লৈছিলোঁ এইৰ'নেটিকেল ইঞ্জিনিয়াৰিং। বহু বছৰ ধৰি মোৰ মনত পুহি ৰখা সপোনটোৰেই আছিল - জীৱনত মই এদিন নহয় এদিন আকাশত উৰিবলৈ সক্ষম হ'ম। মেচিনক হাতৰ মুঠিত লৈ ষ্ট্ৰেট'স্ফিয়েৰত যান উৰুওৱাৰ মোৰ এই সুতীব্ৰ বাসনাটো সময় আগবাঢ়ি গৈ থকাৰ লগে লগে অধিক প্ৰগাঢ় হৈ পৰিছিল মোৰ মনত।

সাক্ষাৎকাৰৰ বাবে যেতিয়া মই মাদ্ৰাজৰ পৰা উত্তৰ ভাৰতলৈ গৈছিলোঁ,



কম্পন তুলিলে এনেবোধ হ'ল। লগতে মোৰ অস্থিৰ হৃদয়খনি যেন সেই অনামী বিজুলীস্রোতে শান্তিৰ এক নিজৰা বোৱাই দিলে মোৰ এনে লাগিল। মই দেখিলোঁ, তেখেতসকলৰ কোনোবা এজনক এবাৰ সুধিলেই মই হয়তো লভিব পাৰিম মোৰ অস্থিৰ সত্বাক সুস্থিৰ কৰিব পৰা বিশেষ জ্ঞান। মই স্বামী শিৱানন্দকে লগ কৰিবলৈ ঠিক কৰিলোঁ আৰু তেওঁক সাক্ষাৎ কৰিবৰ বাবে অনুমতিও লাভ কৰিলোঁ। মই যে এজন মুছলমান লোক, এই কথাটোৱে তেখেতক এই ক্ষেত্ৰত অকনো দ্বিধাগ্ৰস্ত নকৰিলে। আচৰিত কথা যে, মই নিজে কিবা এটা কোৱাৰ আগতেই তেখেতে মোক সুধিলে, মইনো কিয় ইমান দুখত আছিলোঁ। মই মোৰ কাহিনী তেখেতক জনালোঁ আৰু এটা শান্তিময় মধুৰ হাঁহি মাৰি তেখেতে মোৰ ফালে এনেকৈ চালে, যি চাৱনিৰ পৰশত মই মোৰ মনৰ গহ্বৰত গোট খোৱা যন্ত্ৰণাখিনিৰ পৰা যেন নিমিষতে উপশম পাবলৈ সক্ষম হ'লোঁ। ইয়াৰ পিছত তেওঁ মোক উদ্দেশ্যি যিখিনি কথা ক'লে এনে অমৃতবাণী শুনাৰ সৌভাগ্য তেতিয়ালৈকে মোৰ জীৱনত কেতিয়াও হোৱা নাছিল। এতিয়াও জীৱনৰ যিকোনো কঠিন সময়ত মই তেখেতৰ সেই অমৃতবাণী মনত পেলাওঁ। তেখেতে মোক কোৱা কথাকেইটাৰ সাৰমৰ্ম আছিল এনেধৰণৰ ঃ "তোমাৰ ভাগ্যক তুমি স্বীকাৰ কৰি লোৱা। ভাগ্যক জীৱনৰ স্বাভাৱিক পৰিণাম বুলি গ্ৰহণ কৰি যাত্ৰাপথত আগুৱাই যোৱা। তোমাৰ ভবিতব্যত তুমি পাইলট হোৱাৰ কথা লেখা হোৱা নাই। তুমি কি হ'বাগৈ সেয়া এতিয়াই স্পষ্টভাৱে অভিব্যক্ত নাই হোৱা, কাৰণ এনে কথাবোৰ পূৰ্বনিৰ্দ্ধাৰিত নহয়। এতিয়া তোমাৰ কাম হ'ব, তুমি তোমাৰ বিফলতাখিনিক প্ৰশ্ৰয় নিদি পৰিবৰ্তনৰ পথ গ্ৰহণ কৰা। কাৰণ, এনে বিফলতাই তোমাৰ ভাগ্যৰ পথৰ চকৰিক তোমাৰ অনুকূলেও ঘূৰোৱাৰ সম্ভাৱনা আছে। বিফলতাৰ কথা ভাবি ভাবি নিৰাশাত লীন হোৱাতকৈ তোমাৰ বাবে উচিত হ'ব তুমি তোমাৰ জীৱনৰ প্ৰকৃত লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়েহে চিন্তা কৰা। প্ৰকৃততে কথাটো হ'লগৈ, ভগৱানে যি ইচ্ছা কৰে সেয়ে হ'ব আৰু সেয়েহে তোমাৰ পথ হ'ব ভগৱানৰ ইচ্ছাৰ ওপৰতে সম্পূৰ্ণ ভৰসা কৰা।"

তেওঁ আগবঢ়োৱা উক্ত পৰামৰ্শাৱলীয়ে মোৰ মনত গভীৰ সাঁচ বহুৱাই মোৰ জীৱনৰ পট পৰিৱৰ্তনত এক ফলপ্ৰসু ভূমিকা গ্ৰহণ কৰিলে। মই উপলব্ধি কৰিলোঁ যে বিফলতাৰ কথাকে ভাবি জীৱন পাত কৰাৰ অৰ্থ হ'বগৈ ভাগ্যৰ বিৰুদ্ধাচৰণ কৰা আৰু ভাগ্যৰ বিৰুদ্ধাচৰণ কৰি মোৰ কিয়েইবা লাভ হ'ব? মই তেখেতৰ জৰিয়তে এটা কথাত নিশ্চিত হ'লো যে, মোৰ এই বিফলতাৰ ঘটনাটো হ'লগৈ প্ৰকৃততে মোৰ ভৱিষ্যত সম্পৰ্কত ভগৱানৰ সামগ্ৰিক আঁচনিৰ ভিতৰৰে এটা বিশেষ পৰ্যায়। মই হৃষিকেশৰ পৰা দিল্লীলৈ উভতি যোৱাৰ পথত এই কথাবোৰকে ভাবি ভাবি গৈ থাকিলো। দিল্লীত ভৰি দিয়েই গম পালো যে, মই ডিৰেক্টৰেইট অৱ টেক্‌নিকেল ডেভেলপমেন্ট এণ্ড প্ৰ'ডাকশ্যনত চাকৰিৰ বাবে নিৰ্বাচিত হৈছোঁ। উৰাজাহাজৰ পাইলট হোৱাৰ সপোন মই পৰিত্যাগ কৰিলোঁ। বিশেষকৈ স্বামী শিৱানন্দৰ জৰিয়তে মই যি জ্ঞান লাভ কৰিলোঁ তাৰ আধাৰতে মই জীৱনটোক নতুন দৃষ্টিভঙ্গীৰে গ্ৰহণ কৰিবলৈ সিদ্ধান্ত ল'লো আৰু দিল্লীৰ এই চাকৰিটোকে অন্তঃকৰণেৰে গ্ৰহণ কৰি উক্ত চাকৰিটোত মনপুতি লাগিবলৈ ঠিক কৰিলোঁ। মোৰ ভাৱ হ'ল, এই চাকৰিটো মই গ্ৰহণ কৰাটো ভগৱানৰে ইচ্ছা।

এইদৰেই মই মোৰ কৰ্মজীৱন আৰম্ভ কৰিলোঁ। মোৰ দৰে প্ৰতিজন মানুহেই জীৱনত নিজৰ সিদ্ধিৰ পথত অৱতীৰ্ণ হওঁতে সন্মুখীন হ'বলগীয়া হয় অসংখ্য বাধা-বিঘিনীৰ। স্বাভাৱিকভাৱেই মানুহৰ জীৱনলৈ আহে বিফলতা। কিন্তু বিফলতাৰ অভিজ্ঞতাই একেজন মানুহকে তেওঁৰ জীৱনৰ প্ৰতিবন্ধকতা সমূহৰ সৈতে যুঁজ কৰি কৰি আমি আগুৱাই গৈ থাকোঁতেই আমাৰ সত্বাত প্ৰতিভাত হয় নতুন সাহস আৰু ধৈৰ্য্যৰ। প্ৰকৃততে আমি যেতিয়া বিফলতাৰ সন্মুখীন হওঁ, ইচ্ছাশক্তিৰ বিনিময়ত আমি একেটা সময়তে আমাৰ সত্বাত প্ৰচ্ছন্ন ৰূপত সম্পৃক্ত হৈ থকা সম্ভাৱনাখিনিৰ বিষয়েও জ্ঞাত হ'বলৈ সুবিধা পাওঁ। আমি মাথোঁ আমাৰ মন গহ্বৰত লুকাই থকা সেই নিৰ্দিষ্ট 'সোণৰ খনি'টোক বিচাৰি উলিয়াব লাগিব আৰু স্বচ্ছন্দ গতিৰে জীৱনত আগবাঢ়ি যাব লাগিব।

■



Union Body Members along with Incharges

## Memers of Students' Union Body



(Sitting) Mukut Deka, Sanju Karkho, Principal Dr. Bhaben Ch. Neog, Rajdeep Roy, Abhayanand Tanti
(Standing) Lokesh Das, Barnali Choudhury, Soumen Saha, Ankurima Sarma, Dipannita Das, Alpana Ray, Atul Das

## Members of Editorial Board




(Sitting from Left) : Prof. Utpal Rajguru, Dr. Khagen Sarma, Dr. Dipak Jyoti Baruah, Prof. Ranju G. Chutia, Prof. A.R. Burhagohain (Absent), Prof. Pankaj Shyam.
(Standing From Left) : Dipshikha Burhagohain, Barnali Choudhury, Ankurima Sarma.

## Editor Along with the Incharges




Dr. Dipak Jyoti Baruah, Prof. Pankaj Shyam (Incharges)
Barnali Choudhury (Editor - in the middle).



২৬ জানুৱাৰী গণতন্ত্ৰ দিৱস উপলক্ষে অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ দৃশ্য।




বিশ্ব এইড্‌ছ দিৱস উপলক্ষত মহাবিদ্যালয়ৰ ৰেড্ ৰিবন ক্লাৱৰ উদ্যোগত প্ৰকাশিত প্ৰাচীৰ পত্ৰিকা উন্মোচনৰ দৃশ্য



মহাবিদ্যালয়ত সংযোজন ঘটা ডিজিটেল শ্ৰেণীকোঠাৰ এটি দৃশ্য




সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ডেৰশ বছৰীয়া জন্ম জয়ন্তী উপলক্ষত মহাবিদ্যালয়ৰ প্ৰাঙ্গণত আয়োজিত এখনি সভাৰ এটি দৃশ্য



নৱাগত আদৰণী সভাৰ মঞ্চত উপবিষ্ট অতিথিবৃন্দৰ একাংশ। সোঁফালৰ পৰা দ্বিতীয় আসনত শ্ৰীযুত উদ্ধৱ ভৰালী, বিশিষ্ট উদ্ভাৱক বিজ্ঞানী




কৃতী ছাত্ৰ-ছাত্ৰী সম্বৰ্দ্ধনা তথা আলোচনী উন্মোচনী অনুষ্ঠানৰ এটি দৃশ্য



মহাবিদ্যালয়ৰ চাৰিগৰাকী প্ৰাক্তন ছাত্ৰই ২০১২-১৩ বৰ্ষত অসম অসামৰিক সেৱাৰ পৰীক্ষাত উত্তীৰ্ণ হৈ গৌৰৱ কঢ়িয়াই আনে। উক্ত কৃতী ছাত্ৰকেইগৰাকীৰ সম্বৰ্দ্ধনাৰ্থে মহাবিদ্যালয়ত এখনি অভিনন্দন অনুষ্ঠান আয়োজিত হৈ যায়।



মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এখনি সভাত সমূহীয়া বিহু নৃত্য পৰিৱেশন কৰাৰ দৃশ্য



টেক্‌নো এড্‌ পাব্লিকেশ্যনৰ দ্বাৰা আয়োজিত গ্ৰন্থমেলাৰ দৃশ্য। গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'মহাবিদ্যালয় উন্নয়ন পৰিষদ'ৰ সঞ্চালক ড° যোগেন কলিতাই গ্ৰন্থমেলাখনি উদ্বোধন কৰা দেখা গৈছে



গ্ৰন্থমেলাৰ আন এটি দৃশ্য




মহাবিদ্যালয়ৰ পুথিভঁৰালৰ এটি দৃশ্য



মহাবিদ্যালয় আলোচনী (২০১১-১২) উন্মোচনী অনুষ্ঠানৰ এটি দৃশ্য



মহাবিদ্যালয়ত আয়োজিত সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ অষ্টম বাৰ্ষিক অভিবৰ্তনৰ স্মৃতিগ্ৰন্থ 'এনাজৰী' উন্মোচনীৰ এটি দৃশ্য

# মহাবিদ্যালয় সপ্তাহ ২০১২-১৩
## ক্ৰীড়া আৰু সাহিত্য বিভাগৰ প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ বিজেতা



গুৰু ক্ৰীড়া
শ্ৰেষ্ঠ ছাত্ৰ প্ৰতিযোগী
নাৰায়ণ কুমাৰ ছেত্ৰী



গুৰু ক্ৰীড়া
শ্ৰেষ্ঠ ছাত্ৰী প্ৰতিযোগী
নমি বড়ো

লঘু ক্ৰীড়া
শ্ৰেষ্ঠ ছাত্ৰ প্ৰতিযোগী
সত্য ৰঞ্জন মণ্ডল



লঘু ক্ৰীড়া
শ্ৰেষ্ঠ ছাত্ৰী প্ৰতিযোগী
কাশ্মিৰী কুমাৰী



সাহিত্য
সুপ্ৰীয়া সূত্ৰধৰ




আন্তঃ মৰিগাওঁ জিলা কেৰাটে' প্ৰতিযোগিতাত মুঠ আঠটা বিভাগত পুৰস্কাৰ বিজেতা জাগীৰোড মহাবিদ্যালয়ৰ দলটো



ৰাজ্যিক চৰকাৰৰ সহযোগত গান্ধী জয়ন্তী উপলক্ষে মৰিগাওঁ কলেজত অনুষ্ঠিত কুইজ প্ৰতিযোগিতাৰ জ্যেষ্ঠ শাখাত জাগীৰোড মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ দলৰ পুৰস্কাৰ বিজেতা নিবেদিতা শৰ্মা (বাওঁফালে) আৰু সমীৰণ শৰ্মা (সোঁফালে)



ৰাজ্যিক চৰকাৰৰ সহযোগত গান্ধী জয়ন্তী উপলক্ষে মৰিগাওঁ কলেজত অনুষ্ঠিত কুইজ প্ৰতিযোগিতাৰ কনিষ্ঠ শাখাত জাগীৰোড মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ দলৰ পুৰস্কাৰ বিজেতা অৰুণাভ কলিতা (বাওঁফালে) আৰু বিকাশ শইকীয়া (সোঁফালে)



প্ৰয়াত শিক্ষাবিদ, সমাজ সংগঠক

# নন্দলাল উপধ্যায়ৰ পৱিত্ৰ স্মৃতিত

(জাগীৰোড মহাবিদ্যালয় পৰিয়ালে ৮ মাৰ্চ, ২০১৩ তাৰিখে প্ৰকাশ কৰা 'শ্ৰদ্ধাৰ্ঘ' শীৰ্ষক পুস্তিকাৰ পৰা উদ্ধৃত কিয়দংশ)

'Upadhyyda' : as many of us addressed him was a friend, philosopher and guide to umpteen numbers of people in Assam. He was more of a father-figure to many families in this region. My association with Upadhyda began from the day he visited my office at Jagiroad College, few days after I joined as the Principal of the College in July 2000.

From that very day of summer 2000, we met almost alternate day or week discussing and debating on many topics from infrastructure development,education, sports, human resource development, employment generation, culture to social problems and issue. I have learnt many things from his for which I remain indebted to him.

It was in the afternoon of 19th February 2013, sitting near him cremation pyre I realized that, I have lost a friend, a well wisher and an elder brother too.

**Dr. Altafur Rahman**
Chairman, G.B.
(Former Principal, Jagiroad College)

****

সম্পূৰ্ণ বেচৰকাৰী খণ্ডৰ প্ৰচেষ্টাত মহাবিদ্যালয় এখন পৰিচালনা কৰিবলৈ যাওঁতে উদ্ভৱ হোৱা নানান সমস্যা, ঘাত-প্ৰতিঘাত নেওচি সেই সময়ৰ উদ্যমী ব্যক্তি সকলৰ ঐকান্তিক প্ৰচেষ্টাত ঠনধৰি উঠে এই জাগীৰোড মহাবিদ্যালয়। পৰিচালনাৰ বাবে পুঁজি সংগ্ৰহ এক অতি অস্বস্তিকৰ তথা কষ্টকৰ কাম যদিও ৰাইজৰ মৰমৰ এই অনুষ্ঠান দান-বৰঙণি সংগ্ৰহেৰে পৰিচালনাৰ ক্ষেত্ৰত অসুবিধা আঁতৰ কৰাত অগ্ৰণী ভূমিকা পালন কৰা ব্যক্তি সকলৰ অন্যতম আছিল নন্দলাল উপাধ্যায় দেৱ। কেৱল এজন ব্যক্তিয়ে এটা অনুষ্ঠান বৃহৎ পুঁজি অবিহনে গঢ় দিয়া সম্ভৱ নহয় যদিও সকলোকে লগত লৈ এই ক্ষেত্ৰত কৃতকাৰ্য্যতা লাভ কৰিবলৈ সক্ষম হৈছিল উপাধ্যায় দেৱে।

এই মহাবিদ্যালয়ৰ উপৰিও বৃহত্তৰ জাগীৰোড অঞ্চলত শ্বেত-বিপ্লৱৰ সূচনা কৰা সীতা-জখলা দুগ্ধ উৎপাদক সমবায় সমিতিৰ লগতে অঞ্চলটোৰ বহু অনুষ্ঠান, প্ৰতিষ্ঠান ও শিক্ষানুষ্ঠানৰ প্ৰতিস্থাতা আৰু গুৰি ধৰোতা, খেলা-ধূলা, সাংস্কৃতিক, সামাজিক ক্ষেত্ৰতো নেতৃত্ব দিয়া উপাধ্যায় দেৱ আমাৰ মাজত এক আদৰ্শ হৈ ৰ'ব আৰু অনাগত দিনত তেখেতৰ কৰ্মৰাজি ভৱিষ্যত প্ৰজন্মৰ প্ৰেৰণাৰ উৎস হৈ ৰ'ব। মহাবিদ্যালয় পৰিয়ালৰ হৈ তেখেতৰ বিদেহী আত্মাৰ সদ্‌গতি কামনা কৰিলোঁ।

**ড° ভবেন চন্দ্ৰ নেওগ**
অধ্যক্ষ, জাগীৰোড মহাবিদ্যালয়।

০০ ০০ ০০

অকল শিক্ষাৰ ক্ষেত্ৰতে নহয়, সমাজৰ অন্য বহু বিষয়ৰ ক্ষেত্ৰত তেখেতৰ আছিল সজাগ দৃষ্টি। জাগীৰোডক সামাজিকভাৱে আগবঢ়াই নিয়াৰ বাবে তেখেতে যিমান পাৰে নেতৃত্ব প্ৰদান কৰি গৈ আছিল, মৃত্যু পৰ্যন্ত।

আমাৰ অতি শ্ৰদ্ধাৰ ব্যক্তিগৰাকীৰ মৃত্যুৱে সেয়েহে কোবাই গৈছে আমাৰ আটাইৰে হিয়াবোৰ। তেখেতৰ আত্মাই চিৰশান্তি লাভ কৰক - এয়ে ভগৱানৰ ওচৰত প্ৰাৰ্থনা।

**উৎপলমণি ফুকন**, উপাধ্যক্ষ, জাগীৰোড মহাবিদ্যালয়।

০০ ০০ ০০

আজিৰ ভোগবাদী সমাজব্যৱস্থাত ধন, বল, টকাই প্ৰধান চালিকাশক্তি হোৱা স্বত্বেও তেখেতে এটা অতি সহজ-সৰল জীৱন-যাপন কৰিছিল। তেখেতৰ বিয়োগত জাগীৰোড অঞ্চলে এজন ভাল সমাজকৰ্মীক হেৰুৱালে। তেখেতলৈ মোৰ শ্ৰদ্ধা থাকিল।

**ড° মহীধৰ গোস্বামী,**
প্ৰাক্তন অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ।

০০ ০০ ০০

If soul is immortal and there is something after death, I am certain to meet him somewhere on that unknown destination and I pay my whole hearted tribute to him.

**Dr. Jyotirmoy Das Chowdhury**
Former Professor, Dept. of Geography

০০ ০০ ০০

সামগ্ৰিক বিচাৰত উপাধ্যায় আছিল এগৰাকী বলিষ্ঠ গণতান্ত্ৰিক ব্যক্তি। তেওঁৰ আছিল এক সৃষ্টিশীল সত্বা। জীৱনৰ নেতিবাচক দিশতকৈ তেওঁৰ অৱদান বহু পৰিমাণে বেছি। সেয়েহে তেওঁ শ্ৰদ্ধাৰ পাত্ৰ।

**তুলসী বৰদলৈ**
সহযোগী অধ্যাপক, বুৰঞ্জী বিভাগ

০০ ০০ ০০

এই গৰাকী ব্যক্তিয়ে বোধহয় কৰ্মতে বিশ্বাস কৰিছিল, সেইবাবে মৃত্যুৰ দিনালৈকে কৰ্মই কৰি গ'ল আৰু কৰ্মৰ মাজেৰে নিজৰ পৰিচয় চিৰযুগমীয়া কৰি থৈ গ'ল। এই পবিত্ৰ আত্মাই চিৰ-শান্তি লাভ কৰক, তাকেই ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছো।

**মলয়া গোস্বামী**
সহযোগী অধ্যাপিকা, শিক্ষাতত্ব বিভাগ

০০ ০০ ০০

It is the universal law that whoever is born to this world will grow old and die. Nandalalji can't be an exception. His death is a personal loss to me. May his soul rest in peace of Heavenly abode! May the people of Jagiroad follow his footsteps and spread the message of progress, prosperity and peace.

**Dr. Kalikinkar Pattananyak**
P.G Dept. of English,
Khallikote (A) College, Brahmapur, Odisha

(Former Lecturer, Deptt of English
Jagiroad College)

০০ ০০ ০০

সমাজ সেৱক তথা শিক্ষাবিদগৰাকীৰ মৃত্যুত এক গভীৰ শূন্যতাৰ অনুভৱ হৈছে। তেখেতৰ কৰ্মৰাজিয়ে উদ্বুদ্ধ কৰি যাওক নতুন পুৰুষক, তেখেতৰ অনুজসকলক - এই মুহূৰ্তত আমাৰ এয়ে আশা।

**ড° ৰমেশ চন্দ্ৰ নাথ**
প্ৰাক্তন অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ।

০০ ০০ ০০

জাগীৰোডত শিক্ষা প্ৰসাৰৰ ক্ষেত্ৰত উপাধ্যায় চাৰৰ যিমানখিনি অৱদান আছিল, ৰাজনীতিৰ ক্ষেত্ৰখনতো তেখেতৰ আসনখন সুকীয়া আছিল। তাহানিৰ কংগ্ৰেছ (এছ)-ৰ এজন সদস্যৰূপে এই অঞ্চলৰ সৰ্বাঙ্গীণ উন্নতিত তেখেত দেহে-কেহে জড়িত আছিল। জাতত নেপালী হৈও তেখেত জাতি-ধৰ্ম-বৰ্ণ-ভাষাৰ সংকীৰ্ণতাৰ পৰা সদা মুক্ত আছিল আৰু যাক যেনেকৈ পাৰি সহায়ৰ হাত আগবঢ়াইছিল। অৱশেষত এক বিৰল ব্যক্তিত্বৰ গৰাকী উপাধ্যায় চাৰক জাগীৰোডবাসী ৰাইজৰ লগতে ব্যক্তিগত ভাবে মই হঠাৎ হেৰুৱাব লগা হোৱাত যথেষ্ট মৰ্মাহত হৈছো। তেখেতৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক - এই কামনা কৰুণাময় ঈশ্বৰৰ ওচৰত থাপন কৰিলো।

**মুনীন্দ্ৰ তহবিলদাৰ**
জ্যেষ্ঠ অধ্যাপক, ভূগোল বিভাগ।

০০ ০০ ০০

উত্তৰ-পূব ভাৰতৰ শ্বেতবিপ্লৱৰ এগৰাকী অন্যতম কাণ্ডাৰী, মধ্য অসমত উচ্চ শিক্ষাৰ প্ৰসাৰত অগ্ৰণী ভূমিকা লওঁতা, জাগীৰোড আৰু মৰিগাওঁ জিলাৰ যথেষ্ট সংখ্যক অনুষ্ঠানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰোঁতা, নমস্য ব্যক্তি নন্দলাল উপাধ্যায়ৰ মৃত্যুত সমাজৰ অপূৰণীয় ক্ষতি হ'ল। তেখেতৰ বিদেহী আত্মাৰ শান্তিৰ হ'কে ভগৱানলৈ প্ৰাৰ্থনা জনালোঁ।

**ড° অনিল বৰা**, উদ্ভিদবিদ্যা বিভাগ।

০০ ০০ ০০

কোনোবা অজান দেশৰ পৰা এটি জীৱই আহি ইয়াত আমাৰ মাজত কাৰোবাৰ জ্যেষ্ঠজন, কাৰোবাৰ খুৰা, কাৰোবাৰ পুত্ৰ আৰু কাৰোবাৰ পিতা হিচাবে সম্বন্ধ পাতি সংসাৰৰ নিয়মখিনি

পালন কৰি নিৰ্দিষ্ট সময়ত পুনৰ সেই ঠাইলৈ গ'ল। মাথোন মানুহৰ মাজত দি থৈ গ'ল সেই সময়চোৰাৰ কৰ্ম খতিয়ান, দেখুৱাই গ'ল মানুহৰ মাজত কৰ্মৰ আদৰ্শ আৰু সৰ্ব সাধাৰণ মানুহৰ মাজত দি থৈ গ'ল দুখ, বেদনা, হুমুনিয়াহ।

**ডম্বৰুধৰ বৰদলৈ**
উচ্চ বৰ্গ সহায়ক, পৰীক্ষা ও প্ৰশাসন বিভাগ।

০০ ০০ ০০

In today's world, sustained and selfless engagements with social life is proved to be a rare phenomenon, and at such junctures, certain personalities through their labour of love leave indelible impression in the heart of the common people with their distinctive presence. In this context Dada's death is more than a departure.
May his soul rest in eternal peace.

**Dr. Dipak Joti Baruah**
Dept. of English,
Jagiroad College

০০ ০০ ০০

ভবাই নাছিলো হেৰাই যাব পাৰে মুহূৰ্ততে জাতিক জগাব পৰা সত্বা।

**অমিয় কুমাৰ শৰ্মা**
সহকাৰী অধ্যাপক, অৰ্থনীতি বিভাগ

০০ ০০ ০০

In Nandalal Upadhyaya's death, Jagiroad College has lost a vigilant guardian, a well wisher who always wished for the development and progress of the institution.

**Dr. Sohail Ahmed**
Dept. of English,
Jagroad College

০০ ০০ ০০

His demise is a vacuum not only to the Jagiroad College family but also to the entire Morigaon district. A true patriot like him involved in all social and developmental activities in the Morigaon district was on ideal man with multifarious activities. On the day of his Adys Shraddha I pray to the almighty for the eternal peace of his departed soul.

**Dr. Bhupen Kr. Sarma**
Asst. Prof., Dept. of Economics

০০ ০০ ০০

মোৰ জাগীৰোডৰ অভিভাৱকজন নোহোৱা হ'ল। জাগীৰোডৰ সভা শুৱনি কৰা, স্বাস্থ্যবান, ধুতী-পাঞ্জাৱী পৰিহিত ব্যক্তিজন হঠাতে নোহোৱা হোৱা কথাটো ভাবিবলৈ টান লাগে। কিন্তু ইয়েই বাস্তৱ। আপোনাৰ বিদেহী আত্মাই শান্তি পাওক এয়ে কামনাৰে .....।

**ড° খগেন শৰ্মা**
সহযোগী অধ্যাপক, ভূগোল বিভাগ।

০০ ০০ ০০

আমাৰ দৃষ্টিভঙ্গীৰে, তেখেতে এক প্ৰকৃত সাৰ্থক জীৱন-যাপন কৰি ইহসংসাৰৰ পৰা বিদায় মাগিলে। আমি আটায়ে হেৰুৱালো এজন পিতৃসদৃশ অভিভাৱক, পথ-প্ৰদৰ্শক, যাৰ ছত্ৰ ছাঁয়াত গঢ় লৈ উঠিছিল বহু অনুষ্ঠান।
তেখেত আমাৰ মাজত নাথাকিলেও জাগীৰোডৰ উন্নয়নৰ ইতিহাসত তেখেতৰ নাম নিশ্চয় সোণালী আখৰেৰে লিখা ৰ'ব। শেষত কবিৰ ভাষাৰে কওঁ -

"ভাঙি গ'ল বীণখনি ছিঙি গ'ল তাঁৰ
ৰৈ গ'ল অৱশেষ, অমিয়া জোকাৰ।"

**ৰঞ্জু গগৈ চুতীয়া**
সহযোগী অধ্যাপিকা, অৰ্থনীতি বিভাগ।

০০ ০০ ০০

জন্ম হ'লে এদিন মৃত্যু হ'বই, ই অৱধাৰিত। কিন্তু অতি কম মানুহৰ জীৱনতহে সমাজ সেৱাৰ প্ৰবৃত্তিটো জন্মগতভাৱে লাগি আছে। যাৰ ব্যতিক্ৰম নাছিল শ্ৰদ্ধাৰ উপাধ্যায়দেৱ। 80 বছৰীয়া জীৱন পৰিক্ৰমাৰ সমাপ্তিৰ আগলৈকে যেনেদৰে জাগীৰোড অঞ্চলত এখন এখনকৈ মানুহ গঢ়াৰ কমাৰশাল খুলি বহুতক মানুহ হোৱাৰ সুবিধা কৰি দিলে, সেই নমস্য ব্যক্তিগৰাকীলৈ এই আপাহতে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো।
ওঁম শান্তি, ওঁম শান্তি।।

**পৰাণ জ্যোতি মহন্ত**
সহযোগী অধ্যাপক, পৰ্যটন বিভাগ।

০০ ০০ ০০



# গভীৰ শূন্যতা

**ডম্বৰুধৰ বৰদলৈ**
উচ্চবৰ্গ সহায়ক

জন্ম আৰু মৃত্যু এই দুইটাই মাথোন সংসাৰত সত্য বস্তু। বাকী মাজৰ চোৰা সকলো অসত্য। এই অসত্যৰ মাজত থাকি আমি মানুহবোৰে কিমান যে যুক্তি তৰ্ক কৰি মূৰ ঘমাই মৰো বা অসত্যকে সত্যতপ্ৰতিপন্ন কৰিব বিচাৰোঁ ভাবিলে আচৰিত লাগে। জাগীৰোড মহাবিদ্যালয় অসমৰ অন্যান্য অগ্ৰণী মহাবিদ্যালয় সমূহৰ ভিতৰত এখন। এই মহাবিদ্যালয়খন প্ৰতিষ্ঠা হয় ১৯৭৯ চনত। সেই সময়তে তিনিটা 'ম' সংযুক্ত হৈ বিদ্যালয়ৰ কাম-কাজ আৰম্ভ হৈছিল। অধ্যক্ষ মহেন্দ্ৰ আহোম চাৰ, চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী মোহন টেৰন আৰু কাৰ্য্যালয় সহায়ক মন্টু বৰদলৈ। এই তিনিটা 'ম'ৰে জাগীৰোড মহাবিদ্যালয় আৰম্ভ হৈছিল। সেই তেতিয়াৰ পৰাই মহাবিদ্যালয়খনিৰ উন্নতিৰ বাবে বিভিন্ন ধৰণৰ কাম-কাজত জড়িত থাকি মহাবিদ্যালয়খনি বৰ্তমানৰ এখন জাকত-জিলিকা হিচাবে পৰিগণিত হোৱাৰ মূল ব্যক্তি কেইগৰাকীৰ ভিতৰত আছিল মন্টু কুমাৰ বৰদলৈও এজন। তেওঁ আজি ৩৪ বছৰ ধৰি এইদৰে মহাবিদ্যালয়ৰ উন্নতিৰ হকে বিভিন্ন কামত ব্যস্ত আছিল। তেওঁৰ চাকৰিৰ কাৰ্য্যকাল মাথোন ডেৰ বছৰ বাকী আছিল। আমি সকলোৱে ভাবি আছিলো - অফিচৰ পৰা প্ৰথম ৰিটায়াৰমেন্ট লোৱা বুঢ়াজনক কি ধৰণে বিদায় দিম? কিন্তু আজি হঠাতে এনেধৰণৰ বিদায় দিব লগা হোৱাত আমি বহুত দুঃখ পালো।

তেখেতৰ পিতৃ আছিল শুকদেৱ বৰদলৈ। পাচোঁজন ভ্ৰাতৃৰ ভিতৰত তেওঁ আছিল 4 নম্বৰ। তেখেতৰ মূল ঘৰ আছিল জাগীৰোড শুকান মাছ বজাৰত। শেষলৈ তেওঁ জাগীৰোড মহাবিদ্যালয়ৰ ওচৰত নিজা মাটিত বসবাস কৰিবলৈ লয়।

তেওঁ জাগীৰোড উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা মেট্ৰিক আৰু মৰিগাঁও মহাবিদ্যালয়ৰ পৰা বি.এ. পাছ কৰিছিল। তেওঁ জাগীৰোড মহাবিদ্যালয়ত মুখ্য সহায়ক হিচাবে চাকৰি কৰিছিল। অকল সেয়ে নহয়, তেওঁ বিভিন্ন ধৰ্মীয় অনুষ্ঠানৰ লগতো জড়িত আছিল। তাৰ ভিতৰত জাগীৰোড বাৰোৱাৰী দুৰ্গা পূজা সমিতিত কেইবাবাৰো সম্পাদক হিচাবে কাৰ্য্যনিৰ্বাহ কৰিছিল আৰু গণেশ মন্দিৰ পৰিচালনা সমিতিৰো সম্পাদকৰ দায়িত্ব পালন কৰিছিল।

তেওঁ ৩৪ বছৰীয়া চাকৰিৰ কাৰ্য্যকালত অতি নিয়ম শৃংখলাৰে মাজেদি কাৰ্য্যালয়ৰ কামবোৰ পৰিচালনা কৰিছিল। শৃংখলা ভঙ্গ কৰা ব্যক্তিক তেওঁ কঠোৰ ভাষা প্ৰয়োগ কৰিবলৈও কুণ্ঠাবোধ কৰা নাছিল। এনেবোৰ কাৰণত বহুতৰে অপ্ৰিয়ও হৈছিল তেওঁ।

কৰ্কতৰোগ, ই অতি দুৰাৰোগ্য ৰোগ। আজি প্ৰায় ৩ বছৰ ধৰি তেওঁ এই ৰোগৰ লগত যুঁজি অৱশেষত যোৱা ইং ০৩-১২-২০১৩ তাৰিখে পৰাজিত হয়। এই পৰাজয় তেওঁৰ পত্নী আৰু একমাত্ৰ কন্যাৰ বাবে অপুৰণ ক্ষতি, যিটো ক্ষতি কোনো দিনেই পূৰ নহ'ব। এয়াই হ'ল মায়াময় সংসাৰৰ কথা। শৰীৰ থাকিলে ৰোগ হ'বই, ৰোগ হ'লে শৰীৰ নষ্ট হ'বই, নষ্ট হোৱা শৰীৰত জীৱই থাকিবলৈ ভাল নেপাবই। গতিকে, মানৱ জীৱনৰ সাফল্যতা কেৱল জীৱন্ত কালৰ কৰ্মৰ জড়িয়তেহে হয়। সেয়ে কৰ্মৰ জড়িয়তে মানুহ মৰিও অমৰ হয়।

এই ক্ষুদ্ৰ লেখাটিৰেই স্বৰ্গীয় বৰদলৈৰ বিদেহী আত্মাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি আগবঢ়ালোঁ।

■

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



**(২০১২ - ১৩) বৰ্ষ**

জয় জয়তে যিসকল বৰেণ্য ব্যক্তিৰ মহান ত্যাগৰ বিনিময়ত 'জাগীৰোড মহাবিদ্যালয়' প্ৰতিষ্ঠা হৈছে তেখেতসকলক শ্ৰদ্ধাৰে সোঁৱৰাৰ লগতে মহাবিদ্যালয়খনিৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকাসকল, কৰ্মচাৰীবৃন্দ সকলোলৈকে মোৰ আন্তৰিক শ্ৰদ্ধা তথা সন্মান জ্ঞাপন কৰিলো। ইয়াৰ লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, মোৰ অগ্ৰজ, অনুজ তথা বন্ধু-বান্ধৱী সকলোলৈকে মোৰ হিয়াভৰা ওলগ জনালো।

জাগীৰোড মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ এগৰাকী সদস্যা হৈ মহাবিদ্যালয়খনিৰ উন্নতিত ছাত্ৰ সমাজৰ পৰা যথাসাধ্য প্ৰচেষ্টা আগবঢ়োৱাটো মোৰ এক সপোন আছিল। সেই সপোন পূৰণ হৈছিল সেইদিনা যিদিনা সাধাৰণ সম্পাদক পদটোৰ বাবে আমি মনোনয়ন পাইছিলো। মহাবিদ্যালয় কৰ্তৃপক্ষই মোৰ ওপৰত দেখুওৱা এই কণ আস্থাৰ বাবে মই তেখেতসকলৰ ওচৰত চিৰ কৃতজ্ঞ।

মনত অদম্য উৎসাহ লৈ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত মোৰ প্ৰথম পদক্ষেপ আছিল ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াকে একগোট কৰি লৈ মহাবিদ্যালয় সপ্তাহটি সুচাৰুৰূপে পৰিচালনা কৰা। এই ক্ষেত্ৰত মই পৰম শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় আৰু শিক্ষক তত্বাৱধায়ক সকলৰ সহযোগিতা লাভ কৰিছিলো। মহাবিদ্যালয় সপ্তাহত সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণৰ ফলত সকলো কাৰ্যসূচী সফলতাৰে সম্পন্ন হৈছিল। বঁটা বিতৰণী অনুষ্ঠানত সকলোৰে পৰিচিত সাহিত্যিক তথা লেখক ডাঃ অঞ্জনজ্যোতি চৌধুৰীদেৱ মুখ্য অতিথি হিচাপে আমন্ত্ৰিত হৈছিল। তেখেতৰ উপস্থিতিয়ে সকলোকে উৎসাহ জনোৱাৰ লগতে সভাৰ সৌষ্ঠৱো বৃদ্ধি কৰিছিল।

এইবাৰো নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে আদৰণি জনোৱাৰ উদ্দেশ্যে যোৱা ২২ আগষ্ট তাৰিখে আদৰণি সভাখনি অনুষ্ঠিত কৰা হৈছিল। এই সভাৰ বিশিষ্ট অতিথিৰূপে আমাৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ মাননীয় শ্ৰীযুত মহেন্দ্ৰ আহোম চাৰ আৰু মুখ্য অতিথিৰূপে অসমৰ এজন সুযোগ্য সন্তান - উদ্ভাৱক বিজ্ঞানী শ্ৰীযুত উদ্ধৱ চন্দ্ৰ ভৰালীদেৱ উপস্থিত থাকে। তেখেতসকলৰ বহুমূলীয়া ভাষণে সকলো ছাত্ৰ-ছাত্ৰীকে অনুপ্ৰাণিত কৰে। ইমান ব্যস্ততাৰ মাজতো যে তেওঁলোকে আমাৰ আমন্ত্ৰণ ৰক্ষা কৰিলে তাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলো। সভাৰ অন্তত সকলোৰে বাবে সাংস্কৃতিক কাৰ্যক্ৰমৰো আয়োজন কৰা হয়। এই বছৰতে আমাৰ মহাবিদ্যালয়ত বাণিজ্য শাখাৰ শুভাৰম্ভ কৰা হৈছে। তাৰোপৰি মহাবিদ্যালয়ৰ শান্তি শৃংখলা তথা অনুশাসনৰ প্ৰতি লক্ষ্য ৰাখি ইলেক্ট্ৰনিক কেমেৰাৰো ব্যৱস্থা কৰা হৈছে।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সৰ্বাঙ্গীন বিকাশৰ বাবে এইবাৰ গ্ৰীষ্ম বন্ধত অধ্যক্ষ মহোদয়ৰ প্ৰচেষ্টাত ছাত্ৰীৰ বাবে আত্ম প্ৰতিৰক্ষা শিবিৰ (Self Defence Course) আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ব্যক্তিত্ব বিকাশ বৰ্ধন শিবিৰ (Personality Development Camp) ৰো ব্যৱস্থা কৰা হৈছিল যাৰ দ্বাৰা সকলো ছাত্ৰ-ছাত্ৰীয়ে বিশেষভাৱে লাভান্বিত হৈছিল। আমাৰ কাৰণে আৰু এটা গৌৰৱৰ বিষয় যে এইবাৰৰ স্বাধীনতা দিৱসত আমাৰ মহাবিদ্যালয়ৰ এন.চি.চি. দলে সৰ্বশ্ৰেষ্ঠ দলৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল।

আমাৰ কাৰ্যকালৰ ভিতৰতেই যোৱা ২০ আৰু ২১ চেপ্তেম্বৰ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে "সদৌ অসম কলেজ কৰ্মচাৰী সন্থা"ৰ অষ্টম বাৰ্ষিক অধিৱেশনখনি আমাৰ কলেজতে অনুষ্ঠিত হৈছিল। অধিৱেশনৰ প্ৰতিটো কাৰ্যসূচীয়েই বৰ সুন্দৰকৈ ৰূপায়িত হৈছিল। দ্বিতীয় দিনাৰ প্ৰথম কাৰ্যসূচী "স্মৃতি তৰ্পণ"ত মোক তৰ্পক হিচাপে আমন্ত্ৰিত কৰাৰ বাবে মই তেওঁলোকৰ ওচৰত চিৰ কৃতজ্ঞ।

সময় গতিশীল। সময়ক বাধা দি ৰাখিব নোৱাৰি। গতিকে হৃদয়ত বহু কাম কৰাৰ আশা থকা স্বত্বেও যেন তাক বাস্তৱত ৰূপায়িত কৰিব নোৱাৰিলো। অতি সোনকালেই এবছৰৰ কাৰ্যকালৰ অন্ত কৰা যেন অনুভৱ হ'ল। বহু কাম আধৰুৱা হৈ

থাকিল। আমাৰ এই আধৰুৱা কাম তথা সপোনসমূহ সম্পূৰ্ণ কৰাৰ দায়িত্ব মই পৰৱতী ছাত্ৰ একতা সভাক অৰ্পণ কৰিলো। মোৰ বিশ্বাস, তেওঁলোকে এই দায়িত্ব সমূহ সুচাৰুৰূপে পালন কৰিব।

মোৰ কাৰ্যকালৰ আটাইতকৈ দুখ লগা ঘটনাটি হ'ল আমাৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভাপতি শ্ৰদ্ধাৰ নন্দলাল উপাধ্যায়দেৱৰ মৃত্যু। অতি কম দিনৰ ভিতৰতে তেখেতৰ স'তে এটা বৰ সুন্দৰ আত্মীয় সম্পৰ্ক গঢ় লৈ উঠিছিল। সেয়েহে তেখেতৰ মৃত্যুৰ বাতৰিয়ে মনত বৰকৈ আঘাত দিছিল। তেখেতৰ মৃত্যুৱে যি এক শূন্যতাৰ সৃষ্টি কৰিলে সেই স্থান হয়তো কোনো কালেই পূৰণ নহ'ব।

শেষত মোৰ কাৰ্যকালত বিভিন্ন দিহা-পৰামৰ্শ দি সহায় কৰাৰ কাৰণে অধ্যক্ষ মহোদয় ড° ভৱেন চন্দ্ৰ নেওগ চাৰ, শিক্ষক তত্ত্বাৱধায়ক ঃ মুনীন্দ্ৰ তহবিলদাৰ চাৰ, মলয়া গোস্বামী বাইদেউ, ড° দীপকজ্যোতি বৰুৱা চাৰ, পবন গগৈ চাৰ, ৰঞ্জু গগৈ বাইদেউ, বিশ্বজ্যোতি চেতিয়া চাৰ, ৰাতুমণি দাস চাৰ, পৰাণ মহন্ত চাৰ, চুমু গগৈ চাৰৰ ওচৰত মই চিৰ কৃতজ্ঞ। লগতে, বিভিন্ন কাৰ্যত মোক বিশেষভাৱে সহায় কৰা ছাত্ৰ একতা সভাৰ সকলো সদস্য, মোৰ বন্ধু-বান্ধৱী, দাদা-বাইদেউ, ভাইটি-ভন্টিসকলোলৈকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। তদুপৰি, মোৰ কাৰ্যকালৰ সময়ছোৱাত অজ্ঞাতে যিবোৰ ভুল ক্ৰুটি হ'ল তাৰ বাবে এই সুযোগতে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

সৰ্বশেষত, জাগীৰোড মহাবিদ্যালয়ৰ নাম, যশস্যা সদায় অটুট থাকক তাকে কামনা কৰাৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি পুনৰবাৰ জাগীৰোড মহাবিদ্যালয়ৰ পৰিয়ালৰ সকলো সদস্যলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাই মোৰ প্ৰতিবেদন ইমানতেই সামৰণি মাৰিলো।

"জয় জাগীৰোড মহাবিদ্যালয়"

ধন্যবাদেৰে -

**অংকুৰিমা শৰ্মা**

সাধাৰণ সম্পাদক



# গুৰু বিষয়ৰ খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

**(২০১২ - ১৩) বৰ্ষ**

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান সমাজ সেৱকৰ ত্যাগ আৰু কষ্টৰ বিনিময়ত এই জ্ঞান মন্দিৰ জাগীৰোড মহাবিদ্যালয় খনি গঢ় লৈ উঠিলে সেইসকল মহান ব্যক্তিলৈ শ্ৰদ্ধা জনালোঁ। লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া তত্ত্বাৱধায়ক আৰু মোৰ পূজনীয় অধ্যক্ষ মহোদয়ৰ লগতে অধ্যাপক-অধ্যপিকা সকলোলৈকে আন্তৰিক শ্ৰদ্ধা জনালোঁ আৰু সমূহ ন-পুৰণি ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধবলৈ মোৰ আন্তৰিক অভিনন্দন জনালোঁ।

মই যোৱা ২০১৩ বৰ্ষৰ ২৮ জানুৱাৰী তাৰিখে কাৰ্যভাৰ গ্ৰহণ কৰিছিলোঁ। দায়িত্ব গ্ৰহণ কৰিয়েই মহাবিদ্যালয় সপ্তাহ পৰিচালনা কৰিব লগা হৈছিল। ছাত্ৰ-ছাত্ৰীৰ বাবে বিভিন্ন ধৰণৰ খেল পতাৰ উপৰিও ছাৰসকল আৰু ছাত্ৰ একতা সভাৰ সদস্যসকলৰ মাজত এখন ক্ৰিকেট খেল অনুষ্ঠিত কৰিছিলোঁ। মই নিজৰ বিভাগৰ খেল সমূহ পৰিচালনা কৰাৰ উপৰিও ছাত্ৰ জিৰণী কোঠা আৰু ছাত্ৰী জিৰণী কোঠাৰ খেল সমূহো পৰিচালনা কৰিছিলোঁ। মহাবিদ্যালয় সপ্তাহৰ গুৰু বিষয়ৰ খেলসমূহ অতি সুচাৰুৰূপে পৰিচালনা কৰিছিলোঁ।

মই এই নিজৰ গোটেই কাৰ্যকাল হাঁহি-ধেমালি আৰু অতি আনন্দৰে পাৰ কৰিছিলোঁ। সৰস্বতী পূজা আৰু নৱাগত আদৰণি সভা আমি গোটেই সদস্য সকলে অতি সুচাৰুৰূপে পৰিচালনা কৰিছিলোঁ।

বছৰটোৰ বিভিন্ন কাৰ্যত সু-পৰামৰ্শ প্ৰদান কৰি বিশেষভাৱে সহায় কৰে গুৰু বিষয়ৰ খেলৰ তত্ত্বাৱধায়ক শ্ৰীযুত বিশ্বজ্যোতি চেতিয়া আৰু শ্ৰীযুত ৰাতুমণি দাসছাৰে। এখেতসকল দুজনৰ তত্ত্বাৱধানত মহাবিদ্যালয়ৰ এটা ফুটবল দল গঠন কৰা হৈছিল। এই দলটোৱে বিভিন্ন ঠাইত গৈ ভাল খেল প্ৰদৰ্শন কৰিছিল। এখেতসকল দুয়োগৰাকী ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মোৰ কাৰ্যকাল ছোৱাত মোক বিভিন্ন ধৰণে সহায় কৰা মোৰ বন্ধুসকল হ'ল ৰাজদ্বীপ ৰয়, মনদিপ তামাং, অভয় আনন্দ টণাটী, সৌৰভ গোস্বামী, অমিত সৰকাৰ, পৰিক্ষীত মোদক, জ্যোতিপ্ৰসাদ বিশ্বাস আদি কৰি সমূহ শুভকাংক্ষীলৈ মৰম আৰু কৃতজ্ঞতা যাচিলোঁ।

জয়তু জাগীৰোড মহাবিদ্যালয়

**অতুল দাস**

সম্পাদক, গুৰু বিষয়ৰ খেল

# সম্পাদকীয় প্ৰতিবেদন ঃ সাংস্কৃতিক বিভাগ



(২০১২ - ১৩) বৰ্ষ

প্ৰতিবেদনৰ আৰম্ভণিতে শ্ৰদ্ধাৰে অধ্যক্ষ মহোদয় সমন্বিতে আমাৰ পৰম পূজনীয় শিক্ষাগুৰু সকললৈ ভক্তিভৰা সেৱা আগবঢ়ালো। এই বছৰ সাংস্কৃতিক সম্পাদক হিচাপে নিৰ্বাচন কৰি সাংস্কৃতিক বিভাগৰ সেৱা আগবঢ়াবলৈ দিয়াৰ বাবে প্ৰতিবেদনৰ আৰম্ভণিতে সকলোলৈকে আমাৰ কৃতজ্ঞতা তথা আন্তৰিক ধন্যবাদ জনালোঁ।

জাগীৰোড মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে আমি কাৰ্যভাৰ গ্ৰহণ কৰো ইং ২০১৩ বৰ্ষৰ জানুৱাৰী মাহৰ ২৪ তাৰিখে। আমাৰ কাৰ্যকালত সম্পাদিত হোৱা কাৰ্যসূচী সমূহৰ বিষয়ে অৱগত কৰিবলৈ এই প্ৰতিবেদন প্ৰকাশ কৰিলো।

**মহাবিদ্যালয় সপ্তাহ ঃ**

বছৰটোৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিযোগিতাৰ আৰু প্ৰতিভা বিকাশৰ উৎসৱ মহাবিদ্যালয় সপ্তাহ। উক্ত মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক শিতানত আমি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। মুকলি সভাৰ দিনাই পুৰা বঁটা বিতৰণ কৰা হয় আৰু সন্ধিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিবেশনত নৃত্য আৰু সংগীতৰ আয়োজন কৰা হয়।

**গ্ৰীষ্মকালীন শিবিৰ ঃ**

জুলাই মাহৰ বন্ধৰ দিন কেইটাত সাংস্কৃতিক বিভাগৰ তৰফৰ পৰা কেৱল ছোৱালীৰ বাবে 'Self Defence Training Camp'ৰ আয়োজন কৰা হয়। এই শিবিৰত মই নিজেও অংশগ্ৰহণ কৰিছিলো আৰু ইয়াত প্ৰশিক্ষণ দিছিল মৰিগাঁও কেৰাটে' সন্থাৰ এগৰাকী উচ্চ পৰ্য্যায়ৰ প্ৰশিক্ষক ঃ মানস কুমাৰ নাথ ছাৰে। এই শিবিৰত বহু সংখ্যক ছাত্ৰীয়ে অংশগ্ৰহণ কৰাৰ লগতে বিভিন্ন বিষয়ত উন্নত প্ৰদৰ্শন দেখুৱাৰ ফলত অধ্যক্ষ মহোদয়ে আমাক এই শিক্ষা অবিৰত ৰাখিবলৈ অনুমতি প্ৰদান কৰে।

**নৱাগত আদৰণি অনুষ্ঠান ঃ**

বিগত বছৰৰ দৰে ইং ২০১২-১৩ বৰ্ষটোত আমাৰ মহাবিদ্যালয়লৈ অহা নতুন ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱাৰ উদ্দেশ্যেৰে এখনি আদৰণি সভা আৰু লগতে সাংস্কৃতিক অনুষ্ঠান এটিৰো আয়োজন কৰা হয়। নৱাগত আদৰণি সভাৰ অনুষ্ঠানত মুখ্য অতিথিৰ আসন অলংকৃত কৰে প্ৰখ্যাত আৱিষ্কাৰক প্ৰযুক্তিবিদ শ্ৰীযুত উদ্ধৱ ভৰালীদেৱে। তেখেতলৈ আগবঢ়ালো আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা।

**সদৌ অসম কলেজ কৰ্মচাৰী সংস্থাৰ অভিবৰ্তন ঃ**

আমাৰ কাৰ্যকালতেই মহাবিদ্যালয় কলেজ কৰ্মচাৰী সংস্থাৰ উদ্যোগত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী তথা স্থানীয় ৰাইজৰ সহযোগত এই বছৰ অনুষ্ঠিত হৈ যায় সদৌ অসম কলেজ কৰ্মচাৰী সংস্থাৰ অভিবৰ্তনখনি। অনুষ্ঠানটি সফলতাৰে আয়োজন কৰাৰ ক্ষেত্ৰত আমি ছাত্ৰ-ছাত্ৰীসকলেও বিশেষ অৰিহণা আগবঢ়াওঁ। হাতে-কামে লাগি অভিবৰ্তনখনি সফলতাৰ বাবে অহোপুৰুষাৰ্থ কৰোঁ। ইয়াৰ সাংস্কৃতিক অনুষ্ঠানতো আমাৰ ছাত্ৰ-ছাত্ৰীসকলে গীত-মাত পৰিবেশন কৰি অনুষ্ঠানৰ সাফল্যত বৰঙণি যোগায়।

**কৃতজ্ঞতা জ্ঞাপন ঃ**

বছৰটোৰ এই প্ৰধান কাৰ্যসূচী সমূহৰ উপৰিও আন আন বিভিন্ন কাৰ্যসূচীবো সফল ৰূপায়নত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে আমাক বিশেষভাৱে সহায় কৰে। এইখিনিতে সাংস্কৃতিক বিভাগৰ তত্বাৱধায়ক শিক্ষাবিভাগৰ অধ্যাপক শ্ৰীযুত পবন চন্দ্ৰ গগৈদেৱ আৰু পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক শ্ৰীযুত লভিতা শৰ্মা বাইদেউলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

গ্ৰীষ্মকালীন শিবিৰত আত্মৰক্ষা কৌশল সম্পৰ্কীয় প্ৰশিক্ষণ আগবঢ়াই আমাৰ আত্মবিশ্বাস বঢ়োৱাত সহায় কৰা বাবে শ্ৰীযুত মানস কুমাৰ নাথদেৱক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

আমাৰ বিভিন্ন কামকাজত সততে সহায়ৰ হাত আগবঢ়োৱা ছাত্ৰ-বন্ধুসকল, ছাত্ৰ একতা সভাৰ সমূহ সদস্যবৃন্দলৈ আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

আমাৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগ চাৰৰ সুপৰামৰ্শ আৰু সহযোগিতাৰ বাবেও তেখেতৰ ওচৰত আমি কৃতজ্ঞ হৈ ৰ'লো।

**সামৰণি ঃ**

শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল ত্ৰুটি সমূহৰ বাবে ক্ষমা বিচাৰিছো। জাগীৰোড মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰি এই মহাবিদ্যালয়ৰ বুকুত ভৱিষ্যতেও ছাত্ৰ-ছাত্ৰীসকলে নিজস্ব প্ৰতিভা বিকাশেৰে সমাজলৈ অৱদান আগবঢ়াব পাৰিব বুলি আশা কৰি তেওঁলোকলৈ শুভেচ্ছা যাচিলোঁ।

"জয়তু জাগীৰোড মহাবিদ্যালয়"

"জয়তু জাগীৰোড মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"

**আল্পনা ৰায়**

সম্পাদক, সাংস্কৃতিক বিভাগ

## সাহিত্য আৰু তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

**(২০১২ - ১৩) বৰ্ষ**



জয় জয়তে পৰমপিতা পৰমেশ্বৰৰ চৰণ চিন্তি ২০১২-১৩ বৰ্ষৰ জাগীৰোড মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ নিৰ্বাচনত মোক এগৰাকী সম্পাদক হিচাপে নিৰ্বাচন কৰা মহাবিদ্যালয়ৰ দাদা-বাইদেউ, বন্ধু-বান্ধৱী আৰু ভাইটি-ভণ্টি সকললৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো। এই মহান অনুষ্ঠানটিৰ ছাত্ৰ-একতা সভাৰ 'সাহিত্য আৰু তৰ্ক' বিবাগৰ সম্পাদক পদবীত মোৰ দৰে অভাজনক সেৱা আগবঢ়োৱাৰ যি সুবিধা দিলে তাৰ বাবে মই আমাৰ অধ্যক্ষ মহোদয়ৰ লগতে সমূহ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ। এনে মহান আৰু গধুৰ দায়িত্ব এটা সুকলমে সমাপন কৰাৰ ক্ষেত্ৰত এই অভাগা কিমানদূৰ সফল হলো সেয়া আপোনালোকৰ বিচাৰ্য্য।

যিসকল মহান মণিষীৰ অক্লান্ত শ্ৰম, চেষ্টা আৰু নিঃস্বাৰ্থ ত্যাগৰ ফলত তাহানিৰ কপিলি আঞ্চলিক মহাবিদ্যালয়খনিয়ে বৰ্তমানৰ অৱস্থা পাইছেহি সেই সকল মণিষীলৈ শ্ৰদ্ধাৰ্ঘ আগবঢ়াইছোঁ আৰু নন্দলাল উপাধ্যায়, ড° জেৌতৈৰ্মিয় দাসচৌধুৰী সমন্বিতে যিসকলে ইহ সংসাৰ ত্যাগ কৰিছে তেওঁলোকক শ্ৰদ্ধাৰে সুৰৰিছো আৰু বিদেহী আত্মাৰ চিৰশান্তিৰ বাবে 'ভগবানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

বৰ্তমান যুগত যুক্তি আৰু তথ্য ভিত্তিক তৰ্কই সমাজনীতি, ৰাজনীতি অথবা অন্যান্য ক্ষেত্ৰত কোনো বিষয়ৰ সত্যতা নিৰূপণ কৰে। প্ৰতিটো বিষয়ৰ ওপৰত ভিন্নজনৰ ভিন্ন মত বা ধাৰণা থাকে। গণতান্ত্ৰিক মূল্য বোধেৰে পৰিচালিত এই সমাজত বাক্ স্বাধীনতাৰ আলমত যুক্তি আৰু তথ্যৰ দ্বাৰা কোনো এটা বিষয়ৰ সত্যতা নিৰূপণ কৰা হয়। আনহাতে সকলো পিতৃ-মাতৃৰে আশা নিজ সন্তানে উচ্চ শিক্ষা লাভ কৰি হাকিম, মুন্সিফ হ'ব; ডাক্তৰ-ইঞ্জিনীয়াৰ আদি উচ্চ পদবী চৰকাৰী বিষয়া হৈ বংশৰ মুখ উজ্বল কৰিব তথা কুলৰ বন্তি হ'ব। কিন্তু বৰ্তমান সমাজত সামাজিক উচ্ছৃংখলতা এনে এক প্ৰকাৰৰ মাৰাত্মক ব্যাধি যাৰ নাম শুনিলেই প্ৰতিজন সচেতন অভিভাৱক, নাগৰিক শংকিত হৈ পৰে। আমাৰ মাজত যিমান তথা কথিত আধুনিকতাৰ পৰশ পৰিছে সিমানে সামাজিক উচ্ছৃংখলতা ভয়াবহভাবে বাঢ়িব ধৰিছে। যৌতুকজনিত সমস্যা, হত্যা-হিংসা, ধৰ্ষণ আদি ঘটনাবোৰে আমাৰ নিদ্ৰাহৰণ কৰিব ধৰিছে। এই ব্যাধিবোৰ দূৰ কৰিবলৈ সাহিত্য সংস্কৃতিৰ অত্যন্ত প্ৰয়োজন। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগত প্ৰতিজন ব্যক্তিয়ে সাহিত্যক বাদ দি কেৱল বিজ্ঞানকহে আদৰি লোৱা দেখা যায়। যাৰ ফলত সমাজত নানা বিশৃংখলতাই দেখা দিছে। সেয়েহে সমাজত প্ৰতিজন ব্যক্তি আৰু ছাত্ৰ ছাত্ৰী সাহিত্য চৰ্চাত ব্ৰতি হ'ব লাগিব আৰু পশ্চিমীয়া সংস্কৃতিৰে অত্যাধিক প্ৰভাবিত নহৈ নিজৰ সংস্কৃতি অটুট ৰখাৰ বাবে যত্নপৰ হ'ব লাগিব।

মৰমৰ বন্ধু, ভাই-ভনীসকল বুকুত অদম্য হেপাহ আৰু আশালৈ শপত গ্ৰহণ কৰিছিলো ছাত্ৰ একতা সভাৰ এগৰাকী সম্পাদক হিচাপে। তেতিয়াই প্ৰতিজ্ঞাবদ্ধ হৈছিলো মোৰ কাৰ্যকালতে এখনি সদৌ অসম ভিত্তিক প্ৰতিযোগিতা অনুষ্ঠিত কৰিম বুলি। কিন্তু কথাতে কয় ভবা কথা নহয় সিদ্ধি বাটত আছে কণা বিধি। মোৰ ক্ষেত্ৰতো তেনে হ'ল। কিছু অসুবিধা আৰু মহাবিদ্যালয়ৰ ব্যস্ত কাৰ্যসূচীৰ বাবে সেয়া সম্ভৱ নহলগৈ। আশা কৰো নৱ-গঠিত ছাত্ৰ একতা সভাই এই সপোন পূৰ্ণ কৰিব।

জাগীৰোড মহাবিদ্যালয়ৰ ইতিহাসত প্ৰথমবাৰৰ বাবে সাধাৰণ সম্পাদক পদত এগৰাকী ছোৱালীৰে সৈতে নৱ-গঠিত ছাত্ৰ একতা সভাক কাৰ্যভাৰ অৰ্পণ কৰা হৈছিল যোৱা ইং ২৮-০১-১৩ তাৰিখে আৰু পিছ দিনাখনৰে পৰা আৰম্ভ হৈছিল ২০১৩ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ। আমাৰ হাতত সময় আৰু অভিজ্ঞতা দুয়োটাৰে অভাৱ আছিল। তথাপিতো অধ্যক্ষ মহোদয়ৰ অনুপ্ৰেৰণা, তত্বাৱধায়কসকলৰ সু-পৰামৰ্শ সহযোগিতা আৰু বন্ধুবৰ্গৰ উৎসাহ উদ্দীপনাৰে নিজকে প্ৰস্তুত কৰি তুলিছিলো মহাবিদ্যালয় সপ্তাহটি চলাই নিবৰ বাবে। পাঁচ দিনীয়া কাৰ্যসূচীৰে আয়োজিত মহাবিদ্যালয় সপ্তাহ ঈশ্বৰৰ কৃপা আৰু সকলোৰে পূৰ্ণ সহযোগিতাত সুকলমে পাৰ হ'ল। আমি 'সাহিত্য আৰু তৰ্ক' বিভাগে অনুষ্ঠিত

কৰা বিভিন্ন প্ৰতিযোগিতা সমূহৰ ভিতৰত কুইজ, তৰ্ক, বক্তৃতা কবিতা আবৃত্তি (অসমীয়া, বাংলা, হিন্দী আৰু ইংৰাজী), বাতৰি পঢ়া (অসমীয়া আৰু ইংৰাজী), থিতাতে লিখা কবিতা, গল্প আৰু ৰচনা প্ৰতিযোগিতা,চিত্ৰাঙ্কন প্ৰতিযোগিতা আদি প্ৰধান আছিলে। ইয়াৰ উপৰি 'Back to the Blackboard' আৰু 'Guessing Game' নামৰ দুটি বৰ আমোদজনক প্ৰতিযোগিতাও অনুষ্ঠিত কৰিছিলোঁ। প্ৰতিটো প্ৰতিযোগিতাতে ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় অংশগ্ৰহণে মোক উৎসাহিত কৰি তুলিছিল। ইয়াৰ বাহিৰে আমাৰ বিভাগৰ অন্যান্য কাৰ্যসূচীৰ ভিতৰত ৰাভা দিৱস উদ্‌যাপন, গান্ধী জয়ন্তী পালন আদি প্ৰধান আছিল। এইবোৰত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ আৰু সকলোতে ছাত্ৰ-ছাত্ৰীয়ে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। স্বামী বিবেকানন্দৰ সাৰ্ধশতী সমাৰোহ সমিতিৰ দ্বাৰা আয়োজিত ৰচনা প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ভালে সংখ্যক ছাত্ৰ-ছাত্ৰীক যোগদান কৰাইছিলো আৰু মই নিজেও ইয়াত ভাগ লৈছিলো।

মহাবিদ্যালয়খনিৰ প্ৰতিষ্ঠা কালৰে পৰা মহাবিদ্যালয়ৰ লগত জড়িত থকা তথা সুখ-দুখৰ সমভাগী হোৱা শ্ৰদ্ধাৰ ৰাজু বাইদেউৰে আমাৰ কাৰ্যকালতে অৱসৰ গ্ৰহণ কৰিলে। মই তেওঁৰ সুস্বাস্থ্য কামনা কৰিলো।

মোৰ কাৰ্যকালত প্ৰতিটো পদক্ষেপতে আন্তৰিকতাৰে দিহা পৰামৰ্শৰ লগতে সহায় সহযোগিতা আগবঢ়োৱা আমাৰ শ্ৰদ্ধাৰ অধ্যক্ষ ড° নেওগ ছাৰ, 'সাহিত্য আৰু তৰ্ক' বিভাগৰ তত্ত্বাবধায়কদ্বয় শ্ৰদ্ধাৰ ৰঞ্জু বাইদেউ আৰু পংকজ শৰ্মা ছাৰ, ইংৰাজী বিভাগৰ ড°বৰুৱা ছাৰ, শিক্ষা বিভাগৰ মলয়া বাইদেউ, TMT বিভাগৰ উমে বাইদেউ, নিকুদা আৰু লগতে সকলো শিক্ষক-কৰ্মচাৰীৰ ওচৰত মই চিৰ কৃতজ্ঞ। মোৰ কাৰ্যকালত ছাঁৰ দৰে থাকি সকলো সময়তে সহায়ৰ হাত আগবঢ়োৱা বন্ধু বৰ্গৰ লগত ছাত্ৰ একতা সভাৰ সদস্যবৃন্দলৈ মই মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মই মোৰ কাৰ্যকালত অজানিতে কৰা ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা কৰিছো। নৱ-গঠিত ছাত্ৰ একতা সভালৈ মই আন্তৰিক অভিনন্দন জনাইছো আৰু জাগীৰোড মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি শাস্ত্ৰৰ ভাষাৰেই প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

"সাহিত্য সংগীতঃ কলা বিহীনঃ।
সাক্ষাৎ পশু পুচ্ছ বিহান্নঃ হীন।।

জয়তু জাগীৰোড মহাবিদ্যালয়
জয়তু জননী

**লোকেশ দাস**
সম্পাদক, সাহিত্য আৰু তৰ্ক বিভাগ

# সমাজ সেৱা সম্পাদকৰ প্ৰতিবেদন

**(২০১২ - ১৩) বৰ্ষ**



জয় জয়তে জাগীৰোড মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় আৰু অধ্যাপক-অধ্যাপিকা সকলোলৈকে মোৰ সশ্ৰদ্ধ প্ৰণিপাত নিবেদিলোঁ। ২০১২-২০১৩ বৰ্ষৰ বাবে আমাক ছাত্ৰ একতা সভাৰ "সমাজ সেৱা" সম্পাদকৰ পদবীৰ বাবে মনোনীত কৰাৰ বাবে অধ্যক্ষ মহোদয়ক আৰু লগতে এই বিষয়ত সহাঁৰি আগবঢ়োৱাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী আৰু ছাত্ৰ একতা সভাৰ সমূহ কাৰ্যকৰ্তালৈ মোৰ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মই দায়িত্ব গ্ৰহণ কৰিয়েই মহাবিদ্যালয় সপ্তাহ উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত মহাবিদ্যালয়ৰ চৌহদটো আৰু শ্বহীদ বেদী পৰিষ্কাৰ কৰোঁ, সৰস্বতী পূজাৰ প্ৰসাদ বিতৰণ কাৰ্য্যত সহযোগিতা আগবঢ়াওঁ, আৰু সকলো কামত ছাত্ৰ একতা সভাৰ সদস্যসকলে সহায় আগবঢ়ায়। একেদৰে ময়ো প্ৰতিজন বিভাগীয় সম্পাদকৰ লগত থাকি বিভিন্ন অনুষ্ঠানত সহযোগ আগবঢ়াইছিলোঁ। মোৰ কাৰ্যকালত বিভিন্ন দিশত সু-পৰামৰ্শৰে অনুপ্ৰাণিত কৰা মাননীয় অধ্যক্ষ মহোদয়, মোৰ তত্বাৱধায়ক চাৰৰ লগতে আন শিক্ষাগুৰু আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী বৃন্দলৈ কৃতজ্ঞতা জনালোঁ।

আমাৰ কাৰ্যকালত হোৱা ভুল ক্ৰুটিবোৰৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিছোঁ, লগতে মোৰ প্ৰতিটো আহ্বানলৈকে সহাঁৰি জনোৱা বাবে সকলো ছাত্ৰ-ছাত্ৰী আৰু ছাত্ৰ একতা সভাৰ সমূহ সদস্যকে ধন্যবাদ জনাইছোঁ। শেষত, জাগীৰোড মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে শিক্ষাগুৰু সকলোলৈকে মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। লগতে নৱ নিৰ্বাচিত ছাত্ৰ একতা সভাৰ সদস্য সকললৈকো হিয়াভৰা ওলগ যাচিলোঁ।

**সৌমেন সাহা**
সম্পাদক, সমাজ সেৱা

# Secretarial Report, Boys' common Room Secretary

*(College Students Union of 2012-13)*



At the very beginning, I would like to thank our honourable Principal and all the faculty members of the Jagiroad College for their valuable guidance and suggestion during all the important programmes organized by our body during the session 2012-2013. I would also like thank all the students who reposed such a confidence upon us.

During our session (2012-2013) of union body, I was fully guided by our Prof. -in-Charge Sumu Gogoi and Paran Mohanta.I specially thank them for their guidance. As the Secretary of the Boys' Common Room, I tried my best to perform all my responsibilities to the best satisfaction of all .Like every year, we organized the college week in our college with great fun fare.On this occasion we organized various types of games, cultural programmes, literary programmes. As one of the executive members, I offered full active cooperation in all respects on the occsion. I more particularly contributed my mite in organizing games like wresting and rope pulling where many students participated. Among the participants, shudrashan Gogoi secured the title of the Championship. Besides all this, I along with my firends, to whom I am deeply grateful, also rendered active cooperations in ceelebrating the Sarswati Puja and the Freshers' Social. To conclude, I would like to thank all the members of the "College Students' Union" for their valuablecontribution and support which they were generous enough to render wholeheartedly during my tenure.

May God shower all His blessings upon the Jagiroad College for its further growth, name and fame.

**Rajdeep Roy**

# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



**(২০১২ - ১৩) বৰ্ষ**

প্ৰতিবেদনৰ আৰম্ভণিতে মই জাগীৰোড মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° ভবেন চন্দ্ৰ নেওগ চাৰৰ লগতে মোৰ সমূহ পৰম পূজনীয় শিক্ষাগুৰুলৈ ভক্তি ভৰা প্ৰণিপাত জনাইছোঁ। লগতে ছাত্ৰ-একতা সভাৰ সমূহ বিষয়ববীয়া তথা সমূহ ন-পুৰণি ছাত্ৰ-ছাত্ৰীকে মোৰ আন্তৰিক অভিনন্দন জনালোঁ।

মই জাগীৰোড মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ সময়ত মোৰ অভিজ্ঞতাৰ অভাৱ আছিল যদিও মোৰ কাৰ্যকালৰ সকলোবোৰ কাম কৰিবলৈ চেষ্টা কৰিছিলো আৰু বহুতো কাম সফলতাৰে সম্পন্ন কৰিছিলো। তাৰ মাজতে যদি কিবা ভুল-ত্ৰুটি হৈছিল ক্ষমা কৰা যেন। মোৰ বন্ধু, দাদা বাইদেউ তথা চাৰ-বাইদেউ সকলৰ সহযোগত মহাবিদ্যালয় সপ্তাহৰ ছাত্ৰী জিৰণি কোঠাৰ সকলো খেল ভালদৰে পাতিছিলো। মই পতা খেলসমূহৰ ভিতৰত টেকেলী ভঙা, পাৰ-পানী, স্কিপিং, পাঞ্জা, মিউজিকেল চেয়াৰ আদিয়েই উল্লেখযোগ্য। টেকেলী ভঙা খেলত চাৰ-বাইদেউ সকলেও যোগদান কৰিছিল। ইয়াৰ উপৰিও মই আৰু কিছু সৰু সৰু খেল পাতিছিলো।

এই বছৰ প্ৰথমবাৰৰ বাবে ছাত্ৰী-জিৰণী কোঠাৰ উদ্যোগত 'অসম কলেজ কৰ্মচাৰী সন্থা'ৰ অষ্টম বাৰ্ষিক অভিৱৰ্তন উপলক্ষে 'কাঁচিয়লী' নামৰ প্ৰাচীৰ পত্ৰিকা এখনি উন্মোচন কৰা হয়। প্ৰাচীৰ পত্ৰিকাখনি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত মোৰ বন্ধু-বান্ধৱ তথা অসমীয়া বিভাগৰ অধ্যাপক শ্ৰী পংকজ শ্যাম চাৰে আমাৰ লগত থাকি আমাক যথেষ্ট খিনি সহায় কৰিছিল। তাৰ বাবে মই চাৰক অশেষ ধন্যবাদ জ্ঞাপন কৰিলো।

মোৰ এবছৰীয়া কাৰ্যকালত মই কৰা কেইটামান কামৰ বিষয়ে উল্লেখ কৰিলো। মোৰ কাৰ্যকালত মই মাননীয় অধ্যক্ষ মহোদয়ৰ ওচৰত আবেদন কৰি সাজ-পৰিসজ্জাৰ বাবে এটা সৰু কোঠা, দাপোন এখন, এখন কেৰমবৰ্ড, লুডু, দবা আদিৰ যোগাৰ কৰিলো।

শেষত, বছৰটোৰ সকলো কামতে মোক সেৱা আগবঢ়াবলৈ সুবিধা কৰি দিয়া মোৰ তত্বাৱধায়ক বাইদেউ উমে' কুলচুম ৰহমান আৰু বাইদেউ মণিকা তৰফদাৰলৈ আন্তৰিক ধন্যবাদ আগবঢ়ালোঁ।

মোৰ কাৰ্যকালত মোক বিভিন্ন ধৰণে সহায় কৰা বন্ধু-বান্ধৱী তথা মোৰ দাদা-বাইদেও সকলোকে অশেষ ধন্যবাদ জনালো। লগতে নৱ-গঠিত ছাত্ৰ-একতা সভালৈ মোৰ শুভেচ্ছা যাচি জাগীৰোড মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

জয়তু জাগীৰোড মহাবিদ্যালয়।

জয়তু জাগীৰোড মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**দিপান্বিতা দাস**

সম্পাদক, ছাত্ৰী জিৰণী কোঠা

The Jagiroad College NCC Unit was started in 1983 under the guidance of Captain Poban Ch. Gogoi. Since its inception under the Assam Battalion NCC Nagaon, it has been showing marks of excellence. At present, the Unit comprises of 50 Senior Division Boy and 25 Senior Wings Girl cadets. The Unit conducts its regular activities under CTO Amiya Sarma. A few Cadets of the NCC Unit have since secured job opportunities in the Indian Army. UO Damyenti Rajbenghshi got the rare chance of participating in the Republic Day Parade at New Delhi. More recently, the college NCC Unit has secured the First position in the Independence Day celebration held at the Morigaon District Level.







The College NCC Unit celebrated the NCC Day on 24th November 2013 at the college premises. On this occasion, a rally was taken out through the Jagiroad town.



This magazine has been published courtesy financial assistance provided by the Education Department of the Assam Government.
অসম চৰকাৰৰ আৰ্থিক অনুদানৰ ভিত্তিত জাগীৰোড মহাবিদ্যালয় আলোচনীৰ এই সংখ্যাটি প্ৰকাশ কৰা হৈছে।

Printed at Shri Ganesh Printers, Guwahati -781020, Ph.: 9707010889, 9864111659